পঞ্চম অধ্যায়

ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থসমূহৰ বিষয়ভিত্তিক বিশ্লেষণ

পঞ্চম অধ্যায়

ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থসমূহৰ বিষয়ভিত্তিক বিশ্লেষণ

ঊনবিংশ শতিকাত প্ৰকাশিত অসম সম্পৰ্কীয় গ্ৰন্থৰ সমীক্ষাত্মক অধ্যয়ন কৰিবলৈ যাওঁতে বাৰে বাৰে থমকি ৰ'ব লগা হৈছে। গ্ৰন্থসমূহৰ বিষয়ভিত্তিক বিভাজন কৰোঁতেও সঠিক সিদ্ধান্তলৈ আহিবলৈ একেই জটিলতাৰ সন্মুখীন হ'বলগীয়া হৈছে। বেছিভাগ গ্ৰন্থৰেই মূল কিতাপখন দুষ্প্ৰাপ্য হৈ পৰাত সেই গ্ৰন্থসমূহৰ বিৱৰণ বিভিন্ন গ্ৰন্থত কিদৰে উল্লেখ আছে তাক সূক্ষ্মদৃষ্টিৰে পৰ্যবেক্ষণ কৰিবলগীয়া হৈছে। এইদৰে পৰ্যবেক্ষণ কৰিবলৈ যাওঁতে একেখন গ্ৰন্থৰ বিৱৰণ ভিন্ন ধৰণেও পোৱা গৈছে। এই অধ্যায়ত সন্নিৱিষ্ট কৰিব খোজা গ্ৰন্থসমূহৰ কিছু গ্ৰন্থ কেবাটাও বিষয়ত অন্তৰ্ভুক্ত কৰাৰ থল থকাৰ বিপৰীতে কিছু গ্ৰন্থ কোন বিষয়ত অন্তৰ্ভুক্ত কৰা হ'ব সেই লৈও বিপাঙত পৰিবলগীয়া হৈছে। তদুপৰি ২৬১ খন গ্ৰন্থ ঊনবিংশ শতিকাত প্ৰকাশিত হোৱাৰ তথ্য পোৱা গৈছে কিন্তু গ্ৰন্থসমূহ প্ৰকাশৰ কোনো চন তাৰিখৰ সম্ভেদ পোৱা নগ'ল। যিবোৰ গ্ৰন্থৰ কেৱল নাম আৰু লেখকৰ নামহে পোৱা গৈছে তেনেবোৰ গ্ৰন্থৰ নামটোৰ ওপৰত ভিত্তি কৰিয়েই কোনো এটা বিষয়ত অন্তৰ্ভুক্ত কৰিবলগীয়া হৈছে। বৰ্তমান আৰু ঊনবিংশ শতিকাৰ অসমৰ ভৌগোলিক পৰিসীমাৰ পাৰ্থক্যলৈ লক্ষ্য কৰিলে এই গৱেষণাৰ অন্তৰ্গত অসম মানেই অৰুণাচল, মণিপুৰ, মেঘালয়, ত্ৰিপুৰা, মিজোৰাম, নাগালেণ্ড, অসমক সামৰি বৰ অসম অৰ্থাৎ উত্তৰ-পূবক বুজোৱা হৈছে। বেছিভাগ ইংৰাজী গ্ৰন্থ আৰু লেখকৰ নামৰ উচ্চাৰণ বিভ্ৰান্তি হ'ব পাৰে বুলি ধাৰণা কৰি ইংৰাজী ভাষাতে ৰখা হৈছে। গ্ৰন্থসমূহৰ বিষয় বিভাজনৰ ক্ষেত্ৰত বিষয়সমূহ নিজৰ মতে আৰু গ্ৰন্থসমূহ প্ৰকাশৰ চন ক্ৰমানুসাৰে উল্লেখ কৰি বিৱৰণ লিখিবলৈ যত্ন কৰা হৈছে।

৫.০১. সনাতন ধৰ্মবিষয়ক গ্ৰন্থ

ঊনবিংশ শতিকাত ধৰ্ম বিষয়ক যথেষ্ট সংখ্যক গ্ৰন্থ প্ৰকাশ পাইছে যিবোৰে ধৰ্ম প্ৰচাৰ আৰু সমাজ সংস্কাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। এনে বিষয়ৰ গ্ৰন্থ *হৰ-গৌৰী বিলাস* লিখিছে ৰাজা ললিত সিংহই। কলিকতাৰ নিউ বেঙ্গলী প্ৰেছৰ পৰা ১৮৬৪ খ্ৰীঃত প্ৰকাশিত গ্ৰন্থখনে শিৱ পাৰ্বতীৰ জীৱনৰ

আধাৰত স্বামী ভক্তিৰ নিদৰ্শন দাঙি ধৰিছে। আধ্যাত্মিক পাঠ সংকলনৰে মুদ্ৰণ কৰি অসমীয়া ভাষাত প্ৰকাশ হৈছে *লীলামালা* গ্ৰন্থখন। শ্ৰীশ্ৰীআউনীআটি সত্ৰ, মাজুলীৰ দত্তদেৱ গোস্বামীয়ে ১৮৭১-৭২ খ্ৰীঃত প্ৰকাশ কৰা গ্ৰন্থখন শঙ্কৰদেৱৰ *কীৰ্ত্তনৰ* সাতোটা কীৰ্ত্তনযুক্ত *কৃষ্ণলীলা মালা*ৰ পৰা সংকলিত। ২৭ পৃষ্ঠাযুক্ত তিনি অনা মূল্যৰ পুথিখন ৮০০ কপি মুদ্ৰিত হৈছে।[১] বলৰাম শৰ্মা ফুকনে গদ্য আৰু পদ্যত লিখা *যোগ বাশিষ্ঠ* গ্ৰন্থখন মাজুলীৰ আউনীআটি সত্ৰৰ ছপাশালত ১৮৭২ খ্ৰীঃত মুদ্ৰিত হয়। ধৰ্ম বিষয়ক তত্ত্বজ্ঞানোদ্দীপক গ্ৰন্থখন ভৰদ্বাজ মুনিক মহৰ্ষি বাল্মীকিয়ে কোৱা কথাৰ আধাৰত ৰচিত।

দহটি খণ্ডত বিভক্ত ১০০৪ পৃষ্ঠাযুক্ত *কালিকা পুৰাণ*ৰ প্ৰথম খণ্ড প্ৰকাশ পায় ১৮৭৪ খ্ৰীঃত। মূল লিখক মহামুনি মাৰ্কণ্ডেয়। গ্ৰন্থখনৰ ভূমিকাত অনুবাদক দুৰ্গাচৰণ বন্দ্যোপাধ্যায়ে সংস্কৃত ভাষাত লিখা দুখন *কালিকা পুৰাণ* পোৱা বুলি উল্লেখ কৰিছে। এখন দেৱনাগৰী আৰু আনখন বাংলা লিপিত হাতেলিখা ৰূপত। দুয়োখন পুথিয়েই কলিকতাৰ সংস্কৃত কলেজৰ পুথিভঁৰালত আছে। *কালিকা পুৰাণৰ* 'ভূমিকা'ত ১০ টি খণ্ডত গ্ৰন্থখন প্ৰস্তুত কৰা বুলি লিখিছে। কলিকতাৰ প্ৰকাশক দয়ালচাঁদ সাবুই ৬৬ নং বিডন ষ্ট্ৰীটৰ বিডন যন্ত্ৰত গ্ৰন্থখন ছপা কৰে। অষ্টাদশ পুৰাণৰ ভিতৰত অন্যতম *কালিকা পুৰাণ*[২] গ্ৰন্থৰ ৯৩ টা অধ্যায়ত নৰকৰ জন্মৰ কাহিনীৰ পৰা দেৱী কামাখ্যাৰ প্ৰতি নৰকৰ ভক্তি, শ্ৰীকৃষ্ণৰ হাতত নৰকাসুৰ বধলৈ বিৱৰণ আছে। প্ৰাচীন কামৰূপৰ পটভূমিত প্ৰায় এহেজাৰ বছৰৰ পুৰণি ঐতিহাসিক তথ্য, নৰকাসুৰ আৰু ভগদত্তৰ কাহিনী, ব্ৰহ্মপুত্ৰৰ উৎপত্তিৰ কাহিনী, পৰশুৰামৰ উপাখ্যান আৰু দেৱী কামাখ্যাৰ মাহাত্ম্যও পুথিখনত বৰ্ণিত হৈছে।[৩]

ধৰ্মমূলক গ্ৰন্থ *ভক্তি ৰত্ন সিন্ধু* গুৱাহাটীৰ জিননাথ চৌধুৰীয়ে সংকলন কৰে। ১৮৭৫ খ্ৰীঃৰ ৩ নৱেম্বৰত ৮০০ কপি ৰামদেৱ শৰ্মাই প্ৰকাশ কৰে। ৬০ পৃষ্ঠাযুক্ত গ্ৰন্থখনৰ মূল্য ৮ অনা। ভট্টদেৱ বিৰচিত *কথা-গীতা* বৰপেটাৰ অনাদৰ দাস উকিলে ১৮৭৫ খ্ৰীঃত প্ৰকাশ কৰে। বালকানন্দ ব্ৰহ্মচাৰীয়ে অসমীয়াত লিখা *বৈষ্ণৱ গীতা* গ্ৰন্থখনি গোৱালপাৰাৰ হিত বিধায়িনী প্ৰেছত ১৮৭৬ খ্ৰীঃত মুদ্ৰিত হয়। ১৮৭৮ খ্ৰীঃৰ ১৫ জুলাইত দিবাকৰ শৰ্মা সংকলিত আৰু সম্পাদিত গ্ৰন্থ *গৰুড়াখ্যান* ধৰ্ম প্ৰকাশ যন্ত্ৰ, শ্ৰীশ্ৰীআউনিআটি সত্ৰ, মাজুলীৰ পৰা প্ৰকাশ কৰে দত্তদেৱ গোস্বামীয়ে। ৪ অনা মূল্যৰ ৫০ পৃষ্ঠাৰ গ্ৰন্থখনি ৮০০ কপি মুদ্ৰিত হৈছে। গুৱাহাটী চিদানন্দ প্ৰেছত মুদ্ৰিত *শ্ৰীৰাধিকা সহস্ৰ নাম* গ্ৰন্থখনত ৰাধাৰ গুণানুকীৰ্তন কৰা হৈছে। চন্দ্ৰশেখৰ বৰুৱা সংকলিত, ৰামদেৱ শৰ্মা প্ৰকাশিত ৩০ পৃষ্ঠাৰ গ্ৰন্থখন ৫ অনা মূল্যৰে ২৫০ কপি ছপা হৈছিল ১৮৭৯

---

১ যোগেন্দ্ৰ নাৰায়ণ ভূঞা, *মহাফেজ খানাৰ খিড়িকীয়েদি*, পৃ.২।

২ কালিকা পুৰাণ মূল সংস্কৃত ভাষাত ৰচিত। খ্ৰীষ্টীয় ৯ (নৱম) বা ১০ (দশম) শতিকাত কামৰূপ (অসম)ত ৰচিত এই গ্ৰন্থখনৰ অসমীয়া অনুবাদকে ধৰি বাংলা, হিন্দী, সংস্কৃত, কানাড়া, ইংৰাজী আদি ভাষাত ইতিমধ্যে গ্ৰন্থাকাৰে ছপা হৈ প্ৰকাশ পাইছে। ঊনবিংশ শতিকাত গ্ৰন্থখনৰ বাংলা গদ্যানুবাদ প্ৰকাশিত হয়।

৩ ই.এ. গেইট, *Report on Progress of Historical Research in Assam.*

খ্ৰীঃত। হিন্দুধৰ্ম আৰু ব্ৰাহ্মধৰ্মৰ পাৰ্থক্য বিশ্লেষণ কৰি ১৮৭৯ খ্ৰীঃত *ধৰ্ম্ম ও গুৰু* গ্ৰন্থখন লিখে ব্ৰজনাথ বৰাই। গুৱাহাটী মিছন প্ৰেছে *ধৰ্মগীত*ৰ প্ৰথম সংস্কৰণ প্ৰকাশ কৰে ১৮৮০ খ্ৰীঃত। গ্ৰন্থখনত যীশুখ্ৰীষ্টৰ লীলা মাহাত্ম্য গীতৰ জৰিয়তে প্ৰকাশ পাইছে। জয়দেৱৰ মূল সংস্কৃত *গীত গোবিন্দ* খন একে নামেৰে অসমীয়ালৈ অনুবাদ কৰে ৰাম সৰস্বতীয়ে। পাণ্ডুলিপি আকাৰত প্ৰাপ্ত পুথিখন কালিৰাম বৰুৱাই সংগ্ৰহ কৰি প্ৰকাশ কৰে ১৮৮৩ খ্ৰীঃত। ৩৯২ পদ্যৰে ৮৪ পৃষ্ঠাৰ পুথিখন কলিকতাৰ ৮৪ নং ৰাজা ৰাজবল্লভ ষ্ট্ৰীটৰ নৱ-সাৰস্বত যন্ত্ৰত নৱ কুমাৰ বসুৰ দ্বাৰা মুদ্ৰিত হয়। মহাপুৰুষসকলে লিখা পুথিবোৰ লোপ পোৱাৰ প্ৰতি লক্ষ্য ৰাখি তেনে গ্ৰন্থ সংগ্ৰহেৰে চালুকীয়া অসমীয়া ভাষাৰ গ্ৰন্থৰ অভাৱ আঁতৰোৱাৰ উদ্দেশ্যে পুথিখন প্ৰস্তুত কৰাৰ কথা ভূমিকাত আছে।[৪]

ৰাজশেখৰে লিখা *বাল ৰামায়ণ* পুথিখন ১৮৮৪ খ্ৰীঃত সম্পাদনাৰে প্ৰকাশ কৰে কলিকতাৰ জীৱানন্দ বিদ্যাসাগৰে।[৫] ৰমাকান্ত বৰকাকতিয়ে শঙ্কৰদেৱৰ নামঘৰ সংস্কৃতিৰ সৈতে সম্পৰ্কযুক্ত প্ৰাৰ্থনাসূচক শ্লোক সংগ্ৰহেৰে প্ৰস্তুত কৰা ধৰ্মবিষয়ক দুখন পুথি *প্ৰসঙ্গ* আৰু *প্ৰহ্লাদ চৰিত্ৰ* ১৮৮৮ খ্ৰীঃত প্ৰকাশিত। *প্ৰহ্লাদ চৰিত্ৰ* পুথিখন নাৰায়ণ দাসৰ দ্বাৰা প্ৰকাশিত। ১৮৮৮-৮৯ খ্ৰীঃত প্ৰকাশিত *দ্ৰৌপদীৰ বস্ত্ৰহৰণ, পাণ্ডৱৰ বনগমন, ভীষ্মপৰ্ব্ব, ভৰতাগমন নাট, কীৰ্ত্তন* আদি পুথিত বৰকাকতিয়ে শিশুলীলাত নথকা কথাসমূহ অন্তৰ্ভুক্ত কৰি প্ৰকাশ কৰে।[৬] বম্বেৰ ভেঙ্কেশ্বৰ প্ৰেছে প্ৰকাশ কৰা *গৰুড় পুৰাণ* (ব্ৰহ্ম খণ্ড) ১৮৮৯ খ্ৰীঃত প্ৰকাশৰ সময়তে *বৈষ্ণৱী গীতা* ও প্ৰকাশ পায়। পিছৰ বছৰত প্ৰকাশ পায় *ব্ৰহ্ম পুৰাণ*।[৭]

পুৰুষোত্তম গজপতিয়ে প্ৰণয়ন কৰা *দীপিকা ছন্দ*ৰ প্ৰথম সংস্কৰণ ১৮৯৫ আৰু দ্বিতীয় সংস্কৰণ ১৮৯৮ খ্ৰীঃত পশ্চিমবঙ্গৰ মুৰ্চিদাবাদত স্থাপিত ৰাধাৰমণ যন্ত্ৰত মুদ্ৰিত কৰি মাধৱ চন্দ্ৰ বৰদলৈয়ে প্ৰকাশ কৰে। ছন্দ বিষয়ক পুথিখনৰৰ মূল বিষয়বস্তু *হৰ-গৌৰী সম্বাদ, যামাল সংহিতা* আৰু *হংস কাকি সংহিতা*ৰ আধাৰত ৰজা হৰবিন্দৰ বিষয়ে উল্লেখ কৰিছে। 'দীপিকা ছন্দ' পুথিত সৃষ্টি তত্ত্ব, সৃষ্টিৰ উৎপত্তি, সৃষ্টিৰ ক্ৰমবিকাশ, কালৰ প্ৰভাৱ, কাল নিৰ্ণয়, যমপুৰীৰ বিৱৰণ, চন্দ্ৰ বিপ্ৰ আৰু সূৰ্য্য বিপ্ৰৰ ভেদ বৰ্ণনা, বিভিন্ন বৰ্গৰ উৎপত্তি, দৈৱজ্ঞৰ বিৱৰণ আৰু শ্ৰেষ্ঠত্ব, বৈষ্ণৱ নীতি আৰু ধৰ্ম, প্ৰাচীন কালৰ নৃপতিসকলৰ বিৱৰণ আদি বৰ্ণিত হৈছে। গ্ৰন্থখন বিভিন্ন ধৰণৰ কলা, ব্ৰহ্ম কলা, দেৱতা কলা, বৈষ্ণৱ কলা, ৰাজ কলা আদিৰ বিৱৰণ আগবঢ়াইছে। লোহিত ৰাজ্যৰ ৰাজধানী চন্দ্ৰপ্ৰভাতত ৰজা হৰবিন্দৰ পিছত ৰাজ্য শাসন কৰে পুত্ৰ কুচৰণ্যই।

---

৪ *সাতসৰী,* পঞ্চদশ বছৰ, সপ্তম সংখ্যা, ফেব্ৰুৱাৰী, ২০২০।

৫ Maheswar Neog, *Sankaradeva and His Times : Early History of the Vaishnava Faith and Movement in Assam,* Bibliography Section.

৬ *উল্লিখিত।*

৭ *উল্লিখিত।*

কুচৰণ্যই ৰত্নপুৰত ৰাজধানী পাতি গৌড়, কামৰূপ, জয়ন্তীয়া আৰু মগধ ৰাজ্য নিজৰ অধীনলৈ আনি শাসন কৰে। ৰজা শ্ৰুতসেনাই সৌমাৰপীঠ শাসন কৰি ভাৰ্যা চন্দ্ৰমতীৰে সৈতে ৰাজধানী মনপুৰত থকাৰ কথাও এই গ্ৰন্থত পোৱা গৈছে। জীৱ-জন্তুৰ বলি আদি অধাৰ্মিক কাৰ্যৰে দুৰ্গা দেৱীক পূজা অৰ্চনা কৰা বৌদ্ধ নামৰ এজন বিপ্ৰক শ্ৰুতসেনাই ধ্বংস কৰে। শিৱ-পাৰ্বতীৰ কথোপকথনত বৈষ্ণৱ ধৰ্মাৱলম্বী ব্ৰাহ্মণসকলে প্ৰকৃত ঈশ্বৰক আৰাধনা কৰাৰ কথা পাহৰি যোৱাৰ কথা উল্লেখ আছে। গ্ৰন্থত উল্লেখ থকা ব্ৰাহ্মণসকল হৈছে তান্ত্ৰিক, বৌদ্ধধৰ্মাৱলম্বী নহয়।

অসমত পৰম্পৰাগতভাৱে প্ৰচলিত আধ্যাত্মিক তত্ত্বৰ নাম প্ৰসঙ্গৰ সংকলন *হৰি প্ৰসঙ্গ আৰু আইনাম* (আগছোৱা) প্ৰকাশ পায় ১৮৯৫ খ্ৰীঃত। হৰি নামৰ প্ৰসঙ্গ, প্ৰাৰ্থনাধৰ্মী নামসমূহ *কীৰ্ত্তন-ঘোষা, নাম-ঘোষা* আদি পুথিৰ পৰা কিছু আইনাম মুক্তানাথ বৰুৱাই সংকলন কৰে।[৮] একে বছৰতে শ্ৰীধৰ বৰুৱাই *ভীম চৰিত্ৰ*[৯] আৰু কাংশপাৰ সত্ৰৰ শ্ৰীনৃসিংহচন্দ্ৰ অধিকাৰী গোস্বামীয়ে সংশোধনেৰে *গুৰু গুণমালা*[১০] প্ৰকাশ কৰে। এই গ্ৰন্থখনত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীকৃষ্ণৰ সংক্ষিপ্ত জীৱনৰ বিষয়ে বৰ্ণনা কৰিছে।

মাধৱদেৱে অনুবাদ কৰা *ৰামায়ণ আদিকাণ্ড* গ্ৰন্থখন বেণুধৰ ৰাজখোৱাই সম্পাদনা কৰিছে ১৮৯৭ খ্ৰীঃত। গণেশৰাম আগৰৱালাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনৰ বিষয়ে লক্ষ্মীনাথ বেজবৰুৱাই ডিম্বেশ্বৰ নেওগলৈ ১৯২৯ খ্ৰীঃৰ ১৯ জানুৱাৰীত সম্বলপুৰৰ পৰা এখন পত্ৰ লিখে এইদৰে— *'আদিকাণ্ড ছপা কৰি উলিয়াইছিল বেচ ১৲। কিতাপৰ ওপৰত 'কবিবৰ মাধৱকন্দলিৰ দ্বাৰা ভণিত' বুলি ছপাইছিল। কিন্তু সেইটো তেওঁৰ ভুল।'*[১১] বেজবৰুৱাই এই বিষয়ে সেই সময়ত প্ৰকাশিত আলোচনীত লিখকৰ নামটোৰ বিষয়ে *আদিকাণ্ড ৰামায়ণ* মহাপুৰুষ মাধৱদেৱৰ দ্বাৰাহে ৰচিত বুলি লিখিছে।[১২]

অসমৰ ব্ৰাহ্মণ সমাজৰ বিষয়ে বাংলা ভাষাত *আসাম ব্ৰাহ্মণ* গ্ৰন্থখনৰ লেখকৰ নাম এজন ব্ৰাহ্ম ধৰ্মৰ মিছনাৰী বুলি পোৱা গৈছে। কলিকতাৰ পৰা মুদ্ৰিত গ্ৰন্থখন ১৮৯৩ খ্ৰীঃত প্ৰকাশিত।[১৩] শ্বিলঙৰ এম.এন.ঘোষৰ ধৰ্মীয় বিশ্বাস সম্বলিত *A Brief Sketch of the Religious Beliefs of the Assamese People* গ্ৰন্থখনি মেথ'ডিষ্ট পাব্লিশ্বিং হাউছ, কলিকতাৰ পৰা ১৮৯৬ খ্ৰীঃত মুদ্ৰিত।

---

৮ *পূৰ্বোক্ত,* ১৮১৭ শক, ১৮৯৫ খ্ৰীষ্টাব্দ, পঞ্চম ভাগ, তৃতীয় সংখ্যা।

৯ *উল্লিখিত,* চতুৰ্থ সংখ্যা।

১০ *উল্লিখিত,* সপ্তম সংখ্যা।

১১ লক্ষ্মীনাথ বেজবৰুৱাৰ, *পত্ৰলেখা,* সম্পা. মহেশ্বৰ নেওগ, প্ৰকা. অসম সাহিত্য সভা, যোৰহাট, ১৯৬৮, পৃ.৩৩।

১২ *পূৰ্বোক্ত,* ১৮১৯ শক, ১৮৯৭ খ্ৰীষ্টাব্দ, সপ্তম ভাগ, চতুৰ্থ সংখ্যা।

১৩ Deepankar Banerjee, *Brahma Samaj and North-East*, pp. 34, 35.

হলিৰাম (শৰ্ম্মা) ঢেকিয়াল ফুকনে সংস্কৃত ভাষাত লিখা *কামৰূপ যাত্ৰা পদ্ধতি*[১৪] ১৮৩২ খ্ৰীঃত লেখকৰ মৃত্যুৰ পিছত ভবানীচৰণ বন্দ্যোপাধ্যায়ে ১৮৩৩ খ্ৰীঃত সমাচাৰ চন্দ্ৰিকা যন্ত্ৰত মুদ্ৰিত কৰিছে। দহটা পটলযুক্ত তন্ত্ৰ শাস্ত্ৰমূলক বিষয়বস্তুৰে সমৃদ্ধ গ্ৰন্থখনত *কালিকা পুৰাণ* আৰু *যোগিনীতন্ত্ৰ*ৰ প্ৰভাৱ পৰিছে। কামাখ্যা, অশ্বক্লান্ত, মণিকৰ্ণেশ্বৰ, হাজোৰ হয়গ্ৰীৱ-মাধৱৰ মাহাত্ম্য বৰ্ণিত হৈছে। প্ৰথম পৃষ্ঠাৰ 'কামাপ্ত নেত্ৰ কামেষু মৈত্ৰেশাকে'... প্ৰভৃতি বাক্যৰ দ্বাৰা গ্ৰন্থ ৰচনা কাল ১৮৩১ খ্ৰীঃ বুলি উল্লেখ আছে। ১০৬ পৃষ্ঠাৰ গ্ৰন্থখনত যাত্ৰাৰ নিয়ম আৰু নান্দিমুখাভূদায়িক শ্ৰাদ্ধাদিৰ বিষয়ে উল্লেখ আছে। ১৮৩১ খ্ৰীঃৰ ১৫ অক্টোবৰত *সমাচাৰ দৰ্পণ* পত্ৰিকাত 'কামৰূপ যাত্ৰা পদ্ধতি নামক গ্ৰন্থৰ অনুষ্ঠান' শীৰ্ষক এখন পত্ৰত হলিৰাম ঢেকিয়াল ফুকনে পুথিখন সন্দৰ্ভত এক আভাস দাঙি ধৰিছে। গ্ৰন্থখনিৰ এটা প্ৰতিলিপি শ্ৰীহট্ট জিলাৰ 'আখালিয়া' গাঁৱত পোৱা গৈছে। গড়ে ১০/১০ পংক্তিৰে ১০৬ পৃষ্ঠাৰ পুথিখনত *আসাম বুৰঞ্জী*ৰ প্ৰসংগও উল্লেখ আছে।[১৫] সবিশেষ তথ্য উল্লেখ নথকা ধৰ্মমূলক আন গ্ৰন্থসমূহ হ'ল,- *প্ৰসঙ্গৰ ঘোষা* (১৮৯০), *হৰি স্তুতিমালা*[১৬] (১৮৯২), *সুত সংহিতা*[১৭] (১৮৯৩), *পদ্ম পুৰাণ*[১৮] (১৮৯৪) আদি।

উপৰ্যুক্ত গ্ৰন্থসমূহৰ লগতে প্ৰকাশৰ চন উল্লেখ নথকা অন্যান্য ধৰ্মীয় গ্ৰন্থসমূহ হ'ল,- শঙ্কৰদেৱ কৃত *বৈষ্ণৱামৃত, বলিছলন, ভকতি প্ৰদীপ, চপয় তোটয়* ; *ঋতু বৰ্ণন* - শ্ৰীধৰচন্দ্ৰ বৰুৱা, *নৱঘোষা* - পুৰুষোত্তম ঠাকুৰ, *নাম-মালিকা* - শ্ৰীশ্ৰীমাধৱদেৱ, *খোবা-খুবী উপাখ্যান* - যোৰহাটৰ ভায়াৰাম শৰ্ম্মা বৰপূজাৰী, কালীৰাম বৰুৱা প্ৰকাশিত অনন্ত কন্দলীৰ *গীত গোৱিন্দ* ; *প্ৰেমাৱলী* - পুৰুষোত্তম; ১২ কুৰি গীতৰ সংকলন *বৰগীত* - শঙ্কৰদেৱ আৰু মাধৱদেৱ, *বিষ্ণুপুৰাণ* - ৰামগোবিন্দ, *বিষ্ণু সহস্ৰ নাম* - জখলাবন্ধাৰ ৰঘুদেৱ গোস্বামী, *বৈকুণ্ঠ পটল* (এই পুথি বৰ গোপনভাৱে কামৰূপৰ 'মহন্ত' ভকতসকলে ভিতৰুৱা সেৱাত ব্যৱহাৰ কৰে। ইয়াত তামসিক আৰু তান্ত্ৰিক বিষয়ৰ কথা সন্নিৱিষ্ট হৈ আছে।), *ব্ৰহ্ম পুৰাণ* - নৰোত্তম দাস, *ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ* - দ্বিজ যশোবৰ, *ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ* - শুভনাথ, *ব্ৰহ্মাণ্ড পুৰাণ, ব্ৰহ্মানন্দ পুৰাণ* - ৰামগোৱিন্দ, *ভক্তি অমৃত, ভক্তি পুৰাণ, ভক্তি প্ৰেমাৱলী* - নৰোত্তম ঠাকুৰ, *ভক্তি ভাস্কৰ* - কৃষ্ণকান্ত, *ভগৱদ্‌গীতা* অনন্ত কন্দলী, মধুসূদন মিশ্ৰ, গোৱিন্দ মিশ্ৰ, কবিৰত্ন আদিয়ে সংকলন কৰিছে। *মহাভাৰত*ৰ অষ্টাদশ পৰ্ব ৰাম

---

১৪ হলিৰাম ঢেকিয়াল ফুকন, *আসাম বুৰঞ্জী*, সম্পা. যতীন্দ্ৰ মোহন ভট্টাচাৰ্য্য, ৪২ পৃষ্ঠাৰ *আগকথাংশ*, সম্পাদকীয় প্ৰতিবেদনৰ ৩৮-৪০ পৃষ্ঠা দ্ৰষ্টব্য। পৃষ্ঠা ১|০ৰ পৰা ২||৵ লৈ। *সমাচাৰ দৰ্পণ*, কলিকতা, ১৫ অক্টোবৰ, ১৮৩১ খ্ৰীঃ, পৃ. ৩৪১-৩৪২।

১৫ উল্লিখিত।

১৬ *জোনাকী*, ১৮১৪ শক, ১৮৯২ খ্ৰীষ্টাব্দ, চতুৰ্থ ভাগ, দ্বিতীয় সংখ্যা।

১৭ Maheswar Neog, *Sankaradeva and His Times : Early History of the Vaishnava Faith and Movement in Assam*, Bibliography Section.

১৮ *উল্লিখিত।*

সৰস্বতীয়ে অনুবাদ কৰিছে। ঊনবিংশ শতিকাত দৰঙ্গী ৰাজকুমাৰ বিষ্ণুনাৰায়ণ কুমাৰৰ ওচৰত পোৱাৰ উপৰি গুৱাহাটীৰ জয়কান্ত ভূঞাৰ ওচৰতো পোৱা গৈছে। *ৰাম কীৰ্ত্তন, ৰাম গুণমালা, ৰামায়ণ* -তিনিখন গ্ৰন্থ অনন্ত কন্দলীয়ে সংকলন কৰিছে। ইয়াত অযোধ্যা, অৰণ্য, কিষ্কিন্ধ্যা, সুন্দৰা, লঙ্কা আদি কাণ্ড অন্তৰ্ভুক্ত হৈছে। *শ্ৰীমদ্ভাগৱত*ত প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ, ষষ্ঠ, অষ্টম, নৱম, দশম - আদিছোৱা, একাদশ আৰু দ্বাদশ স্কন্ধ শঙ্কৰদেৱে সংকলন কৰিছে। ইয়াৰে *দশম* (আদিছোৱা) হৰিবিলাস আগৰৱালাৰ দ্বাৰা প্ৰকাশিত হৈছে। *শ্ৰীমদ্ভাগৱত* - কবিৰত্ন, *শ্ৰীমদ্ভাগৱত*ৰ পঞ্চম স্কন্ধ - অনিৰুদ্ধ, *শ্ৰীমদ্ভাগৱত*ৰ সপ্তম স্কন্ধ - সাৰ্ব্বভৌম ভট্টাচাৰ্য্য, *ধৃতৰাষ্ট্ৰ দিগ্বিজয়, নৰকাসুৰ বধ, নাগাখ্য, নাগেশ, নামগীতা, নাৰদীয় পুৰাণ, নাসীক পুৰাণ* - ৰঘুদেৱ গোস্বামী, *নৃ-সিংহ পুৰাণ, পক্ষী পুৰাণ, পঞ্চম স্কন্ধ* - অনিৰুদ্ধ পণ্ডিত; নাৰায়ণ দেৱ ৰচিত *পদ্মা পুৰাণ*ত মাৰৈ (বিষহৰি বা মনসা) পূজা, চান্দ সদাগৰ, লক্ষীন্দৰ আৰু বেহুলা শান্তি আদিৰ কথা পোৱা গৈছে। *পাণ্ডৱী গীতা, পাতালী কাণ্ড, পাশাপৰ্ব্ব, পুষ্পাহৰণ, প্ৰমীলা, ফল্‌গু পুৰাণ* - ৰঘুদেৱ গোস্বামী, বটদ্ৰৱা সত্ৰত উপলব্ধ *প্ৰথম স্কন্ধ* ; ৰাম সৰস্বতী *সিন্ধুৰাপৰ্ব্ব* বোকাখাটৰ গঙ্গাৰাম দাসৰ দ্বাৰা প্ৰকাশিত। *সুন্দৰা কাণ্ড* আৰু নৰসিদ্ধ বটদ্ৰৱা সত্ৰত পোৱা গৈছে।

৫.০২. খ্ৰীষ্টান ধৰ্মবিষয়ক পুথি

ঊনবিংশ শতিকাত আটাইতকৈ বেছি সংখ্যক প্ৰকাশিত গ্ৰন্থই হৈছে খ্ৰীষ্টান ধৰ্মমূলক। প্ৰকৃততে অসমীয়া গ্ৰন্থ প্ৰকাশৰ ধাৰা আৰম্ভ কৰিছিল খ্ৰীষ্টান মিছনেৰীসকলে। খ্ৰীষ্টান ধৰ্মৰ মূল গ্ৰন্থ বাইবেলৰ বাণীসমূহ প্ৰচাৰৰ অৰ্থে অসমৰ মানুহে সহজে বুজিব পৰাকৈ অসমীয়াত লিখাৰ পোষকতা কৰিছিল। বাইবেলৰ অসমীয়া অনুবাদৰ উপৰি বচা বচা অংশবোৰ সৰু ডাঙৰ বিভিন্ন আকাৰত গ্ৰন্থৰূপে ছপা কৰে। এই শতিকাত প্ৰকাশিত খ্ৰীষ্টান ধৰ্মমূলক গ্ৰন্থসমূহৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে প্ৰথমেই নাম ল'ব লাগিব *ধৰ্ম্মপুস্তক* গ্ৰন্থৰ। ১৮১৩ খ্ৰীঃত অন্তভাগৰ অসমীয়া অনুবাদ কৰে আত্মাৰাম শৰ্ম্মাই। ৮৬৪ পৃষ্ঠাৰ গ্ৰন্থখন বেপ্টিষ্ট মিছন প্ৰেছ, শ্ৰীৰামপুৰত মুদ্ৰিত পুথিখন অসমৰ কলিয়াবৰৰ সন্তান আত্মাৰাম শৰ্ম্মাৰ দ্বাৰা অনূদিত। অসমীয়া গ্ৰন্থ প্ৰকাশনৰ ইতিহাসত মুদ্ৰণ ব্যৱস্থাৰে ছপা ৰূপত প্ৰথম গ্ৰন্থ প্ৰকাশ কৰে উইলিয়াম কেৰীয়ে। একেজন প্ৰকাশকে একেটা ছপাশালত প্ৰয়োজনীয় সংযোজনেৰে *ধৰ্ম্মপুস্তক*ৰ দুটি পৰিবৰ্ধিত সংস্কৰণ ১৮১৯ খ্ৰীঃ আৰু *ধৰ্ম্মপুস্তক (নিউ টেষ্টামেণ্ট)* নামেৰে ১৮২০ খ্ৰীঃত প্ৰকাশ কৰে। *ধৰ্ম্মপুস্তক* (আদি ভাগ) প্ৰকাশ পায় ১৮৩৩ খ্ৰীঃত। নতুন নিয়ম আৰু পুৰণা নিয়ম একত্ৰে *ধৰ্ম্মপুস্তক* (অন্তভাগ) ত থকা বাইবেলৰ *নতুন নিয়ম (নিউ টেষ্টামেণ্ট)* আৰু শেষভাগ ৰূপে থকা *পুৰণি নিয়ম (অ'ল্ড টেষ্টামেণ্ট)* একত্ৰে *ধৰ্ম্মপুস্তক* (আদি ভাগ)ত সংযোজন কৰিছে। গ্ৰন্থখনৰ প্ৰতিলিপি সম্প্ৰতি পশ্চিমবংগৰ

শ্ৰীৰামপুৰস্থিত ড° উইলিয়াম কেৰী লাইব্ৰেৰী আৰু কেৰী মিউজিয়ামত সংৰক্ষণ কৰি ৰখা আছে। গ্ৰন্থখনৰ বেটুপাতত, "The Holy Bible, Containing The Old and New Testaments, Translated from the Original into The Assam Language, by the Serampore Missionaries, Vol V, Containing the New Testament. Serampore: Printed at the Mission Press, 1820.[১৯] আৰু অসমীয়াত আদিতে যি যি মাতেৰে লিখিত আচিল তাৰ পৰা অহমীয়া মাতেৰে তৰ্জমা কৰা হ'ল" বুলি লিখা আছে। ১৮৪০ খ্ৰীঃত *চৰুপ আশ্ৰই (The True Refuge)* পুথিখন জয়পুৰত স্থাপন কৰা আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছত মুদ্ৰিত হৈ প্ৰকাশিত। গ্ৰন্থখনৰ সেই সংস্কৰণটি ৫০০০ কপি ছপা হৈছিল। খ্ৰীষ্টান ধৰ্মীয় পুথি *কোন শাস্ত্ৰ প্ৰামাণিক* গ্ৰন্থখন অসমৰ জয়পুৰত প্ৰতিষ্ঠা কৰা মিছন প্ৰেছৰ পৰা ১৮৪৪ খ্ৰীঃ প্ৰকাশিত। শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা বেলেগ বেলেগ অনুবাদকে বাইবেলৰ অনুবাদ প্ৰকাশ কৰিছে। *ওল্ড টেষ্টামেণ্ট* খণ্ডৰ অসমীয়া ভাঙনি *পুৰণি নিয়ম বাইবেল* এ.কে. গাৰ্ণিয়ে অনুবাদ কৰি প্ৰকাশ কৰে ১৮৪৫ খ্ৰীঃত। একেখন গ্ৰন্থকে ১০ (দহ) টা নতুন খণ্ড সংযোজনা কৰি পৰিবৰ্ধিত সংস্কৰণেৰে ১৮৮১ খ্ৰীঃত পুনৰ প্ৰকাশ কৰিছে। ১৮৫০ খ্ৰীঃত *টেক্সট্ অব্ গ্ৰিয়েছবাক (Text of Griesbach), নেপ আৰু শুল্জ (Knapp and Schulz)* ৰ মূল ইংৰাজী অনুবাদ গ্ৰন্থক অসমীয়ালৈ অনুবাদ কৰি *নতুন নিয়ম* (*The New Testament*) নামেৰে প্ৰকাশ কৰে। ১৮৪৮ খ্ৰীঃত *বাইবেলৰ* উপৰি *আমাৰ ত্ৰানকৰ্তা প্ৰভু য়িচু খ্ৰিষ্টৰ নতুন নিয়ম* (*The New Testament of Our Lord and Savior Jesus Christ : Translated into Assamese Language*[২০]) ৰ চাৰিটা সংস্কৰণ ক্ৰমে ১৮৪৮, ১৮৪৮, ১৮৫০ আৰু ১৮৫৪ খ্ৰীঃত প্ৰকাশ পায়। গ্ৰন্থখন 'বাইবেল'ৰ 'নিউ টেষ্টামেণ্ট'ৰ অসমীয়া অনুবাদেৰে নাথান ব্ৰাউনে প্ৰস্তুত কৰে। গ্ৰন্থখনৰ 'নামপত্ৰ' (Title page)ত *"গ্ৰিক মূলৰ পৰা অৰ্থ ভাঙ্গি অসমিয়া ভাসাৰে লিখি আমেৰিকা দেশৰ শাস্ত্ৰ বিলোআ সমাজৰ উপকাৰৰ দোআৰাই শিৱসাগৰৰ বাপ্টিষ্ট মিস্যন প্ৰেচত চাপা হ'ল' বুলি লিখা আছে। পৃষ্ঠাটোৰ শেষাংশত 'মোং সিৱসাগৰ, খ্ৰিষ্ট অং সঁক ১৮৪৯"* বুলি লিখা আছে। অসমীয়া 'নামপত্ৰ'খনত অনুবাদকৰ নাম নাই, কিন্তু ইংৰাজীত দিয়া 'নামপত্ৰ'ত নাথান ব্ৰাউন, আমেৰিকান বেপ্টিষ্ট মিছনাৰী বুলি আৰু গ্ৰন্থখন দ্বিতীয় সংস্কৰণ বুলি লিখা আছে। গ্ৰন্থখনৰ 'পাতনি' বা 'আগকথা' বুলি কোনো পৃষ্ঠা নাই।[২১]

---

[১৯] Chapter 5, Literary Activities, The Gazetter of India, Vol. 2, Pub. by Publication Division, Govt. of India, 1973. Catalogue of Assamese and Oriya Books in the Library of the British Museum, by J.F.Blumhardt, London, 1894. (Pp. 1 of Assamese Books Catalogue). The Catalogue given one note just below the concerned entry - Imperfect : Wanting Vol. 1-4, Vol. Contains the New Testament.

[২০] Eliza Whitney Brown, *The Whole World Kin, Hubbard*, 1890 Ed., Philadelphia, USA. Pp. 413.

[২১] *E.W. Brown, The Whole World Kin 1890 Ed. Pp. 413. 'The Testament were finished in 1847, He Afterwards made there revisions of the whole '48, '49 and '50 and of the last of his labors in Assam was the fourth edition, completed during the summer of 1854.*

তদুপৰি সবিশেষ তথ্য নোপোৱা প্ৰকাশিত বাইবেলৰ অনুবাদ গ্ৰন্থসমূহ হ'ল,- *বাইবেলৰ নতুন নিয়ম* (১৮৮৮)- হেনৰী গ'ল্ডস্মিথ; *বাইবেলৰ নতুন নিয়ম* (১৯০০), ৪৯০ পৃষ্ঠা; *বাইবেল* (১৮৮৮) - নিধি লিবাই ফাৰ'ৱালে কৰা অসমীয়া ভাঙনি; *বাইবেলৰ 'জ'ন'* (১৮৮৪), *বাইবেলৰ মেথিও* (১৮৮২); *বাইবেল-শুভবাৰ্ত্তা /Gospels Selections* (১৮৪৬) - খ্ৰীষ্ট ধৰ্মীয় প্ৰাৰ্থনা পুথিৰ পৰা নিৰ্বাচিত মঙ্গলগীত, আঠ অনা মূল্যৰ পুথিখন শিৱসাগৰৰ পৰা প্ৰকাশিত।

শিৱসাগৰৰ আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছৰ পৰা প্ৰকাশিত অন্যান্য গ্ৰন্থসমূহৰ নাম তলত উল্লেখ কৰা হ'ল। *আমাৰ দেসৰ খ্ৰিষ্টিয়ান মণ্ডলিৰ বিশ্বাস আৰু আচৰণৰ সংখ্যেপ কথা (Summary of the Faith and Practice of the Baptist Church of Christ in Asam)* ১৮৪৫ খ্ৰীঃত প্ৰকাশ পাইছে। জাৰ্মান চি.জি.বি.ৰ গ্ৰন্থ চি.এইচ.হেছেলমেয়াৰে অনুবাদ কৰে *খ্ৰীষ্টিয়ান মণ্ডলীৰ সংক্ষেপ বিৱৰণ* নামেৰে। ১৮৬১ খ্ৰীঃত খ্ৰীষ্টিয়ান গীৰ্জাঘৰৰ ইতিহাস সম্বন্ধীয় আঠ অনা মূল্যৰ এই গ্ৰন্থখন প্ৰকাশ পায়। ই.নেইবৰৰ দ্বাৰা প্ৰণীত *মণ্ডলীৰ ৰক্ষকৰ কিতাপ* এ.কে.গাৰ্ণিয়ে পৰিবৰ্ধিত সংস্কৰণ ৰূপে প্ৰকাশ কৰে ১৮৭৮ খ্ৰীঃত।[২২] মূল ইংৰাজীৰ পৰা নাথান ব্ৰাউনে ১৮৪৮ খ্ৰীঃত অসমীয়ালৈ অনুবাদ কৰে *সুভ যাত্ৰা লুক* (*The Gospel of Luke*) গ্ৰন্থখন।

খ্ৰীষ্ঠান ধৰ্মীয় গীতৰ সংকলন *ধৰম গিত (Hymns in Assamese)*ৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ পায় ১৮৫০ খ্ৰীঃত। ২১০ টা গীতৰ সংকলকৰ নাম উল্লেখ কৰা নাই যদিও অন্তৰ্ভাগত থকা গীতৰ অনুবাদক ৰূপে সংক্ষিপ্ত সাংকেতিক সূচনাৰে অনুবাদকৰ কথা উল্লেখ কৰিছে। সংকলনৰ শেষত 'গিতৰ প্ৰথম সাৰি' বুলি সূচীপত্ৰ সন্নিৱিষ্ট কৰিছে। সূচীপত্ৰৰ শেষত 'গিত লিখাবিলাকৰ নাম সঙ্কেত' বুলি গীতসমূহৰ শেষত সাংকেতিক আখৰেৰে গীতৰ অনুবাদকসকলৰ নাম প্ৰকাশ কৰিছে। এই বৰ্ষতে নিধি লিবাই ফাৰ'ৱালে অসমীয়া ভাষাত বহুতো ভক্তিমূলক গীত ৰচনা কৰি পুথিখনৰ পুনৰ সংস্কৰণ প্ৰকাশ কৰে। ফাৰ'ৱাল ৰচিত আৰু অনূদিত ২২ টা ভক্তিমূলক গীত অসমৰ খ্ৰীষ্টিয়ান মণ্ডলীসমূহত ব্যৱহাৰ হয়।[২৩] ল'ৰা-ছোৱালীৰ বাবে নাথান ব্ৰাউনে কৰা ধৰ্মীয় নীতি-উপদেশমূলক প্ৰাৰ্থনা পুথিৰ সংকলন *Juvenile Tracts* প্ৰকাশ পায় ১৮৫০ খ্ৰীঃত। পুথিখনত ল'ৰা-ছোৱালীক শিক্ষা প্ৰদানৰ অৰ্থে ছেদন (cutting) প্ৰণালীৰে চিত্ৰ অংকনৰ অনুশীলন কৰিব পৰাকৈ ছবি সংযোজন কৰিছে। পুথিখন বিদ্যালয়ত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা অধ্যয়নৰত শিক্ষাৰ্থীসকলক প্ৰেৰণাদায়ক পুৰস্কাৰ বা উপহাৰ স্বৰূপে দিব পৰাকৈ প্ৰকাশ কৰা হৈছে। পুথিখন বাৰখন পুস্তিকা সদৃশ পুথিৰ সৈতে একো একোটা পেকেট তৈয়াৰ কৰিছে। শিৱসাগৰ মিছন প্ৰেছত মুদ্ৰিত প্ৰতিটো

২২ পূৰ্বোক্ত, *অৱদান*, পৃ.৭২।

২৩ পূৰ্বোক্ত, *অৱদান*, পৃ.৪৯।

পেকেটৰ মূল্য ৮ অনা।[২৪] নিধি লিবাই ফাৰ'ৱেল আৰু বাতিৰাম দাসৰ অনূদিত গ্ৰন্থ *অসমীয়া গীত* ১৮৫০ খ্ৰীঃত সংকলন আৰু সম্পাদনা কৰে নাথান ব্ৰাউনে। পুথিখনত ১৮২ টি গীত সন্নিৱিষ্ট আছে।[২৫] E.W.Brown এ লিখে *পাদুৰি বাৰ্কৰ চাহাবৰ বিবৰণ* (*Obitury Notice of Rev. Cyrus Barker, An American Missionary to Assam*)। ২১ পৃষ্ঠাৰ গ্ৰন্থখন ১৮৫০ খ্ৰীঃত শিৱসাগৰৰ আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছৰ পৰা প্ৰকাশিত।

Favell Lee Mortimer ৰ মূল ইংৰাজী গ্ৰন্থ *The Peep of Day* ৰ Jessie T.Moore এ কৰা বাংলা অনুবাদ *অৰুণোদয়*ত প্ৰকাশ পায় ১৮৫১ খ্ৰীঃত। শিশুসকলৰ বাবে ধৰ্মোপদেশমূলক গ্ৰন্থখন Tract and Book Society ৰ দ্বাৰা প্ৰকাশিত। ১৩৭ পৃষ্ঠাৰ গ্ৰন্থখন কলিকতাৰ বেপ্টিষ্ট মিছন প্ৰেছত জে.থমাছৰ দ্বাৰা ৩০০০ কপি মুদ্ৰিত। গ্ৰন্থখনত ৫৩ টা ধৰ্মোপদেশ আৰু *পূৰ্ব লিখিত পাঠের জিজ্ঞাস্য কথা* অংশটিও বাংলা ভাষাতেই অনূদিত। একেখন গ্ৰন্থৰেই প্ৰথম ভাগ নগাঁৱৰ আমেৰিকান বেপ্টিষ্ট মিছনাৰী ইউনিয়নে প্ৰকাশ কৰে। এক অনা মূল্যৰে ১৫০০ কপি মুদ্ৰিত হৈছে।

হান্না কেথ্‌ৰিন্ মুল্লেন্সৰ বাংলা ভাষাৰ প্ৰথম উপন্যাস *ফুলমণি ও করুণার বিবরণ*ৰ নিধি লিবাই ফাৰ'ৱালে কৰা অসমীয়া অনুবাদ *ফুলমনি আৰু কৰুনাৰ বিবৰন* ১৮৫৪ খ্ৰীঃত আমেৰিকান বেপিষ্ট মিছন প্ৰেছত মুদ্ৰিত। খ্ৰীষ্টান ধৰ্মৰ মহত্ত্ব বৰ্ণনাৰে ভাৰতবৰ্ষ তথা অসমত বসবাস কৰা খ্ৰীষ্টান মহিলাসকলৰ বাবে উপদেশমূলক গ্ৰন্থ। প্ৰথম প্ৰকাশত এহেজাৰ কপি ছপা হোৱা গ্ৰন্থখন দহটা অধ্যায় আৰু ১৪৮ পৃষ্ঠাৰে সমৃদ্ধ। ভাৰতবৰ্ষৰ ১২ টা আঞ্চলিক ভাষাত সেই সময়তে অনুবাদ কৰা হৈছে।[২৬] প্ৰতিখন গ্ৰন্থৰ মূল্য ৪ অনা। উক্ত বাংলা গ্ৰন্থখন ১৮৭৭ খ্ৰীঃত মেৰি এফ. লৰেন্সেও অসমীয়ালৈ অনুবাদ কৰিছে। *মাথি*, *মাৰ্ক*, *লুক* আৰু *য়োহান* নামৰ চাৰিখন 'গছপেল' (Gospel) পুথিৰ পৰা ক্ৰমাঙ্কানুসাৰে একত্ৰ সংকলনেৰে নাথান ব্ৰাউনে প্ৰস্তুত কৰে *খ্ৰিষ্টৰ বিৱৰণ আৰু শুভ যাত্ৰা* (*Life and Gospel of Christ, Arranged from the Text of the Four Evangelists in the form of A Continuous Narrative*)। লোকসমাজৰ বাবে মঙ্গল আশীৰ্বাদসূচক যীশুখ্ৰীষ্টৰ ধৰ্মোপদেশযুক্ত গ্ৰন্থখন শিৱসাগৰৰ বেপ্টিষ্ট মিছন প্ৰেছত ১৮৫৪ খ্ৰীঃত মুদ্ৰিত। C. Hessel Meyer এ *বাইবেল*ৰ কিছু গল্প সংকলিত কৰি *ধৰম পুথিৰ বিৱৰণ* নামেৰে প্ৰকাশ কৰে ১৮৫৫ খ্ৰীঃত। একে বৰ্ষতে চি.জি.বি.[২৭]ৰ দ্বাৰা ৰচিত 'বাইবেল'ৰ কাহিনীৰ চি.এইচ.হেছেলমেয়াৰে কৰা

---

২৪ *অৰুণোদই*, জানুৱাৰী, ১৮৫১, ৬ বছৰ, ১।

২৫ পূৰ্বোক্ত, *অৰদান*, পৃ.৫১।

২৬ Shamsul Alom, *In Retrospect Hanna Mullens, The First Bengali Novelist,* The Daily Star on its 20th September, 2013, Dhaka, Courtsy : Google.

২৭ চি.জি.বি. [Christine Gendre-Bergere, A French Artist] Christlicher Gewerkschafts Bund. এই সংখ্যাটি Deutschlands ৰ Christian Trade Union Federation of Germanyৰ এটি শাখা।

অসমীয়া অনুবাদ *বাৰ্থ* (খ্ৰীষ্টান ধৰ্মপুথিৰ বিৰৰণ) নামৰ আঠ অনা মূল্যৰ পুথিখন শিৱসাগৰৰ পৰা প্ৰকাশিত।

John Bunyan ৰ উপন্যাস *The Pilgrim's Progress*ৰ নাথান ব্ৰাউনে কৰা অসমীয়া অনুবাদ *জাত্ৰিকৰ জাত্ৰা* [২৮] (যাত্ৰিকৰ যাত্ৰা) ১৮৫৭ খ্ৰীঃত প্ৰকাশ পায়। খ্ৰীষ্ট ধৰ্মীয় বিষয়বস্তু সাঙুৰি এক ৰূপকধৰ্মী কাহিনী উপস্থাপন কৰি যাত্ৰিকৰ যাত্ৰা গ্ৰন্থখন প্ৰণয়ন কৰিছে। উক্ত গ্ৰন্থখনকেই হেনৰী গল্ড'স্মিথে সংশোধিত ৰূপত ছপা কৰি উলিয়াইছে ১৮৯৬ খ্ৰীঃত।[২৯] জি. মথিৰ ধৰ্ম বিষয়ক পুস্তিকা *Hindu Objection to Christian Religion Answered* ৰ এপলটন হাও ডেনফ'ৰ্থে কৰা অসমীয়া অনুবাদ *আপত্তি নাশক* প্ৰকাশ পায় ১৮৭০ খ্ৰীঃত। ডেনফ'ৰ্থৰ দিন সমূহত ঘটা হাস্যকৰ আৰু হৃদয় বিদাৰক দৃশ্যৰাজিৰ একো একোটি চিন্তনীয় দিশৰ বিৰৰণ এই গ্ৰন্থত সন্নিৱিষ্ট।[৩০] এ.কে.গাৰ্ণিয়ে মাইলছ ব্ৰনছন ৰচিত *সুবৰ্ণৰ তুল* পুথিখন পৰিবৰ্ধিত ২য় সংস্কৰণ ১৮৭৬ খ্ৰীঃত প্ৰকাশ কৰে। শিৱসাগৰৰ মিছন প্ৰেছত পৰা ১০০০ টা কপি মুদ্ৰিত হৈছে।[৩১] ছুছান আৰ.ৱাৰ্ডে লিখা খ্ৰীষ্টান ধৰ্মোপদেশমূলক তিনিখন গ্ৰন্থ *পাপ ক্ষমা পোৱা এজনী, গুৰু আহিল আৰু তোমাক মাতিছে* আৰু *বাৰীৰ মিত্ৰ* ১৮৭৯ খ্ৰীঃত প্ৰকাশ পাইছে। কলিকতাৰ পৰা প্ৰকাশিত পুথি তিনিখনৰ প্ৰথমখন ৩২ অনা মূল্যৰ ৮ পৃষ্ঠাৰ, দ্বিতীয়খন ৩২ পৃষ্ঠাৰ ৩২ অনা মূল্যৰ আৰু তৃতীয়খন এগৰাকী বিধৱাৰ কাহিনীৰে ১২ পৃষ্ঠাৰ ১৬ অনা মূল্যৰ।

১৮৮০ খ্ৰীঃত প্ৰকাশ পায় *যিওছুৱাৰ পৰা বিচাৰকৰ্তাৰ পুথি আৰু ৰুথৰ বিৰৰণ* নামৰ উপন্যাসখন। আলবানোচ কিম্বল গাৰ্ণিয়ে বাইবেলত সন্নিৱিষ্ট কাহিনীৰ অন্তৰ্গত ৰুথ আৰু জোছেফৰ বিবৰণীমূলক বিষয়ৰে এটি কাহিনীৰ ভাঙনি কৰিছে উপন্যাসখনত। ১০৪ পৃষ্ঠাৰে ডিমাই আকাৰত গ্ৰন্থখন উপলব্ধ। ঠিক একেদৰে *ৰুথ আৰু যোচেফৰ বিবৰণ* নামেৰে এ.কে. গাৰ্ণিয়ে যোচেফ (য়িহুচুৱা)ৰ কাহিনী বিন্যাসেৰে ১৮৮০ খ্ৰীঃত ৰচনা কৰিছে বিনামূল্যে বিতৰণ কৰা উপন্যাসধৰ্মী গ্ৰন্থখন। *যিশুচুৱা* নামেৰেও এইখন গ্ৰন্থ

---

২৮ John Bunyan ৰ মূল গ্ৰন্থ Pilgrim's Progress ৰ অসমীয়া ভাঙনি, নাথান ব্ৰাউনে ১৮৫৪ খ্ৰীঃত সম্পূৰ্ণ কৰে। ১৮৫৫ খ্ৰীঃত নাথান ব্ৰাউন পৰিয়ালসহ নিজ গৃহভূমি আমেৰিকালৈ উভতি যোৱাৰ আগে আগে, নিধি লিবাই ফাৰ'ৱেল আৰু এ.এইচ.ডেনফ'ৰ্থৰ হাতত অৰ্পণ কৰি থৈ যায়। নিধি লিবাই ফাৰ'ৱেলে গ্ৰন্থখনত স্থানীয় শিল্পীৰ দ্বাৰা চিত্ৰ সংযোজন কৰি ১৮৫৬ খ্ৰীঃত শিৱসাগৰৰ বেপ্টিষ্ট মিছন প্ৰেছত মুদ্ৰণ কৰি উলিয়ায়।- E.W. Brown. The Whole World Kin, 1890 ed.Pp.415.

২৯ পূৰ্বোক্ত, *অৰদান*, পৃ.৮০।

৩০ কান্দুৰা ৰলিন স্মিথ খ্ৰীষ্ট ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ ১৮৪৯ খ্ৰীঃৰ ১০ জুনত কলং নদীৰ পানীত জুবুৰিয়াই জলদীক্ষা গ্ৰহণ কৰিছিল উক্ত গ্ৰন্থৰ প্ৰভাৱতেই। মিছনাৰীয়ে কান্দুৰা নামৰ লগত ৰলিন স্মিথ সংযোগ কৰি কান্দুৰা ৰলিন স্মিথ নামকৰণ কৰে। কান্দুৰা বাবু নামেৰেও জনাজাত 'বাবু' সম্বোধনটি বঙ্গীয় সমাজৰ সন্মানসূচক বিভূষা। - *অৱদান*, অসমত বেপ্টিষ্ট মিছনেৰীৰ সেৱা, আজিজুল হ'ক, পৃষ্ঠা, ৬৪।

৩১ পূৰ্বোক্ত, *অৱদান*, পৃ.৭২।

১৮৮৫ খ্ৰীঃত প্ৰকাশ পাইছে। নাথান ব্ৰাউন ৰচিত *পৃথিৱী সৃজন* পুথিখনি এ.কে.গাৰ্ণিয়ে পৰিৱৰ্ধিত সংস্কৰণ ৰূপে প্ৰকাশ কৰি উলিয়াইছে ১৮৮১ খ্ৰীঃত।[৩২] ১৮৯০ খ্ৰীঃত *খ্ৰীষ্টীয় ধৰ্মগীত* লিখে উইলিয়াম ৱাৰ্ডে। Genesis, Exodus আৰু Psalms ৰ অন্তৰ্গত স্তুতি গীত *Hymns in Assamese* ৰ সংশোধিত আৰু পৰিবৰ্ধিত সংস্কৰণত ৬৩ টা নতুন গীত অন্তৰ্ভুক্ত কৰি প্ৰকাশ কৰে।[৩৩]

ঊনবিংশ শতিকাত প্ৰকাশিত অন্যান্য খ্ৰীষ্ট ধৰ্মীয় পুথিসমূহ হ'ল,- *বিচাৰ কৰ্ত্তা* - এ.কে. গাৰ্ণি; *খ্ৰীষ্টৰ বিৱৰণ আৰু শুভবাৰ্ত্তা* (১৮৮৪) - নাথান ব্ৰাউন; *খ্ৰীষ্টীয় ধৰ্মগীত* (১৮৯০) - উইলিয়াম ৱাৰ্ড; *পাপ মোচনৰ সত্য উপায় / Sin and its Remedy* (১৮৯১) - মাইলছ ব্ৰনছন; *বুৰী আৰু ডেকা* (১৮৩৬) - জেমছ ৰে'[৩৪]; *ধৰম অৱতাৰ* / *The Holey Incarnation* (১৮৬৭) - মাইলছ ব্ৰনছন; *গীতামালা*ৰ দ্বিতীয় সংস্কৰণ (১৮৭৫) - অনু. ছুছান ৱাৰ্ড; *ধৰ্ম্ম পৰীক্ষাৰ কথোপকথন* / *The Golden Balance. Conversations on Hinduism and Christianity* (১৮৭৬) - মাইলছ ব্ৰনছন; *A Hymn in Assamese* (১৮৩৭) - অসমীয়া ভাষাত ঈশ্বৰ উপাসনাৰ স্তুতি গীত পুথি, ১ পিঠি, ১০০ কপি; *ধৰ্মগীত* / *Hymns in Assamese* (চতুৰ্থ সংস্কৰণ), গুৱাহাটীস্থিত গুৱাহাটী মিছন প্ৰেছৰ পৰা প্ৰকাশিত; *Baptists in Assam* (১৮৩৫) - V.H.Swood, Chicago; *Parables of Christ* (১৮৩৭) - যীশুখৃষ্টৰ উপদেশ বাণী অসমীয়াত সংকলন, শদিয়াস্থিত আমেৰিকান বেপ্টিষ্ট প্ৰেছত মুদ্ৰিত, ৩২ পৃ., ৫০০ কপি; *Sermon on the Mount* (১৮৩৭) - খ্ৰীষ্টীয় প্ৰাৰ্থনা, উপাসনামূলক গীতৰ সংকলন, ১৬ পৃ., ৫০০ কপি মুদ্ৰিত; *History of the Creation* (১৮৩৭) - সৃষ্টিকৰ্তাৰ সৃষ্টিৰ জ্ঞানদায়ক পুথি, ১২ পৃ., ৫০০ কপি[৩৫]; শদিয়াস্থিত আমেৰিকান বেপ্টিষ্ট প্ৰেছৰ পৰা অসমীয়া ভাষাত মুদ্ৰিত তিনিখন পুথি ক্ৰমে,- *Thirteen Religious Tractes* (১৮৩৭), *The Gospel of Mathew* (১৮৪২), *The Acts of Apostles* (১৮৪২); *Songs of the Night* (১৮৭১); *Missionary Life in Assam* (১৮৮০) - S.B.Taylor; *আদিভক্তি*, ধৰ্ম বিষয়ক পুথি; *আফ্ৰিকাৰ কোঁৱৰ; এজন তীৰ্থযাত্ৰীৰ ভ্ৰমণ বৃত্তান্ত; কুৰুৱাৰ বাঁহ*; *খৃষ্টৰ জীৱনী আৰু সমাচাৰ*, শিৱসাগৰ; *চামচ্ অৱ্ ডেভিদ* ৰ এক অংশৰ অসমীয়া ভাঙনি; *জাতৰ বিষয়,* শিৱসাগৰ; *ধৰ্ম্ম বিষয়ক প্ৰথম পুথি* ; *ধৰ্ম্ম বিষয়ক দ্বিতীয়*

---

৩২ পূৰ্বোক্ত, *অৱদান,* পৃ.৭২।

৩৩ *Centre for Study of the Life and Works of William Carey.* Hattiesburg, Mississippi, USA.

৩৪ *Serampore Periodical Accounts,* 1831, পৃ.৬২২; *আসাম বন্ধু,* সম্পা. নগেন শইকীয়া, অসম প্ৰকাশন পৰিষদ।

৩৫ *অৰুণোদই,* ১৮৪৬-১৮৫৪ বৰ্ষ, অসম প্ৰকাশন পৰিষদ, ১৯৮৩, ২০০৩ খ্ৰীঃত সম্পা. নাথান ব্ৰাউন, শিৱসাগৰত মিছন ছপাশালত মুদ্ৰিত, সংঙ্কলিত সংস্কৰণ মহেশ্বৰ নেওগ, *ভূমিকা,* পৃ.৮১, ১৪৪। উল্লিখিত প্ৰকাশনসমূহৰ প্ৰায়খিনিয়েই পুস্তিকা বা পত্ৰ সদৃশ আছিল।

পুথি; ধৰ্ম্ম বিষয়ে অসমীয়াৰ প্ৰতি উপদেশ; ধাৰ্ম্মিক গাঁৱলীয়া ; নিউ টেষ্টামেণ্ট্‌ ; পণ্ডিত আৰু ধৰ্ম্ম প্ৰচাৰক; পৱিত্ৰ অৱতাৰ; পবিত্ৰ ধৰম-গীত; প্ৰকৃত আশ্ৰয়; প্ৰথম কিতাপ - সাহিত্য বিষয়ক পুথি; *প্ৰলয়; বাজোঁৰ বিবৰণ; বুঢ়া চওল; ভ্ৰম সংশোধন; মাউৰী ছোৱালী*, শিৱসাগৰ; *মাক আৰু জীয়েক*, শিৱসাগৰ; *মুক্তিৰ পথ; মুছলমানলৈ পত্ৰ; যোচেফৰ বিৱৰণ; ৰণৰ সেনাপতি; ৰামগতিৰ বিৱৰণ; ৰেবিৰ বিৱৰণ; লিউক পাচনিৰ সুসমাচাৰ* -ৰবিন্সন আৰু ৰাই চাহাবৰ Gospel of St. Lukeৰ অসমীয়া ভাঙনি শ্ৰীৰামপুৰীয়া পাদুৰী চাহাবসকলৰ দ্বাৰা প্ৰকাশিত; *সৰু হেন্‌ৰি আৰু লগুৱা; সাধুকথা; সুৱনী সাজ; সৃষ্টি আৰু পতন; ধৰমি চহৰিয়া এজনৰ বিৱৰণ* - এলিজা ব্ৰাউন ; সৰল অসমীয়া ভাষালৈ নিধি লিভাই ফাৰ'ৱেলে কৰা অনুবাদ,- *বাইবেলৰ প্ৰথম চমুৱেল, বাইবেলৰ দ্বিতীয় চমুৱেল, বাইবেলৰ প্ৰথম ৰাজাৱলি, বাইবেলৰ দ্বিতীয় ৰাজাৱলি, মধু ৰস, সুবুদ্ধি বচন, মোচাৰ বিৱৰণ, বিনই বচন, স্বৰগৰ বিৱৰণ, গিত, হিন্দুস্থানৰ বুৰঞ্জি, গজনিৰ ৰজা, জঙ্গিচ আৰু ৰাজ্যৰ বিৱৰণ, চুলতানা ৰেজিয়া*[৩৬] আদি; *বাইবেলৰ আদিপুস্তক* - ছুছান ৱাৰ্ড; *বাইবেলৰ যাত্ৰাপুস্তক* - ছুছান ৱাৰ্ড ; *গীতামালা* - ছুছান ৱাৰ্ড; *যি চয়া* - ছেমুৱেল মেলন হোৱাইটিঙে বাইবেলৰ *'পুৰণি নিয়ম'* গ্ৰন্থখন হিব্ৰু ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছিল[৩৭]; *যীচুখ্ৰীষ্টৰ জীৱনী* - হেনৰী গল্ড'স্মিথ; *আদি মণ্ডলীৰ ইতিহাস* - হেনৰী গল্ড'স্মিথ; *পুৰণি নিয়মৰ ইতিহাস* - হেনৰী গল্ড'স্মিথ; *প্ৰশ্নোত্তৰ মালা* - হেনৰী গল্ড'স্মিথ; *Old Soul* - এলিজা ব্ৰাউন; *African Prince* - এলিজা ব্ৰাউন; *The Orphan Girl* - এলিজা ব্ৰাউন; *The Eagle's Nest* - এলিজা ব্ৰাউন; *Memoir of Hube* - এলিজা ব্ৰাউন; *নৰকৰ বিৱৰণ* - নিধি লিবাই ফাৰ'ৱেল; *নিস্তাৰৰ উপায়* - নিধি লিবাই ফাৰ'ৱেল; *পুৰেযে পুৰেযে প্ৰভু আমাৰ আশ্ৰয়* - নিধি লিবাই ফাৰ'ৱেল আদি।

৫.০৩. **ভাষা বিষয়ক গ্ৰন্থ**

১৮৪১ খ্ৰীঃত উইলিয়াম ৰবিন্সনে লিখা *Notes on the Dafalas and the Pecularities of their Language* গ্ৰন্থখনেই ভাষা বিষয়ক প্ৰথম গ্ৰন্থ হিচাপে পোৱা গ'ল। তেৰেঁই ১৮৪১ খ্ৰীঃত লিখি উলিয়ালে *Missing Language* নামৰ গ্ৰন্থ। অসমৰ লেখক হিচাপে প্ৰথম ভাষা বিষয়ক গ্ৰন্থ লিখে আনন্দৰাম ঢেকিয়াল ফুকনে। ১৮৪৯ খ্ৰীঃত *A Few Remarks on the Assamese Language and Vernacular Education*[৩৮] নামৰ ইংৰাজী ভাষাত লিখিত গ্ৰন্থত অসমীয়া ভাষা আৰু জাতীয় চেতনাবোধক প্ৰাধান্য

---

৩৬ পূৰ্বোক্ত, *অৱদান*, পৃ.৪৯।

৩৭ পূৰ্বোক্ত, *অৱদান*, পৃ.৭৫।

৩৮ বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমীয়া সাহিত্যৰ ইতিহাস*, অনু. সুধাংশুমোহন বন্দ্যোপাধ্যায়, সাহিত্য অকাডেমী, পৃ. ১১৮।

দিছে। লেখকে অকাট্য যুক্তিৰে অসমীয়া ভাষা সম্বন্ধে নিজা মতামত দাঙি ধৰি আইমাতৃৰ অসমীয়া ভাষা সম্বন্ধে ভিন ভিন লেখা আগবঢ়াইছিল। দেশৰ প্ৰতি থকা প্ৰেম হেতুকে অসমত পুনৰ অসমীয়া ভাষাক প্ৰতিষ্ঠিত কৰাৰ মানসেৰে তেওঁ এনে লিখনিৰ যোগেদি সকলোকে আহ্বান জনাইছিল। শিৱসাগৰৰ খ্ৰীষ্টান বেপ্টিষ্ট মিছনাৰীসকলে এই লেখনিক ছপা কৰি প্ৰকাশ কৰিছিল। ১৮৫০ খ্ৰীষ্টাব্দত এলিজা হুইটনি ব্ৰাউনে অসমীয়া ভাষা বিষয়ক গ্ৰন্থ *বাৰে মতৰা* নামেৰে এখন পুথি ৰচনা কৰে। অসমীয়া ভাষা শিক্ষাৰ ক্ষেত্ৰত আদিপাঠ ৰূপে প্ৰণীত পাঠ্যপুথি প্ৰকাশ কৰিছিল নাথান ব্ৰাউনে।

১৮৫৫ খ্ৰীঃত ৰচিত *A Few Remarks on the Assamese Language and on Vernacular Education in Assam* গ্ৰন্থখনত লেখকৰ নাম A Native বুলি উল্লেখ আছে। গ্ৰন্থখন শিৱসাগৰৰ আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছৰ পৰা প্ৰকাশ কৰা হৈছে। এই গ্ৰন্থখন বেপ্টিষ্ট মিছনাৰীসকলে ১০০ (এশ) কপি ছপাই প্ৰকাশ কৰে। গ্ৰন্থখনত আনন্দৰাম ঢেকিয়াল ফুকনে নিজৰ পৰিচয় 'এ নেটিভ' বুলি উল্লেখ কৰিছে। নিজৰ নাম, যশৰ প্ৰতি গুৰুত্ব নিদি নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই পটুৱৈৰ উপকাৰৰ হকে কাম কৰা দেখা গৈছে। অসমীয়া ভাষা আন্দোলনৰ সপক্ষে যুক্তিপূৰ্ণ লেখা গ্ৰন্থখনত সন্নিৱিষ্ট আছে। গ্ৰন্থখনত অসমীয়া আৰু বাংলা ভাষাৰ পাৰ্থক্য দেখুওৱা হৈছে আৰু অসমীয়া ভাষাত যে স্বাধীন ৰূপে সাহিত্য, নাটক, অঙ্ক, বৈদ্যশাস্ত্ৰ, ইতিহাস ইত্যাদি সৰ্বপ্ৰকাৰ গ্ৰন্থ আছে এই বিষয় প্ৰদৰ্শিত হৈছে। দেশত কানি বা আফিঙৰ দ্বাৰা যে অনিষ্ট হৈছে তাকো বৰ্ণনা কৰিছে। গ্ৰন্থখন অসমীয়া ভাষাৰ দুৰ্লভ ঐতিহাসিক দলিল স্বৰূপ। অসমীয়া ভাষা-সাহিত্যৰ গভীৰ সংকটৰ কালছোৱাত গ্ৰন্থখনে অসমীয়া ভাষা-সাহিত্যৰ স্থায়িত্ব, প্ৰচাৰ, প্ৰসাৰ আৰু ব্ৰিটিছ চৰকাৰৰ দ্বাৰা নিৰ্বাসিত হৈ থকা অসমীয়া ভাষাৰ পুনৰ প্ৰৱৰ্তনৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা লৈছে। অসমীয়া ভাষাৰ স্বকীয়তা, ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ বিশ্লেষণৰ উপৰি অসমৰ পঢ়াশালি, শিক্ষা প্ৰতিষ্ঠান, কাছাৰী আদিত প্ৰচলিত বাংলা ভাষাক আঁতৰাই অসমীয়া ভাষাৰ পুনৰ প্ৰচলনৰ দাবী উত্থাপিত হৈছে। ব্ৰিটিছ চৰকাৰে নিৰ্বাসিত কৰা অসমীয়া ভাষাৰ স্থিতি পুনৰ সুদৃঢ় কৰাৰ অৰ্থে অসমীয়া ভাষাৰ ব্যাকৰণিক ইতিহাস নিৰ্ণয়ত এই গ্ৰন্থৰ ভূমিকা অতুলনীয়।[৩৯]

ভাষা বিষয়ক গ্ৰন্থ *Correspondence relating to the question whether the Assamese or Bengali Language should be taught in the schools of Assam*[৪০] কলিকতাৰ পৰা ১৮৫৪ খ্ৰীঃত প্ৰকাশ পাইছে। ১৮৫৬ খ্ৰীঃত পূৰ্ণানন্দ সৰ্মা (শৰ্ম্মা) লিখিত *অসমীয়া ভাষাৰ কথা* নামৰ গ্ৰন্থখনত অসমীয়া

---

৩৯ ড° উমেশ ডেকা, *প্ৰসঙ্গ - ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্য*, পৃ.৬৫।

৪০ Surjya Kumar Bhuyan, *Studies in the Literature of Assam.*

ভাষা যে এটা স্বতন্ত্র ভাষা সেই কথা সাৱলীল ৰূপত তুলি ধৰা হৈছে। বাংলা ভাষাৰ পৰা অপভ্ৰংশ হৈ সৃষ্টি হোৱা নাই অসমীয়া ভাষা। গুণাভিৰাম বৰুৱাৰ যুক্তিক সমৰ্থন দি অসমীয়া ভাষা যে সুস্থ, সবল, স্বতন্ত্ৰ ভাষা তাক দৃঢ়তাৰে শৰ্ম্মাই উপস্থাপন কৰিছে।

লিখকৰ নাম উল্লেখ নথকা *বঙ্গ ভাষাৰ বৰ্ণবিন্যাস* গ্ৰন্থখন প্ৰকাশ পাইছে ১৮৫৮ খ্ৰীঃত। বাংলা ভাষাত প্ৰকাশিত ৪৬ পৃষ্ঠাৰ এই পুথিখন শিৱসাগৰৰ আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছত মুদ্ৰিত। পুথিখন সেই সময়ত অসমত প্ৰচলিত বাংলা ভাষা মাধ্যমৰ পঢ়াশালিৰ নিম্ন শ্ৰেণীৰ শিশু শিক্ষাৰ্থীসকলৰ বাবে প্ৰণীত। মূল্য মাথোঁ ⁄। চৰকাৰী চাকৰি পাবলৈ বাংলা ভাষাত শিক্ষা লাভ কৰাৰ ক্ষেত্ৰত পৰ্যাপ্ত পাঠ্যপুথি নথকাত অসমৰ ল'ৰা-ছোৱালীৰ উন্নতিৰ বাবে এনে ধৰণৰ গ্ৰন্থ লেখকে প্ৰস্তুত কৰিছে। ক খকে আদি কৰি চলতি সকলো আখৰ আৰু সংযোগী আখৰ লিখি, কোন আখৰ কি ৰূপে ব্যৱহাৰ হয় তাৰো উদাহৰণ দেখুওৱা হৈছে। এশলৈকে অংকৰ পাঠৰ উপৰি ল'ৰা-ছোৱালীয়ে সহজে বুজিব পৰাকৈ পাঠৰ সৈতে মিলাই ঠায়ে ঠায়ে অনেক বিধৰ নক্সাও দিছে।[৪১,৪২]

S.H.Cowan লিখিত *Note on the Language of the Kachari, Bengal Revenue Report* নামৰ গ্ৰন্থৰ প্ৰথম খণ্ডত ভাষা বিষয়ক বিভিন্ন কথা সন্নিৱিষ্ট হৈ আছে। ১৮৭৪ খ্ৰীঃত প্ৰকাশ পোৱা গ্ৰন্থখন কছাৰী, বেংগলৰ খাজনা বা ৰাজহ সম্পৰ্কীয় প্ৰতিবেদন সম্পৰ্কীয় যদিও অসম আৰু অসমীয়া ভাষা বিষয়ক তথ্যও সন্নিৱিষ্ট হৈ আছে। ১৮৭৪ খ্ৰীঃত কলিকতাৰ জি. কেম্বেলে *Specimens of the Language of India, including those of the aboriginal tribes of Bengal, the Central Provinces and the Eastern and the Eastern Forntier*[৪৩] গ্ৰন্থখন প্ৰণয়ন কৰিছে। ১৮৮০ খ্ৰীঃত সত্যনাথ বৰাই লিখা ***চিন্তা-কলি*** ত অসমীয়া ভাষা সম্পৰ্কীয় কিছু কথা পোৱা গৈছে। গ্ৰন্থখনৰ মূল্য দুটকা।[৪৪]

ঊনবিংশ শতিকাত অসমীয়া ভাষা সম্পৰ্কীয় ইংৰাজী ভাষাত ৰচিত H.F.Hertz ৰ *Handbook of the Kachin or Singpho Language*[৪৫], গ্ৰন্থখন ৰেঙ্গুনৰ গভৰ্ণমেণ্ট প্ৰিণ্টিং প্ৰেছত ১৮৯৫ খ্ৰীঃত মুদ্ৰিত হয়। ১৮৯৫ খ্ৰীঃত আমেৰিকান বেপ্টিষ্ট মিছনে প্ৰকাশ কৰে S. Peal ৰ *Table of Compilation of Selected Words and Numerals in Several Assam Language*[৪৬]। ১৮৯৬ খ্ৰীঃত G.A.Griersonৰ

৪১ *অৰুনোদই,* ১৮৫৮ খ্ৰী, ফেব্ৰুৱাৰী, পৃষ্ঠা ৩০।

৪২ এই টোকাটি অৰূপজ্যোতি শইকীয়া সংকলিত আৰু পুনঃ সম্পাদিত *অৰুণোদই* (১৮৫৫-১৮৬৮ চন) নিৰ্বাচিত সংকলনৰ ৪৫০ নং পৃষ্ঠাৰ পৰা উদ্ধৃত। প্ৰকাশক - ক্ৰান্তিকাল প্ৰকাশন, নগাঁও, ২০০২।

৪৩ Ibid., *Studies in the Literature of Assam.*

৪৪ *চিন্তা-কলি,* পাতনি।

৪৫ ই.এ. গেইট, *Report on Progress of Historical Research in Assam.*

৪৬ Ibid., *Studies in the Literature of Assam.*

Assamese Literature আৰু কলিকতাৰ J.D.Anderson ৰ দ্বাৰা লিখিত *Assamese Bengali* গ্ৰন্থতো অসমীয়া ভাষাৰ বৰ্ণনা আছে। অসমীয়া ভাষা আৰু ভাষাতত্ত্ব সম্বন্ধীয় উক্ত গ্ৰন্থসমূহে অসমীয়া ভাষাক সজীৱ আৰু সমৃদ্ধ কৰি তোলাত যথেষ্ট অৰিহণা যোগাইছে।

৫.০৪. **প্ৰবন্ধ বিষয়ক গ্ৰন্থ**

অসমৰ সাহিত্য বিষয়ক প্ৰকাশিত গ্ৰন্থৰ ভিতৰত ১৮৪৯ খ্ৰীঃত প্ৰকাশিত *অসমীয়া লৰাৰ মিত্ৰ* গ্ৰন্থখন অন্যতম। অসমীয়া ভাষাৰ গভীৰ সংকটৰ সময়ত আনন্দৰাম ঢেকিয়াল ফুকনে ছাত্ৰ-ছাত্ৰীয়ে সহজে বুজিব পৰাকৈ এই গ্ৰন্থ ৰচনা কৰিছিল। পৃথিৱীৰ বিভিন্ন বস্তু, ঘটনা, পৰিস্থিতিক প্ৰাধান্য দি অসমৰ ছবিখন স্পষ্ট ৰূপত দাঙি ধৰে। পুথিখনত দেশ বিদেশৰ বিভিন্ন বতৰা, সামাজিক সাংস্কৃতিক জ্ঞান, দেশাত্মবোধ, ভূগোল, বিজ্ঞান, বুৰঞ্জী সম্বন্ধীয় চিন্তা তথা ব্যৱহাৰিক জীৱনযাপনৰ প্ৰায়োগিক দিশ আদি উল্লেখ আছে।[৪৭]

আনন্দৰাম ঢেকিয়াল ফুকনৰ *অসমীয়া লৰাৰ মিত্ৰ* শীৰ্ষক লিখনিত প্ৰধানকৈ তিনিটা মুখ্য বিষয়ক কেন্দ্ৰ কৰি প্ৰস্তুত কৰাৰ কথা উল্লেখ কৰা হৈছে। প্ৰথম খণ্ডত ইংৰাজী-অসমীয়া অভিধান; দ্বিতীয় খণ্ডত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ জ্ঞান অৰ্জনাৰ্থে প্ৰায় ৯৫ টি ভিন্ন পাঠেৰে সমৃদ্ধ বিভিন্ন বিষয়ক নীতি উপদেশমূলক জ্ঞানবৰ্ধক পাঠ আৰু তৃতীয় খণ্ডত ভূগোল প্ৰকৰণ সন্নিৱিষ্ট কৰিছে। পৃথিৱীৰ বিভিন্ন দেশ, নদ-নদী, পৰ্বত-পাহাৰ, নগৰ-চহৰ, ৰাষ্ট্ৰ শাসন ব্যৱস্থা, ব্যৱসায়-বাণিজ্য, কৃষিজাত সামগ্ৰী, পৃথিৱীৰ বিভিন্ন আশ্চৰ্যজনক বিষয়-সম্ভাৰ, বিশ্বৰ বিভিন্ন প্ৰান্তত থকা লোক সমাজৰ ৰীতি-নীতি, চৰিত্ৰ, ধৰ্ম-কৰ্ম আদি বিষয় সন্নিৱিষ্ট কৰা হৈছে।

অসমীয়া লৰাৰ মিত্ৰ[৪৮]ৰ দ্বিতীয় আৰু তৃতীয় কাণ্ডটি দুটি সুকীয়া সুকীয়া খণ্ডৰে প্ৰণেতা আনন্দৰাম ঢেকিয়াল ফুকনৰ উদ্যোগতে প্ৰকাশ পাইছিল ১৮৪৯ খ্ৰীষ্টাব্দত। আহোম স্বৰ্গদেউ কমলেশ্বৰ সিংহ, ব্ৰিটিছ প্ৰশাসক ফ্ৰান্সিছ জেনকিন্স[৪৯], আৰ.কেম্বেলসহ[৫০] অসমত চাহগছৰ সন্ধান উলিওৱা চাৰ্লছ আলেকজেণ্ডাৰ ব্ৰুছলৈকে প্ৰত্যেকে গ্ৰন্থখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত আৰ্থিক সাহায্য প্ৰদান কৰিছিল।[৫১] গ্ৰন্থখন সেই সময়ত

---

৪৭ উমেশ ডেকা, *ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্য*, পৃ. ৬৬।

৪৮ *অসমীয়া লৰাৰ মিত্ৰ*, সম্পা. যোগেন্দ্ৰ নাৰায়ণ ভূঞা, ভূমিকা, পৃ.-৩১।

৪৯ ফ্ৰান্সিছ জেনকিন্স (Francis Jenkins) অসমৰ কমিছনাৰ।

৫০ আৰ.কেম্বেল (Archibald Campbell KCB)

৫১ যোগেন্দ্ৰ নাৰায়ণ ভূঞাই উদ্ধাৰ কৰা *অসমীয়া ল'ৰাৰ মিত্ৰ* ৰ (প্ৰথম পুনৰ্মুদ্ৰণৰ) 'ভূমিকা' শিতানৰ লিখনিছোৰাৰ ০.২৭ নং পৃ.ৰ পৰা ০.৩০ পৃ.ত ধন দিওঁতাৰ নাম আৰু বন্ধনীত ধনৰ পৰিমাণ উল্লেখ আছে। **উৎস** ঃ যোগেন্দ্ৰ নাৰায়ণ ভূঞা সম্পাদিত আনন্দৰাম ঢেকিয়াল ফুকনৰ *অসমীয়া লৰাৰ মিত্ৰ* আৰু *বেণুধৰ শৰ্মা ৰচনাৱলী* ৰ চতুৰ্থ খণ্ড, পৃষ্ঠা সংখ্যা ১০৭-১০৮, সম্পাদিত ৰূপত উদ্ধৃত।

কলিকতাৰ ১০নং বেচু চেটাৰ্জী ষ্ট্ৰীট'ৰ সমাচাৰ চন্দ্ৰিকা প্ৰেছত ৰাজকৃষ্ণ বেনাৰ্জীৰ ছপাশালত মুদ্ৰণ কৰা হৈছিল। গ্ৰন্থখনৰ মূল্য আছিল ৸.[৫২] মাত্ৰ অৰ্থাৎ বাৰ অনা। গ্ৰন্থখনৰ শিৰোনাম পৃষ্ঠাটি দুটা ভাষাত দুখিলা সুকীয়া পৃষ্ঠাত মুদ্ৰিত কৰা হৈছিল। ইংৰাজী পৃষ্ঠাটিত অসমীয়া লৰাৰ মিত্ৰৰ ঠাইত ইংৰাজীত, *The Friend of Young Assam,* No.3 আৰু লেখকৰ নাম হিচাপে Compiled by A Native of Assam বুলি উল্লেখ কৰিছে। গ্ৰন্থখনৰ নাম হিচাপে *The Geographical Instruction in Assamese* আৰু মুদ্ৰকৰ নাম ইংৰাজীত লিখা আছে,- 'Printed by Raj Kissan Banerjea at the Sumachar Chaundrica Press, No.10 Bachoo Chatterjea's Street, Calcutta, 1849' ৰূপে। ছপাশালটিৰ নাম-ঠিকনাত ব্যৱহৃত ইংৰাজী আখৰ জোঁটনি দ্ৰষ্টব্য। ছপাশালৰ তথ্য থকা সেই শাৰীকেইটিৰ পৰা সেই সময়ত অৰ্থাৎ ঊনবিংশ শতিকাৰ মধ্যভাগৰ সময়ছোৱাত ইংৰাজী ভাষাত শব্দৰ অক্ষৰ-বিন্যাস বা জোঁটনি কেনেদৰে কৰা হৈছিল তাৰ এটা আভাস পাব পাৰি।

১৮৪৬ খ্ৰীষ্টাব্দৰ পৰা ১৮৪৯ খ্ৰীষ্টাব্দলৈকে প্ৰকাশিত 'অৰুণোদই' আলোচনীৰ প্ৰতি বছৰত প্ৰকাশ পোৱা ১২টা মাহেকীয়া সংখ্যাৰ একত্ৰিত সংকলনেৰে ৪ (চাৰি)টা বৰ্ষৰ ৪ (চাৰিটা) খণ্ড *অৰুণোদই বাৰ্ষিক সংকলন* নামেৰে প্ৰকাশ পায় ১৮৫০ খ্ৰীঃত। ১০০ (এশ) পৃষ্ঠা যুক্ত প্ৰতিটো খণ্ডৰ মূল্য ১.০০ (এক) টকা।[৫৩] ১৮৪৬ ৰ পৰা ১৮৫০ খ্ৰীষ্টাব্দলৈকে প্ৰকাশ পোৱা পাঁচটা বছৰত প্ৰকাশিত আলোচনীৰ একত্ৰিত সংকলন ১৮৫১ খ্ৰীষ্টাব্দত *অৰুণোদই* নামেৰে গ্ৰন্থৰূপত প্ৰকাশ পায়। ১৮৫০ খ্ৰীঃত প্ৰকাশিত ১২ টা সংখ্যাৰ একত্ৰ সংকলন কেঁচা বন্ধা ৰূপত বাৰ অনা মূল্যত উপলব্ধ হৈছিল।[৫৪] তদ্ৰূপ ধৰণেই ১৮৫২ খ্ৰীঃতো ১৮৫১-১৮৫২ বৰ্ষৰ দুটা বছৰেকীয়া সংকলন আৰু এটা একত্ৰ সংকলন *অৰুণোদই* নামেৰেই প্ৰকাশ পাইছে।[৫৫] ১৮৫৩ বৰ্ষৰ আলোচনী সমগ্ৰক একত্ৰিত ৰূপত নাথান ব্ৰাউনে সম্পাদনা কৰি *অৰুণোদই* নামেৰে ১৮৫৩ খ্ৰীঃত প্ৰকাশ কৰে। মূল্য ১ টকা।[৫৬] তদুপৰি নাথান ব্ৰাউনৰ সম্পাদনাতেই প্ৰথম আঠ বছৰত প্ৰকাশিত ৯৬ টা সংখ্যা (১৮৪৬-১৮৫৩ খ্ৰীঃ) একেলগে *অৰুণোদই [Orunodoi Magazine]* নামেৰে প্ৰকাশ পায়। একত্ৰিত সংকলনটিৰ মূল্য ৮ টকা। বলোৰাম খাৰঘৰীয়া ফুকনে ১৮৬৯ খ্ৰীঃত লিখা সাহিত্য বিষয়ক আন এখন গ্ৰন্থ হ'ল *হৰ্স-বিসাদ বিষয়ক ৰচনা*[৫৭]।

---

[৫২] ঊনবিংশ শতিকাত মুদ্ৰাসূচক বুজোৱা 'বাৰ অনা'ৰ প্ৰতীকী চিহ্ন। এতিয়াৰ হিচাপত ০.৭৫ পইচা।

[৫৩] উল্লিখিত, নৱেম্বৰ, ১৮৫২, ৭ বছৰ, নম্বৰ ১১।

[৫৪] উল্লিখিত।

[৫৫] উল্লিখিত, মাৰ্চ, ১৮৫৪, ৯ বছৰ, নম্বৰ ৩।

[৫৬] উল্লিখিত, পৃ.৪৮।

[৫৭] সাম্প্ৰতিক কালত ব্যৱহৃত শব্দ গাঁথনি মতে *হৰ্ষ-বিষাদ বিষয়ক ৰচনা*।

আনন্দৰাম বৰুৱাই ইংৰাজী ভাষাত সমালোচনামূলক সাহিত্যক বিষয়বস্তু হিচাপে লৈ লিখা *Bhavabhuti and His Place in Sanskrit Literature* গ্ৰন্থখন ১৮৭৭ খ্ৰীঃত ৰচনা কৰিছিল যদিও ১৮৭৮ খ্ৰীঃৰ ফেব্ৰুৱাৰী মাহতহে প্ৰকাশ পায়। পৃথিৱীৰ দুখ, বিষাদ তথা মানুহৰ চৰিত্ৰ আৰু বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে ৰচিত ৰূপকধৰ্মী পুথি *সংসাৰ কানন* নামেৰে চন্দ্ৰশেখৰ বৰুৱাই ১৮৭৯ খ্ৰীঃত ৰচনা কৰে। গুৱাহাটীৰ পৰা প্ৰকাশিত গ্ৰন্থখনৰ মূল্য বাৰ অনা। ডিব্ৰুগড়ৰ পূৰ্ণানন্দ শৰ্ম্মাই সাহিত্য বিষয়ক এখন গ্ৰন্থ ১৮৮৩ খ্ৰীঃত ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাললৈ বৰঙণি আগবঢ়াইছে। গ্ৰন্থখনৰ নাম হ'ল *জ্ঞানাঙ্কুৰ* (আগছোৱা)।[৫৮] ১৮৮৩ খ্ৰীঃত কতিপয় মৌলিক টোকা তথা প্ৰাচীন ভাষ্যৰ উপস্থাপন আৰু প্ৰাকৃতৰ ৰূপান্তৰ বিষয়ক সংক্ষিপ্ত ভূমিকা সমন্বিতে আনন্দৰাম বৰুৱাই লিখা *বামন কাব্যালঙ্কাৰ সূত্ৰবৃত্তি, বাগভট্টালঙ্কাৰ আৰু সৰস্বতী কণ্ঠাভৰণম্* গ্ৰন্থখন এখন উল্লেখযোগ্য সাহিত্য বিষয়ক গ্ৰন্থ। সংস্কৃত আৰু ইংৰাজী দ্বিভাষিক গ্ৰন্থখনত ভাৰততত্ত্ব সম্বন্ধীয় বিষয় সন্নিৱিষ্ট কৰিছে। *সৰস্বতী কণ্ঠাভৰণ* নামৰ ভাৰততত্ত্ব বিষয়ক গ্ৰন্থ এখন আনন্দৰাম বৰুৱাই ৰচনা কৰিছিল ১৮৮৪ খ্ৰীঃত। ভোজৰজাৰ টীকা আৰু প্ৰাচীন ভাষ্যৰ উপস্থাপনৰ সৈতে ১৮৮৩ খ্ৰীষ্টাব্দত প্ৰকাশিত সংস্কৰণৰ পৰা সৰস্বতী কণ্ঠাভৰণ অংশটিৰ স্বতন্ত্ৰ ৰূপত পুনমুদ্ৰণ। গ্ৰন্থখনৰ ভাষা সংস্কৃত আৰু ইংৰাজী।

১৮৮৫ খ্ৰীঃত *ডাক ভটিমা* নামৰ গ্ৰন্থখন বৰপেটাৰ যজ্ঞৰাম দাসৰ দ্বাৰা প্ৰকাশিত আৰু কলিকতাৰ বিজ্ঞান প্ৰেছত মুদ্ৰিত। *ডাক ভটিমাক দাকৰ বচন* বা *দাক মহাপুৰুষৰ বচন* নামেৰেও জনা যায়। জ্ঞানী পণ্ডিত ব্যক্তিসকলে ডাকৰ বচন ৰূপে ব্যৱহাৰ কৰা ফঁকৰা-যোজনাসমূহে মানুহৰ জীৱন প্ৰণালীক পুৰণি কালৰ পৰাই প্ৰতিনিধিত্ব কৰি আছে। অসমত ডাক বুলি পৰিচিত ব্যক্তিজন হৈছে কামৰূপ জিলাৰ বৰপেটাৰ ওচৰৰ লেহী-দাঙ্গৰা গাঁৱৰ এজন কুমাৰৰ পুত্ৰ। মুখে মুখে চলি থকা ডাকৰ বচনৰ কিছু এই গ্ৰন্থত উপলব্ধ হৈছে। *দাক ভণিতা*ৰ আটাইতকৈ পুৰণি হাতে লিখা পুথিখন ১৮ শতিকাৰ। এই একেখন পুথিৰেই দ্বিতীয় সংস্কৰণ প্ৰকাশ পায় ১৮৮৬ খ্ৰীঃত।[৫৯] তদ্ৰূপ ধৰণে *ডাক ভণিতা* গ্ৰন্থ ঘনশ্যাম চৌধুৰীয়ে সংকলন কৰি প্ৰকাশ কৰে ১৮৯৮ খ্ৰীঃত।[৬০] ডাক জীৱনী সম্বলিত *ডাক চৰিত* পুথিখনেও অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। *ফকৰা* নামৰ পুথিখন জখলাবন্ধা সত্ৰৰ ৰঘুদেৱ গোস্বামীয়ে লিখা বুলি উল্লেখ পোৱা গৈছে। নাৰায়ণ দাস ঠাকুৰ আতাই সংকলন কৰা *ফকৰাৰ পুথি* খনো এখন অন্যতম উৎকৃষ্ট পুথি। ইয়াত ৩৬০ টা ফকৰা যোজনা সন্নিবিষ্ট কৰা হৈছে। ডাক আৰু ফকৰা সম্পৰ্কীয় আটাইকেইখন পুথিয়েই পদ্য আকাৰত

---

[৫৮] *জ্ঞান-মালিনী*ৰ 'শলাগনী' শীৰ্ষক ১২নং পৃষ্ঠাত উল্লেখিত তথ্য।

[৫৯] *আসাম বন্ধু*, দ্বিতীয় বৰ্ষৰ ১ম, ২য় সংখ্যা, ১৮৮৬ খ্ৰীষ্টাব্দ।

[৬০] ঘনশ্যাম চৌধুৰী ন্যায়াধীশ জগদীশ মেধীৰ পিতৃ।

লিখিত। গোপাল চন্দ্ৰ দাসে সংকলন কৰা অসমীয়া ফকৰা যোজনাৰ অন্যতম পুথি হ'ল *পটন্তৰ মালা*। ডিব্ৰুগড়ৰ পৰা প্ৰকাশ পোৱা অসমীয়া জন-জীৱনৰ সৈতে ওতপ্ৰোতভাৱে সম্পৰ্ক থকা এই পুথিখন প্ৰকাশ পায় ১৯০০ খ্ৰীঃত। উক্ত পুথিসমূহে জীৱন নিৰ্বাহৰ উপায়ৰ শুদ্ধ পথ প্ৰদৰ্শনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অসমীয়া সাহিত্যত ডাক, পটন্ত, উপমা, ফকৰা যোজনাসমূহৰ এক সুকীয়া স্থান আছে। কম সময়তে মানুহৰ হৃদয়ত স্থান পোৱা এনেধৰণৰ উদ্ভাৱনে অসমীয়া সাহিত্যক স্বকীয় ৰূপ প্ৰদান কৰিছে।[৬১] ঊনবিংশ শতিকাত অসমীয়া ভাষা বিষয়ক বিশ্লেষণেৰে সত্যনাথ বৰাই লিখি উলিয়াইছিল *সাহিত্য বিচাৰ* (সাহিত্য বিষয়ক পুথি) নামৰ গ্ৰন্থখন। লক্ষ্মীপ্ৰসাদ বৰুৱাই ১৮৮৯ খ্ৰীঃত ৬২ নং সীতাৰাম ঘোষ ষ্ট্ৰীট, কলিকতাৰ পৰা প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ উন্নতিত বৰঙণি আগবঢ়ায়।[৬২] অসমীয়া ভাষাত প্ৰকাশিত প্ৰথম অনূদিত সাধু কথাৰ কিতাপ *সাধু পুথি* লিখে এলিজা হুইটনি ব্ৰাউনে। আফ্ৰিকাৰ কোঁৱৰ, ঈগলৰ বাহ, যুদ্ধৰ নায়ক, ধাৰ্মিক চহা, ৰামগতিৰ বিৱৰণ, সৰু কালৰ ধৰ্ম, মাউৰা ছোৱালী আদি সাধু কথাৰে পুথিখন ১৮৫০ খ্ৰীঃত প্ৰকাশ পায়। আনন্দচন্দ্ৰ গুপ্ত (আগৰৱালা) আৰু ৰাধাকান্ত বৰকাকতিয়ে লিখা *সাধুকথা* পুথিখনো এখন উল্লেখযোগ্য সাহিত্য পুথি।

৫.০৫. **কবিতা আৰু গীতৰ গ্ৰন্থ**

কমলাকান্ত দাসে কৰা ১৩৫৮ সংখ্যক পদৰ বৈষ্ণৱ গীত-কবিতাৰ সংকলন *পদ ৰত্নাকৰ* এখন উল্লেখযোগ্য গ্ৰন্থ। ১৮৭২ খ্ৰীঃত নগাঁৱৰ পদ্মহাস গোস্বামী সম্পাদিত ২২ টি কবিতাৰ সংকলন *পদ্যমালা* অসমীয়া ভাষাৰ প্ৰথম সংকলিত কবিতা পুথি।[৬৩] পদ্মহাস গোস্বামীয়ে নীতিমূলক চুটি কবিতা লিখি *পদ্যমালা* নামেৰে প্ৰস্তুত কৰা পুথিখন কলিকতাৰ পৰা ১৮৮০ খ্ৰীঃত প্ৰকাশিত হৈছে। পুথিখনৰ মূল্য বাৰ অনা। ভোলানাথ দাসৰ *কবিতামালা* (প্ৰথম ভাগ) ত ২০ টা কবিতা সন্নিৱিষ্ট কৰা হৈছে। ঈশ্বৰৰ প্ৰাৰ্থনা আৰু শিশুসকলক নীতি-আদৰ্শৰ উপদেশ দিয়াৰ উদ্দেশ্যে ৰচনা কৰা এই পুথিখন ১৮৮১ খ্ৰীঃত প্ৰকাশ পাইছে। উপদেশ, ঈশ্বৰলৈ সেৱা, খল ব্যক্তি, মানুহৰ শত্ৰু কোন, সদগুণৰ আদৰ, হিংসা, এক ব্যক্তিৰ মনোভাব, সুখী কোন, বৰ্ষাকাল, মনুষ্য শ্ৰেষ্ঠ জীৱ কিয়, অহংকাৰী লোক, মানৱ জীৱন, মাতৃস্নেহ, প্ৰাৰ্থনা, এলেহুৱা মানুহ, কুলি ও ময়ূৰ, নদী, পদুম কলি আদি কবিতা পুথিখনত সন্নিৱিষ্ট কৰা হৈছে। পুথিখনৰ বাবে

---

৬১ G.A. Grierson, *Assamese,* pp. 397.

৬২ *জোনাকী,* প্ৰথম বছৰ, ১৮১১ শক, আহাৰ (৬ষ্ঠ সংখ্যা)।

৬৩ Dipankar Banerjee, *Brahma Samaj and North East India,* pub. Anamika Publication, New Delhi, p.44.

দাসে অসমৰ পুথি বচা সমিতিৰ পৰা ৫০ টকা পুৰস্কাৰ পোৱাৰ তথ্য পোৱা গৈছে। শেষত ১০ টা নীতি কথাৰে পুথিখন সামৰিছে। *কবিতামালা* প্ৰথম ভাগৰ তৃতীয় সংস্কৰণ ১৮৮৪ খ্ৰীঃত প্ৰকাশ পাইছে। তৃতীয় সংস্কৰণটি কলিকতাৰ নতুন আৰ্য্য যন্ত্ৰত মুদ্ৰিত হৈছে। আৰম্ভণি পৃষ্ঠাত লিখা চাৰিশৰীয়া পদ্যটিৰ প্ৰতি শাৰীৰ প্ৰথম আখৰকেইটা লগ লগালে ভো-লা-না-থ হয়।[৬৪] *কবিতামালা* ৰ দ্বিতীয় ভাগ ১৮৮৩ খ্ৰীঃত প্ৰকাশ পায়। উপদেশমূলক, প্ৰকৃতি বিষয়ক, আখ্যানমূলক ২০ টা কবিতা অমিত্ৰাক্ষৰ ছন্দত লিখি সংকলনখন প্ৰস্তুত কৰিছে। প্ৰভাত, ধ্ৰুৱ চৰিত, নক্ষত্ৰ, বায়ু, বিবিধ কথা, ভৱিষ্যৎ কাল, নিদ্ৰা, ধাৰ্ম্মিক কোন?, ঐক্যবল, বন গমনে ৰামৰ অঙ্গীকাৰ, ঈশ্বৰ প্ৰকৃত বন্ধু, বসন্ত ঋতু, বন প্ৰস্থানৰ সময়ত পিতাৰ পৰা বিদায় ল'বলৈ ৰামৰ গমন, বিদ্বান লোক, ব্যাঘ্ৰ আৰু মনুষ্য, গৃহ পক্ষীৰ প্ৰতি বন পক্ষীৰ উক্তি, কাউৰ ও শিয়াল, ঈশ্বৰৰ বিষয়ে দুঃখ প্ৰকাশ, যম আৰু নীতি কথা আদি কবিতাৰে পুথিখন সমৃদ্ধ। পুথিখন নগাঁও পাঠ্যপুথি নিৰ্বাচন সমিতিয়ে ১৮৮৩ খ্ৰীঃৰ ৩০ ছেপ্টেম্বৰ তাৰিখে অসমীয়া পঢ়াশলীয়া পাঠ্যপুথি ৰূপে অনুমোদন জনাই ৫০ টকাৰে পুৰস্কৃত কৰিছে লেখকক।[৬৫] গোৱালিনীসকলৰ সৈতে শিশু শ্ৰীকৃষ্ণৰ ধেমালিসুলভ কাহিনী বিন্যাসেৰে ছন্দত লিখা কবিতা পুথি *কানখোৱা* প্ৰকাশ পায় ১৮৮১ খ্ৰীঃত। কলিকতাৰ পৰা প্ৰকাশিত ৩৪ পৃষ্ঠাৰ পুথিখনৰ মূল্য তিনি অনা।

১৮৮৩ খ্ৰীঃত সত্যনাথ বৰাৰ গীতৰ সংকলন *গীতাৱলী* প্ৰকাশ পায়।[৬৬] তাৰিণী দেৱী[৬৭] এ ১৮৮৪ খ্ৰীঃত *জখলাবন্ধা সত্ৰৰ গীত* ত ভালেকেইটি গীতিকবিতা প্ৰকাশ কৰি অসমত অসমীয়া মহিলা লেখক ৰূপে পৰিচিত হৈছে। বৈষ্ণৱ যুগৰ পুৰণি কাব্যাংশৰ সংকলন গুণাভিৰাম বৰুৱাৰ সম্পাদনাত ১৮৮৪ খ্ৰীঃত *কাব্য-কুসুম* নামেৰে প্ৰকাশ পায়। হৰিবিলাস গুপ্ত (আগৰৱালা) ৰ নামত উৎসৰ্গিত গ্ৰন্থখন মাধৱচন্দ্ৰ বৰদলৈয়ে কলিকতাৰ ছপাশালত মুদ্ৰণ কৰি প্ৰকাশ কৰিছে। ৰাম সৰস্বতীৰ *নৰনাৰায়ণ ৰজাৰ বিদ্যোৎসাহিতা;* শ্ৰীধৰ কন্দলিৰ *অৰ্জুন-বভ্ৰুবাহনৰ যুদ্ধ, অশ্বমেধ যজ্ঞ, মহাভাৰত অনুবাদৰ নিবেদন;* মাধৱ কন্দলীৰ *শ্ৰীকৃষ্ণৰ মিথিলা গমন, কুৰুক্ষেত্ৰ যুদ্ধ; অনন্ত কন্দলিৰ সাধু ঈশ্বৰ;* মাধৱদেৱৰ *স্তুতি;* শঙ্কৰদেৱৰ *শংকৰদেৱ বংশাৱলী* আদি পুথিখনত অন্তৰ্ভুক্ত কৰিছে। ৮৯ পৃষ্ঠাৰ এখন পুথি লণ্ডনৰ ইণ্ডিয়া অফিচ লাইব্ৰেৰীত আছে।[৬৮]

---

৬৪ *ভোলানাথ দাস ৰচনাৱলী,* সম্পা. অতুল বৰুৱা, অসম প্ৰকাশন পৰিষদ, পৃ.পাতনি ১১।

৬৫ উল্লিখিত, পৃ.পাতনি ১৯।

৬৬ *ভোলানাথ দাস ৰচনাৱলী,* সম্পা. অতুলচন্দ্ৰ বৰুৱা, ১৯৭৭, পৃ.৯৯।

৬৭ আনন্দৰাম ঢেকিয়াল ফুকনৰ ভনীয়েক তথা জখলাবন্ধাৰ সত্ৰাধিকাৰ প্ৰয়াত ৰঘুদেৱ গোস্বামীৰ সহধৰ্মিণী।

৬৮ যতীন্দ্ৰনাথ গোস্বামী, *স্মৰণীয় বৰণীয়,* পৃ.৩৯। গুণাভিৰাম বৰুৱা, *ৰাম নৱমী নাটক,* সম্পা. যতীন্দ্ৰমোহন ভট্টাচাৰ্য্য, সম্পাদকীয় নিবেদন, পৃ.১৮।

দুটা খণ্ডত প্ৰকাশিত ভোলানাথ দাসৰ *চিন্তা তৰঙ্গিনী*ৰ প্ৰথম ভাগ ১৮৮৪ আৰু দ্বিতীয় ভাগ ১৮৮৫ খ্ৰীঃত প্ৰকাশ পায়। প্ৰথম ভাগত সন্নিৱিষ্ট বৰ্ণনাত্মক, দেশাত্মবোধক ১৯ টি কবিতা হ'ল,- চিন্তা তৰঙ্গিণী, অকাৰণ কুযশ ৰটনা, শিৱ দৰ্শন, জড়াসন্ধ বধ, কৌশল্যাৰ ওচৰত ৰামৰ বিদায়, ভৰতৰ প্ৰতি প্ৰশ্ন, কেৰাণী বাবু, মোৰ প্ৰতি বিদ্ৰূপ, ধনীৰ প্ৰতি ভিক্ষাৰীৰ তিৰস্কাৰ, স্বপ্ন, কাকো চিনিব নোৱাৰি, ক্ৰন্দন, উক্তি, আলেকজেণ্ডাৰ ও দস্যু, যবনে অসম আক্ৰমণ কৰাৰ সময়ত কোনো এক বীৰপুৰুষৰ উক্তি, কলিকতা, বিধবা, জন্মভূমি আদি।[৬৯] দ্বিতীয় ভাগত সন্নিৱিষ্ট ২৪ টি কবিতাৰ ভিতৰত,- কবিতা, ৰজনী, কাৰাৰুদ্ধ ৰাজপুত্ৰ, মধুহাসি, জহনী, আসাম বন্ধু, স্বৰ্গ দৰ্শন, স্বভাৱৰ শোভা, ভাৰতী ইটো সিটো, আশা, আসামবাণী, কলঙ্গ নদী, গতিশীলতা নলিনী আদি উল্লেখযোগ্য। স্বদেশৰ প্ৰতি অনুৰাগ, নীতিজ্ঞান, পুৰণি ইতিহাস, সমকালীন জীৱন আদি দুয়ো খণ্ডৰ কবিতাসমূহত প্ৰতিভাত হোৱা দেখা গৈছে। পুথিখনি অসম পাঠ্যপুথি কমিটীয়ে ব্যৱহাৰ্য বুলি মঞ্জুৰ কৰিছিল।[৭০] ১৮৯০ খ্ৰীঃত কমলাকান্ত ভট্টাচাৰ্য্যৰ *চিন্তানল* কলিকতাৰ ২১১ নং কৰ্ণৱালিছ ষ্ট্ৰীটৰ বি.এছ.প্ৰেছত কে.চি. দত্তৰ দ্বাৰা মুদ্ৰিত হৈ তেজপুৰৰ পৰা প্ৰকাশিত হৈছে। জাতীয় চেতনামূলক কবিতা পুথিখনত অসমীয়া জাতিৰ দোষসমূহ অকপটে প্ৰকাশ কৰি সমগ্ৰ অসমৰ অসমীয়াৰ চিন্তাধাৰা ফুটাই তুলিছে। গ্ৰন্থখনৰ মূল্য চাৰি অনা।[৭১] শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধৰ কাহিনীৰ আলমত চন্দ্ৰ ভাৰতীয়ে ১৫ শতিকাতে অসমীয়া ভাষাত ৰচনা *কুমৰ হৰণ* কবিতাপুথিখন কলিকতাৰ বেদ প্ৰেছত ১৮৯১ খ্ৰীঃত মুদ্ৰিত হয়। বৰপেটাৰ বাঞ্ছাৰাম চৌধাৰীয়ে সংকলন কৰা পুথিখন ধৰ্মদত্ত শৰ্মাই ছপা কৰে।

দীননাথ শৰ্ম্মা বেজবৰুৱাৰ কাব্যপুথি *আচাৰ্য্য সংহতি* শিৱসাগৰৰ দিবাকৰ শৰ্ম্মা বৰুৱাই কলিকতাৰ বেদ প্ৰেছত মুদ্ৰণ কৰি ১৮৯৩ খ্ৰীঃত প্ৰকাশ কৰে। আহোম ৰাজত্বত অসমৰ বৈষ্ণৱ সত্ৰসমূহৰ মাজত থকা তিনি সংহতিৰ বিকাশৰ বিষয়ে সংক্ষিপ্ত বিৱৰণ আগবঢ়াইছে। পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভূজ ঠাকুৰৰ মূল উৎসকে আদি কৰি ২৪ টা সত্ৰৰ ঘটনাৰাজি উল্লেখ কৰিছে। পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভূজ ঠাকুৰৰ যথাক্ৰমে ১৬১৯ আৰু ১৬৪৮ খ্ৰীঃত লোকান্তৰ হোৱালৈ লক্ষ্য ৰাখি পুথিখনি ১৭ শতিকাৰ শেষ ভাগত ৰচিত বুলি ক'ব পাৰি। চাৰি সংহতিৰ পৰিৱৰ্তে তিনি সংহতি (ব্ৰাহ্ম, পুৰুষ আৰু কাল সংহতিৰ) বিষয়ে আলোচনা কৰি চাৰি নং সংহতিটো অৰ্থাৎ নিকা সংহতি সম্পূৰ্ণৰূপে কাৰ্যকৰী নকৰিলে। হৰগৌৰী সম্বাদ, সুত সংহিতা, ষষ্ঠি পটলৰ সৈতে পয়াৰ ছন্দত অসমীয়া ভাঙনি আছে। মহাদেৱ আৰু পাৰ্বতীৰ মাজত হোৱা কথোপকথনৰ বৰ্ণনাৰ উপৰি সুত সংহিতা আৰু ৰুদ্ৰ যমালাৰ পৰা সংস্কৃত ভাষাত কিছু সাৰাংশ সন্নিৱিষ্ট

---

৬৯ স্মাৰক গ্ৰন্থ, কলিকতা বিশ্ববিদ্যালয়, *তুলনাত্মক ভাৰতীয় ভাষা ও সাহিত্য পত্ৰিকা*, ৩য় সংখ্যা, ২০১৫, পৃ.১০৪,১০৫।

৭০ পূৰ্বোক্ত, *ভোলানাথ দাস ৰচনাৱলী*, পৃ.২২, ২৯।

৭১ *জোনাকী*, ১৮১১-১২ শক, ১৮৮৯-৯০ খ্ৰীষ্টাব্দ। দ্বিতীয় ভাগ, তৃতীয় সংখ্যা।

কৰিছে। গ্ৰন্থখনৰ দফাসমূহ অসমীয়াত ছন্দ বিশেষে অন্তৰ্ভুক্ত কৰা বাবে শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম বিৰৰণ, কৰ্মাৱলী আদি জানিব পাৰি।[৭২,৭৩] ১৮৯৫ খ্ৰীঃত বেণুধৰ ৰাজখোৱাৰ কাব্যগ্ৰন্থ *পঞ্চকবিতা* প্ৰকাশ পায়। গ্ৰন্থখনিত সন্নিৱিষ্ট কবিতাকেইটি হৈছে,- মৰম, দুদল সৈন্য, জীৱনসংগী, চিন্তা আৰু অশ্ৰু। দ্বিতীয় আৰু তৃতীয়টি কবিতা দুটি যথাক্ৰমে দুদল সৈন্য আৰু জীৱনসংগীতৰ ইংৰাজী কবিতাৰ ভাঙনি।[৭৪]

ল'ৰা-ছোৱালীৰ উপযোগী উপদেশমূলক কাব্যগ্ৰন্থ *উজু কবিতা* দুৰ্গাপ্ৰসাদ দত্তই ৰচনা কৰিছে ১৮৯৫ খ্ৰীঃত। ইংৰাজী কবিতাৰ প্ৰভাৱ পৰিলক্ষিত হোৱা পুথিখন ক্ৰমে ১৮৯৫, ১৮৯৬, ১৮৯৮, ১৮৯৯, ১৯০০ আৰু ১৯০২ খ্ৰীঃত ১ম, ২য়, ৩য়, ৪ৰ্থ, ৫ম আৰু ৬ষ্ঠ সংস্কৰণ ৰূপে প্ৰকাশ পাইছিল। পুথিখনি ১৮৯৫ খ্ৰীঃত ১০০০ কপি, ১৮৯৬ খ্ৰীঃত ৩০০০ কপি, ১৮৯৮ খ্ৰীঃত ৩০০০ কপি, ১৮৯৯ খ্ৰীঃত ৪০০০ কপি, ১৯০০ খ্ৰীঃত ৫০০০ কপি আৰু ১৯০২ খ্ৰীঃত ৬০০০ কপিকৈ ছপা হৈ ওলাইছিল। ষষ্ঠ সংস্কৰণলৈ ২২,০০০ কপি মুদ্ৰিত সংখ্যাই পুথিখনৰ বহুল চাহিদাক প্ৰতীয়মান কৰে। ৩৬ পৃষ্ঠাৰ ষষ্ঠ সংস্কৰণৰ মূল্য তিনি অনা। কলিকতাৰ ১২২নং আমহাৰ্ষ্ট ষ্ট্ৰীটৰ ৰাধাৰমণ প্ৰেছত নৃত্যগোপাল চক্ৰৱৰ্তীৰ দ্বাৰা মুদ্ৰিত।[৭৫]

পঢ়াশলীয়া পাঠ্যপুথি ৰূপে অন্তৰ্ভুক্ত মফিজুদ্দিন আহমদ হাজৰিকাৰ *জ্ঞান-মালিনী* কাব্যগ্ৰন্থ ১৮৯৬ খ্ৰীঃত প্ৰকাশ পাইছে। মূল্য ||০ দুমহা[৭৬]। মফিজুদ্দিন আহমদ হাজৰিকাই *ৰত্ন পাৰিজাত* আৰু *মালিনীৰ বীণ* নামৰ দুখন পুথি ৰচনা কৰাৰ কথা তেওঁৰ দ্বাৰা ৰচিত *জ্ঞান-মালিনী* পুথিৰ নামপাতত উল্লেখ কৰিছে। ছপাৰূপত দুষ্প্ৰাপ্য গ্ৰন্থ দুখনত লেখকৰ নাম মুন্সি মফিজুদ্দিন আহমদ্ হাজৰিকা, ডিব্ৰুগড় বুলি লিখিছে। পদ্মনাথ গোহাঞিবৰুৱাই নিজৰ পাৰিবাৰিক জীৱনৰ সাংসাৰিক বিষয় বাসনাৰ লীলা-খেলাক কেন্দ্ৰ কৰি ৰচনা কৰা *লীলা* কাব্যগ্ৰন্থ প্ৰকাশ পায় ১৮৯৯ খ্ৰীঃত। অমিত্ৰাক্ষৰ ছন্দত লিখা আত্মজীৱনীমূলক কবিতাৰ জৰিয়তে গাৰ্হস্থ্য জীৱনৰ আনন্দ-উল্লাসৰ পৰিৱেশ বৰ্ণনা কৰিছে। অসমৰ নৈসৰ্গিক দৃশ্যৰ ছবিৰ লগতে বৰ্ণনাত্মক বিশ্লেষণে কাব্যখনক সুখপাঠ্য কৰি তুলিছে।[৭৭]

---

৭২ ই.এ. গেইট, *Report on Progress of Historical Research in Assam.*

৭৩ Maheswar Neog, *Sankaradeva and His Times : Early History of the Vaishnava Faith and Movement in Assam*, p.26.

৭৪ *জোনাকী,* ১৮১৭ শক, ১৮৯৫ খ্ৰীষ্টাব্দ। পঞ্চম ভাগ, ষষ্ঠ সংখ্যা।

৭৫ উল্লিখিত, ষষ্ঠ সংখ্যা। *সাতসৰী* আলোচনী।

৭৬ 'মহা' শব্দৰ অৰ্থ এটকাৰ চাৰিভাগৰ এভাগ বা চাৰি অনা বা সিকি। সেই সূত্ৰে দুমহাৰ অৰ্থ হ'ল আঠ অনা। *ব্যৱহাৰিক অসমীয়া অভিধান,* সম্পা. বসন্ত কুমাৰ গোস্বামী, প্ৰকা. সূৰ্য্য হাজৰিকা, এছ.এইচ.শৈক্ষিক ন্যাস, ১ চন্দ্ৰকান্ত হাজৰিকা পথ, তৰুণ নগৰ, গুৱাহাটী-৭৮১০০৫, সং. ২০১৪, পৃ.১২৫৭।

৭৭ *জোনাকী,* ১৮২৩ শ., ১৯০১ খ্ৰী., প্ৰথম ভাগ, দ্বিতীয় সংখ্যা।

ঊনবিংশ শতিকাত প্ৰকাশিত সবিশেষ উল্লেখ নথকা কাব্যগ্ৰন্থ সমূহ হ'ল,- *কবিতা প্ৰয়াস* (১৮৮৭) - শ্ৰীনাথ বেজবৰুৱা, *মহাজন* (১৮৮৯) - দিবাকৰ শৰ্ম্মাই 'মহাজন' খিতাপ পাবলৈ কি কি গুণৰ প্ৰয়োজন কবিতাৰ জৰিয়তে প্ৰকাশ কৰা পুথিখনৰ বিতৰক দিবাকৰ শৰ্ম্মা, শিৱসাগৰ; *মিনতি* (১৮৮৯) ঐকান্তিক ভক্তিমূলক কবিতা লিখিছে দিবাকৰ শৰ্ম্মাই; *নল চৰিত* (১৮৮৯) - পূৰ্ণকান্ত শৰ্মাৰ এই পুথিখন ডিব্ৰুগড়ৰ ৰাধানাথ প্ৰেছত মুদ্ৰিত[৭৮]; *নল চৰিত্ৰ* (১৮৮৯) - ডিব্ৰুগড়ৰ পূৰ্ণহাস গোস্বামী; *ধৰ্ম্ম সঙ্গীত* (১৮৯১) - কেইজন মান ছাত্ৰ; *শিশুপাল বধ* (১৮৯১) - শিষ্ট ভট্টাচাৰ্য্য কবিতাপুথিখন আউনীআটি সত্ৰৰ মতিৰাম ওজাই প্ৰকাশ কৰে; *পদ্য জখলা* (১৮৯১) ৰাধিকাপ্ৰসাদ বৰুৱা; *উজু কবিতা* (প্ৰথম সংস্কৰণ - ১৮৯৬, তৃতীয় সংস্কৰণ - ১৮৯৮, চতুৰ্থ সংস্কৰণ - ১৮৯৯, পঞ্চম সংস্কৰণ - ১৯০০) - দুৰ্গাপ্ৰসাদ দত্তৰ ৩৬ পৃষ্ঠাৰ তিনি অনা মূল্যৰ এই কবিতা পুথিখন ক্ৰমে ৩০০০, ৩০০০, ৪০০০, ৫০০০ কপি প্ৰকাশ হৈছে; *লৰা কবিতা* (১৮৯৫) - দুৰ্গাপ্ৰসাদ দত্তই গীতিধৰ্মীতাৰে ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ ৩৪ টা কবিতাৰে পুথিখন যুগুত কৰিছে[৭৯]; *ভূমিকম্প* (১৮৯৯) - বৰপেটাৰ গোবিন্দৰাম চৌধুৰী[৮০]; *জুৰণি* (১৯০০) - পদ্মনাথ বৰুৱা ওৰফে পদ্মনাথ গোহাঞি বৰুৱা[৮১]; *কবিতা চন্দ্ৰিকা* (১৯০০) কলিকতাৰ ধনাই বৰা; *কবিতা পুথি* (১৯০০) মহম্মদ চুলেমান খান; *কবিতা কুসুম* (১৯০০) - প্ৰমোদ চন্দ্ৰ বৰঠাকুৰ[৮২]; *পদ্যাঙ্কুৰ* - আনন্দচন্দ্ৰ গুপ্ত (আগৰৱালা); *পদ্যাৱলী* - আনন্দচন্দ্ৰ গুপ্ত (আগৰৱালা); *ফুলৰ আঁজলি* - পাণীন্দ্ৰনাথ গগৈ; *উষা হৰণ, ত্ৰিবৰ্গ সাৰ* - লিখকৰ নাম অজ্ঞাত; *ফল্গুৎসৱ* - কমলাবাৰী সত্ৰৰ শম্ভুনাথ অধিকাৰ গোস্বামী; *পাখোৰাজ; বোলোনা; ৰুক্মিণী বিৱাহ; শিৱ বিবাহ; সংগীতমালা* - লক্ষ্মীৰাম বৰা আদি।

৫.০৬. কাব্য, উপাখ্যানমূলক গ্ৰন্থ

ঊনবিংশ শতিকাত কাব্য, উপাখ্যানমূলক ভালেসংখ্যক গ্ৰন্থ প্ৰকাশ পাইছে। *বীৰঙ্গনা প্ৰশ্নোত্তৰ কাব্য* বাংলা ভাষাত লিখে শিলচৰৰ ৰামকুমাৰ নন্দী মজুমদাৰে ১৮৭২ খ্ৰীঃত। মাইকেল মধুসূদন দত্তৰ *বীৰাঙ্গণা* কাব্যৰ প্ৰত্যুত্তৰত প্ৰণয়ন কৰা গ্ৰন্থখন কলিকতাৰ ছপাশালত মুদ্ৰিত হৈছে।[৮৩] অসমীয়া ভাষাত শঙ্কৰদেৱে

---

৭৮ পদ্মনাথ গোহাঞিবৰুৱা, *মোৰ সোঁৱৰণী,* পৃ.৩২-৩৪।

৭৯ *জোনাকী,* ১৮১৯ শ., ১৮৯৭ খ্ৰী., সপ্তম ভাগ, চতুৰ্থ সংখ্যা।

৮০ গোবিন্দৰাম চৌধুৰী, পলাশবাৰীৰ উপ-প্ৰতি সমাহৰ্তা শ্যামলাল চৌধুৰীৰ পিতৃ তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বৰপেটাৰ প্ৰসন্নলাল চৌধুৰীৰ ককাদেউতাক।

৮১ *জোনাকী,* ১৮২৩ শ., ১৯০১ খ্ৰীঃ, প্ৰথম ভাগ, দ্বিতীয় সংখ্যা।

৮২ উল্লিখিত।

৮৩ *তুলনামূলক ভাৰতীয় ভাষা ও সাহিত্য পত্ৰিকা,* দ্বিতীয় সংখ্যা, ২০১২, স্মাৰক গ্ৰন্থ, *উনিশ ও কুড়ি শতকের অসমিয়া সংবাদ সাময়িকী ঃ প্ৰেক্ষাপট কলকাতা,* জ্যোতিৰ্ময় সেনগুপ্ত, পৃ.১৩৬।

ৰচনা কৰা ১১৬ পৃষ্ঠাৰ *ৰুক্মিণী হৰণ কাব্য* খন দত্তদেৱ গোস্বামীয়ে মাজুলীৰ আউনীআটি সত্ৰৰ ধৰ্ম্ম প্ৰকাশ যন্ত্ৰত ৬০০ সংখ্যক ছপা কৰি প্ৰকাশ কৰে ১৮৭৩ খ্ৰীঃত। একেখন গ্ৰন্থকেই হজ গাঁওবুঢ়াই ১৮৯০ খ্ৰীঃত প্ৰকাশ কৰে। দুয়োজন প্ৰকাশকে গ্ৰন্থৰ মূল্য ৮ অনা নিৰ্ধাৰণ কৰে। সেই বৰ্ষতে উক্ত গ্ৰন্থখন শ্ৰীধৰচন্দ্ৰ বৰুৱায়ো কলিকতাৰ বেদ প্ৰেছত ছপা কৰি প্ৰকাশ কৰে। *ৰুক্মিণী হৰণ কাব্যৰ* ঘটনাক্ৰম অনুসৰি,- কৃষ্ণৰ ৰূপ-গুণত মোহিত ৰুক্মিণীয়ে স্বামীৰূপে শ্ৰীকৃষ্ণকেই বৰণ কৰে। ৰুক্মিণী কন্যাকাল প্ৰাপ্ত হোৱাত কৃষ্ণৰ সৈতে বিবাহ পাতিবলৈ ৰুক্মিণীৰ পিতৃ ভীষ্মক মান্তি হয় যদিও জ্যেষ্ঠ ভাতৃ ৰুক্মবীৰে চেদিৰজা শিশুপালৰ সৈতে ৰুক্মিণীৰ বিয়াৰ যো-জা কৰে। তীব্ৰ প্ৰতিবন্ধকতা নেওচি ৰুক্মিণীক লৈ কৃষ্ণ দ্বাৰকাত উপস্থিত হোৱাত মহা ধুম-ধামেৰে বিবাহ কাৰ্য সম্পন্ন হয়।

১৮৭৮-৮০ খ্ৰীঃত *আসাম বিলাসিনী* পত্ৰিকাত ধাৰাবাহিকভাৱে প্ৰকাশিত ভোলানাথ দাসৰ *সীতাহৰণ কাব্য* খন ১৮৮৮ খ্ৰীঃত একত্ৰিত কৰি শিৱনাথ ভট্টাচাৰ্য্যই গ্ৰন্থৰূপত প্ৰকাশ কৰে। মহাকাব্যত প্ৰথমবাৰৰ বাবে *ৰামায়ণ*ৰ আধাৰত অমিত্ৰাক্ষৰ ছন্দ প্ৰয়োগ কৰি ৰচনা কৰে। সাতটি সৰ্গত বৰ্ণিত কাহিনীভাগৰ প্ৰথম সৰ্গত 'সূচনা', দ্বিতীয়ত 'যুদ্ধ', তৃতীয়ত 'বাৰ্তা', চতুৰ্থত 'মাৰীচ মন্ত্ৰণা', পঞ্চমত 'আন্দোলন', ষষ্ঠত 'দেশ যন্ত্ৰণা' আৰু সপ্তম সৰ্গত 'হৰণ' বৰ্ণনা কৰিছে।[৮৪] ঊনবিংশ শতিকাত ৰচিত আন আন বধকাব্য, উপাখ্যান সমূহৰ ভিতৰত,- *ৰাজসূয় কাব্য* (১৮৮৫), শ্ৰীশ্ৰীমাধৱদেৱ; *ৰাজোপাখ্যান* (১৮৭৪), ইংৰাজী অনুবাদ প্ৰকাশ; *খোৰা-খুবি উপাখ্যান* (১৮৮৯), পূৰ্ণকান্ত দেৱশৰ্মাই অসমীয়া ভাষাত ৰচনা কৰা গ্ৰন্থখনি কলিকতাৰ নিউ আৰ্য প্ৰেছত মুদ্ৰিত; *লক্ষহীৰা* (১৮৯৭), শিৱসাগৰৰ দিবাকৰ শৰ্মাই লিখা গ্ৰন্থখনি আৰ.এন. ঘোষ, বাল্মীকি প্ৰেছ, ১০০/২, মেছুৱা বজাৰ ষ্ট্ৰীট, কলিকতাত মুদ্ৰিত। মূল্য ।৷৹ অনা মাথোন; *বত্ৰিশ পুতলা; বৰাহ পুৰাণ; বৰ স্বৰ্গখণ্ড; বলি চৰিত্ৰ; বলি-বাসৱৰ যুদ্ধ; বামন পুৰাণ; বায়ু পুৰাণ; বিজয় দশম; বিশ্বহৰি আখ্যান; বুঢ়া ভাষ্য; বৃহন্নাৰদীয় পুৰাণ - যশোধৰ; বেহুলাৰ উপাখ্যান; ব্যাসাশ্ৰম* - ৰাম সৰস্বতী (সেই সময়ত গুৱাহাটীৰ ৰত্নকান্ত বৰুৱাৰ ঘৰত উপলব্ধ আছিল); *ব্ৰজাঙ্গী পুৰাণ; ভটাপৰ্ব্ব; ভীষ্ম দিগ্বিজয়; ভৱিষ্য পুৰাণ* -সাৰ্ব্বভৌম ভট্টাচাৰ্য্য; *মণিচন্দ্ৰ ঘোষ,* অনন্ত কন্দলী; *মণিহৰণ; মৎস্য পুৰাণ; মধুমালতী; ময়ূৰধ্বজ পৰ্ব্ব; মাণ্ডব্য পুৰাণ; মাৰ্কণ্ডেয় চণ্ডী* - মধুসূদন মিশ্ৰ; *মাৰ্কণ্ডেয় পুৰাণ* - সপ্তশতিকা; *মুক্তাৱলী; যম গীতা; যামাল; ৰত্ন মৌলিক; ৰত্ন সাৰ; ৰত্ন সিংহ; ৰত্নাকৰ* - শঙ্কৰদেৱ, সংস্কৃতমূলক; *ৰত্নাকৰৰ পদ,* ৰামচৰণ ঠাকুৰৰ শঙ্কৰদেৱে কৰা মূল সংস্কৃত ৰত্নাকৰৰ ভাওনি; *ৰাজসুয়া,* মাধৱদেৱ; *ৰাধা হৰণ; ৰাধিকাৰ কলঙ্ক ভঞ্জন; ৰাৱণ*

---

৮৪ বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমীয়া সাহিত্যৰ ইতিহাস,* অনু. সুধাংশুমোহন বন্দ্যোপাধ্যায়, সাহিত্য অকাডেমী, পৃষ্ঠা ১২৪। কলিকতা বিশ্ববিদ্যালয়ৰ স্মাৰক গ্ৰন্থ, *তুলনাত্মক ভাৰতীয় ভাষা ও সাহিত্য পত্ৰিকা,* তৃতীয় সংখ্যা, ২০১৫, পৃ. ১০৬। *ভোলানাথ দাস ৰচনাৱলী,* সম্পা. অতুল বৰুৱা, অসম প্ৰকাশন পৰিষদ। পাতনি, পৃ.৩৯।

দিগ্বিজয়; ৰামৰ অশ্বমেধ, নীলাচন্দ্ৰ অধিকাৰ; ললিতা লৱঙ্গ লতা; লৱ-কুশৰ যুদ্ধ - ফুকন এণ্ড মজিন্দাৰ'ৰ দ্বাৰা প্ৰকাশিত; *লিঙ্গ পুৰাণ; শক্তিশেল; শতস্কন্ধ; শৰণ মালিকা; শৰণ সংহিতা; শিৱ পুৰাণ; সত্যনাৰায়ণ পাঁচালী; সন্ত নিৰ্ণয়; সমুদ্ৰ বন্ধন; সৰু স্বৰ্গখণ্ড; সাবিত্ৰ্যুপাখ্যান* -ৰাম সৰস্বতী; *সীতাৰ পাতাল প্ৰৱেশ,* অনন্ত কন্দলী; *সুগন্ধিকা পৰ্ব্ব; সূৰ্য্য পুৰাণ; সৃষ্টি পতন; স্পন্দন চৰিত্ৰ; হৰগৌৰী সম্বাদ; হৰমোহন* - লক্ষ্মীকান্ত বটদ্ৰবা; *নলোপাখ্যান* (গদ্য) - নল ৰজাৰ উপাখ্যান, ধৰ্ম্মেশ্বৰ হাজৰিকা আদি।

৫.০৭. অসমীয়া ব্যাকৰণ, শব্দাৰ্থ, পাঠ্যপুথি আদি

ঊনবিংশ শতিকাত এনে বিষয়ৰ গ্ৰন্থ প্ৰকাশৰ সংখ্যা সৰ্বাধিক। শিক্ষাৰ পোহৰ নপৰা সময়ত অসমৰ ভাষা, শিক্ষা, সংস্কৃতি আদি ক্ষেত্ৰত এই গ্ৰন্থসমূহে যুগান্তকাৰী ভূমিকা পালন কৰিছিল। ইংৰাজী, অসমীয়া আৰু টাই ভাষাৰ বৰ্ণ পৰিচয়, বানান আৰু আখৰ জোঁটনিৰ শিক্ষণ পুথি *A Spelling Book in English, Assamese and Tai* গ্ৰন্থখন এই বিষয়ত প্ৰথম গ্ৰন্থ। নাথান ব্ৰাউনে লিখা ৪৮ পৃষ্ঠাৰ ৫০০ কপি শদিয়াস্থিত আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছত মুদ্ৰিত হৈ ১৮৩৬ খ্ৰীঃত প্ৰকাশিত হয়। গ্ৰন্থখনৰ ২ (দুই) টা কপি City of Paris ত উপলব্ধ।[৮৫] তথ্য অনুসৰি গ্ৰন্থখন ৪৮ পৃষ্ঠাৰ। ১৮৩৭ খ্ৰীঃত প্ৰকাশ পায় তদ্ৰূপ ৫৬ পৃষ্ঠাৰ বৰ্ণমালা আৰু আখৰ জোঁটনি শিক্ষণ পুথি *The Alphabet and Spelling Lessons* শীৰ্ষক পুথি। *Worcester's Primer in Assamese* নামেৰে আন এখন পুথি ১৮৩৭ খ্ৰীঃত প্ৰকাশ পায়। শদিয়াৰ আমেৰিকান বেপ্টিষ্ট মিছনাৰীয়ে ১৮৩৮ খ্ৰীঃত প্ৰকাশ কৰা *Worchester's Primer in Assamese with English* গ্ৰন্থখনৰ লিখক Yong-Khamti বুলি তথ্য পোৱা হৈছে।[৮৬]

মাইলছ ব্ৰনছনৰ *A Spelling Book and Vocabulary in English, Assamese, Singpho and Naga* নামৰ ৬৪ পৃষ্ঠাৰ পুথিখনি জয়পুৰস্থিত আমেৰিকান খ্ৰীষ্টান মিছনাৰীসকলে মিছন প্ৰেছৰ পৰা ১৮৩৯ খ্ৰীঃত প্ৰকাশ কৰে। সেই সময়ত মুদ্ৰণৰ বাবে অসমীয়া আখৰ তৈয়াৰ নোহোৱাত ভাষাৰ উচ্চাৰণ একে ৰাখি অসমীয়া, চিংফৌ আৰু নগা লোকে সহজে বুজিব পৰাকৈ ৰোমান হৰফ ব্যৱহাৰ কৰে। পাতনিত Key to pronunciation আৰু combine letter সংক্ৰান্ত তথ্য উল্লেখ কৰিছে। গ্ৰন্থখনত ইংৰাজী শব্দৰ থলুৱা অসমীয়া অৰ্থৰ প্ৰয়োগ মন কৰিবলগীয়া। একেদৰে ইংৰাজী শব্দ, সাধাৰণতে ব্যৱহৃত 'মান্য' বা সংস্কৃতগন্ধী অৰ্থ আৰু ব্ৰনছনৰ অসমীয়া শব্দ নামকৰণেৰে তিনিটা ভাগত তালিকা আকাৰে প্ৰকাশ কৰা

---

৮৫ *Catalogue of Books,* Engravings and Maps, City Documents No. 46, City of Boston, USA, 1849, P.12., Report of the committee on the history, City of Paris.

৮৬ উল্লিখিত।

কিছু শব্দ সন্নিৱিষ্ট কৰিছে।[৮৭] পুথিখনৰ শেষাংশত চাৰিওটা ভাষা অৰ্থাৎ ইংৰাজী, অসমীয়া, চিংফৌ আৰু নগা ভাষাত পাঠ আলোচনা কৰিছে। ১০ টা পাঠত জীৱ-জন্তু, মানুহ আদিৰ ১২ খন ছবি কাঠৰ ব্লক সাজি ছপাই দেখুৱাইছে। পুথিখনত সংখ্যা, মাহ আৰু বাৰৰ নামো অন্তৰ্ভুক্ত কৰা হৈছে।[৮৮] উইলিয়াম ৰবিন্সনে অসমীয়া ভাষাৰ উন্নতিকল্পে ৰচনা কৰা *A Grammer of the Assamese Language* নামৰ গৌহাট্টি (গুৱাহাটী) ছেমিনাৰিয়ে প্ৰকাশ কৰা গ্ৰন্থখন শ্ৰীৰামপুৰস্থিত বেপ্টিষ্ট মিছন প্ৰেছত ১৮৩৯ খ্ৰীঃত মুদ্ৰিত। অসমীয়া ভাষাৰ ব্যাকৰণ সম্পৰ্কীয় বিধি-ব্যৱস্থা, অসমীয়া ব্যাকৰণ পদ্ধতি, Petition in Court, অসমৰ সোণ আৰু ৰূপৰ জোখ-মাখ, তৰল পদাৰ্থৰ জোখ-মাখ, গোটা বস্তুৰ জোখ-মাখ, মাটিৰ জোখ, সময়ৰ জোখ, সপ্তাহৰ নাম, মাহৰ নাম আদি পুথিখনত আছে। অসমীয়া ভাষাটিক এক দোৱান ভাষাৰূপে পৰিচিত কৰোৱাৰ লগতে অসমীয়া ভাষা বাংলা ভাষাৰ উপভাষা বুলি লেখকে উপস্থাপন কৰাত অসমীয়া ভাষা-সাহিত্যৰ গুণগ্ৰাহী সমাজে এই বিষয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অসমীয়া ভাষাৰ ব্যাকৰণ ৰূপে গ্ৰহণ কৰিবলৈ অমান্তি হয়।[৮৯] সাত লাখৰ অধিক লোকে মনোভাৱ আদান-প্ৰদান কৰা অসমীয়া ভাষাৰ চৰ্চাৰ আৱশ্যকতাৰ বিষয়ে পুথিখনত উল্লেখ কৰি পুৰণি বৰ্ণবিন্যাসৰ সলনি 'ৱ'ৰ ব্যৱহাৰ কৰা দেখা গৈছে। H.B.L.Cutter এ অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য লিখি *Vocabulary and Phrases in English and Assamese* নাম দি দুটা খণ্ডত ক্ৰমে ১৮৩৯, ১৮৪০ খ্ৰীঃত প্ৰস্তুত কৰে। নাহৰকটীয়াৰ কাষৰ জয়পুৰস্থিত আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছে দুয়োটা খণ্ডক একত্ৰিত ৰূপত ২৫১ পৃষ্ঠাৰে ছপা কৰে। প্ৰথম ভাগত শব্দাৱলী আৰু দ্বিতীয় ভাগত খণ্ডবাক্য কোষ সন্নিৱিষ্ট কৰা হৈছে। বহু থলুৱা অসমীয়া শব্দ অন্তৰ্ভুক্ত কৰাৰ লগতে, ইংৰাজী শব্দৰ থলুৱা প্ৰতিশব্দৰ সমাৰ্থক শব্দ লিখিছে।[৯০] তেওঁ ১৮৬৪ খ্ৰীঃত *Anglo Assamese Phrases* নামেৰে অইন এখন ব্যাকৰণো লিখে।

ব্যাকৰণ বিষয়ক পুথি ৰবিন্সন চাহাবৰ *অসমীয়া ব্যাকৰণ* শ্ৰীৰামপুৰীয়া মিছনাৰী চাহাবসকলৰ দ্বাৰা ১৮৪০ খ্ৰীষ্টাব্দত প্ৰকাশিত। ই.ডব্লিউ. ব্ৰাউনে অসমৰ ন-শিকাৰু শিশুৰ বাবে প্ৰস্তুত কৰা *লৰাক পৰ্হিবলৈ প্ৰথম কিতাপ (First Reading Book in Assamese)* খন জয়পুৰত স্থাপন কৰা আমেৰিকান বেপ্টিষ্ট মিছন

৮৭ ঊনবিংশ শতিকাৰ পৰা আধুনিকতাৰ পৰশ পৰা অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ গুণ বৰ্ণনাৰে ৰচনা কৰা 'অসমী আইৰে লালিতা পালিতা, মই তোলনীয়া জী' গীতটিত 'বটিয়া' শব্দটি ব্যৱহাৰ কৰিছে এনেদৰে,- *'অসমীৰ মাতষাৰ আজীৱন শুনিলোঁ/অসমীৰ মাতষাৰ আজীৱন শিকিলোঁ/বিহুসুৰ বিনন্দীয়া,/বৰগীত জিকিৰক তামোল দি মানিলোঁ/বাটিলোঁ মুগাৰ বটীয়া'* আদি।

৮৮ ব্ৰনছনৰ দ্বাৰা ৰচিত এই পুথিখনি সম্প্ৰতি যোৰহাটৰ দেৱব্ৰত শৰ্মাই অসম জাতীয় প্ৰকাশনৰ দ্বাৰা পূৰ্বৰ প্ৰকাশনৰ দৰে হুবহু মুদ্ৰণ কৰি উলিয়াইছে। - আজিজুল হ'ক, *অৱদান*, অসমত বেপ্টিষ্ট মিছনেৰীৰ সেৱা, পৃ.২৮।

৮৯ উল্লিখিত, *অৱদান*, পৃ.১২।

৯০ হেম বৰা, *অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান*, পৃ.২৭।

প্ৰেছত ১৮৪২ খ্ৰীঃত মুদ্ৰিত কৰে। গ্ৰন্থৰ কপি New York Public Libraryত সংৰক্ষিত আছে। নাথান ব্ৰাউনে লিখা ২৬ পৃষ্ঠাৰ পাতনি, ৮০ পৃষ্ঠাৰ মূল পাঠেৰে সৰ্বমুঠ প্ৰায় ১০৬ পৃষ্ঠাৰ বেপ্টিষ্ট মিছনাৰীসকলৰ প্ৰচেষ্টাত ৰচিত প্ৰথম ব্যাকৰণ পুথি *Grammatical Notices on the Assamese Language* শিৱসাগৰৰ আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছত ১৮৪৮ খ্ৰীঃত মুদ্ৰিত হয়। অসমীয়া ভাষাৰ ব্যাকৰণ সন্দৰ্ভত ইংৰাজী ভাষাত ৰচিত গ্ৰন্থখনে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা সম্পৰ্কে বক্তব্য উপস্থাপন কৰিছে। এই পুথিখনে অসমীয়া ভাষা-সাহিত্যক নতুন ৰূপত প্ৰতিষ্ঠা কৰে। এই পুথিখনিক অসমীয়া ভাষাৰ প্ৰথম ছপা ব্যাকৰণ গ্ৰন্থ বুলি গণ্য কৰা হয়। অসমীয়া বৰ্ণবিন্যাস আৰু বৰ্ণসমূহৰ উচ্চাৰণ সম্বন্ধে যুক্তিসহ উল্লেখ আছে। স্থিৰকৃত বৰ্ণবিন্যাসৰ নীতি-নিৰ্দেশনা নথকা সত্ত্বেও বছৰ বছৰ ধৰি অসমীয়া ভাষাৰ গঢ়-গঠনত কোনো ধৰণৰ পৰিবৰ্তন পৰিলক্ষিত হোৱা নাই। এটি লিখিত ভাষাৰ গূঢ়তাৰ পৰিচয় পোৱা যায় সেই ভাষাৰ উচ্চাৰণ অনুযায়ী লিখিব পৰা প্ৰক্ৰিয়াত। লেখকে যদুৰাম ডেকা বৰুৱাৰ অভিধানত থকা শ্ৰেণীবদ্ধ, সৰলীকৃত বৰ্ণবিন্যাস শৈলী প্ৰয়োগ কৰিছে। প্ৰত্যেক উচ্চাৰণৰে যথোচিত বৈশিষ্ট্য, একক আখৰেৰে অপৰিবৰ্তনীয় উচ্চাৰণ আদি আখৰ জোঁটনিৰ নীতি পালন কৰিছে। অসমীয়া শব্দ প্ৰয়োগৰ ক্ষেত্ৰত তৎসম শব্দসমূহো সহজ-সৰলভাৱে অন্তৰ্ভুক্ত কৰাৰ যত্ন কৰি সংযুক্ত ব্যঞ্জন বৰ্ণ প্ৰয়োগৰ পৰা আঁতৰত আছে। পুথিখনত থলুৱা অসমীয়া শব্দৰ ব্যৱহাৰ মন কৰিবলগীয়া। অসমীয়া ভাষাৰ গভীৰ সংকটৰ ক্ষণত অসমীয়া ব্যাকৰণৰ অতীত বিৱৰণ, থলুৱা শব্দৰ সংৰক্ষণ আৰু ভাষাৰ সৰলীকৰণৰ দিশত বহু তথ্য সন্নিৱিষ্ট কৰা দিশবোৰে এক স্বকীয় ঐতিহ্য বহন কৰিছে।[৯১]

এলিজা হুইটনি ব্ৰাউনে লিখা অসমীয়া ভাষা বিষয়ক গ্ৰন্থ *বাৰে মতৰা* (*Bare Motora or Assamese Primer, Introductory to the first reading book*) আৰু *First Reading Book in Assamese (New Ed.)* ১৮৫০ খ্ৰীঃত প্ৰকাশ কৰে নাথান ব্ৰাউনে। শিশুৰ উপযোগীকৈ ছবি সহকাৰে পাঠ প্ৰস্তুত কৰা পুথিখনৰ মূল্য ৩ (তিনি) অনা।[৯২] *বাৰে মতৰা* গ্ৰন্থখন অসমীয়া ভাষা শিক্ষাৰ ক্ষেত্ৰত আদিপাঠ ৰূপে প্ৰণীত প্ৰথম পঢ়াৰ পুথি। প্ৰতিখনৰ মূল্য ১ অনা।[৯৩] ১৮৫৫ খ্ৰীঃত কলিকতাৰ পৰা W.Pryce ৰ *Grammar of the Khasi Language* প্ৰকাশিত হয়।[৯৪] শিৱসাগৰত প্ৰতিষ্ঠিত আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছত মুদ্ৰিত ১৮৫৯ খ্ৰীঃত প্ৰকাশিত হেমচন্দ্ৰ বৰুৱাৰ *অসমীয়া ভাষাৰ ব্যাকৰণ* ত ইংৰাজী পাতনিৰ লগতে অসমীয়া

---

৯১ পূৰ্বোল্লিখিত, *অৰদান*, পৃ.১২।

৯২ *অৰুণোদই*, জানুআৰি, ১৮৫১, সংখ্যা ৬ বছৰ, নম্বৰ ১।

৯৩ উল্লিখিত।

৯৪ ই.এ.গেইট, *Report on Progress of Historical Research in Assam.*

ভাষাতো ভূমিকা লিখা হৈছে। ২৪ (চৌবিশ) বছৰ বয়সীয়া হেমচন্দ্ৰ বৰুৱাই হেমচন্দ্ৰ শৰ্ম্মা বুলি নিজৰ পৰিচয় প্ৰকাশ কৰিছে। অসমীয়া ভাষা শিকাৰ লগতে সংস্কৃত আৰু বাংলা শিকাৰ উপযোগী পুথিখনত[৯৫] গুণাভিৰাম ডেকা বৰুৱাৰ পৰামৰ্শ, বুদ্ধি, উৎসাহৰ শলাগ লৈছে লেখকে। গ্ৰন্থখনত অসমীয়া ভাষাৰ 'অ' প্ৰভৃতি গোটাচেৰেক আখৰৰ আকৃতি বাংলা আখৰতকৈ বেলেগ। অসমীয়া ভাষা সংস্কৃত মূলৰ হেতু, এই ব্যাকৰণ সংস্কৃত ভাষাৰ ব্যাকৰণ প্ৰণালীৰে লিখি স্থান বিশেষে অন্য ভাষাৰ ব্যাকৰণৰ পৰাও অনেক কথা ইয়াত সন্নিৱিষ্ট কৰিছে।[৯৬] পুথিখন ক্ৰমান্বয়ে ১৮৭৩ ত ২য়, ১৮৭৬ ত ৩য়, ১৮৭৯ ত সংক্ষিপ্ত ষষ্ঠ সংস্কৰণ, ১৮৮০ ত সংক্ষিপ্ত অষ্টম সংস্কৰণ ছপা হৈছে। এই পুথি ৰচনা আৰু প্ৰকাশৰ পৰৱৰ্তীকালৰ পৰা অসমীয়া ভাষাই নতুন গতি লয়।[৯৭] ১৮৭৭ খ্ৰীঃত *অসমীয়া লৰাৰ মিত্ৰ* ৰ পঞ্চম সংস্কৰণ প্ৰকাশ পায়। গুণাভিৰাম বৰুৱাই পঢ়াশালিৰ পাঠ্যপুথি ৰূপে সম্পাদিত আৰু সংক্ষিপ্ত ৰূপত গোৱালপাৰাৰ পৰা প্ৰকাশিত এই সংস্কৰণৰ মূল্য বাৰ অনা।

প্ৰাথমিক অনুশীলনীসহ *ইংৰাজী আৰু অসমীয়া বাক্যাৱলী* লিখে ছুছান আৰ.ৱাৰ্ডে। ১৮৬১ খ্ৰীঃত *Brief Vocabulary in English* গ্ৰন্থৰূপে প্ৰকাশ কৰে শিৱসাগৰৰ বেপ্টিষ্ট মিছন প্ৰেছে। ১০১ পৃষ্ঠাৰ বাৰ অনা মূল্যৰ কিতাপখনেও ভাষাৰ বিকাশত অৰিহণা যোগাইছে।[৯৮] S.R.Ward এ লিখা ইংৰাজী আৰু অসমীয়া ভাষাত *Brief Vocabulary in English and Assamese, With Rudimentary Exercise* নামৰ ১০৪ পৃষ্ঠাৰ ব্যাকৰণ পুথিখন ১৮৬৪ খ্ৰীঃত প্ৰকাশ পায়। শিৱসাগৰৰ আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছত মুদ্ৰিত গ্ৰন্থখনত ইংৰাজী আৰু অসমীয়া বাক্যাৱলীৰ গঠনমূলক শব্দৰ তালিকা সন্নিৱিষ্ট কৰিছে। স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ, ব্যাসৰ গঠন, ইংৰাজী মাহৰ তালিকা, সপ্তাহৰ তালিকা, অব্যয় শব্দ, সংযোজক শব্দ, কাৰ্যসূচনামূলক শব্দ, ক্ৰিয়া বিশেষণ শব্দ, সৰ্বনাম পদ, বিশেষ্য পদ, বাক্যত ব্যৱহাৰ হোৱা শব্দাৱলী আদি উল্লেখ কৰিছে। পুথিখনত ঊনবিংশ শতিকাৰ অসমীয়া ভাষাৰ ঠাঁচ, আখৰ জোঁটনি আৰু শব্দ-সংস্কাৰৰ আভাস পোৱা যায়। সৰল বাক্যসমূহ ইংৰাজী আৰু অসমীয়াত লিখা পুথিখনত ইংৰাজী শব্দৰ সমাৰ্থকৰূপে থলুৱা অসমীয়া শব্দৰ প্ৰয়োগ কৰিছে। গ্ৰন্থখনৰ সংশোধিত সংস্কৰণটোত প্ৰায় ৪৫০০ নতুন শব্দ অন্তৰ্ভুক্ত কৰি ছুছান ৱাৰ্ডে এই গ্ৰন্থখন পৰিবৰ্ধিত ৰূপত প্ৰকাশ কৰিছে।[৯৯]

---

[৯৫] এই ব্যাকৰণ পুথিখনিৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হোৱা বাবে ১৮৬১ খ্ৰীঃৰ জানুৱাৰী মাহৰ পৰা *অৰুণোদই* সম্বাদ পত্ৰৰ আখৰ-জোঁটনিৰ ৰীতি সলনি কৰি *অৰুণোদয়* নাম হয়।

[৯৬] *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী,* সংক., সম্পা. যতীন্দ্ৰ নাথ গোস্বামী, ভূমিকা -০৪, পৃ.১১১।

[৯৭] পূৰ্বোক্ত, *অৱদান,* পৃ. ১২।

[৯৮] J.F.Blumhardt, *Catalogue of Assamese Books in the Library of the British Museum*, London, 1894.

[৯৯] ১৯৯১ খ্ৰীঃত জাৰ্মানিত প্ৰকাশিত *Dictionary : An International Encyclopedia of Laxicography* নামৰ পুথিখনত অসমীয়া অভিধানৰ দিশত চুছান ৱাৰ্ডৰ *ইংৰাজী-অসমীয়া বাক্যাৱলী* পুথিখনেই সকলোতকৈ আগতীয়া বুলি উল্লেখ কৰিছে।

১৮৭৩ খ্ৰীঃত অসমত পুনৰ অসমীয়া ভাষাৰ প্ৰচলন হোৱাত হেমচন্দ্ৰ বৰুৱাই অসমীয়া শিকিবলৈ আৰম্ভ কৰা ল'ৰা-ছোৱালীৰ বাবে পঢ়াশলীয়া পাঠ্যপুথি ৰূপে ৰচনা কৰে *অসমীয়া ভাষাৰ ব্যাকৰণ* পুথিখন। ১৮৩ পৃষ্ঠাৰ পুথিখনৰ ১৮৮০ খ্ৰীঃত দ্বিতীয় সংস্কৰণ প্ৰকাশ হৈছে।[১০০] পুথিখন কঠিন আৰু বাহুল্য যেন বোধ হোৱাত ১৮৮২ খ্ৰীঃত সংক্ষেপে ৮৬ পৃষ্ঠাৰে *অসমীয়া ব্যাকৰণ* নাম দি প্ৰকাশ কৰে। আকৌ পৰিবৰ্ধিত ৰূপত নতুনকৈ সংশোধন কৰি *অসমীয়া ব্যাকৰণ* নামেৰে প্ৰকাশ কৰে ১৮৮৬ খ্ৰীঃত। অসমীয়া ভাষাৰ অধিক আৰু বিশদ জ্ঞান লভিবলৈ হ'লে বিস্তৃতভাৱে বিষয় সন্নিৱিষ্ট কৰা অসমীয়া ব্যাকৰণখন পঢ়িবলৈও পৰামৰ্শ দিছে।[১০১] পুথিখনৰ তৃতীয় সংস্কৰণ কলিকতাৰ পি.এম.সুৰ এণ্ড কোম্পানীত ১৮৮৬ খ্ৰীঃত মুদ্ৰিত।

১৮৭৩ খ্ৰীঃত অসমৰ পঢ়াশালিসমূহত বাংলাৰ পৰিৱৰ্তে সুদীৰ্ঘ ৩৬ বছৰৰ পাছত পুনৰ অসমীয়া ভাষা প্ৰচলন কৰাৰ সিদ্ধান্তৰ পিছত পাঠ্যপুথিৰ প্ৰয়োজন হয়। সেয়ে প্ৰথম অৱস্থাত পীতাম্বৰ চৌধুৰীৰ *হিতবাক্য,* এডৱাৰ্ড ডব্লিউ. ক্লাৰ্কৰ *বিজ্ঞানৰ বাৰে মতৰা,* এডুইন ডব্লিউ. ক্লাৰ্কৰ *Assamese Reader : No.1.,* উইলিয়াম ৱাৰ্ড আৰু নাথান ব্ৰাউনৰ *Elementary Arithmatic,* নিধি লিবাই ফাৰ'ৱেলৰ *Natural Science in Familier Diologues* আদি পাঁচখন পাঠ্যপুথি প্ৰকাশ পায়।[১০২]

১৮৭৩ খ্ৰীঃত S.E.Peal এ লিখা *Vocabulary of the Banpara Nagas* ইংৰাজী ভাষাত নগা ভাষাৰ ব্যাকৰণ প্ৰকাশ পায় কলিকতাৰ পৰা। গুণাভিৰাম বৰুৱাৰ *লৰা পুথি* খনৰ প্ৰথম সংস্কৰণ কলিকতাৰ 'বাল্মিকী যন্ত্ৰ'ত ১৮৭৪ খ্ৰীঃত মুদ্ৰিত হয়। ভূমিকাত লিখকৰ হস্তাক্ষৰৰ তলত স্থান নগাঁও, তাৰিখ ১৯ চ'ত, ১৭৯৫ শক বুলি লিখা হৈছে। গোৱালপাৰাৰ হিতবিধায়িনী যন্ত্ৰত ১৮৭৮ খ্ৰীঃত প্ৰথম সংস্কৰণত মুঠ ১২টি পাঠ সহ ৩১ পৃষ্ঠাৰে দ্বিতীয় সংস্কৰণ মুদ্ৰিত হৈছে। ভূমিকাত অসমৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বৰ্ণমালা শিকোৱাৰ পাছত পাঠোপযোগী কোনো পাঠ্যপুথি নথকাত *লৰা পুথি* গ্ৰন্থখনি কোমল বয়সৰ শিশুসকলৰ কাৰণে ৰচনা কৰা হৈছে বুলি উল্লেখ কৰিছে। কণ কণ শিশুসকলে অসমীয়া ভাষাতে শিক্ষা লাভ কৰিব পৰাকৈ পাঠসমূহ যুগুতাই গুণাভিৰাম বৰুৱাই দেশপ্ৰেম, জাতিপ্ৰেম, শিশুপ্ৰেমৰ নিদৰ্শন দাঙি ধৰিছে।[১০৩] একেই উদ্দেশ্যৰেই ১৮৭৪ খ্ৰীঃত *অসমীয়া ল'ৰাৰ ভূগোল* পুথি ৰচনা কৰিছে।[১০৪] তদুপৰি দীনবন্ধু

---

১০০ পূৰ্বোক্ত, অৱদান, পৃ.৬৪।

১০১ পূৰ্বোক্ত, *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী,* ভূমিকা-০৪, পৃ.৯৫।

১০২ উল্লিখিত, পৃ.২০৫।

১০৩ পূৰ্বোক্ত, *Report on Progress of Historical Research in Assam.*

১০৪ ১৯৬৬ খ্ৰীষ্টাব্দত সম্পাদনা কৰি প্ৰকাশ কৰা গুণাভিৰাম বৰুৱাৰ *ৰাম নৱমী* নাট গ্ৰন্থৰ ৰাম নৱমী নাটক, গুণাভিৰাম বৰুৱা, সম্পা. যতীন্দ্ৰমোহন ভট্টাচাৰ্য্য, সম্পাদকীয় নিবেদন, পৃ.১৫।

তৰ্কালংকাৰ ৰচিত *অসমীয়া লৰাৰ ব্যাকৰণ*ৰ তৃতীয় সংস্কৰণ আৰু *অসমীয়া লৰাৰ আদিপাঠ* নিজে লিখি প্ৰকাশ কৰিছে ১৮৭৫ খ্ৰীঃত। অসমীয়া ভাষা শিক্ষণৰ ক্ষেত্ৰত শিশুসকলৰ মনস্তত্ত্বক আকৰ্ষিত কৰিব পৰা অন্যতম শিশু উপযোগী পঢ়াশলীয়া পাঠ্যপুথিখন কলিকতাৰ মিছন প্ৰেছত চি.বি.লিউচৰ দ্বাৰা মুদ্ৰিত। ৩ (তিনি) পইছা মূল্যৰ পাঠ্যপুথিখন প্ৰকাশন সমিতিৰ দ্বাৰা স্বীকৃত হৈছে। পুথিখনত অন্তৰ্ভুক্ত পাঠসমূহ হৈছে,- স্বৰ বৰ্ণ, ব্যঞ্জন বৰ্ণ, সানমিহলি, বাৰে মতৰা আদি।[১০৫, ১০৬] *অসমীয়া লৰাৰ আদিপাঠ*ৰ মাজছোৱা ১৮৭৬ খ্ৰীঃত প্ৰকাশ পায়। কলিকতাৰ বেপ্টিষ্ট মিছন প্ৰেছত চি.বি.লিউচৰ দ্বাৰা মুদ্ৰিত হৈছিল। ৩ (তিনি) পইচা মূল্যৰ পুথিখনিত অন্তৰ্ভুক্ত পাঠসমূহ হৈছে— সংযোগী আখৰ, যকাৰ (্য), ৰেফ (ৰ্), ৰকাৰ (্ৰ), ৱকাৰ, লকাৰ, মাহৰ নাম, গোটা অঙ্কৰ ৰূপ, ভঙা অঙ্কৰ ৰূপ, ধনৰ অঙ্ক, মাটিৰ অঙ্ক আদি।[১০৭] এই গ্ৰন্থৰ শেহ ছোৱা ১৮৭৬ খ্ৰীঃত প্ৰকাশ পায়। এই গ্ৰন্থৰ বাবে তদানীন্তন ব্ৰিটিছ-ইণ্ডিয়া চৰকাৰৰ অধীন অসম চৰকাৰৰ পৰা হেমচন্দ্ৰ বৰুৱা সম্বৰ্ধিত হৈ নগদ ৫০০.০০ (পাঁচশ) টকাৰে পুৰস্কৃত হৈছিল। পুথিখনত অন্তৰ্ভুক্ত পাঠসমূহ হৈছে, সজ আলচ, ল'ৰাকালতে বিদ্যা শিকাৰ সময়, ভাই ভনীক মৰম কৰিবা, তোমাৰ পিতৃ-মাতৃক সেৱা ভক্তি কৰিবা, দুখীয়াক পুতৌ কৰিবা, বুঢ়া মানুহক ইতিকিং নকৰিবা, কাকো খিয়াল নকৰিবা, খং নকৰিবা, পটন্তৰ, আপদত পৰা মানুহক ৰক্ষা কৰিবা, ল'ৰাৰ যিমান ভাগৰ খেদাৰো সিমান। গছৰ জীৱ, গান্ধপশু, কৃষ্ণসাৰ, উট, ফেঁচা, ঢেঁৰা চৰাই, আপোনাৰ ব্যৱসায় নেৰিবা আদি।[১০৮] আনন্দৰাম বৰুৱাই ইংৰাজী ভাষাত সংস্কৃত পাঠ অধ্যয়ন কৰাৰ ক্ষেত্ৰত সুবিধাযুক্ত টোকা আৰু ভাষ্য সন্নিৱিষ্টৰে *A Companion to the Sanskrit Reading* (for undergraduates students) ১৮৭৭ খ্ৰীষ্টাব্দৰ নৱেম্বৰ মাহত প্ৰকাশ কৰিছে। গ্ৰন্থখন কলিকতা বিশ্ববিদ্যালয়ত পাঠ্যপুথি ৰূপে প্ৰচলিত হৈছিল। গ্ৰন্থখনত মেঘদূত, কুমাৰসম্ভৱৰ ১ ৰ পৰা ৬ষ্ঠ অধ্যায়, ৰঘুবংশৰ ১ৰ পৰা ৯ম অধ্যায়, অভিজ্ঞানম্ শকুন্তলম্ আৰু ভাট্টিৰ প্ৰথম ৫টা অধ্যায়ৰ বিশদ ব্যাখ্যা বিশ্লেষণ কৰা হৈছে। এই বৰ্ষতে মেৰী নামৰ এগৰাকী লেখিকাই *আও প্ৰাইমাৰ* নামৰ গ্ৰন্থ এখন লিখাৰ তথ্যও পোৱা গৈছে। অলিভাৰ টি.কট্টাৰৰ পত্নী হেৰিয়েট বি.এল.কট্টাৰে ১৮৪০ খ্ৰীঃত প্ৰণয়ন কৰা অসমীয়া আৰু ইংৰাজীৰ খণ্ডবাক্যৰ পুথি *Vocabulary and Phrases in*

---

১০৫ *স্মৰণীয় বৰণীয়*, যতীন্দ্ৰনাথ গোস্বামী।

১০৬ ১৮৭৩ খ্ৰীঃত লেখকে *অসমীয়া লৰাৰ আদি পাঠ* তিনিছোৱাত অসমীয়া বৰ্ণ পৰিচয়ৰ পুথি ৰূপে তদানীন্তন চৰকাৰলৈ প্ৰেৰণ কৰে। পুথিখনত থকা 'ৱ' বৰ্ণটো ব্যৱহাৰৰ প্ৰসঙ্গত তদানীন্তন অসমৰ মুখ্য আয়ুক্তই অসন্মতি প্ৰকাশ কৰিছিল। কিন্তু, হেমচন্দ্ৰ বৰুৱাই 'ৱ' বৰ্ণটো অসমীয়া ভাষাৰ অন্যতম প্ৰধান অঙ্গৰূপে অসমীয়া ভাষাৰ উচ্চাৰণৰ লগত ব্যাকৰণিক যুক্তিযুক্ততা বিন্যাস কৰি দেখুৱাই দিয়াত বৰ্ণটি প্ৰকাশৰ বাবে অনুমতি দিয়ে।

১০৭ *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী*, সংক., সম্পা. যতীন্দ্ৰনাথ গোস্বামী, ভূমিকা-০৫, পৃ. ৪০৭।

১০৮ পূৰ্বোক্ত, *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী* , পৃ.৪৩৯।

*English and Assamese*ক ই.ডব্লিউ . ক্লাৰ্কে সংশোধিত সংস্কৰণেৰে *Phrases in English and Assamese* নামেৰে প্ৰস্তুত কৰে। ৯৮ পৃষ্ঠাৰ বাৰ অনা মূল্যৰ গ্ৰন্থখন সম্পাদিত ৰূপত শিৱসাগৰৰ মিছন প্ৰেছত এ.কে. গাৰ্ণিৰ দ্বাৰা ১৮৭৭ খ্ৰীঃত পুনৰ মুদ্ৰিত হয়। পুথিখনৰ ভূমিকা অংশত অসমীয়া শব্দৰ ধ্বনি বা উচ্চাৰণ, অসমীয়া ভাষাৰ স্বতন্ত্ৰতা আদি তথ্য সন্নিৱিষ্ট আছে।[১০৯] ১৮৭৮ খ্ৰীঃত আৰ.ই.নেইবাৰৰ পুথি *Vocabulary of English and Mikir with Sentences Illustrating The Use of Words. Mikir Grammar & Dictionary* প্ৰকাশ পায়। ৰোমান আৰু অসমীয়া লিপিৰে ইংৰাজী, অসমীয়া আৰু কাৰ্বি ভাষাত প্ৰণীত ৮৪ পৃষ্ঠাৰ গ্ৰন্থখন G.H.Rouse দ্বাৰা কলিকতাৰ বেপ্টিষ্ট মিছন প্ৰেছত মুদ্ৰিত আৰু প্ৰকাশিত। এই বৰ্ষতে প্ৰকাশ পোৱা আন চাৰিখন গ্ৰন্থ ক্ৰমে, গুণাভিৰাম বৰুৱাৰ *লৰা পুথি* (দ্বিতীয় সংস্কৰণ), *Assamese Second Reader* (অসমীয়া বৰ্ণনাত্মক শিক্ষাৰ নিমিত্তে অসমীয়া ভাষাৰ দ্বিতীয় পুথি, শিৱসাগৰৰ পৰা প্ৰকাশিত, মূল্য ঃ বাৰ অনা), পদ্মহাস গোস্বামীৰ *অসমীয়া লৰাৰ শিক্ষাসাৰ*ৰ দ্বিতীয় আৰু তৃতীয় সংস্কৰণ।

প্যাৰীচৰণ সৰকাৰৰ অসমীয়ালৈ অনূদিত শব্দাৰ্থৰ সংকলিত ২৪ পৃষ্ঠাৰ আঠ অনা মূল্যৰ পুথি *My First Book of Reading for Native Children* ১৮৭৯ খ্ৰীঃত প্ৰকাশ পায়। এই বৰ্ষতে *Higher Sanskrit Grammar : Gender & Syntax*ৰ আনন্দৰাম বৰুৱাই ইংৰাজী আৰু সংস্কৃতত লিখা ব্যাকৰণসহ সাহিত্যৰ আলোচনা বিষয়ক গ্ৰন্থখন প্ৰকাশ পায়। হেমচন্দ্ৰ বৰুৱাৰ *অসমীয়া ব্যাকৰণ* প্ৰকাশ পায় ১৮৮০ খ্ৰীঃত। আনন্দৰাম বৰুৱাৰ ইংৰাজী আৰু সংস্কৃত ভাষাত বিশ্লেষণ, ইতিহাস তথা কোষতত্ত্ব বিশিষ্ট গ্ৰন্থ *Sanskrit Prosody* (A Part of Proposed) প্ৰকাশ পায় ১৮৮১ খ্ৰীঃত। ভাৰত তত্ত্বৰ বিভিন্ন তাত্ত্বিক বিদ্যা বিষয়ক গ্ৰন্থখন সংস্কৃত ভাষাৰ ব্যাকৰণ ছন্দৰে ১০ম খণ্ডত লিখে। ১২ (বাৰ) টা খণ্ডত প্ৰণয়ন কৰিবলৈ পৰিকল্পনা কৰা *A Comprehensive Grammar of the Sanskrit Language - Analytical, Historical and Lexicographical* ৰ দশম খণ্ড ৰূপে ৰচিত গ্ৰন্থখন ১০০ পৃষ্ঠাৰ পাতনি সহ ৩৫০ পৃষ্ঠাৰে সমৃদ্ধ। আনন্দৰাম বৰুৱাই দ্বিতীয়বাৰ লণ্ডনলৈ যাওঁতে লণ্ডনতেই লিখি ১৮৮৩ খ্ৰীঃত সম্পূৰ্ণ কৰা গ্ৰন্থখন হ'ল *নানাৰ্থ সংগ্ৰহ।* ১৮৮৪ খ্ৰীঃত উক্ত গ্ৰন্থখনৰ তৃতীয় সংস্কৰণ প্ৰকাশ পায়। এই বৰ্ষতে শ্বিলঙৰ অসম ছেক্ৰেটৰিয়েট প্ৰেছত ইংৰাজী ভাষাত মুদ্ৰিত হয় ছিডনী এণ্ডলৰ ১০০ পৃষ্ঠাৰ গ্ৰন্থ *Outline Grammar of the Kachari (Baro) Language as Spoken in District Darrang, Assam - Sidney Endle* আৰু কলিকতাৰ বেঙ্গল ছেক্ৰেটৰিয়েট প্ৰেছত মুদ্ৰিত হয় *Grammar of the Lushai Language*।[১১০]

---

[১০৯] পূৰ্বোক্ত, *অৱদান*, পৃ.৭১।

[১১০] পূৰ্বোক্ত, *Report on Progress of Historical Research in Assam.*

গুণাভিৰাম বৰুৱাই অসমৰ ছাত্ৰসকলৰ বাবে লিখা ভূগোল বিষয়ক পাঠ্যপুথি *অসমীয়া লৰাৰ ভূগোল* কলিকতাৰ পৰা প্ৰকাশিত হয় ১৮৭৯ খ্ৰীঃত। বাৰ অনা মূল্যৰ পুথিখনি ৩৫ পৃষ্ঠাৰ। পুথিখনৰ এটা কপি লণ্ডনৰ ব্ৰিটিছ মিউজিয়ামত সংৰক্ষিত কৰি ৰখা হৈছিল।[১১১] ওজন, জোখ, আইনী প্ৰ-পত্ৰৰ আৰ্হি, চিঠি লিখা তথা ব্যৱসায়িক হিচাপ-নিকাচ সম্পৰ্কীয় শিক্ষামূলক পুথি *কাৰ্য্যশিক্ষা*ৰ চতুৰ্থ সংস্কৰণ প্ৰকাশ পায় ১৮৭৯ খ্ৰীঃত। আঠ অনা মূল্যৰ কলিকতাৰ পৰা প্ৰকাশিত কালিৰাম বৰুৱাৰ ৰচিত উক্ত পুথিৰ পঞ্চম আৰু ষষ্ঠ সংস্কৰণ ক্ৰমে ১৮৮০, ১৮৮১ খ্ৰীঃত প্ৰকাশ পায়। দীনবন্ধু তৰ্কালংকাৰে লিখা *অসমীয়া লৰাৰ ব্যাকৰণ*ৰ অষ্টম, দশম, বিংশ সংস্কৰণ প্ৰকাশ পায় যথাক্ৰমে ১৮৮০, ১৮৮২, ১৮৯০ খ্ৰীঃত। ৫৬ পৃষ্ঠাৰ বাৰ অনা মূল্যৰ পুথিখন কলিকতাৰ বাগবাজাৰস্থিত ৮৪ নং ৰাজা ৰাজবল্লভ ষ্ট্ৰীটৰ নৰ সাৰস্বত যন্ত্ৰৰ পৰা উদয়চন্দ্ৰ ঘোষৰ দ্বাৰা মুদ্ৰিত। বিংশ সংস্কৰণৰ প্ৰকাশক গুণাভিৰাম শৰ্ম্মা। প্ৰাথমিক গণিত পুথি *গণনাৰ কিতাপ* দ্বিতীয় ভাগৰ পঞ্চম সংস্কৰণ শিৱসাগৰৰ পৰা ১৮৮১ খ্ৰীঃত প্ৰকাশিত হয়। পিছৰ বছৰত অসমীয়া ভাষাৰ বাৰে মতৰা পখিলা কিতাপ *Assamese Primer* ৰ সপ্তম সংস্কৰণ শিৱসাগৰৰ পৰা প্ৰকাশিত হয়। ২২ পৃষ্ঠাৰ পুথিখনৰ মূল্য বাৰ অনা। ১৮৭৮ খ্ৰীঃত পদ্মহাস গোস্বামীয়ে লিখা *অসমীয়া লৰাৰ শিক্ষাসাৰ*ৰ দ্বিতীয় সংস্কৰণ কলিকতাৰ পৰা প্ৰকাশিত হয়। বাৰ অনা মূল্যৰ গ্ৰন্থখনৰ ষষ্ঠ সংস্কৰণ ১৮৮২ খ্ৰীঃত প্ৰকাশ পাইছিল।[১১২]

হেমচন্দ্ৰ বৰুৱাৰ *পাঠমালা* অইন এখন পঢ়াশলীয়া পাঠ্যপুথি। ১৮৮৩ খ্ৰীঃত ৰচিত পাঠ্যপুথিখন সংস্কৃত আৰু ইংৰাজী পুথিৰ পৰা সংগৃহীত। গুৱাহাটীৰ আসাম নিউচ যন্ত্ৰত ৰামচন্দ্ৰ গগৈৰ দ্বাৰা ছপা হোৱা পুথিখনৰ বেটুপাতত সংস্কৃতত *আপৰিতোষাদ্বিদুষাং ন মাধু মন্যে প্ৰয়োগবিজ্ঞানং* (শকুন্তলা) শ্লোকফাকি উদ্ধৃত কৰিছে। বহু বিপৰ্যয় অতিক্ৰমি গঢ়ি উঠা স্কুলত ভালদৰে পঢ়া-শুনা নকৰি ধেমালি কৰি কটালে পিছৰ বয়সত আহুকালৰ সন্মুখীন হ'বলগীয়া হয়। পাৰ হৈ যোৱা সময়ক ধন-ৰত্ন দি কিনিব নোৱাৰি। নীতি-সাৰ, চতুষ্পদী সন্ত পক্ষী জাতি, জল-জন্তু, পতঙ্গ, মহৎ লোকৰ জীৱনী, ইতিহাস আৰু উপ্যাখ্যান আদি ৫টা অধ্যায়ত পুথিখন বিভক্ত।[১১৩]

নগাঁও হাইস্কুলৰ সংস্কৃত বিষয়ৰ শিক্ষক পদ্মহাস গোস্বামীৰ *পদ্যমালা*[১১৪] প্ৰথম ভাগৰ অষ্টম সংস্কৰণ

---

[১১১] গুণাভিৰাম বৰুৱা, সম্পা. যতীন্দ্ৰমোহন ভট্টাচাৰ্য্য *ৰাম নৱমী নাটক*, সম্পাদকীয় নিবেদন, পৃ.১৭।

[১১২] পূৰ্বোক্ত, *Report on Progress of Historical Research in Assam.*

[১১৩] উল্লিখিত, *ৰাম নৱমী নাটক*, পৃ.৪৭।

[১১৪] পুথিখনৰ প্ৰথম সংস্কৰণৰ ভূমিকাত লেখকে লিখিছে, "*মহামান্য লেপ্টেনেণ্ট গবৰ্ণৰ শ্ৰীযুক্ত কেম্বেল চাহাবৰ অনুগ্ৰহত আমাৰ মাতৃভাষা বিদ্যালয়বোৰত পঢ়াবলৈ আজ্ঞা দিছে। কিন্তু পুথি নোহোৱা গতিকে লৰা-ছোৱালীবিলাকক পঢ়াৰ ক্ষতি হোৱা যেন দেখি (নথকাৎকৈ বেয়াও ভাল এই ভাবি) নগাঁওৰ নৰ্ম্মাল স্কুলৰ পণ্ডিত শ্ৰীযুক্ত দীননাথ তুৰ্কালঙ্কাৰ মহাশয়ৰ উৎসাহত এই ক্ষুদ্ৰ পুথিখনি স্কুলত ব্যৱহাৰ আশায়ে অসমীয়া ভাষাত ৰচনা কৰা গৈছে। ইয়াত অন্য অন্য কোন লোকৰো জ্ঞানগৰ্ভ পদ্য ৰচনা কৰিছোঁ আৰু যিসকলৰ পদ্য লোৱা হৈছে, তেওঁবিলাকৰ সংক্ষেপ নাম প্ৰত্যেক পদ্যৰ তলত দিয়া গৈছে।*"- *সাতসৰী*, পঞ্চদশ বছৰ, সপ্তম সংখ্যা, ফেব্ৰুৱাৰী, ২০২০।

প্ৰকাশ পায় ১৮৮৩ খ্ৰীঃত। ২৩টা পদ্যৰ সংকলন পুথিখনৰ মুঠ পৃষ্ঠা ৭৩। কলিকতাৰ নতুন আৰ্য্য যন্ত্ৰত মুদ্ৰিত পুথিখন প্ৰথমৰ পৰা অষ্টম সংস্কৰণলৈ ১০০০ কপিকৈ মুদ্ৰণ কৰা হৈছে। অৰ্থাৎ ৮০০০ কপি মুদ্ৰিত হোৱা কথাটিয়ে পুথিখনৰ বহুল চাহিদাৰ কথাকে সূচায়। এলিজা হুইটনি ব্ৰাউনে বিদ্যালয়ৰ পাঠ্যপুথি পৰ্যায়ৰ অংক বিষয়ক *গণনাৰ পুথি*খন ১৮৪০ খ্ৰীঃত ৰচনা কৰিছিল যদিও প্ৰথম ভাগ ১৮৪৫ খ্ৰীঃত; দ্বিতীয় ভাগ নাথান ব্ৰাউনৰ সৈতে লগ লাগি ১৮৫৫ খ্ৰীঃত, তৃতীয় সংস্কৰণ ১৮৭৪ খ্ৰীঃত আৰু চতুৰ্থ সংস্কৰণ ১৮৮৩ খ্ৰীঃত প্ৰকাশ হৈছে। তৃতীয় মুদ্ৰণত পুথিখনৰ মুঠ পৃষ্ঠাৰ সংখ্যা আছিল ১২০।[১১৫] গুৱাহাটী ভাৰ্নেকুলাৰ বিদ্যালয়ৰ দ্বিতীয় শিক্ষক হলিৰাম মেধিয়ে ১৮৮৪ খ্ৰীঃত ৰচনা কৰা *সহজ পৰিমিতি* এখনি পঢ়াশলীয়া পাঠ্যপুথি। ১১৬ পৃষ্ঠাৰ পুথিখনিৰ পাতনিত দিয়া তথ্য অনুসৰি পঢ়াশালিৰ ল'ৰা-ছোৱালীৰ বাবে কম মূল্যৰ পাঠোপযোগী সহজ পৰিমিতিৰ অভাৱ দেখি *পৰিমিতি* পুথিৰ পৰা সাৰভাগ সংগ্ৰহ কৰি সৰুকৈ প্ৰকাশ কৰিছে।[১১৬] অসমীয়া পাঠ্যপুথিৰূপে ১৮৮৪ খ্ৰীঃত বলদেৱ মহন্তৰ *কাৰ্য্য পৰিচয়* আৰু *উজু পাঠ* (সপ্তদশ সংস্কৰণ)ৰ লগতে হলিৰাম মেধিৰ *পৰিমিতি* পুথি তিনিখন প্ৰকাশ হৈছে। নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যপুথিখনত শিশুৰ বাবে ২৬ টা পাঠযুক্ত উপদেশমূলক কবিতা সংকলন কৰিছে। নিশিকুমাৰ ঘোষে প্ৰকাশ কৰা নন্দকুমাৰ সাহাই লিখা *প্ৰাক্‌টিকেল সাৰ্ভেয়িং* পঢ়াশলীয়া পাঠ্যপুথিখন প্ৰকাশ পায় ১৮৮৭ খ্ৰীঃত। ৬৫ পৃষ্ঠাৰ পুথিখন কলিকতাৰ নতুন আৰ্য্য যন্ত্ৰত মুদ্ৰিত। লেখকৰ বহুখিনি সাৰ্থক শ্ৰম জড়িত পুথিখন পৰিমিতি আৰু জৰীপ সম্বন্ধীয়। তেজপুৰ নৰ্মাল স্কুলৰ প্ৰধান শিক্ষক দীনবন্ধু তৰ্কালংকাৰ আৰু গুৱাহাটীৰ নৰ্মাল স্কুলৰ তৃতীয় শিক্ষক নাৰায়ণ শৰ্মাই পুথিখন সংশোধন কৰি দিয়া বুলি লিখকে পাতনিত উল্লেখ কৰিছে।[১১৭]

লম্বোদৰ বৰাৰ *লৰাবোধ ১ম ছোৱা*ৰ দ্বিতীয় সংস্কৰণ ১৮৮৮ খ্ৰীঃত প্ৰকাশ পায়। মহাকবি কালিদাস বিৰচিত 'অভিজ্ঞানম্ শকুন্তলম্' নাটৰ কাহিনীৰ অসমীয়া অনুবাদ পুথিখন পঢ়াশালিৰ বাবে মনোনীত হয়। বৰাৰ *জ্ঞানোদয়* নামৰ পুথিখনৰ উপৰি একে বৰ্ষতে প্ৰকাশিত আন এখন পুথি হ'ল ৰত্নেশ্বৰ মহন্তৰ *পাঠাৱলী*। ১ম,২য় ভাগ পুথিখন তদানীন্তন সময়ত পঢ়াশলীয়া পাঠ্যপুথি ৰূপে নিৰ্বাচিত হ'বৰ বাবে ৰচনা কৰা হৈছিল। পুথিখনিত 'দুপৰ নিশা'ৰ দৰে পদ্য সন্নিৱিষ্ট হৈ আছে।

পদ্মনাথ গোহাঞি বৰুৱাই পদ্মনাথ বৰুৱা নামেৰে লিখা *শিক্ষা বিধি* নামৰ পাঠ্যপুথি বিষয়ক পুথিখন ১৮৯০ খ্ৰীঃত প্ৰকাশ পাইছে। ১৮৯১ খ্ৰীঃত প্ৰকাশিত *আদিপাঠ*ৰ মাজৰ ছোৱা ৰচনা কৰিছে কাশীনাথ

[১১৫] পূৰ্বোক্ত, *অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান*, পৃ.২৬।

[১১৬] *সাতসৰী।*

[১১৭] *উল্লিখিত।*

হাজৰিকাই। দুটা ছোৱাত বিভক্ত পুথিখন অসমৰ পঢ়াশলীয়া বিদ্যালয়সমূহৰ তলৰ শ্ৰেণীৰ পাঠ্যপুথিৰূপে পঢ়োৱা হৈছিল। ২৪ পৃষ্ঠাৰ পুথিখন কলিকতাৰ ব্ৰাহ্ম মিছন যন্ত্ৰত কাৰ্ত্তিকচন্দ্ৰ দত্তৰ দ্বাৰা মুদ্ৰিত।[১১৮] ১৮৯১ খ্ৰীঃত আগছোৱা আৰু মাজৰ ছোৱা মুদ্ৰিত হৈছে।[১১৯] নগাঁৱৰ আমেৰিকান বেপ্টিষ্ট মিছনাৰী ইউনিয়নে ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবৰ নিমিত্তে প্ৰকাশ কৰা পঢ়াশলীয়া পাঠ্যপুথি *অসমীয়া ভাষাৰ পুথি*ৰ প্ৰথম খণ্ড প্ৰকাশ পায় ১৮৯২ খ্ৰীঃত।

পাঠ্যপুথি ৰূপে নিৰ্বাচিত আন এখন পুথি হ'ল ৰত্নেশ্বৰ মহন্তৰ *কবিতা হাৰ*। ১৮৮৪ খ্ৰীঃত গোলোকচন্দ্ৰ গোস্বামীয়ে প্ৰকাশ কৰা এই পুথিৰ আগছোৱা পঢ়াশালিৰ পাঠ্যপুথি ৰূপে নিৰ্বাচিত হয়। ১৮৯২ খ্ৰীঃত প্ৰকাশিত উক্ত পুথিৰ মাজছোৱা আৰু শেহ ছোৱা সেই সময়ত পাঠ্যপুথি ৰূপে নিৰ্বাচিত গ্ৰন্থ। কবিতা বিষয়ক পুথিখন ১৮৯২ খ্ৰীঃৰ ২ জুন তাৰিখে নগাঁও জিলাৰ পাঠ্যপুথি বাছনি সমিতিয়ে দেশীয় ভাষাৰ বিদ্যালয়সমূহৰ উচ্চ শ্ৰেণীত পঢ়াবৰ বাবে অনুমতি দিয়ে। পুথিখন উচ্চ প্ৰাইমাৰী আৰু দেশীয় ভাষাৰ মজলীয়া বিদ্যালয়সমূহৰ বাবে ৰচনা কৰি হেমচন্দ্ৰ গোস্বামীলৈ উচৰ্গা কৰিছে। এটি কবিতাৰ সৈতে পুথিখনত উপক্ৰমণিকা ৰূপে কাব্য, ৰস, অলঙ্কাৰ, অৰ্থালঙ্কাৰ আদিৰ এক বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। পুথিখনত মুঠ ৬ টা কবিতা সন্নিৰিষ্ট কৰা হৈছে। সন্নিৰিষ্ট কবিতাসমূহ হৈছে, বিহু, ব্ৰহ্মাৰম্ভে লঘুক্ৰিয়া, ৰাম সৰস্বতী, শ্মশান, কবি, সান্ত্বনা আদি। শেষত, সান্ত্বনা কবিতাৰ পৰিশিষ্ট টীকাত তথ্যৰ বিষয়েও অৱগত কৰা হৈছে।[১২০] শেহ ছোৱা[১২১]ত মুঠ ৫ টা পদ্যৰ সমাহাৰ ঘটিছে। সন্নিবিষ্ট পদ্যসমূহ হৈছে, পত্নী বিলাপ, কিয় প্ৰভু স্ৰজিলাহা, মই মহামূঢ়ক, মেঘ আৰু বিজুলী, গাঁৱলীয়া বোৱাৰী, সংসাৰ সুখৰ ঠাই আদি। ১৮৯৯ খ্ৰীঃত পুনৰ প্ৰকাশিত পুথিখনৰ আগ ছোৱাত 'পদ্য লেখোতে পালিবলগীয়া বিশেষ নিয়ম গোটাদিয়েক' আৰু 'দৃষ্টান্ত' পাঠক সমাজলৈ আগবঢ়াইছে। মুঠ ১৯টা কবিতাৰ সংকলন পুথিখনৰ মূল্য।০ চাৰি অনা।[১২২]

---

১১৮ *সাতসৰী,* পঞ্চদশ বছৰ, সপ্তম সংখ্যা, ফেব্ৰুৱাৰী, ২০২০।

১১৯ *জোনাকী,* ১৮১৩ শক, ১৮৯১ খ্ৰীষ্টাব্দ। তৃতীয় ভাগ, একাদশ-দ্বাদশ সংখ্যা।

১২০ ৰামেশ্বৰ বৰুৱাই কোৱা মতে পুথিখনত মুঠ ১১টা কবিতাৰ সমাহাৰ ঘটিছে। কিন্তু যোগেন্দ্ৰ নাৰায়ণ ভূঞা সম্পাদিত *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী* গ্ৰন্থখনিত *কবিতাহাৰ*ৰ মাজ ছোৱাত ৬ টি পদ্য আছে বুলি কৈছে। - *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী,* সম্পা. যোগেন্দ্ৰ নাৰায়ণ ভূঞা, প্ৰকা. অসম প্ৰকাশন পৰিষদ, পৃ.৯৪।

১২১ পুথিখনৰ প্ৰকাশ সম্বন্ধে আমি ক'তো সন্ধান নাপালো। যিহেতু পুথিখন লিখকৰ পৰলোকৰ (১৮৯৩ খ্ৰীঃ) আগতে প্ৰকাশ পাইছিল, সেয়েহে আমি ১৮৯২ খ্ৰীঃত পুথিখনিৰ প্ৰকাশ হৈছিল বুলি ক'ব পাৰো।- পূৰ্বোক্ত, *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী,* পৃ. ১৩৬।

১২২ *কবিতাহাৰ,* আগছোৱা পুথিখন ৰত্নেশ্বৰ মহন্তৰ প্ৰথম জোঁৱায়েক গোলোক চন্দ্ৰ গোস্বামীৰ দ্বাৰা লেখকৰ মৃত্যুৰ কুৰি বছৰৰ পাছত প্ৰকাশিত হয়। পুথিখন ৰত্নেশ্বৰ মহন্তৰ ১৮৯৩ খ্ৰীঃত মৃত্যুৰ পিছত ১৯১৩ খ্ৰীঃত প্ৰকাশ পাইছিল। পৃ. পাতনি-৬। - প্ৰাগুক্ত, *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী।*

সাহিত্য ৰচনাৰ দিশত যাতে ভাষা আৰু ৰচনাৰ গঠনত কোনো ধৰণৰ আসোঁৱাহ আহি নপৰে, সেই উদ্দেশ্যে ১৮৮৫ খ্ৰীঃত হেমচন্দ্ৰ বৰুৱাই *Grammar of the Assamese Language* নামৰ ব্যাকৰণ পুথিখন ৰচনা কৰে।[১২৩] কবিতামালা সম্বন্ধে টোকা তথা অৰ্থ সম্বলিত ভোলানাথ দাসে লিখা বাৰ অনা মূল্যৰ এখন পুথি *অৰ্থ পুস্তক* কলিকতাৰ পৰা ১৮৮৫-৮৬ খ্ৰীঃত প্ৰকাশিত হয়। ইংৰাজী ভাষাত ৰচিত ব্যাকৰণ গ্ৰন্থ J.F.Needham ৰ *Outline Grammar of the Shaiyang Miri language as spoken by the Miris near Sadiya* আৰু R.B.McCabe ৰ *Outline Grammar of the Angami Naga Language* পুথি দুখন প্ৰকাশ পায় ক্ৰমে ১৮৮৬, ১৮৮৭ খ্ৰীঃত।[১২৪] টোলৰ অধ্যাপক আৰু ছাত্ৰসকলৰ বাবে সংস্কৃত ভাষাত আনন্দৰাম বৰুৱাই যুগুত কৰা *ধাতুবৃত্তিসাৰ বা কাতন্ত্ৰবৃত্তিৰ ছন্দোবদ্ধ অংশ, ৰমানাথৰ 'মনোৰমা'ৰ গৃহীতাংশসমূহৰ সৈতে ঃ আনন্দৰাম বৰুৱাৰ ধাতুকোষৰ পৰা* গ্ৰন্থখন ১৮৮৭ খ্ৰীঃত প্ৰকাশ পায়। মূল্য ২ টকা নিৰ্ধাৰণ কৰা হৈছিল। ১৮৮৯ খ্ৰীঃত প্ৰকাশিত *Short Grammer of the Mech or Boro Language Together with a small vocabulary by Lars Olsen Skresfsurd* ১৩৮ পৃষ্ঠাৰ গ্ৰন্থখন Indian Home Mission's Pressত মুদ্ৰিত আৰু Ebenezer Santhal Mission ৰ হৈ Calcutta School Book Societyৰ দ্বাৰা প্ৰকাশিত। ঊনবিংশ শতিকাত গ্ৰন্থখনৰ ৭ টি সংস্কৰণ প্ৰকাশিত হৈছে। বাংলা ভাষাত ১৮৯০ খ্ৰীঃত প্ৰকাশিত *প্ৰয়োগ ৰত্নমালা ব্যাকৰণম্ সমগ্ৰম্* ব্যাকৰণখন লিখিছে পুৰুষোত্তম বিদ্যাবাগীশে। টিকাদ্বয় সহিতে সংস্কৃতত সম্পাদনা কৰিছে সিদ্ধনাথ বিদ্যাবাগীশে। কোচবিহাৰ ৰাজকীয় যন্ত্ৰত ১ ব'হাগ, ১৮১২ শকাব্দ অৰ্থাৎ ১৮৯০ খ্ৰীষ্টাব্দত কোচবিহাৰৰ নিকটৱৰ্তী খাগৰাবাড়ীৰ সিদ্ধনাথ শৰ্ম্মা বিদ্যাবাগীশৰ সম্পাদনাত প্ৰকাশ হৈছে। যোড়শ শতিকাত মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত সমবেত হোৱা সভাপণ্ডিত মণ্ডলীৰ অন্যতম পুৰুষোত্তম বিদ্যাবাগীশে নৰনাৰায়ণৰ অনুৰোধ মৰ্মে ছন্দোবদ্ধ ৰূপত লালিত্য কোমল পদাৱলীৰে এই ব্যাকৰণ গ্ৰন্থখন প্ৰস্তুত কৰে। শ্ৰীমন্ত শঙ্কৰদেৱৰ সমসাময়িক নৰনাৰায়ণৰ ৰাজসভাত যথাযোগ্য সমাদৰেৰে স্থান লাভ কৰা পুৰুষোত্তম বিদ্যাবাগীশ মূলতঃ অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তি। ৬৯৮ পৃষ্ঠাৰে সমৃদ্ধ গ্ৰন্থখনৰ প্ৰতিলিপি অসম ৰাজ্যিক কেন্দ্ৰীয় পুথিভঁৰাল, গুৱাহাটীত সংৰক্ষণ কৰি ৰখা হৈছে।[১২৫] এই ব্যাকৰণ গ্ৰন্থখন সেই সময়ৰ অসম আৰু কামৰূপৰ উপৰি কোচবিহাৰ, জলপাইগুৰি, গৌৰীপুৰ, হাকামা, শালকোচা, লক্ষ্মীপুৰ, বিজনী, হাওৰাঘাটকে ধৰি ভাৰতবৰ্ষৰ পূব দিশৰ ঠাইসমূহত ব্যাপক ৰূপত প্ৰচলন হৈছিল। অসম তথা ভাৰতবৰ্ষৰ পূব দিশৰ ৰাজ্যসমূহত 'প্ৰয়োগ ৰত্নমালা

---

১২৩ পূৰ্বোক্ত, *অসমীয়া সাহিত্যৰ ইতিহাস*, পৃ.১১৯।

১২৪ পূৰ্বোক্ত, *Report on Progress of Historical Research in Assam.*

১২৫ উল্লিখিত।

ব্যাকৰণ'ৰ প্ৰচলন পাণিনিৰ দ্বাৰা ৰচিত অষ্টাধ্যায়ী ব্যাকৰণতকৈ অধিক আছিল। এই প্ৰয়োগ ৰত্নমালা ব্যাকৰণ গ্ৰন্থখন 'ৰত্নমালা' বা 'ৰত্নমালা ব্যাকৰণ' নামেও পৰিচিত আছিল। পুৰুষোত্তম ভট্টাচাৰ্য্য পুৰুষোত্তম বিদ্যাবাগীশ নামেও পৰিচিত। এহেজাৰ পৃষ্ঠাৰ এই ব্যাকৰণখন সহজ-সৰল আৰু কাব্যিক গুণযুক্ত হোৱা বাবে জনপ্ৰিয় হৈছিল। এই গ্ৰন্থৰ ১৮৯৪ খ্ৰীঃত প্ৰকাশিত সংস্কৰণটিৰ নাম 'প্ৰয়োগ ৰত্নমালা ব্যাকৰণস্য' বুলি উল্লেখ কৰা হৈছে। দ্বিতীয় সংস্কৰণৰ গ্ৰন্থত 'পাতনি' বা 'ভূমিকা' প্ৰকাশ পোৱা নাই।[১২৬]

কছাৰীসকলৰ মাজত প্ৰচলিত শব্দাৰ্থৰে মণিচৰণ বৰ্মণে বাংলা ভাষাত লিখে *হিড়িম্বা ভাষা প্ৰবেশ।* ১৮৯২ খ্ৰীঃত শিলচৰৰ পৰা মুদ্ৰিত অভিধানখনত কছাৰী ৰজাসকলৰ বিৱৰণ তালিকাসহ উল্লেখ কৰিছে। কাছাৰ জিলাৰ কছাৰীসকলৰ মাজত প্ৰচলিত নীতি-নিয়মসমূহ সন্নিৱিষ্ট কৰা গ্ৰন্থখনৰ অন্তৰ্ভাগত কছাৰীসকলক পঞ্চপাণ্ডৱৰ অন্যতম ভীমৰ বংশধৰ বুলি উল্লেখ কৰিছে। ১৮৪৮ খ্ৰীষ্টাব্দত নাথান ব্ৰাউনৰ দ্বাৰা ৰচিত ঐতিহাসিক গ্ৰন্থ *Grammatical Notes on the Assamese Language* সংশোধিত সংস্কৰণ সম্পাদনা কৰে Pitt Holland Moore এ ৪৫ বছৰৰ পাছত অৰ্থাৎ ১৮৯৩ খ্ৰীঃত। হেমচন্দ্ৰ বৰুৱাই প্ৰৱৰ্তন কৰা সংস্কৃতমূলক বৰ্ণ বিন্যাস প্ৰয়োগ কৰি প্ৰকাশ কৰা পুথিখন ব্ৰাউনৰ লিখনিৰ ওপৰত হাত ফুৰাই মূল গ্ৰন্থখনৰ মৌলিকতা হানি কৰা বুলি এক অভিযোগো উত্থাপিত হৈছে। গ্ৰন্থখনৰ নামৰ ক্ষেত্ৰতো *Grammatical Notice* ৰ ঠাইত *Grammatical Notes* বুলি সংশোধন কৰাটো অনুচিত হৈছে বুলি উল্লেখ কৰি বিৰোধিতা কৰিছে। শিৱদেৱ গোস্বামীৰ বৰ্ণপৰিচয়মূলক পুথি *অসমীয়া ক খ কিতাপ* আৰু শ্বিলংস্থিত অসম ছেক্ৰেটাৰিয়েট প্ৰেছত মুদ্ৰিত E.W.Clark ৰ *Ao Naga Grammar, with illustrative phrases, etc* পুথি দুখন প্ৰকাশ পায় ১৮৯৩ খ্ৰীঃত।[১২৭]

অসমীয়া পাঠ্যপুথি আৰু ব্যাকৰণ প্ৰণেতা পানীন্দ্ৰনাথ গগৈয়ে *লৰাশিক্ষা* নামেৰে এখন পুথি তিনিটা খণ্ডত লিখিছে। বৰ্ণ পৰিচয়সূচক পঢ়াশলীয়া পুথিখনৰ আগছোৱাৰ দ্বিতীয় তাণ্ডৰণ ডিব্ৰুগড়ৰ এজেন্সি কোম্পানীয়ে ১৮৯৩ খ্ৰীঃত প্ৰকাশ কৰে। শিশুৰ চৰিত্ৰ গঠনত সহায়ক হোৱাকৈ অতি লাগতিয়াল উপদেশেৰে পূৰ্ণ পুথিখনিৰ বেটুপাতত *সচিত্ৰ ল'ৰা-শিক্ষা আগছোৱা* বুলি উল্লেখ আছে। প্ৰতিটো পৃষ্ঠাত চিত্ৰ সংযোগেৰে শিশুৰ বাবে সহজকৈ যুগুতোৱা পুথিখনত স্বৰবৰ্ণ, সানমিহলি স্বৰ, ব্যঞ্জন বৰ্ণ, সানমিহলি

১২৬ পুৰুষোত্তম বিদ্যাবাগীশকৃত *'প্ৰয়োগৰত্নমালা ব্যাকৰণম্'ৰ* সিদ্ধানাথ বিদ্যাবাগীশ সম্পাদিত ১৮৯০ খ্ৰীঃত মুদ্ৰিত গ্ৰন্থৰ ভূমিকাৰ পৰা উদ্ধৃত। প্ৰকা. কোচবিহাৰ ৰাজকীয় যন্ত্ৰ, কোচবিহাৰ।

১২৭ লক্ষ্মীনাথ বেজবৰুৱা, *মোৰ জীৱন সোঁৱৰণ*। সূৰ্য্য হাজৰিকা, *অন্য এক দৃষ্টিকোণেৰে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা,* পৃ.১৩৮, ১৩৯। *আৱাহন,* ৬ষ্ঠ বছৰ, ৮ম সংখ্যা। *বেজবৰুৱা গ্ৰন্থাৱলী,* ৩য় খণ্ড, পৃ.২২৪৩। *সাহিত্য প্ৰকাশ,* ট্ৰিবিউন বিল্ডিং, গুৱাহাটী।

ব্যঞ্জন, আখৰৰ জোঁটনি, বাৰে মতৰা, দুই আখৰৰ জোঁটনি, তিনি আখৰৰ জোঁটনি, চাৰি আখৰৰ জোঁটনি, পাঁচ আখৰৰ জোঁটনি আদি বিষয়বস্তুৰ লগতে ১ম পাঠৰ পৰা ৮ম পাঠলৈ নীতিমূলক উপদেশ আগবঢ়াইছে। শেহৰ ফালে ১ ৰ পৰা ১০ সংখ্যক গণনা সংখ্যা আৰু আখৰত সংযোগ কৰা হৈছে। প্ৰতি পৃষ্ঠাত সন্নিৱিষ্ট প্ৰৱচন, ফকৰা-যোজনা, প্ৰৱাদ, বচনসমূহে ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত বিশেষ ভূমিকা গ্ৰহণ কৰে। ৩০ টা প্ৰৱাদ প্ৰৱচন গ্ৰন্থখনত আছে।[১২৮] প্ৰাথমিক বিদ্যালয়ৰ 'খ' শ্ৰেণীৰ পাঠ্যক্ৰমৰ বাবে ৰচনা কৰা *লৰাশিক্ষা* ৰ মাজছোৰাও একেটা প্ৰকাশনেই প্ৰকাশ কৰে। এই খণ্ডত ব্যাকৰণ বিধিসন্মতভাৱে প্ৰয়োগ কৰাৰ নিয়মসমূহ উল্লেখ আছে। বেটুপাতত 'শ্ৰীশ্ৰীসৰস্বত্যৈ নমঃ' লিখি আই সৰস্বতী দেৱীৰ এখন চিত্ৰ সংযোগ কৰিছে। সংযোগী আখৰ, শেষৰ পৃষ্ঠাত বাৰৰ নাম, মাহৰ নাম, পোন্ধৰ তিথি, দুই পক্ষ, দশদিক, ষড়ৰস আৰু ছয় ঋতুৰ বিষয়ে পৰিচয়সূচক পাঠ সন্নিৱিষ্ট হৈছে। আগছোৰাৰ দৰে ২৪ টা প্ৰৱচন গ্ৰন্থখনত উল্লেখ আছে।[১২৯] একেটা বৰ্ষতে পুথিখনৰ শেহৰ ছোৰা প্ৰকাশিত হৈছিল একেটা প্ৰকাশনৰ পৰাই। এইখনৰ দ্বিতীয় সংস্কৰণ কলিকতাৰ পটলডাঙ্গা, ৬ নং কলেজ স্কোৱাৰ, সাম্য যন্ত্ৰত নিবাৰণচন্দ্ৰ ঘোষৰ দ্বাৰা প্ৰকাশ পাইছে ১৮৯৭ খ্ৰীঃত। মূল্য ডেৰ ছৰতীয়া[১৩০, ১৩১] মাথোন। পুথিখনৰ প্ৰথম, দ্বিতীয় সংস্কৰণত একেখন পাতনিয়ে প্ৰকাশ পাইছে। শেষ অংশত চেতিয়া গাঁও, উত্তৰ লক্ষীমপুৰ, আসাম, ১৫ পুহ, ১৮১৫ শঁক (১৮৯৩ খ্ৰীঃ) হস্তাক্ষৰ থকা পাতনিত উল্লেখ আছে যে যি পাঠ অধ্যয়ন কৰিলে ছাত্ৰ-ছাত্ৰীয়ে নীতি শিক্ষা পাব পাৰে, তেনে পাঠ পুথিখনত সন্নিৱিষ্ট কৰা হৈছে। পাতনিৰ শেষাংশত *লৰা-শিক্ষা* পুথিখনৰ তিনিওছোৰা আদিৰ পৰা অন্তলৈ চাই সংশোধন কৰি দিয়াৰ বাবে হেমচন্দ্ৰ বৰুৱাক কৃতজ্ঞতা জ্ঞাপন কৰিছে। নীতি শিক্ষামূলক উপদেশ আৰু গা ভালে ৰখাৰ নিয়ম আদি সহজ কথাৰে লিখিছে।[১৩২] অসমত যিসমূহ উপদেশমূলক গল্প প্ৰচলিত হৈ আছে তেনেবোৰ গল্প যুগুত কৰি বেণুধৰ ৰাজখোৱাই লিখা সাহিত্য বিষয়ক পুথি *নীতিপাঠ* প্ৰকাশ পায় ১৮৯৩ খ্ৰীঃত।

কলিকতাৰ পৰা প্ৰকাশিত জয়চন্দ্ৰ চক্ৰৱৰ্ত্তীৰ *ব্যাকৰণ মঞ্জৰী*ৰ লগতে ১৮৯৪ খ্ৰীঃত জি.এফ.নিক্‌লৰ *Manual of the Bengali Language Including an Assamese Grammar - Comprising a*

১২৮ পূৰ্বোক্ত, *Report on Progress of Historical Research in Assam*

১২৯ *পানীন্দ্ৰনাথ গগৈ ৰচনাৱলী*, সম্পা. হেমন্ত কুমাৰ বৰুৱা, ভূমিকা, পৃষ্ঠা (ভ)।

১৩০ পুথিখন তদানীন্তন সময়ৰ 'খ' শ্ৰেণীৰ বাবে অতি কঠিন পৰ্যায়ৰ পাঠ্যক্ৰম ৰূপে বিবেচিত হৈছিল। সেই সময়ত ল'ৰা শিক্ষা 'মাজছোৰা' পুথিখন আয়ত্ত কৰি অধ্যয়নপুস্তক ৰূপে শিক্ষা সাং কৰিব পাৰিলে প্ৰাথমিক বিদ্যালয়ৰ চাকৰিও পাইছিল। সেই সময়ত যি জনে এই পুথিৰ মাজছোৰা খণ্ডৰ যুক্তাক্ষৰ হৃদয়ঙ্গম কৰি পুথিত উল্লেখ কৰা বিধিসমূহ প্ৰয়োগ কৰিব পাৰিছিল, তেওঁক এজন শিক্ষিত লোকৰ শাৰীত ধৰা হৈছিল।

১৩১ উল্লিখিত, পৃ. (ব, ম)।

১৩২ ছৰতীয়াৰ অৰ্থ এক অনা। ডেৰ ছৰতীয়া মানে ডেৰ অনা।

Bengali Grammer and Lesson with Appendixes গ্ৰন্থখনি লণ্ডনৰ ডব্লিউ.এইচ.এলেন এণ্ড কোম্পানীত মুদ্ৰিত আৰু প্ৰকাশিত হয়। পানীন্দ্ৰ নাথ গগৈয়ে ১৮৯৪ খ্ৰীঃত *গণনাৰ আদিপুথি* ও *লৰাশিক্ষাৰ* আৰ্হিতেই লিখিছে। পানীন্দ্ৰনাথ গগৈয়ে গণিত তথা নেওতা বিষয়ৰ লগতে প্ৰতি পৃষ্ঠাত সাঁথৰ লিপিবদ্ধ কৰিছে। গণিতৰ দৰে নীৰস বিষয়ক অধিক মনোৰঞ্জকমূলক কৰি জটিলতা দূৰ কৰিবলৈ সাঁথৰৰ প্ৰয়োগ কৰিছে। ছাত্ৰ-ছাত্ৰীৰ স্মৃতিশক্তি বৃদ্ধিৰ উদ্দেশ্যে সন্নিৱিষ্ট কৰা সাঁথৰৰ ভিতৰত*টুপ টুপ টুপলি, পানী পালে মুকলি (জানখন); বৰ সাপ যায়, চিন চকৰ নাই (নাওখন)* আদি অন্যতম।[১৩৩] উক্ত বৰ্ষতেই *গগৈৰ অসমীয়া লৰাৰ ভূগোল* পুথিখনো তদানীন্তন অসমৰ পঢ়াশালিসমূহত অঘোষিতভাৱে চলি থকা ছাত্ৰসকলৰ মনোৰঞ্জক পুথি। পিছলৈ এই পুথিখন শিক্ষা বিভাগৰ অনুমোদন লাভ কৰি পাঠ্যপুথিৰূপে প্ৰচলিত হৈছে।[১৩৪] ১৮৯৫ খ্ৰীঃত কনকলাল বৰুৱাই *ভূগোল শিক্ষা* পুথিখন ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগীকৈ ৰচনা কৰিছে। অসমৰ লগতে পৌৰাণিক আৰু আধুনিক ভৌগোলিক বৃত্তান্ত সন্নিৱিষ্ট পুথিখনত ভূগোল পঢ়াৰ পৰামৰ্শৰ লগতে আৰ্হি প্ৰশ্নও অন্তৰ্ভুক্ত কৰিছে। Administrative Report, Census Report, Asiatic Journal, লিভিংষ্টন ষ্টেন্‌লী প্ৰভৃতিৰ ভ্ৰমণ বৃত্তান্ত আৰু কাকত-আলোচনীকে আদি কৰি বিভিন্ন গ্ৰন্থৰ খোজ-খবৰ কৰি পৃথিৱীৰ বিভিন্ন দেশত হোৱা পৰিৱৰ্তনৰ যথাযথ তথ্য দাঙি ধৰিছে।[১৩৫]

১৮৯৫ খ্ৰীঃত দেউৰী-চুতীয়া ভাষাৰ ব্যাকৰণ সম্বলিত গ্ৰন্থ *An Outline Grammar of the Deori-Chutiya Language spoken in Upper Assam* লিখে William Barclays Brown এ। শ্বিলঙৰ আসাম ছেক্ৰেটৰিয়েট প্ৰিণ্টিং প্ৰেছত মুদ্ৰিত পুথিখন অসমৰ উজনি খণ্ডত বসবাস কৰা দেউৰী, চুতীয়া জনগোষ্ঠীয়ে কথোপকথনত ব্যৱহাৰ কৰা ভাষাটিক ব্যাকৰণৰ মাধ্যমেৰে প্ৰস্তুত কৰে। পি.আৰ.টি.গৰ্ডনে সংকলন কৰা অসমীয়া ফকৰা-যোজনা পুথি *Some Assamese Proverbs* খন শ্বিলংস্থিত অসম চৰকাৰৰ ছপাশালত ১৮৯৬ খ্ৰীঃত মুদ্ৰিত হয়। ই.হিলৰ দ্বাৰা ৯৮ পৃষ্ঠাৰ পুথিখন মুদ্ৰিত হৈছে। ৩৬৩ টা প্ৰৱচন অসমীয়াৰ লগতে ইংৰাজী ভাষাতো উচ্চাৰণ কৰিব পৰাকৈ অনুবাদ কৰে। অসমীয়া মানুহে ব্যৱহাৰ কৰা প্ৰৱচনসমূহ ৯টা শ্ৰেণীত বিভক্ত কৰি প্ৰস্তুত কৰা পুথিখনৰ ৩০০ প্ৰতিলিপি মুদ্ৰিত হৈছে। পুথিত সন্নিৱিষ্ট ফকৰা-যোজনাসমূহৰ এটা আছিল এনেধৰণৰ, নগাই গড়গাঁওৰ বতৰা কয়/Nagai Garga(n)or Batara Kay - He tells the news of Gargaon without having gone there. A man tell the news of the court without ever having been to it. Gargaon was formerly the capital of the Ahom

---

১৩৩ পূৰ্বোক্ত, *পানীন্দ্ৰনাথ গগৈ ৰচনাৱলী*, পৃ. ভূমিকা (ল, ৱ)।

১৩৪ উল্লিখিত পৃ. (শ)।

১৩৫ *জোনাকী*, ১৮১৮ শক, ১৮৯৬ খ্ৰীষ্টাব্দ। ষষ্ঠ ভাগ, তৃতীয় সংখ্যা।

kings, or rather was one their capitals. তদুপৰি আন বহু অসমীয়া ফকৰাও গ্ৰন্থখনত সন্নিৱিষ্ট কৰিছে।[১৩৬] গদ্য আৰু কবিতাৰে বেণুধৰ ৰাজখোৱাই লিখা *সাহিত্য প্ৰৱেশ* গ্ৰন্থখনি ১৮৯৫ খ্ৰীঃত প্ৰকাশ পায়। বহুকেইখন ইংৰাজী গ্ৰন্থৰ খণ্ড খণ্ড অংশৰ ভাঙনিৰে প্ৰস্তুত কৰা পাঠ্যপুথিখনত ৩৫টা ভিন্ন পাঠ অন্তৰ্ভুক্ত হৈছে। ৮২ পৃষ্ঠাৰ পুথিখনৰ প্ৰকাশক আছিল গণেশৰাম আগৰৱালা। কলিকতাৰ ৬১নং মীৰ্জাপুৰ ষ্ট্ৰীটৰ 'দেৱপ্ৰেছ'ত মুদ্ৰিত পুথিখনৰ পাতনিত বেলেগ বেলেগ শ্ৰেণীৰ ল'ৰাই পঢ়াৰ উপযোগী হোৱাকৈ পাঠ বাছি ল'ব পাৰিব বুলি উল্লেখ আছে।[১৩৭, ১৩৮]

ইংৰাজী আৰু অসমীয়া ভাষাত ইংৰাজী শিকা আৰু অৰ্থ বুজাত উপযোগী হোৱাকৈ প্ৰস্তুত কৰি লিখকৰ নাম An Assamese undergraduate বুলি লিখা পুথি *A Key to the First Book of Reading* ১৮৯৬ খ্ৰীঃত প্ৰকাশ পায়।[১৩৯] শ্বিলংস্থিত অসম ছেক্ৰেটেৰিয়েট প্ৰেছত মুদ্ৰিত J.D.Andersonৰ *A Short Vocabulary of The Aka Language* প্ৰকাশ পায় ১৮৯৬ খ্ৰীঃত। পানীন্দ্ৰ নাথ গগৈৰ সৈতে পদ্মনাথ গোহাঞিবৰুৱাই মজলীয়া বিদ্যালয়ৰ পাঠ্যপুথি ৰূপে সম্পাদনা কৰা *সাহিত্য সংগ্ৰহ* আৰু কাশীনাথ হাজৰিকাৰ *আদিপাঠ*ৰ আগছোৱা প্ৰকাশ পায় ১৮৯৯ খ্ৰীঃত। ১৯০০ খ্ৰীঃত প্ৰকাশিত আন দুখন গ্ৰন্থ হ'ল আনন্দচন্দ্ৰ গুপ্ত (আগৰৱালা)ৰ *কোমল পাঠ* আৰু প্ৰমোদ চন্দ্ৰ বৰঠাকুৰৰ *প্ৰবোধ মালা*। *কোমল পাঠ*ত গদ্য আৰু পদ্যৰ মাজেৰে সেই সময়ত প্ৰচলিত ইংৰাজী পুথিৰ আৰ্হিত লিখি কিছু প্ৰবন্ধৰ ইংৰাজী ভাঙনিও দিছে। *প্ৰবোধ মালা*ত ১১টা পদ্য আৰু প্ৰবন্ধৰ চিত্ৰপ্ৰণালীৰো সংযোগ কৰি ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহী কৰি তুলিছে।[১৪০] একে বৰ্ষতে লক্ষেশ্বৰ হাজৰিকাৰ *অসমীয়া ব্যাকৰণ* কলিকতাত মুদ্ৰিত হয়। তদুপৰি উন্নবিংশ শতিকাত প্ৰকাশিত চনৰ উল্লেখ নথকা পাঠ্যপুথি আৰু ব্যাকৰণ সম্পৰ্কীয় পুথিসমূহ হ'ল,- *আদৰ্শ পুস্তক* - দিবাকৰ শৰ্ম্মা, *শিশুপাঠ* (১ম, ২য় ভাগ) - ধৰ্ম্মেশ্বৰ গোস্বামী, *নীতিসাৰ* - চৈয়দ তৈয়বউল্লা, *তৃতীয় শিক্ষা* - কালীৰাম বৰুৱা, *দ্বিতীয় শিক্ষা* - নগাঁৱৰ তুলসীৰাম বৰুৱা, *দ্বিতীয় শিক্ষা* - কালীৰাম বৰুৱা, *আদিশিক্ষা, শিক্ষাসাৰ* - পদ্মহাস গোস্বামী।[১৪১] বিষয়চন্দ্ৰ বিশ্বাসীয়ে *শিশুপাঠ* (দ্বিতীয় ভাগ) বাৰটা পাঠ সংযুক্ত বানান, বাক্য ৰচনা, উপযোগী পদ্য আদিৰে প্ৰস্তুত কৰিছে। গুৱাহাটীস্থিত দীঘলী পুখুৰীপাৰৰ 'বৰুৱা এজেন্সি'ৰ গোপালচন্দ্ৰ বৰুৱাই প্ৰকাশ কৰা ৪৮ পৃষ্ঠাৰ পুথিখন কলিকতাৰ ২নং বেথুন ৰোড, 'ভাৰত মিহিৰ

---

১৩৬ P.R.T. Gurdon, *Some Assamese Proverbs*, সং.আৰু সম্পা. নীলমণি সেন ডেকা, ২০১০।
১৩৭ *সাতসৰী* আলোচনী।
১৩৮ *জোনাকী,* ১৮১৭ শক, ১৮৯৫ খ্ৰীষ্টাব্দ। পঞ্চম ভাগ, ষষ্ঠ সংখ্যা।
১৩৯ *জোনাকী,* ১৮১৮ শক, ১৮৯৬ খ্ৰীষ্টাব্দ। ষষ্ঠ ভাগ, তৃতীয় সংখ্যা।
১৪০ *জোনাকী,* ১৮২৩ শক, ১৯০১ খ্ৰীষ্টাব্দ। প্ৰথম ভাগ, দ্বিতীয় সংখ্যা।
১৪১ পূৰ্বোক্ত, *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী,* পৃ. পাতনি-৩।

যন্ত্ৰ'ত সৰ্ব্বেশ্বৰ ভট্টাচাৰ্য্যৰ দ্বাৰা মুদ্ৰিত। পুথিখনৰ মুল্য দুঅনা।[১৪২] *আৰ্য্যাৱলী* - বলদেৱ মহন্ত, *গণিতবোধ* - মহিম চন্দ্ৰ চক্ৰৱৰ্তী, *গণিত শাস্ত্ৰ* - পূৰ্ণানন্দ সেন, *পৰিমিতি* - হলিৰাম মেধি, *পাটিগণিত* - নাৰায়ণ শৰ্মা, *অসম দেশৰ ভূগোল* - হাচমত আলী, *ভূগোল বীজ* - অম্বিচৰণ ঘোষ, *প্ৰাকৃত ভূগোল* - ঈষানন্দ ভৰালী, *অসমীয়া লৰাৰ ভূগোল পাঠ* - কৃষ্ণ প্ৰসাদ গুপ্ত, *সৰল পৰিমিতি* - পাৰ্বতীচৰণ সৰস্বতী, *সহজ ধাৰাপাত* - দেবেন্দ্ৰ সেন বৰুৱা, *অংকপাঠ* - দিবাকৰ শৰ্মা। *বৰ্ণবোধ,* ১ম, ২য় খণ্ড (গদ্য) - মধুৰাম দাস, *আশুবোধ ব্যাকৰণ* - নাৰায়ণ শৰ্মা, *লৰাবোধ, ব্যাকৰণ* - ধৰ্ম্মেশ্বৰ গোস্বামী, *অসমীয়া ব্যাকৰণ* - মহদানন্দ ভট্টাচাৰ্য।[১৪৩]

৫.০৮. উপন্যাস আৰু উপন্যাসধৰ্মী গ্ৰন্থ

ঊনবিংশ শতিকাত প্ৰকাশিত উপন্যাসধৰ্মী গ্ৰন্থসমূহৰ সবিশেষ তলত উল্লেখ কৰা হ'ল। দেশত প্ৰচলিত কুনীতি আঁতৰাই সুনীতি প্ৰতিষ্ঠাৰ উদ্দেশ্যে ব্যঙ্গাত্মকভাৱে কপটীয়া মানুহৰ আচৰণ তুলি ধৰি হেমচন্দ্ৰ বৰুৱাই ১৮৬৬ খ্ৰীঃত উপন্যাস আকাৰত *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী* গ্ৰন্থখন লিখে। ১৮৭৬ খ্ৰীঃত উক্ত গ্ৰন্থৰ দ্বিতীয় তাঙৰণ প্ৰকাশ পাইছে। উপন্যাসখনৰ জৰিয়তে নানা ধৰণৰ সামাজিক লোকাচাৰ, ব্যভিচাৰ, অনাচাৰ, অত্যাচাৰ আদিৰ বৰ্ণনাৰে একাংশ মহন্ত পুৰুষৰ প্ৰকৃত ৰূপ তুলি ধৰিছে। গোৱৰ্ধন সত্ৰাধিকাৰ নামৰ কাল্পনিক চৰিত্ৰৰে একাংশ ধৰ্মগুৰু বিশেষণধাৰী লোকৰ কু-অভ্যাস, ব্যভিচাৰ, অনাচাৰ, নৈতিক অত্যাচাৰ আদি সাহসেৰে উপস্থাপন কৰিছে।[১৪৪] সোণাৰ চাঁদ ডেকা বৰুৱাৰ পৰিচয়েৰে দ্বিতীয় সংস্কৰণ প্ৰকাশ হোৱা গ্ৰন্থখন গুৱাহাটীৰ চিদানন্দ যন্ত্ৰত ৰামদেৱ শৰ্মাই মুদ্ৰণ কৰিছে। চাৰি অনা মূল্যৰ দ্বিতীয় আৰু তৃতীয় তাঙৰণত লেখকে প্ৰথম তাঙৰণৰ কিছু পৰিবৰ্ধন কৰাৰ উপৰি তৃতীয় তাঙৰণত পুথিৰ তলত পাদটীকাৰে অপ্ৰচলিত কথাবিলাকৰ অৰ্থ দিছে। বেটুপাতৰ চাৰিওফালে লিখা ব্যঙ্গ বাক্যশাৰী হ'ল, (১) বাহিৰৰ ফাল ৰং চং, (২) দেখিবলৈ ভাল, (৩) ভিতৰৰ ভাগ কিন্তু, (৪) নৰকৰ খাল। অসমীয়া সমাজৰ ফোপোলা ছবি এখন দেখুৱাই সমাজৰ বিভিন্ন শ্ৰেণীৰ ব্যক্তিৰ মনোভাৱক তুলি ধৰি মাজে মাজে প্ৰত্যক্ষ নীতিবচনমূলক আলোচনাও আগবঢ়াইছে।[১৪৫, ১৪৬] সুধাধৰ শৰ্ম্মাৰ উপন্যাসধৰ্মী পুথি *ইতিহাস মালা* ১৮৭৬ খ্ৰীষ্টাব্দত মাজুলীৰ শ্ৰীশ্ৰীআউনীআটিৰ ধৰ্ম্মপ্ৰকাশ যন্ত্ৰত মুদ্ৰিত হৈছে। গ্ৰন্থখনৰ সৱিশেষ তথ্য

---

১৪২ *সাতসৰী,* পঞ্চদশ বছৰ, পঞ্চম সংখ্যা, ডিচেম্বৰ, ২০১৯।

১৪৩ *Formation of Language Centre Assamese Indentity the Historical backgroung.* Chapter 2, p. 46, 47 & 51, 52.

১৪৪ উল্লিখিত, পৃ. পাতনি-৩।

১৪৫ বিৰিঞ্চিকুমাৰ বৰুৱা, *অসমীয়া সাহিত্যৰ ইতিহাস,* অনু. সুধাংশুমোহন বন্দ্যোপাধ্যায়, সাহিত্য অকাডেমী, পৃ.১২০।

১৪৬ *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী,* যতীন্দ্ৰনাথ গোস্বামী, পৃ.২৩।

পোৱা নগ'ল। এম.ই. লেছলীৰ মূল গ্ৰন্থ *কামিনীকান্তৰ চৰিত্ৰ*ৰ পৰা এ.কে. গাৰ্ণিয়ে কৰা অসমীয়া অনুবাদ *কামিনীকান্ত*খন অসমীয়া মৌলিক উপন্যাস ৰূপে প্ৰকাশ পায় ১৮৭৭ খ্ৰীঃত। ধৰ্মীয় সংস্কাৰৰ অৰ্থে লিখা ৬৭ পৃষ্ঠাৰ গ্ৰন্থখন শিৱসাগৰ বেপ্টিষ্ট মিছন প্ৰেছত ১৮০০ কপি মুদ্ৰিত হৈছে। ঊনবিংশ শতিকাত গদ্য লিখন ৰীতিৰ ক্ৰমবিকাশৰ ধাৰাবাহিক উপন্যাসৰ আৰ্হিত ৰচিত গ্ৰন্থখনে মূলতঃ খ্ৰীষ্টান ধৰ্ম প্ৰচাৰত গুৰুত্ব দিয়া দেখা গৈছে। একেখন উপন্যাসকেই ড° প্ৰফুল্ল দত্ত গোস্বামীৰ সম্পাদনাৰে অসম সাহিত্য সভাই *কামিনীকান্ত চৰিত্ৰ* নামেৰে ১৯৬০ খ্ৰীঃতো পুনৰ মুদ্ৰণ কৰিছে।[১৪৭] এম.ই. লেছলীৰ *Story for Fallen Women* গ্ৰন্থখন এ.কে. গাৰ্ণিয়ে ১৮৭৭ খ্ৰীঃত অসমীয়ালৈ অনুবাদ কৰে *এলোকেশী বেশ্যাৰ বিষয়* নামেৰে। শিৱসাগৰৰ বেপ্টিষ্ট মিছন প্ৰেছৰ পৰা ৩৫ পৃষ্ঠাৰ কিতাপখন ১৫০০ কপি ছপা হৈছে। পদ্মাৱতী দেৱী ফুকননীয়ে ১৮৮৪ খ্ৰীঃত লিখা *সুধৰ্ম্মাৰ উপাখ্যান* এ প্ৰথম অসমীয়া মহিলাই লিখা উপন্যাস ৰূপে স্বীকৃতি পায়। মানুহৰ সজ আৰু অসজ কৰ্মফল সম্পৰ্কে বিবৰণ লিখি ন্যায় আৰু ধৰ্মত থাকিলে কোনো ভয়ৰ কাৰণ নেথাকে আদি দৃষ্টিকোণেৰে কাহিনী আগবঢ়াই নিছে। কলিকতাৰ ২১০, কৰ্ণৱালিছ ষ্ট্ৰীটৰ ভিক্টোৰিয়া প্ৰেছত ভুৱনমোহন ঘোষৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত পুথিখনৰ মূল্য (চাৰি) অনা। ছটা পৰিচ্ছেদত বিভক্ত গ্ৰন্থখনৰ পৃষ্ঠা ৪২।[১৪৮, ১৪৯]

ৰাজকুমাৰ বিদ্যাৰত্নই অসমৰ চাহ বাগিচাৰ বনুৱাৰ বিভিন্ন বিষয় অন্তৰ্ভুক্তিৰে বাংলা ভাষাত লিখা *কুলি কাহিনী* উপন্যাসখন প্ৰকাশ পায় ১৮৭৮ খ্ৰীঃত। উপন্যাসখনৰ আন এটা সংস্কৰণ ১৮৮৮ খ্ৰীঃত প্ৰকাশ হোৱাৰ তথ্য পোৱা গৈছে।[১৫০] ইতিহাসৰ পটভূমিত ৰচিত পূৰ্ণাঙ্গ উপন্যাস *লাহৰী*ৰ নব সংস্কৰণ প্ৰকাশ পায় ১৮৯১ খ্ৰীঃত। পাৰিবাৰিক ঘটনাৰে সমৃদ্ধ উপন্যাসখন ফুকন এণ্ড মজিন্দাৰে প্ৰকাশ কৰিছে। উপন্যাসৰ মাপ-কাঠি পূৰ্ণাঙ্গৰূপত প্ৰয়োগ কৰি ৰচনা কৰিছে।[১৫১, ১৫২] পদ্মনাথ গোহাঞি বৰুৱাৰ *ভানুমতী* উপন্যাসো একেটা বৰ্ষতেই প্ৰকাশ পাইছে। অসমৰ ভৈয়ামৰ মিৰি (মিচিং) জনগোষ্ঠীৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, নিয়ম আৰু তেওঁলোকৰ ঘৰুৱা দৈনন্দিন জীৱনৰ পটভূমিত ৰজনীকান্ত বৰদলৈয়ে ১৮৯৫ খ্ৰীঃত ৰচনা কৰে *মিৰি-জীয়ৰী* নামৰ সামাজিক উপন্যাসখন। বৰপেটাৰ সনাতন ধৰ্ম্মযন্ত্ৰত মুদ্ৰিত উপন্যাসখন কৰুণ প্ৰেমৰ কাহিনীৰ লগতে মিচিংসকলৰ সহজ-সৰল জনজীৱনৰ বৰ্ণনা আছে। জংকি আৰু পানে নামৰ এহাল

---

[১৪৭] পূৰ্বোক্ত, *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী*, পৃ. ভূমিকা-০৩, ২৩। *মঞ্জুলেখা*, অতুল চন্দ্ৰ হাজৰিকা, পৃ.৯২।

[১৪৮] পূৰ্বোক্ত, *অসমীয়া সাহিত্য ইতিহাস*, পৃ.১১৬।

[১৪৯] হেম বৰা, *অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান*, পৃ.৪২।

[১৫০] প্ৰবীণ চন্দ্ৰ দাস, *উদাসীন সত্যশ্ৰবাৰ আসাম ভ্ৰমণ*, সম্পাদকীয় ভূমিকা।

[১৫১] পদ্মনাথ গোহাঞিবৰুৱা, *মোৰ সোঁৱৰণী*, পৃ.৩২-৩৪।

[১৫২] *জোনাকী*, ১৮১৩ শক, ১৮৯১ খ্ৰীষ্টাব্দ। তৃতীয় ভাগ, ষষ্ঠ সংখ্যা।

মিচিং ডেকা-গাভৰুৰ সংঘাতপূৰ্ণ প্ৰেমৰ এক কৰুণ চিত্ৰ অংকিত হৈছে। ১৮৯৮ খ্ৰীঃত প্ৰকাশিত মহীৰাম দাসৰ *হৰিদেউ কানীয়াৰ কথা* নামৰ উপন্যাসত সমাজত প্ৰচলিত কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ পৰা সৃষ্ট কুফলসমূহৰ পৰিণতি তুলি ধৰা হৈছে। ১৮৯৮ খ্ৰীঃত প্ৰকাশিত *কুসুম কুমাৰী* উপন্যাসত হৰেশ্বৰ শৰ্মাবৰুৱাই সমাজৰ সজপথ আৰু অসজপথৰ কাহিনী বিশ্লেষণ কৰিছে। সমাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ প্ৰভাৱসমূহক ফঁহিয়াই দি সমাজখনক উচিত পথৰ সন্ধান দিবলৈ চেষ্টা কৰিছে। ৰজনীকান্ত বৰদলৈৰ কেবাটাও সংস্কৰণত প্ৰকাশ পোৱা *মনোমতী* উপন্যাসৰ প্ৰথম সংস্কৰণ প্ৰকাশ পাইছে ১৯০০ খ্ৰীঃত। আহোমৰ ৰজাসকলৰ ৰাজত্বকালৰ অন্তিমভাগত বাৰ্মাৰ আক্ৰমণৰ সময়ছোৱাত, লক্ষ্মীকান্ত আৰু মনোমতীৰ প্ৰেম কাহিনীৰ সমান্তৰালকৈ দেশৰ চৌদিশে অৰাজকতা, অশান্তি, বিঘ্নিত শান্তিশৃংখলা, বিধ্বস্ত জনজীৱন আদিও বৰ্ণনা কৰিছে। লক্ষ্মীকান্তৰ বীৰত্বপূৰ্ণ গাম্ভীৰ্য আৰু মনোমতীৰ সৌন্দৰ্যক নিখুঁতৰূপে তুলি ধৰিছে। সেয়ে উপন্যাসখনে পাঠ্যপুথিৰ মৰ্যাদা লাভ কৰিছে।[১৫৩]

৫.০৯. নাটক বিষয়ৰ গ্ৰন্থ

ঊনবিংশ শতিকাত নাট সৃষ্টিৰ দিশটোৱে গ্ৰন্থ প্ৰকাশনৰ ধাৰা খৰতকীয়া কৰিছে। এই শতিকাত যথেষ্ট সংখ্যক নাট ৰচিত হৈছে। নাট সৃষ্টিৰ এনে প্ৰখৰ ধাৰাই অসমীয়া ভাষা সাহিত্যৰ যোগাত্মক দিশটোকে সূচায়। এই শতিকাত ৰচিত যিবোৰ নাটে মুদ্ৰিত ৰূপত প্ৰকাশ পাইছে সেইবোৰ তলত উল্লেখ কৰা হ'ল। ঊনবিংশ শতিকাত প্ৰথম মুদ্ৰিত নাট হেমচন্দ্ৰ বৰুৱাৰ *কানীয়াৰ কীৰ্তন* প্ৰকাশ পায় ১৮৬১ খ্ৰীঃত। সামাজিক উদ্দেশ্যধৰ্মী ব্যঙ্গ নাটকখনৰ বেটুপাতত উল্লেখ আছে, *কানি, ভাং, মদ, ফটিকা আৰু ধূয়াঁপাত। সকলোৰে মূৰত হউক বৰ্জপাত।* বিদ্যালয়ৰ সহকাৰী পৰিদৰ্শক উৎসৱানন্দ গোস্বামীয়ে প্ৰকাশ কৰা পুথিখনৰ দ্বিতীয় (১৮৬৮), তৃতীয়, চতুৰ্থ, পঞ্চম (১৮৯১) আৰু ষষ্ঠ সংস্কৰণ প্ৰকাশ পাইছে। দ্বিতীয় সংস্কৰণ অসমৰ প্ৰশাসনীয় আয়ুক্ত এ.চি. কেম্বেলে প্ৰকাশ কৰে। প্ৰতিটো সংস্কৰণতে পৰিশুদ্ধি আৰু পৰিবৰ্ধনৰ লগতে পঞ্চম সংস্কৰণ ভালেমান লৰচৰ কৰিছে। অসমত কানি সেৱনৰ ফলত সৃষ্টি হোৱা বিষময় পৰিৱেশৰ বিৱৰণেৰে কানি বৰবিহৰ অনিষ্টকাৰিতা সাধাৰণ জনগণক অৱগত কৰিছে। লেখকৰ ভাষাৰে, *'কেপা কানি বিহৰ শেষ/কানীয়াৰ নাই জ্ঞানৰ লেশ।/হায় হায় কি ঘোৰ ক্লেশ/কানিয়ে খালে অসম দেশ।'* একাংশ ধৰ্মগুৰুৰ সমাজ ক্ষতিকাৰক ব্যক্তিত্বক ব্যঙ্গ চৰিত্ৰৰে প্ৰকাশ কৰি তেওঁলোকে কৰা ধৰ্মৰ নামত ব্যভিচাৰ, অবিচাৰ, অনৈতিক কুকৰ্ম, সাধাৰণ জনগণক বিপথে পৰিচালনা কৰাৰ মানসিকতা

[১৫৩] পূৰ্বোক্ত, *অসমীয়া সাহিত্যৰ ইতিহাস*, পৃ.১৯২।

আদি বিষয় লিপিবদ্ধ কৰিছে। ব্ৰিটিছৰ তলত কৰ্মৰত কৰ্মচাৰীসকলে ইংৰাজৰ ভৃত্যৰ দৰে অসমত অসমীয়া ভাষাৰ পৰিৱৰ্তে অন্যান্য হিন্দুস্থানী ভাষাৰ প্ৰচলন কৰি সাধাৰণ ৰাইজৰ ওচৰত নিজকে সৰ্বেসৰ্বা ৰূপে পৰিচিত হ'বলৈ চেষ্টা কৰাৰ কথাও লিখা আছে। শোষণমূলক কুসংস্কাৰৰ প্ৰতিচ্ছবি দাঙি ধৰা গ্ৰন্থখনি বিদ্ৰূপ আৰু ব্যঙ্গাত্মক বিশ্লেষণেৰে মাদকদ্ৰব্য নিবাৰণৰ স্মাৰক ৰূপে লিখিত হৈছে। গ্ৰন্থখনিয়ে চৰকাৰৰ পৰা এক পাৰিতোষিকো লাভ কৰিছে।[১৫৪] ১৮৯৪ খ্ৰীঃত হেমচন্দ্ৰ বৰুৱাই ভাৰতীয় কানি আয়োগৰ ওচৰত সাক্ষী দিবলৈ কলিকতালৈ যাব নোৱাৰি *কানীয়াৰ কীৰ্তন* পুথিখন উপেন্দ্ৰনাথ বৰুৱাৰ সহযোগত ইংৰাজী ভাষালৈ অনুবাদ কৰোৱাই[১৫৫] তদানীন্তন ভাৰতীয় কানি আয়োগৰ সদস্য এইচ.জে. উইলচনলৈ টোকা ৰূপে প্ৰেৰণ কৰে।[১৫৬-১৫৮]

১৮৭৪ খ্ৰীঃত প্ৰকাশিত ৰমাকান্ত চৌধুৰীৰ *সীতা হৰণ* নাটখনি ঊনবিংশ শতিকাৰ প্ৰথম পূৰ্ণাঙ্গ পৌৰাণিক নাট। দুগ্ধনাথ খাউণ্ডে 'সীতা হৰণ' নাটৰ পুথি সংগ্ৰহ কৰিছিল। নাটখন অমিত্ৰাক্ষৰ ছন্দত ৰচিত। মাইকেল মধুসূদন দত্তৰ প্ৰভাৱ বাৰুকৈয়ে পুথিখনত পৰা দৃষ্টিগোচৰ হয়।[১৫৯] ৰমাকান্ত চৌধুৰীৰ ৰচিত সীতা হৰণ আৰু দুগ্ধনাথ খাউণ্ডৰ সংগৃহীত সীতা হৰণ নাট একেখনেই।[১৬০] ১৮৭০ খ্ৰীঃতো উক্ত নাটখন প্ৰকাশিত হোৱা বুলি তথ্য পোৱা গৈছে। সীতা হৰণ নাটৰ প্ৰকাশৰ সময় ঊনবিংশ শতিকাৰ শেষ সময়ছোৱা।[১৬১]

গুণাভিৰাম বৰুৱাৰ সমাজ-সংস্কাৰমূলক *ৰাম-নৱমী* নাটকখন কলিকতাৰ পৰা অসমলৈ অহাৰ বাটত অসমীয়া সমাজত বিধৱা বিবাহৰ সংস্কাৰৰ উদ্দেশ্যে ৰচনা কৰিছে। ১৮৬৭ খ্ৰীঃত পত্নী ব্ৰজসুন্দৰী দেৱীৰ উৎসাহত ছপাশাললৈ পঠোৱাত কলিকতাৰ ৪০, মদন বড়াল লেনৰ ৱেলিংটন ষ্ট্ৰীটত থকা *দাস এণ্ড ছন্স যন্ত্ৰালয়* নামৰ মুদ্ৰণ আৰু প্ৰকাশন প্ৰতিষ্ঠানে ১৮৭০ খ্ৰীষ্টাব্দত ছপা কৰে। মাধৱচন্দ্ৰ বৰদলৈৰ সহায়ৰ কথা গ্ৰন্থত উল্লেখ আছে।বঙ্গদেশৰ ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ নেতৃত্বত বিধৱা 'বিবাহ আইন ১৮৫৮ খ্ৰীষ্টাব্দ'

---

১৫৪ বিৰিঞ্চিকুমাৰ বৰুৱা, *History of Assamese Literature,* pp. 149. *অসমীয়া সাহিত্যৰ ইতিহাস*, অনু. সুধাংশুমোহন বন্দ্যোপাধ্যায়, সাহিত্য অকাডেমী, পৃষ্ঠা ১২০।

১৫৫ *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী,* সং., সম্পা. যতীন্দ্ৰনাথ গোস্বামী, হেমকোষ প্ৰকাশন, ভূমিকা- পৃ..০২

১৫৬ অতুল চন্দ্ৰ হাজৰিকা, *মঞ্চলেখা,* পৃ.৯১।

১৫৭ Kawal Deep Kour, *On the Evil of Opium Eating : Reflections on Nineteenth Century Assamese Literary Reforming Discourse* - Pub. Euripean Academic Research, Vol. I, Issue 2, May, 2013।

১৫৮ Birinci Kumar Barua, *History of Assamese Literature,* Sahitya Akademi, P.149.

১৫৯ সত্যেন্দ্ৰনাথ শৰ্ম্মা, *অসমীয়া নাট্য সাহিত্য,* ১৯০৯।

১৬০ অতুলচন্দ্ৰ হাজৰিকা, *মঞ্চলেখা,* পৃ.৯৩।

১৬১ জয়ন্তকুমাৰ বৰা, *ভ্ৰমৰঙ্গ,* ভূমিকা, পৃ.৩১।

বিধিবদ্ধ কৰাৰ কাৰণে সৃষ্টি হোৱা জনজাগৰণ আন্দোলনত গুণাভিৰাম বৰুৱা সংযুক্ত হয়। কলিকতাত অনুষ্ঠিত প্ৰথম বিধবা বিবাহৰ লগতে ভালেকেইটা তেনে অনুষ্ঠানত বৰুৱাই অংশগ্ৰহণৰ ফলত সৃষ্ট মানসিক ক্ৰিয়াৰ ফলতে বিধৱা বিবাহৰ সমৰ্থনত *ৰাম নৱমী* নাট ৰচিত হয়। সংস্কৃত সাহিত্যৰ প্ৰভাৱ পৰা নাটখনত ১৯ জন পুৰুষ আৰু ১৩ গৰাকী নাৰীৰ চৰিত্ৰক দাঙি ধৰিছে। নাটখন ৫ টা অঙ্কত ৰূপায়িত কৰা হৈছে।[১৬২] নাটখন গ্ৰন্থৰূপত প্ৰকাশৰ চন ১৮৬৭ বুলি কোনো কোনো গ্ৰন্থত উল্লেখ আছে যদিও প্ৰথম মুদ্ৰিত সংস্কৰণত প্ৰকাশৰ চন ১৮৭০ খ্ৰীঃ বুলি স্পষ্ট লিখা আছে।[১৬৩] ৰুদ্ৰৰাম বৰদলৈয়ে দেশৰ অনাচাৰ ৰোধৰ উদ্দেশ্যে লিখা *বঙাল-বঙালনী নাটক* ১৮৭১ খ্ৰীষ্টাব্দত প্ৰকাশিত হৈছে। নগাঁওৰ নাট্যমঞ্চত লেখকৰ উদ্যোগত একাধিকবাৰ মঞ্চস্থ নাটখনত বৰদলৈয়েও অভিনয় কৰিছে। সংস্কাৰধৰ্মী নাটখন গ্ৰন্থৰূপত প্ৰকাশ হৈ নাট্য সাহিত্যৰ উৎকৰ্ষতাত অৰিহণা যোগাইছে।[১৬৪]

শ্ৰীশ্ৰীশঙ্কৰদেৱৰ *ৰুক্মিণী হৰণ* নাটখন কেবাজনো প্ৰকাশকে বিভিন্ন চনত প্ৰকাশ কৰিছে। ১৮৭১, ১৮৭৩, ১৮৮৫ খ্ৰীঃত দত্তদেৱ গোস্বামীয়ে মাজুলীৰ আউনীআটি সত্ৰস্থিত ধৰ্ম্মপ্ৰকাশ যন্ত্ৰত তিনিটা সংস্কৰণ ছপা কৰিছে। ক্ৰাউন অক্‌টেভ আকাৰত ৬২ পৃষ্ঠাৰ ১৫ অনা মূল্যৰ নাটখন ৮০০ কৈ কপি প্ৰকাশ কৰিছে। ১৮৭৬ খ্ৰীঃত জগবন্ধু সামন্তই অক্‌টেভ ফুলস্কেপ আকাৰত ১৭ পৃষ্ঠাৰে প্ৰকাশ কৰাৰ লগতে একে বৰ্ষতে শ্যামচৰণ ভাদুড়ীয়ে নাটখন প্ৰকাশ কৰিছে।

আনন্দৰাম বৰুৱাই সংস্কৃত ভাষাত প্ৰণয়ন কৰা নাটকৰ পুথি *ভৱভূতিৰ মহাৱীৰচৰিত ঃ জানকীৰাম ভাষ্য আৰু ইংৰাজী নিৰ্ঘণ্টৰ সৈতে* প্ৰকাশ পায় ১৮৭৭ খ্ৰীঃত। *মহাবীৰ চৰিত* নামটোৰে ৰজা ৰামচন্দ্ৰৰ কথা সূচাইছে। অষ্টম শতিকাৰ সংস্কৃতজ্ঞ পণ্ডিত ভৱভূতিয়ে ৰামায়ণৰ নায়ক ৰামচন্দ্ৰ আৰু ৰাৱণ আদিৰ কাহিনী বিন্যাসেৰে ৰচনা কৰা *মহাবীৰ চৰিত*ৰ বিষয়ে পৰ্যালোচনাৰে ৰচনা কৰিছে এই পুথি। সংস্কৃত ভাষাত মৌলিক শ্লোক সহ টোকা ভাষ্য গ্ৰন্থখন ১৮৭৭ খ্ৰীষ্টাব্দৰ ছেপ্টেম্বৰ মাহত প্ৰকাশিত হৈছে। বৰুৱাই ৰচনা কৰা জানকিৰাম ভাষ্যত 'গ্ৰন্থ বিসৰ্জ্জনম্' শীৰ্ষক এটি 'ছনেট' সন্নিৱিষ্ট কৰিছে। কালিদাসৰ সংস্কৃত ভাষাৰ নাট 'অভিজ্ঞান শকুন্তলম্' গ্ৰন্থৰ লম্বোদৰ বৰাই কৰা অনুবাদ *শকুন্তলা* ১৮৮৭ খ্ৰীঃত প্ৰকাশ পায়। লম্বোদৰ বৰাই নিজৰ উপাধি 'দাস' বুলি লিপিৰদ্ধ কৰিছে।

ৰত্নধৰ বৰুৱা, ৰমাকান্ত বৰকাকতি, গুঞ্জানন বৰুৱা, ৰত্নধৰ বৰুৱা, ঘনশ্যাম বৰুৱাসহ লক্ষ্মীনাথ বেজবৰুৱা আৰু শিৱৰাম বৰদলৈয়ে শ্বেক্সপিয়েৰৰ 'কমেডি অব্ এৰৰ্ছ'ৰ অসমীয়ালৈ ভাঙনি কৰা *ভ্ৰম-ৰঙ্গ*

---

[১৬২] গুণাভিৰাম বৰুৱা, *ৰাম নৱমী*, সম্পা. যতীন্দ্ৰমোহন ভট্টাচাৰ্য্য।
[১৬৩] অতুলচন্দ্ৰ হাজৰিকা, *মঞ্চলেখা*, পৃ.৯১।
[১৬৪] পোনা মহন্ত, *নাটক আৰু নাট্যকাৰ*, ১৯৯২, পৃ.১২০।

নাটখনি প্ৰকাশ পায় ১৮৮৮ খ্ৰীঃত। ইংৰাজী মূল বিষয়বস্তুৰ সৈতে সামঞ্জস্য ৰাখি অমিত্ৰাক্ষৰ ছন্দৰ (BlankVerse) ৰ ঠাইত নিভাঁজ অসমীয়া ভাষা প্ৰয়োগেৰে অসমীয়া সমাজ জীৱনৰ পটভূমিত অনূদিত নাটখনত হাস্যৰস আৰু বীৰৰস ফুটি উঠিছে।[১৬৫] কলিকতাত থকা অনুবাদকবৃন্দ আৰু অসমীয়া ছাত্ৰসকলে কলিকতাতে প্ৰথম নাটখন মঞ্চায়ন কৰিছিল।[১৬৬]

১৮৯০ খ্ৰীঃত প্ৰকাশিত পদ্মনাথ গোহাঞি বৰুৱাৰ *গাঁওবুঢ়া* নাটখনি কৌতুকতাৰে পৰিপূৰ্ণ। নাটখনত অসমত ব্ৰিটিছ শাসনৰ প্ৰকৃত ছবি পোৱা যায়। নাটকখনিত গাঁওবুঢ়াৰ নাম ভোগমান। গাঁওবুঢ়াই নিজৰ দায়িত্বক পিঠি দি চৰকাৰী-বেচৰকাৰী অধিক লাভজনক কাম-কাজত ব্যস্ত থাকে। গাঁওবাসীৰ বাবে কৰিবলগীয়া কৰ্তব্য পালনৰ মানসিকতাৰ বিপৰীতে মিছা অভিনয়েৰে নিজৰ দোষ লুকুৱাবলৈ চেষ্টা কৰে। গাঁওবাসীয়ে কৰিব পৰা সম্ভাব্য অপমান বা লাঞ্চনাৰ পৰা নিজক ৰক্ষা কৰিবলৈ কি কি পন্থা অৱলম্বন কৰিলে তাকেই হাস্যৰসাত্মক ৰূপত উপস্থাপন কৰিছে।[১৬৭] ১৮৯৭ খ্ৰীঃত *গাঁওবুঢ়া* নাটৰ পুনৰ মুদ্ৰণ হৈছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ *ৰাম বিজয়* নাটৰ আৰ্হিত ডিব্ৰুগড়ৰ পূৰ্ণকান্ত শৰ্মাই ৰচনা কৰা ৪৩ পৃষ্ঠাৰ ছয় অঙ্কীয়া নাট *হৰধনু ভঙ্গ* আৰু কৃত্তিবাসী ৰামায়ণৰ কাহিনীৰ অৱলম্বনত ৫৭ পৃষ্ঠাৰ ছয় অঙ্কীয়া নাট *হৰিশ্চন্দ্ৰ* প্ৰকাশ পায় ১৮৯৩ খ্ৰীঃত।[১৬৮] ১৮৯৪ খ্ৰীঃত প্ৰকাশিত বেণুধৰ ৰাজখোৱাৰ নাট *সেউতি কিৰণ* ত অসমীয়া সমাজজীৱনত ঘটা হৃদয়বিদাৰক ঘটনাৰাজি সন্নিৱিষ্ট হৈছে।[১৬৯] নাটখনিত শ্বেক্সপীয়েৰৰ *অ'থেল'* নাটৰ প্ৰভাৱ সুস্পষ্টভাৱে প্ৰতিফলিত হৈছে।[১৭০] চাহবাগিচাৰ পটভূমিত দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাই ৰচনা কৰা ধেমেলীয়া নাট *মহৰী* প্ৰকাশ পায় ১৮৯৪ খ্ৰীঃত। ১২২ নং আমহাৰ্ষ্ট ষ্ট্ৰিট, কলিকতাৰ নৃত্যগোপাল চক্ৰৱৰ্তীয়ে ছপা কৰা নাটখনৰ মূল্য এসিকি। চাহবাগিচাৰ লগত জড়িত কাহিনী বিন্যাসেৰে এগৰাকী কেৰাণীয়ে কম দৰমহাত অধিক কৰ্মৰ দায়িত্ব পালন কৰাৰ বিপৰীতে ইংৰাজ মেনেজাৰৰ বিলাসবহুল জীৱনযাত্ৰাৰ চিত্ৰ অংকিত কৰিছে। আভিজাত্যৰ অহংকাৰেৰে দুৰ্বল শ্ৰেণীটোক সমাজৰ একাংশই কেনেদৰে অত্যাচাৰ, অনাচাৰ, শোষণ আদি কৰে সেইবোৰ দেখুওৱা হৈছে।[১৭১, ১৭২] এইবোৰ নাটৰ উপৰি ঊনবিংশ শতিকাত প্ৰকাশিত সবিশেষ তথ্য নোপোৱা অন্যান্য নাটসমূহ হৈছে, *কুমৰ হৰণ* (১৮৭৬,

---

[১৬৫] জোনাকী, ১৮১০ শক, ১৮৮৮ খ্ৰীষ্টাব্দ, প্ৰথম ভাগ - চতুৰ্থ সংখ্যা।

[১৬৬] অতুলচন্দ্ৰ হাজৰিকা, মঞ্চলেখা, পৃষ্ঠা-৯৫।

[১৬৭] Birinchi Kumar Barua, *History of Assamese Literature,* Sahitya Akademi, p. 152

[১৬৮] যতীন্দ্ৰনাথ গোস্বামী, *পূৰ্ণকান্ত দেৱশৰ্ম্মা আৰু তেওঁৰ সাহিত্যিক বৰঙণি* (স্মৰণীয় বৰণীয়), পৃ.২৪।

[১৬৯] *জোনাকী,* ১৮১৭ শক, ১৮৯৫ খ্ৰীষ্টাব্দ, পঞ্চম ভাগ, প্ৰথম সংখ্যা।

[১৭০] পূৰ্বোক্ত, *অসমীয়া সাহিত্যৰ ইতিহাস,* পৃ.১৭৩।

[১৭১] উল্লিখিত, পৃ.১৬৮।

[১৭২] *জোনাকী,* ১৮১৮ শক, ১৮৯৬ খ্ৰীষ্টাব্দ, ষষ্ঠ ভাগ, পঞ্চম-ষষ্ঠ সংখ্যা।

১৮৮৬) - অনন্ত কন্দলি; *স্যমন্ত হৰণ* (১৮৭৬, ১৮৮৯) - শ্ৰীশ্ৰীশঙ্কৰদেৱ; *কাণি বেহেৰুৱাৰ বিষয়* (১৮৭৮) - এ.কে.গাৰ্ণি; *সীতাৰ স্বয়ম্বৰ* (১৮৮৩) - শ্ৰীমন্ত শঙ্কৰদেৱৰ গ্ৰন্থখন হৰিবিলাস গুপ্ত (আগৰৱালা) ই প্ৰকাশ কৰিছে; *মহানাটক* (১৮৯০) সং. মধুসূদন মিশ্ৰ, সম্পা. জীৱনানন্দ বিদ্যাসাগৰ, কলিকতা[১৭৩]; *জয়মতী* (১৮৯০) - পদ্মনাথ গোহাঞিবৰুৱা; *চন্দ্ৰহংস* (১৯০০) - দুৰ্গানাথ চাংকাকতি; *পত্নীপ্ৰসাদ* - শঙ্কৰদেৱ, *পাৰিজাত হৰণ* - শঙ্কৰদেৱ, *পিপৰা গুচুৱা* - মাধৱদেৱ; *পৃথিবী; দোহন; প্ৰহ্লাদ-চৰিত্ৰ; নাৰদ সংবাদ* - ব্ৰজনাথ ভাগৱতী, *নৃ-সিংহ যাত্ৰা* - বৰদোৱা থানৰ অধিকাৰ হৰিনাৰায়ণ আতা; *নৃ-সিংহ যাত্ৰা* - দৈত্যাৰি ঠাকুৰ; *পাৰিজাত হৰণ* - মহদানন্দ ভট্টাচাৰ্য্য, নগাঁও; *ফল্‌গুৎসৱ* - শম্ভুনাথ অধিকাৰ গোস্বামী, কমলাবাৰী সত্ৰ; *বভ্ৰুবাহণ; বলিছলন* - গোপালচৰণ আতা, *বস্ত্ৰ হৰণ; বাল্যলীলা; বেণীসংহাৰ নাটক* - ৰত্নেশ্বৰ মহন্ত; *ভৰত বিলাপ, ভদ্ৰাহৰণ, ভীম চৰিত* - ৰুদ্ৰৰাম বৰদলৈ; *ভীষ্ম নিৰ্য্যাণ; ভীষ্মৰ শৰশয্যা; ভূমি লোটোৱা* - মাধৱদেৱ; *ভূষণ হৰণ* - শম্ভুনাথ অধিকাৰ গোস্বামী, শ্ৰীশ্ৰীকমলাবাৰী সত্ৰ, মাজুলী; *ভূষণ হেৰুৱা* - মাধৱদেৱ; *ভোজন ব্যৱহাৰ* - মাধৱদেৱ; *মহাৰাস* - শঙ্কৰদেৱ[১৭৪]; *যমালয়ত জীয়া মানুহ* - অগ্নি পুৰাণৰ অন্তৰ্গত; *ৰাজসূয়* - কৃষ্ণকান্ত অধিকাৰ গোস্বামী, কমলাবাৰী সত্ৰ; *ৰাধাকৃষ্ণ সংবাদ; ৰাধা হৰণ* - বিষ্ণুদেৱ অধিকাৰ গোস্বামী, কমলাবাৰী সত্ৰ; *ৰাম পৰাজয়; ৰাম বনবাস নাটক; ৰামলীলা; ৰাস* - বাসুদেৱ অধিকাৰ গোস্বামী, দক্ষিণপাট সত্ৰ; *ৰাস* - কাশীনাথ তামুলী ফুকন; *ৰাস ঝুমুৰা* - শঙ্কৰদেৱ, *লক্ষ্মণ-শক্তিশেল, ৰুক্মিণী হৰণ* - শঙ্কৰদেৱ, আউনীআটি সত্ৰৰ ধৰ্ম্ম প্ৰকাশ যন্ত্ৰৰ পৰা প্ৰকাশিত; *ৰুক্মিণী হৰণ* - কৃষ্ণকান্ত অধিকাৰ গোস্বামী, কমলাবাৰী সত্ৰ; *হৰমোহন* - লক্ষ্মীকান্ত, বটদ্ৰৱা; *স্যমন্ত হৰণ* - ভূষণগুৰু অধিকাৰ গোস্বামী, কমলাবাৰী সত্ৰ; *সুভদ্ৰা হৰণ* - লৱদেৱ, খলিহৈ সত্ৰ; *সীতাৰ বনবাস, সীতা হৰণ* - কৃষ্ণকান্ত অধিকাৰ গোস্বামী, কমলাবাৰী সত্ৰ; *সীতা হৰণ* - গোপালচৰণ আতা, *সাবিক্ৰ্যপাখ্যান* - ৰঘুনাথ ভাগৱতী, *সতী নিৰ্য্যাস* - গৌৰীকান্ত শৰ্ম্মা, *সীতা পৰীক্ষা* - ব্ৰজনাথ ভাগৱতী; *সীতাৰ পাতাল প্ৰৱেশ* - গোপালচৰণ আতা, বৰদোৱা; *গোপলীলা* - ৰত্নেশ্বৰ মহন্ত; *জ্ঞানাঙ্কুৰ* - ৰত্নেশ্বৰ মহন্ত[১৭৫]; *পৰীক্ষিতৰ ব্ৰহ্মশাপ* - পদুম বৰুৱা; *জয়মতী* - ফুকন বৰদলৈ; *সাবিত্ৰী-সত্যৱান* - ৰজনী বৰদলৈ; *গৃহলক্ষ্মী* - নবীন বৰদলৈ, *হেমপ্ৰভা* - দেৱনাথ বৰদলৈ; *বৈদেহী বিচ্ছেদ* - দেৱনাথ বৰদলৈ; *ভীষ্মৰ শৰশয্যা* - কমলেশ্বৰ শৰ্মা; *ৰমণী গাভৰু* - বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্য, *স্যমন্ত হৰণ* - ভাৰতচন্দ্ৰ দাস; *হৰিশ্চন্দ্ৰ* - পূৰ্ণকান্ত

---

১৭৩ Maheswar Neog, *Sankaradeva and His Times : Early History of the Vaishnava Faith and Movement in Assam,* Bibliography Section.

১৭৪ এই নামেৰে এখন পুথি শঙ্কৰদেৱ ৰচিত বুলি উল্লেখ হৈছে যদিও শঙ্কৰদেৱৰ ৰচনা সমগ্ৰত এনে নামেৰে কোনো গ্ৰন্থ বা লিখনি পোৱা নাই।

১৭৫ পূৰ্বোক্ত, *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী,* পৃ. পাতনি-৭।

দেৱ শৰ্মা; *শকুন্তলা* - হৰেশ্বৰ শৰ্মা, *দুৰ্যোধনৰ উৰুভংগ* - বেণুধৰ ৰাজখোৱা, *দৰবাৰ* - বেণুধৰ ৰাজখোৱা; *কলিযুগ* - বেণুধৰ ৰাজখোৱা[১৭৬] আদি।

৫.১০. অভিধান গ্ৰন্থ

অসমীয়া সাহিত্যক নতুন গতি প্ৰদান কৰে ঊনবিংশ শতিকাত প্ৰকাশিত অভিধান গ্ৰন্থসমূহে। ৰুচিনাথ বুঢ়াগোহাঞিয়ে ১৮১০ খ্ৰীঃত ৰচনা কৰা *সংস্কৃত-আসামী-কামৰূপী শব্দকোষ* হৈছে প্ৰথম অসমীয়া অভিধান। অৱশ্যে গ্ৰন্থখন প্ৰকাশৰ সবিশেষ তথ্য উপলব্ধ হোৱা নাই। কেৱল নামনি অসমত ব্যৱহৃত কিছুমান শব্দৰ বাংলা প্ৰতিশব্দ এই গ্ৰন্থত সন্নিৱিষ্ট আছে। গ্ৰন্থখনৰ মূল পাণ্ডুলিপিটি লণ্ডনৰ 'ইণ্ডিয়া অফিচ লাইব্ৰেৰী'ত সংৰক্ষিত হৈ আছে। গ্ৰন্থখনত থকা 'আসামী' শব্দটি প্ৰকৃতাৰ্থত 'অসমীয়া' শব্দক বুজাইছে। এসময়ত অসমৰ বাহিৰৰ কোনো কোনো লোকে 'অসমীয়া' শব্দটিক 'আসামী' বুলি উচ্চাৰণ কৰিছিল। প্ৰকৃততে সেইটো ভুল উচ্চাৰণ বুলি তথ্য পোৱা গৈছে।[১৭৭] ১৮৬৭ খ্ৰীঃত অসমীয়া আৰু ইংৰাজী ভাষাত ৰচিত *অসমিয়া আৰু ইংৰাজি অভিধান* (*Dictionary in Assamese and English*)[১৭৮] খন মাইলছ ব্ৰনছনৰ দ্বাৰা ৰচিত আৰু শিৱসাগৰৰ আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছত মুদ্ৰিত। ১৪০০ শব্দ সম্বলিত ৬০৯ পৃষ্ঠাজোৰা প্ৰথমখন অসমীয়া অভিধানৰ প্ৰথম সংস্কৰণ ৮০০ কপি ছপা হয়। খ্ৰীষ্টান মিছনাৰীসকলে অসমীয়া ভাষাৰ স্বকীয়তা অক্ষুণ্ণ ৰাখি প্ৰাণ প্ৰতিষ্ঠা কৰে। অভিধানখনত ব্যৱহৃত বেছিভাগ শব্দই মুখে মুখে দৈনন্দিন ব্যৱহাৰ হোৱা শব্দ। ১২ বছৰত সম্পূৰ্ণ কৰা এই অভিধান প্ৰকাশৰ ফলত অসমীয়া ভাষা শক্তিশালী ৰূপত উদ্ভাসিত হৈছে। গ্ৰন্থৰ পাতনিত লেখকে উত্তম পণ্ডিত আৰু জ্ঞানী লোকৰ পৰা শব্দ গোটাই অৰ্থ লিখাৰ লগতে শব্দ সংগ্ৰহ কাৰ্যত ছেমুৱেল হোৱাইটিঙে সহায় কৰা বুলি উল্লেখ কৰিছে। সৰল

---

১৭৬ পূৰ্বোক্ত, *মঞ্জুলেখা,* পৃ.৯৪।

১৭৭ সূৰ্য্য কুমাৰ ভূঞা, *A Short Biographical Sketch of Pundit Hem Chandra Goswami*। কামৰূপ অনুসন্ধান সমিতিৰ শতবাৰ্ষিকী উপলক্ষে প্ৰকাশিত *পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ব্যক্তিত্ব আৰু প্ৰতিভা,* পৃ.১১৫। সত্যেন্দ্ৰনাথ শৰ্মা, *Makers of Indian Literature*, পৃ.১৭৬। ইণ্টাৰনেট সেৱা।

১৭৮ মাইলছ ব্ৰনছন, *অসমীয়া আৰু ইংৰাজী অভিধান,* পাতনি,- *'এই দেসৰ উনতিৰ নিমিতে নিজ মাত্ৰি ভাসা উতম কৰিব লাগে। পুৰ্বে বঙ্গালি আদি অনেক ভাসা অতি খিন আচিল, কিন্তু এতিয়া উতম কৰা হৈছে, এই ৰূপে আমাৰ গ্যানি লোক সকলেও নিজ মাত্ৰি ভাসাক উতম কৰিব পাৰে, বিসেসকৈ জিসকলে ইংৰাজি ভাসাৰে ন ন গ্যান বিদ্যা সিকিছে, তেওঁবিলাকে একে আলচৰে সেই গ্যান বিদ্যাৰ দ্বাৰাই অচমিয়া ভাষাৰে নানা বিধ স্কুলৰ পুথি চাপিলে দেসত গ্যানবিদ্যা বাৰ্হিব, আৰু ক্ৰমে ক্ৰমে ভাসাও উতম আৰু সকলোৰে মান্যবন্ত হৈ জাব।'* চামুৱেল মেলন হোৱাটিঙে ব্যঞ্জন বৰ্ণৰ 'দ' লৈকে বহুতো শব্দৰ এখন দীঘল তালিকা যুগুতাই দিছিল। - *অৱদান,* অসমত বেপ্তিষ্ট মিছনেৰীৰ সেৱা, আজিজুল হ'ক, পৃ. ৩১,৪৪,৭৫।

অসমীয়া শব্দৰ উপৰি জাতি জনগোষ্ঠী সম্পৰ্কীয় শব্দৰ অৰ্থ অসমীয়া আৰু ইংৰাজী দুয়ো ভাষাতে উচ্চাৰণ অনুসৰি লিখা আছে। সেই কাৰণে উচ্চাৰণ আৰু লিখাৰ মাজত বৈষম্য নাই। ইয়াত সংস্কৃত শব্দৰ সংখ্যা নিচেই কম। ঊনবিংশ শতিকাৰ শেষলৈকে প্ৰায় ৩৩ বছৰ ধৰি এইখনেই আছিল অসমীয়া ভাষাৰ একমাত্ৰ অভিধান। ইংৰাজী ভাষাত আনন্দৰাম বৰুৱাই লিখা ৫৮০ পৃষ্ঠাৰ *A Practical English Sanskrit Dictionary*, Vol. I (A ৰ পৰা Falsenessলৈ) ১৮৭২-৭৩ খ্ৰীঃত ৰচিত যদিও ১৮৭৭ খ্ৰীষ্টাব্দৰ মে' মাহতহে প্ৰকাশ পাইছে। এই গ্ৰন্থখন লিখিবলৈ আৰম্ভ কৰিছিল শিৱসাগৰত।[১৭৯] একেখন অভিধান Vol. II, [F-0], (৫৮১-১০৬০ পৃ.) প্ৰকাশ পায় ১৮৭৮ খ্ৰীঃৰ অক্টোবৰ মাহত। সংস্কৃত শ্লোক সহ ব্যাকৰণ আৰু অভিধানধৰ্মী গ্ৰন্থখনৰ পাতনিত সংস্কৃত ব্যাকৰণৰ বিস্তৃত আলোচনা আছে। এই গ্ৰন্থৰ তৃতীয় সংস্কৰণ [Vol.III (P-Z)] (১০৬১-১৫০৮ পৃ.) ১৮৮০ খ্ৰীঃ জুন মাহত প্ৰকাশ পাইছে। পাতনিত *On the Ancient Geography of India: Geographical Names Undered in Sanskrit* শীৰ্ষক লেখাৰে ভাৰতবিদ্যা বিষয়ক আলোচনা আগবঢ়াইছে। গ্ৰন্থখনত প্ৰাচীন ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ নামৰ সৈতে সংস্কৃতৰ সম্পৰ্কৰ বিষয়ে ব্যাখ্যা আছে। ১৮৭৮ খ্ৰীঃত *Anglo-Khasi Dictionary* খন লিখে H.Roberts এ। কলিকতাৰ School Book Society এ ইংৰাজী আৰু খাছী ভাষাত এই গ্ৰন্থ প্ৰকাশ কৰে।[১৮০]

আনন্দৰাম বৰুৱাই সংস্কৃত আৰু ইংৰাজী ভাষাত ৰচনা কৰা *নামলিংগানুশাসন* অভিধানখন দুটা খণ্ডত প্ৰকাশ পায় ক্ৰমে ১৮৮৭, ১৮৮৮ খ্ৰীঃত। মূল সংস্কৃত গ্ৰন্থ 'নামলিঙ্গানুশাসনম্'ৰ মূল লেখক অমৰ সিংহ। প্ৰায় দহ হাজাৰ শব্দৰে সমৃদ্ধ এখন কোষ গ্ৰন্থ। ১৭৯৮ খ্ৰীষ্টাব্দত প্ৰথমে তামিল ভাষাত মুদ্ৰিত গ্ৰন্থখন অষ্টাদশ শতিকাত বিশ্বৰ বিভিন্ন ভাষালৈ অনুবাদ, ভাৱানুবাদ বা লিপ্যন্তৰিত হৈ প্ৰকাশ পায়। আনন্দৰাম বৰুৱাই এই গ্ৰন্থখনৰ টীকা ভাষ্য কৰি আৰু ইংৰাজীত পাতনি সংযোগেৰে দুটা ভাগত অনুবাদ কৰে যদিও পূৰ্ণাংগ অনুবাদ নহ'ল। বিশ্বৰ বিদ্বৎ সমাজৰ দৃষ্টি আকৰ্ষণ কৰা বৰুৱাৰ গ্ৰন্থসমূহ দেশে-বিদেশত বিক্ৰী কৰা হৈছিল। বাংলা আৰু গাৰো ভাষাত M.Ramkhe এ লিখা *Dictionary in Bengali and Garo* অভিধানখন গাৰো মিছন প্ৰেছে ১৮৮৭ খ্ৰীঃত প্ৰকাশ কৰে।[১৮১] বৰ্ণানুক্ৰমিক, মাধৱ দুৰ্গা, বোপদেৱ আৰু অন্যান্যসকলৰ সংগ্ৰহ একগোট কৰি আনন্দৰাম বৰুৱাই সংস্কৃত ভাষাত লিখা *ধাতুকোষ বা ধাতুপাঠ* (*Dhatukosa or Dhatupatha*) প্ৰকাশ পায় ১৮৮৮ খ্ৰীঃত।

---

১৭৯ *Works of Anundoram Borooah,* Ed. Malinee Goswami. Pub. Publication Board, Assam, 2007, pp. 0.05 (Preface).

১৮০ পূৰ্বোক্ত, *Report on Progress of Historical Research in Assam*

১৮১ উল্লিখিত।

অসমীয়া অভিধান প্ৰণয়নৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ ভূমিকা উল্লেখযোগ্য। ১৮৯২ খ্ৰীঃত প্ৰস্তুত কৰা *পঢ়াশলীয়া অভিধান* খন বৰুৱাৰ মৃত্যুৰ পাছতহে প্ৰকাশৰ মুখ দেখে। পঢ়াশালিত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ বাবে যুগুত কৰা গ্ৰন্থখনৰ পাতনিত *ভালকৈ মনদি পঢ়ি মনত ৰাখিবলগীয়া কথা* ৰে আৰম্ভ কৰি বৰ্ণ-বিন্যাসৰ নিয়মসমূহ সকলোৱে বুজিব পৰাকৈ লিখিছে। গ্ৰন্থখন পঢ়াশলীয়া অভিধানহে, শব্দৰ অৰ্থ বা ভাঙনি লিখা অভিধান নহয়।[১৮২] বৰুৱাৰ পূৰ্ণাংগ অভিধানখন হ'ল *হেমকোষ*। পি.আৰ.টি. গৰ্ডন, এডৱাৰ্ড আব্ৰাহাম গেইট আৰু হেমচন্দ্ৰ গোস্বামীৰ উদ্যোগত কলিকতাৰ বেপ্টিষ্ট মিছন প্ৰেছত ১৮৯৬ খ্ৰীঃত লেখকৰ মৃত্যুৰ তিনিবছৰ পাছত ১৯০০ খ্ৰীঃৰ আগষ্ট মাহত মুদ্ৰিত। অভিধানখনৰ কাম ১৮৮১ খ্ৰীঃৰ পৰা আৰম্ভ হৈ ১৮৯৬ খ্ৰীঃত সম্পূৰ্ণ হয়। অসমীয়া ভাষাৰ মূল শব্দসমূহৰ ৯৭৩ পৃষ্ঠাৰ অভিধানখনত ২২,৩৪৬ টা শব্দৰ অৰ্থ আছে। মূল শব্দৰ প্ৰতিশব্দ সৈতে অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে ব্যাখ্যা আছে। তদুপৰি সমাৰ্থক শব্দ, ব্যাখ্যা, উদাহৰণ, অৰ্থ, খণ্ডবাক্য সন্নিৱিষ্ট কৰিছে। মেৰিয়াম ওৱেবষ্টৰৰ ইংৰাজী অভিধান, মাইলছ ব্ৰনছনৰ অসমীয়া আৰু ইংৰাজী অভিধান, Horace Hayman Wilsonৰ সংস্কৃত ইংৰাজী অভিধান, জ'ন থমছনৰ হিন্দী আৰু উৰ্দ্দু-ইংৰাজী অভিধান আৰু উইলিয়াম কেৰীৰ বাংলা-ইংৰেজী অভিধানৰ পৰা সহায় লোৱাৰ কথা পাতনিত আছে। অভিধানখনৰ বেটুপাতত সংস্কৃত ভাষাত 'শূৰ্পৱদ্দোষ-মুৎসৃজ্য গুণং গৃহ্লন্তি সাধৱঃ' এটি শ্লোক সন্নিৱিষ্ট আছে। হেমকোষৰ গ্ৰন্থমূল্য ৫ টকা নিৰ্ধাৰণ কৰিছে।[১৮৩, ১৮৪]

৫.১১. বৈষ্ণৱ সাহিত্য বিষয়ক গ্ৰন্থ

ঊনবিংশ শতিকাৰ বহু আগৰে পৰাই বৈষ্ণৱ সাহিত্য প্ৰকাশৰ ধাৰা আৰম্ভ কৰিছিল শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আদিয়ে। কিন্তু সেইবোৰ সাঁচিপতীয়া পুথিৰ ৰূপতেই আছিল। বৈষ্ণৱ সাহিত্যৰ ক্ষেত্ৰত অসম অতিকৈ চহকী। গ্ৰন্থৰূপত প্ৰকাশিত বৈষ্ণৱ সাহিত্যসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

অসমীয়া ভাষাত ৰচিত বৈষ্ণৱ ধৰ্ম বিষয়ক গ্ৰন্থ সম্ভাৰৰ ভিতৰত ছপা আখৰত প্ৰথম গ্ৰন্থ শ্ৰীশ্ৰীমাধৱদেৱৰ *ঘোষা পুথি (নামঘোষা)* প্ৰকাশ পাইছে ১৮৫৬ খ্ৰীঃত। দত্তদেৱ গোস্বামীয়ে সম্পাদনা কৰা গ্ৰন্থখন গুণাভিৰাম (ডেকা) বৰুৱাই প্ৰকাশ কৰে। আনন্দৰাম ঢেকিয়াল ফুকনে ১৮৫২ খ্ৰীঃত কলিকতাত প্ৰতিষ্ঠা কৰা 'কলিকতা নিউ প্ৰেছ' ছপাশালত কাৰ্যাধ্যক্ষ ৰূপে কৰ্মৰত আছিল গুণাভিৰাম বৰুৱা।[১৮৫] মাজুলী

---

১৮২ *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী*, সংক. সম্পা. যতীন্দ্ৰ নাথ গোস্বামী, পৃ.৪৬৯।

১৮৩ পূৰ্বোক্ত, *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী*, পৃ.৪৬৩।

১৮৪ বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমীয়া সাহিত্যৰ ইতিহাস*, অনু. সুধাংশুমোহন বন্দ্যোপাধ্যায়, সাহিত্য অকাডেমী, পৃ. ১১৯।

১৮৫ যোগেন্দ্ৰ নাৰায়ণ ভূঞা, *কলিকতাৰ অসমীয়া ভাষা সাহিত্যৰ এছোৱা,-* সংক্ৰান্তি, পৃ.৯০, সম্পা. দেবেন দেৱান, ২০১৯।

আউনীআটি সত্ৰৰ ধৰ্মপ্ৰকাশ যন্ত্ৰত মুদ্ৰণ কৰি দত্তদেৱ গোস্বামীয়ে ১৮৭১ খ্ৰীঃত প্ৰকাশ কৰা শঙ্কৰদেৱ বিৰচিত তিনিখন গ্ৰন্থ যথাক্ৰমে, *কীৰ্ত্তন, গুণমালা* আৰু শ্ৰীমদ্ভাগৱতৰ একাদশ স্কন্ধত থকা শ্ৰীকৃষ্ণ ভক্তি বিষয়ক ইতিহাস *নিমি-নৱসিদ্ধ সম্বাদ*। *কীৰ্ত্তন* পুনৰ ১৮৮০ খ্ৰীঃত মুদ্ৰিত হোৱাৰ উপৰি ৭ম সংস্কৰণ ১৮৯২ খ্ৰীঃত প্ৰকাশ পাইছে। ১৮৮০ খ্ৰীঃত কীৰ্ত্তনৰ নতুন সংস্কৰণ প্ৰকাশনৰ আঁৰৰ কথা ৰূপে লিখিছে,- "সচৰাচৰ দেখা যায় যে অনেকে এই কীৰ্ত্তন পুথি অতি আগ্ৰহৰ সহিত বিচাৰ কৰে। কিন্তু পুথিখনি মুদ্ৰিত নথকাত বিচাৰি চৰিতাৰ্থ হৈ নুঠে। অনেক দিন অৱধি পুথিখনি প্ৰকাশৰ ইচ্ছা থকাত সম্প্ৰতি সাধাৰণত অভাৱ দূৰ আৰু মনোবাঞ্ছা পূৰ্ণ কৰিবৰ কাৰণে শ্ৰীশ্ৰীযুক্ত আউনীআটীয় অধিকাৰ গোস্বামীদেৱৰ আদেশানুসাৰে এই কীৰ্ত্তন পুথিখনি ধৰ্ম্মপ্ৰকাশ যন্ত্ৰত মুদ্ৰিত কৰা হ'ল। ইতি- শক ১৮০২ আশ্বিন।" *গুণমালা* খন ১৮৭২, ১৮৭৩, ১৮৮১ খ্ৰীঃতো পুনৰ প্ৰকাশ হৈছে। ৩২ পৃষ্ঠাৰ পুথিখনৰ মূল্য ৪ অনা।[১৮৬] একেদৰে ৫৭ পৃষ্ঠাৰ ৮ অনা মূল্যৰ *নিমি-নৱসিদ্ধ সম্বাদ* ৰ ৫০০ কপি পুনৰ মুদ্ৰণ হয় ১৮৭৩ খ্ৰীঃত।[১৮৭] আনহাতে *কীৰ্ত্তন* খন ১৮৭৫, ১৮৮০ (নগাঁও), ১৯০০ (প্ৰকাশক বৰপেটাৰ পীতাম্বৰ দাস) খ্ৰীঃত পুনৰ মুদ্ৰিত হৈছে। ৮৩ পৃষ্ঠাৰে শ্ৰীশ্ৰীমাধৱদেৱৰ *নামঘোষা* ১৮৭২ খ্ৰীঃত প্ৰকাশ পাইছে।[১৮৮] ১৮৮১ খ্ৰীঃত হৰিবিলাস গুপ্ত (আগৰৱালা)ই *নামঘোষা* প্ৰকাশ কৰিছে। নামঘোষাৰ এই সংস্কৰণটোক *হেজাৰী ঘোষা* বুলিও উল্লেখ কৰিছে। *হেজাৰী বা হাজাৰী ঘোষা* ১৮৯০ খ্ৰীঃত পুনৰ মুদ্ৰিত হৈছে।

নগাঁৱৰ বাঞ্ছাৰাম চৌধুৰীয়ে ২৪ পৃষ্ঠাৰ *গুণমালা* ৰ দুটা সংস্কৰণ ছপা কৰি ১৮৮৯ খ্ৰীঃৰ ডিচেম্বৰ মাহত প্ৰকাশ কৰিছে। ৪ অনা মূল্য নিৰ্ধাৰিত পুথিখনৰ ৯০০ কপি ছপা হৈছে। কলিকতাৰ মণিকা প্ৰেছত মুদ্ৰিত আৰু তেজপুৰৰ হৰিবিলাস গুপ্ত (আগৰৱালা) দ্বাৰা প্ৰকাশিত শ্ৰীমন্ত শঙ্কৰদেৱৰ *গুণমালাৰ* আন এক সংস্কৰণ প্ৰকাশ পায় ১৮৯১ খ্ৰীঃত। বিশ্ব সাহিত্যৰ অন্যতম সৰ্ববৃহৎ কাহিনী ৰূপে খ্যাত দ্বাদশ স্কন্ধ *শ্ৰীমদ্ভাগৱতৰ* সংক্ষিপ্ত সংস্কৰণ *গুণমালা* ত ৬ টি ঘোষা আৰু ৪৯০ টি পদ আছে। এক বিস্তৃত কাহিনীক কোচবিহাৰৰ ৰজা নৰনাৰায়ণৰ অনুৰোধক্ৰমে একে ৰাতিতে ভগৱদ্‌প্ৰেমীসকলৰ ঈশ্বৰতত্ত্বৰ জ্ঞান অৰ্জনাৰ্থে কম শব্দৰে যুগুতোৱা সাৰাংশ পুথিখন শঙ্কৰদেৱৰ অসাধ্য সাধন কৰা কৰ্মৰ বাস্তৱ চানেকী। ১৮৯৫ খ্ৰীঃত *গুণমালা* পুনৰ প্ৰকাশ কৰে বৰপেটাৰ চণ্ডীচৰণ বন্দ্যোপাধ্যায়ে।[১৮৯] ১০০০ কপিৰ মুদ্ৰিত এই সংস্কৰণৰ প্ৰতিখনৰ মূল্য ৪ অনা।

---

[১৮৬] যোগেন্দ্ৰ নাৰায়ণ ভূঞা, *মহাফেজখানাৰ খিড়িকীয়েদি*, পৃ.৩।

[১৮৭] অসম ৰাজপত্ৰ (The Assam Gazette)ত প্ৰকাশিত লেখা *Assam Library*, ১৮৭৬।

[১৮৮] নন্দ তালুকদাৰ, *সংবাদ পত্ৰৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য*।

[১৮৯] চণ্ডীচৰণ বন্দ্যোপাধ্যায়ৰ উপাধি কোনো কোনো ঠাইত চেটাৰ্জ্জী বুলিও পোৱা যায়।

বিষ্ণু ভাৰতীয়ে দ্বাদশ স্কন্ধ ভাগৱতৰ সংক্ষিপ্ত বিৱৰণেৰে লিখা *ভাগৱত ৰত্ন* গ্ৰন্থখন ১৮৭৪ খ্ৰীষ্টাব্দত মাজুলী আউনীআটি সত্ৰৰ পৰা দত্তদেৱ গোস্বামীয়ে প্ৰকাশ কৰে। ছকুৰি পৃষ্ঠাৰ ৮ অনা মূল্যৰ পুথিখন ৬০০ কপি মুদ্ৰণ হোৱাৰ তথ্য পোৱা গৈছে। ১৮৭৬ খ্ৰীঃৰ ১৯ এপ্ৰিলত হৰিপ্ৰসাদ নাথে সংকলন আৰু সম্পাদনা কৰা শ্ৰীধৰ কন্দলীৰ *কাণখোৱা* পুথিখন গোৱালপাৰাৰ হিত-বিধায়িনী প্ৰেছৰ পৰা প্ৰকাশ কৰে জগবন্ধু সামন্তই। ৩৫ পৃষ্ঠাৰ ২ পইচা মূল্যৰ পুথিখন ১০০০ কপি মুদ্ৰিত হৈছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত *কীৰ্ত্তন*ৰ প্ৰথম মুদ্ৰিত পূৰ্ণাঙ্গ সংস্কৰণ ১৮৭৬ খ্ৰীঃত হৰিবিলাস গুপ্তই[১৯০] প্ৰকাশ কৰে। এই শতিকাৰ ভিতৰতে ৮ টা সংস্কৰণ ছপা হোৱা *কীৰ্ত্তন* পুথিত অসমীয়া 'ৰ' আখৰটিৰ অভাৱত বাংলা ভাষাত ব্যৱহৃত 'ৰ' ব্যৱহাৰ কৰিছে।

১৮৭৭ খ্ৰীঃৰ ২০ অক্টোবৰত শ্ৰীশ্ৰীমাধৱদেৱৰ *ভক্তি-ৰত্নাৱলী* প্ৰকাশ পায়। গুৱাহাটীৰ চিদানন্দ প্ৰেছত ১২৯ পৃষ্ঠাৰ ৩ টকা মূল্যৰ গ্ৰন্থখনৰ ২৬৪ সংখ্যক কপি মুদ্ৰণ কৰে প্ৰকাশক ৰামদেৱ শৰ্মাই। একেখন গ্ৰন্থকেই ১৮৮৩ খ্ৰীঃত হৰিবিলাস গুপ্ত (আগৰৱালা)য়ো প্ৰকাশ কৰে। এই পুথিত শ্ৰীমদ্ভাগৱত পুৰাণত থকা নৱধা ভক্তিৰ বিৰচনসহ ভক্তি বিৰচন, সৎসঙ্গ বিৰচন আৰু ভক্তি বিশেষণ বিৰচনৰে অসমীয়া বৈষ্ণৱ ধৰ্মৰ এখন উল্লেখযোগ্য গ্ৰন্থ। কলিকতাৰ পৰা প্ৰকাশিত শ্ৰীশ্ৰীমাধৱদেৱৰ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ ভক্তিমূলক প্ৰাৰ্থনা পুথি *ঘোষা* প্ৰকাশ পায় ১৮৭৮ খ্ৰীঃত। শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ ৰচিত *ভটিমা সমূহ* গ্ৰন্থখন কলিকতাৰ বেঙ্গল প্ৰেছত ১৮৮৩ খ্ৰীঃত মুদ্ৰণ কৰে তেজপুৰৰ প্ৰকাশক হৰিবিলাস গুপ্ত (আগৰৱালা)ই। ভালেকেইটি প্ৰশস্তিমূলক ৰচনা নিজ ভাৱাদৰ্শৰে কাব্যিক ছন্দত ৰচনা কৰিছে। প্ৰশস্তিমূলক ৰচনা সম্ভাৰক *ভটিমা* বুলি আখ্যা দিছে। ভটিমাসমূহত দেৱতাসকলৰ গুণ-গৰিমা, বন্দনা, গুৰুদেৱসকলৰ বন্দনা আৰু ৰাজ্য শাসনকাৰীসকলৰ যশ-গুণ আদি স্তুতিমূলক আধ্যাত্মিক বন্দনাৰে লিপিবদ্ধ কৰিছে। ১৮৮১ আৰু ১৮৯১ খ্ৰীঃত এই পুথিৰ এটা নব্য সংস্কৰণ *গুৰু ভট্টীমা* নামেৰে মাজুলীৰ আউনীআটিৰ সত্ৰৰ মহেশ্বৰ শৰ্ম্মাৰ দ্বাৰা প্ৰকাশিত হৈছে। *গুৰু-ভটিমা*ৰ এটা সংস্কৰণ গুৱাহাটীৰ কালিৰাম শৰ্মা গুৱাহাটীৰ আসাম নিউ প্ৰেছৰ পৰা প্ৰকাশ কৰিছে ১৮৯৪ খ্ৰীঃত। ১৮৮০ খ্ৰীঃত প্ৰকাশিত *ভটিমা*ৰ এটি সংস্কৰণ হৰিবিলাস গুপ্ত (আগৰৱালা) ই ১৮৮২ খ্ৰীঃত প্ৰকাশ কৰিছে।

হৰিবিলাস গুপ্ত (আগৰৱালা) ই শ্ৰীশ্ৰীমাধৱদেৱৰ *ৰচনাৱলী, ভক্তি-ৰত্নাৱলী*ৰ লগতে অনন্ত কন্দলীয়ে ১৪৭৩ খ্ৰীঃত ৰচনা কৰা *শেষ দশম* খনো ১৮৮৩ খ্ৰীঃত প্ৰকাশ কৰে। অনন্ত কন্দলীৰ *শ্ৰীমদ্ভাগৱত দশম স্কন্ধ* (শেষছোৱা) গ্ৰন্থখনো কলিকতাৰ ভৱানীপুৰস্থিত অৰিয়েন্টেল প্ৰেছৰ পৰা ১৮৮৪ খ্ৰীঃত প্ৰকাশ কৰে।

---

১৯০ হৰিবিলাস আগৰৱালাই নিজৰ উপাধিটো 'গুপ্ত' বুলি ব্যৱহাৰ কৰিছে।

১৮৮১ খ্ৰীঃত শ্ৰীশ্ৰীশঙ্কৰদেৱৰ *দশম*খনো প্ৰকাশ কৰিছে হৰিবিলাস গুপ্ত (আগৰৱালা)ই। বৈষ্ণৱ গুৰু দুজনাৰ গীতসমূহৰ একত্ৰ সংকলন *বৰগীত* প্ৰকাশ কৰে মাজুলীৰ আউনীআটি সত্ৰই ১৮৮৭ খ্ৰীঃত। ১০৩ পৃষ্ঠাৰ ৮ অনা মূল্যৰ গ্ৰন্থখন ১০০০ কপি ধৰ্ম প্ৰকাশ যন্ত্ৰত মুদ্ৰিত হৈছে। বৰপেটাৰ ভোগজুৰ বেপাৰী আৰু লাক্ৰী সিং বেপাৰীয়ে ১৮৯৫ খ্ৰীঃৰ ৫ নৱেম্বৰত প্ৰকাশ কৰা *বৰগীতৰ* মূল্য ৫ অনা। বৰপেটাৰ ভাইবৰ ৰাম বেপাৰীয়ে ১৯০০ খ্ৰীঃত *বৰগীত*ৰ এটা সংস্কৰণ প্ৰকাশ কৰিছে। গোলাঘাটৰ ঢেকিয়ালৰ পৰা বৈকুণ্ঠ দ্বিজৰ পৰা প্ৰাপ্ত পাণ্ডুলিপি যোৰহাটৰ মিত্ৰদেৱ মহন্ত অধিকাৰে কৰা প্ৰতিলিপি *সন্তমালা* ১৮৮৯ খ্ৰীঃত প্ৰকাশিত হয়।[১৯১] শঙ্কৰদেৱ আৰু মাধৱদেৱৰ গীত, *গুণমালা, ঘোষা* আৰু *কীৰ্ত্তনৰ* পদ সংগ্ৰহেৰে সংকলিত গ্ৰন্থ *বৈষ্ণৱ কীৰ্ত্তন* শ্ৰীধৰ চন্দ্ৰ বৰুৱাই প্ৰকাশ কৰে ১৮৮৯, ১৮৯০ খ্ৰীঃত। শ্ৰীশ্ৰীমাধৱদেৱৰ দ্বাৰা প্ৰণীত ভক্তিধৰ্মমূলক গ্ৰন্থ *নামঘোষা* কলীৰাম শৰ্মা বৰুৱাই কলিকতাৰ নিউ সাৰস্বত প্ৰেছত ১৮৮৯ খ্ৰীঃত ছপা কৰে। শ্ৰীমদ্ভাগৱত আৰু শ্ৰীমদ্ভগৱদ্‌গীতাৰ পৰা তত্ত্বমূলক শ্লোকসমূহ নিৰ্বাচন কৰি অসমীয়া ভাষালৈ অনুবাদ কৰা পুথিখন গুণ আৰু তত্ত্ব দুয়ো দিশৰ পৰাই একক বৈশিষ্ট্যপূৰ্ণ। তদুপৰি শ্ৰীধৰ স্বামীৰ *ভাগৱত ভাৱাৰ্থ-দীপিকা টীকা*; গীতাৰ শ্ৰীধৰ স্বামীকৃত *সুবোধিনী টীকা; পাণ্ডৱী গীতা; বৃহন্নাৰদীয় পুৰাণ;* ভক্তি ৰত্নাৱলীৰ বিষ্ণুপুৰী সন্ন্যাসী কৃত *কান্তি-মালা টীকা; মহাভাৰতৰ শ্ৰৱণ-মাহাত্ম্য;* ৰামায়ণৰ বৃহদ্বিষ্ণু পুৰাণ, পদ্মপুৰাণ, নৰসিংহ পুৰাণ, বামন পুৰাণ, গৰুড় পুৰাণ, বিষ্ণু পুৰাণ, মৎস্য পুৰাণ, কূৰ্ম পুৰাণ, স্কন্ধ পুৰাণ, ব্ৰহ্ম পুৰাণ, ভৱিষ্য পুৰাণ, শান্তি শতক, বিষ্ণু-ৰহস্য, বৈষ্ণৱামৃত লহৰী, ভক্তি ৰত্নাকৰ, মহাভাৰতৰ বিষ্ণু ধৰ্মোত্তৰ, মোহমুদ্‌গৰ, সিদ্ধান্ত প্ৰদীপ, ভক্তি-ৰত্নাৱলী আদি অসংখ্য শাস্ত্ৰৰ পৰা একশৰণ ধৰ্ম সম্পৰ্কীয় মূল শ্লোকসমূহ যুগুতাই পুথিখনত সন্নিৱিষ্ট কৰিছে। ভগৱন্ত পুৰুষৰ নামৰ মহিমা প্ৰকাশেৰে শ্ৰৱণ-কীৰ্ত্তন, ভক্তিধৰ্ম, ধৰ্মৰ মহিমা, একশৰণ ধৰ্মৰ তত্ত্ব প্ৰকাশ আদি *নামঘোষাৰ* বিশেষ বৈশিষ্ট্য।

১৮৮৯ খ্ৰীঃত ৰাম সৰস্বতীৰ *ভীম চৰিত* পুথিখন মাজুলীৰ শ্ৰীশ্ৰীআউনীআটি সত্ৰৰ ধৰ্ম্মপ্ৰকাশ মুদ্ৰণ যন্ত্ৰত ছপা কৰি শ্ৰীধৰচন্দ্ৰ বৰুৱাৰ দ্বাৰা প্ৰকাশিত হৈছে। ১৮৯৪ খ্ৰীষ্টাব্দত ২য় তাঙৰণ ছপা হোৱা গ্ৰন্থখনত মহাভাৰতৰ পাণ্ডৱৰ শৈশৱ কালৰ কথা আছে। বীৰত্বশালী ভোজনপ্ৰেমী ভীমক বেছি প্ৰাধান্য দি শিশুৰ বাবে উপযোগী হোৱাকৈ প্ৰস্তুত কৰিছে। ভীমৰ দ্বাৰা বকাসুৰ বধ, ভীমৰ বলিষ্ঠতা, সাহসীকতা, বীৰত্ব আদি ফুটাই তোলা হৈছে। পাণ্ডৱসকলৰ কাম্যক বনলৈ যাত্ৰা, পানীৰ সন্ধান, কুম্ভীৰৰ বধ, কুবেৰৰ শঙ্খচূড় বধ, পুষ্পবন ধ্বংস, ভীমৰ ভোজন, ভীমে শিৱ-পাৰ্বতীৰ ওচৰত নিজকে অৰ্পণ, শিৱ-পাবৰ্তীৰ মাধ্যমেৰে অসমৰ কৃষকৰ দৰিদ্ৰতা, কৃষক-দম্পতিৰ পাৰস্পৰিক কলহ, ভীম আৰু শিৱ-পাৰ্বতীৰ বাক্‌যুদ্ধ, আদিৰ

[১৯১] Ibid, *Sankaradeva and His Times : Early History of the Vaishnava Faith and Movement in Assam.*

বৰ্ণনাৰে গ্ৰাম্য জীৱনত ঘটা হাস্যৰসৰ সোৱাদ দিছে। অস্ত্ৰ-শস্ত্ৰাদিৰ লগতে গদাযুদ্ধত অপৰাজেয় হোৱা বৰ লাভ কৰি ভীমে মাতৃ আৰু ভাতৃসকলৰ ওচৰলৈ আহে।[১৯২]

বিশ্বব্ৰহ্মাণ্ডৰ দুৰ্ল্লভ সৃষ্টিতত্ত্ব সম্বলিত শ্ৰীশ্ৰীশঙ্কৰদেৱৰ *অনাদি পাতন* পুথিখন ডিব্ৰুগড়ৰ পূৰ্ণকান্ত দেৱশৰ্ম্মাই কলিকতাৰ নিউ আৰ্য্য প্ৰেছৰ পৰা ১৮৮৯ খ্ৰীঃত প্ৰকাশ কৰে। তেজপুৰৰ প্ৰকাশক হৰিবিলাস গুপ্ত (আগৰৱালা)ই কলিকতাৰ মণিকা প্ৰেছত শ্ৰীশ্ৰীশঙ্কৰদেৱকৃত অনুবাদ *শ্ৰীমদ্ভাগৱত দশম স্কন্ধ, আদিছোৱা* ১৮৯৪ খ্ৰীঃত প্ৰকাশ কৰে। মহৰ্ষি ব্যাসদেৱ বিৰচিত *শ্ৰীমদ্ভাগৱত* দশম স্কন্ধত মুঠ নৱৈটি অধ্যায় আছে। শ্ৰীমন্ত শঙ্কৰদেৱে ১ম অধ্যায়ৰ পৰা ৪৭ অধ্যায়লৈকে অসমীয়া ভাষাত ভাৱানুবাদ কৰিছে। দশম স্কন্ধত শ্ৰীকৃষ্ণৰ জন্মৰ প্ৰাক্ সময়ছোৱাৰ পৰা কৃষ্ণ আৰু কৃষ্ণৰ পৰম সুহৃদ উদ্ধৱৰ মাজত হোৱা কথোপকথন, কৃষ্ণবিহীন ব্ৰজধামত হোৱা গোপীসকলৰ আৱেগজনিত মানসিক বিষণ্ণতাৰ বৰ্ণনা, কৃষ্ণৰ দূতৰূপী উদ্ধৱ আৰু গোকুলৰ গোপীসকলৰ মাজত হোৱা কথোপকথন বৰ্ণিত হৈছে। শঙ্কৰদেৱে সংস্কৃতৰ হুবহু অনুবাদ নকৰি মূল ভাব একে ৰাখি সংযোজন বিয়োজনেৰে কাহিনীৰ আকৰ্ষণ বৃদ্ধি কৰিছে। আঢ়ৈ হাজাৰ পদযুক্ত ভাগৱতৰ দশম স্কন্ধৰ এই অংশক *আদি দশম* বা *দশমৰ আদিছোৱা* বুলিও কয়। বিভিন্ন সময়ত প্ৰকাশিত *শ্ৰীমদ্ভাগৱত*ৰ কিছু তথ্য এনেধৰণৰ, দত্তদেৱ গোস্বামীয়ে মাজুলীৰ আউনীআটি সত্ৰস্থিত ধৰ্ম্ম প্ৰকাশ যন্ত্ৰৰ পৰা ১৮৭৯ খ্ৰীঃত দ্বিতীয় স্কন্ধ প্ৰকাশ কৰে; ১৮৮০ খ্ৰীঃত ৰামদেৱ শৰ্মা; ১৮৮০ খ্ৰীঃত দ্বিতীয় স্কন্ধৰ ভাষ্যৰ ছন্দোময় অনুবাদ গুৱাহাটীৰ পৰা প্ৰকাশিত; ১৮৮১ খ্ৰীঃত ভাগৱত পুৰাণৰ দশম স্কন্ধৰ ছন্দোময় অনুবাদ কলিকতাৰ পৰা প্ৰকাশিত।

শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত 'উত্তৰাকাণ্ড' আৰু মাধৱদেৱ বিৰচিত 'বালকাণ্ড' সহ তিনিজন কবিৰ দ্বাৰা অনূদিত মাধৱচন্দ্ৰ বৰদলৈৰ সংকলনেৰে প্ৰকাশিত গ্ৰন্থ *অসমীয়া সপ্তকাণ্ড ৰামায়ণ* প্ৰকাশ পায় ১৮৯৯ খ্ৰীঃত। ৰামায়ণ পুথিৰ কাহিনীৰে ১৬ পৃষ্ঠাৰ পাতনি সহ ৪৬৫ পৃষ্ঠাৰ গ্ৰন্থখন কলিকতাৰ ছপাশালত মুদ্ৰিত। *সপ্তকাণ্ড ৰামায়ণ*ৰ প্ৰথম খণ্ড আদিকাণ্ড ৰামায়ণ শ্ৰীশ্ৰীমাধৱদেৱে, পৰৱৰ্তী ৫ টি কাণ্ড মাধৱ কন্দলিয়ে আৰু শেষ খণ্ডৰ উত্তৰাকাণ্ড শ্ৰীমন্ত শংকৰদেৱে অনুবাদ কৰিছে। মূল্য ২ টকা। অনন্ত কন্দলীৰ বাৰ অনা মূল্যৰ কলিকতাৰ পৰা প্ৰকাশিত *বৈষ্ণৱামৃত পুথি* ১৮৮২ খ্ৰীঃত প্ৰকাশ পায়। শ্ৰীধৰ কন্দলিৰ *কাণখোৱা* সম্পাদনা কৰি ১৮৯৩ খ্ৰীঃত প্ৰকাশ কৰে শ্ৰীধৰ বৰুৱাই। ১৮৯৫ খ্ৰীঃৰ ১৫ অক্টোবৰত হাঁহিৰাম বেপাৰীয়ে সংকলন কৰা *কাণখোৱা* প্ৰকাশ কৰে বৰপেটাৰ চণ্ডীচৰণ বন্দ্যোপাধ্যায়ে। ১৭ পৃষ্ঠাৰ অক্‌টেভ আকাৰত ২ অনা মূল্যৰ গ্ৰন্থখন ১০০০ কপি ছপা হয়।

---

[১৯২] পূৰ্বোক্ত, *Report on Progress of Historical Research in Assam.*

৫.১২. অসমৰ বৈষ্ণৱ গুৰু আৰু অন্যান্য সকলৰ জীৱনী গ্ৰন্থ

সমাজ সংস্কাৰকসকলৰ ব্যক্তিত্ব, আদৰ্শ, দৰ্শন, ধান-ধাৰণা, জ্ঞান-বুদ্ধিক উত্তৰ প্ৰজন্মই যাতে আদৰ্শ আৰু অনুপ্ৰেৰণা হিচাপে ল'ব পাৰে তেনে এক মহান উদ্দেশ্যৰেই জীৱনী গ্ৰন্থসমূহ প্ৰস্তুত কৰা হৈছে। তেনে গ্ৰন্থসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল। ১৮৭৪ খ্ৰীঃত দিবাকৰ শৰ্মাই *দয়াকৰৰ জীৱন চৰিত* নামৰ গদ্যত ৰচনা কৰা গ্ৰন্থখন শ্ৰীশ্ৰীআউনীআটীয়া গোস্বামীয়ে প্ৰকাশ কৰে। কালীপ্ৰসাদ দাসে গোৱালপাৰাস্থিত হিত-বিধায়িনী প্ৰেছৰ পৰা কণ্ঠভূষণ দ্বিজ ৰচিত *শঙ্কৰ চৰিত* আৰু *শঙ্কৰদেৱৰ জীৱন চৰিত ও বংশাৱলী* গ্ৰন্থ দুখন ১৮৭৭ খ্ৰীঃত প্ৰকাশ কৰে। ৯০ পৃষ্ঠাৰ ১ টকা মূল্যৰ গ্ৰন্থখন ২০০০ কপি ছপা হৈছে। শঙ্কৰদেৱৰ জীৱন-দৰ্শনৰ আধাৰত ৰচিত *শঙ্কৰ চৰিতত* অসমলৈ বাৰভূঞাসকলৰ আগমনৰ বিষয়ে ৰামচৰণ ঠাকুৰ ৰচিত *গুৰু চৰিত* পুথিৰ আৰ্হিত বৰ্ণনা আগবঢ়াই দুৰ্ল্লভনাৰায়ণক কমতা আৰু গৌড়সকলৰ ৰজা হিচাপে উল্লেখ কৰিছে। বাৰভূঞাৰ চণ্ডীবৰ ভূঞাই নগাঁৱৰ বৰদোৱাত জীৱন অতিবাহিত কৰা সময়ত শঙ্কৰদেৱৰ জন্ম হয়। ভূঞাসকল, গৌড়সকলৰ মুখ্য কৰতলীয়া ৰূপে আছিল যদিও ভীম সিংহৰ দ্বাৰা তেওঁলোকে উদ্ধাৰ পায়। গুৰুজনাৰ জীৱনৰ বিস্তৃত বিৱৰণেৰে গ্ৰন্থখন সমৃদ্ধ হৈছে।[১৯৩] দৈত্যাৰি ঠাকুৰ ৰচিত *শঙ্কৰদেৱ-মাধৱদেৱৰ জীৱন চৰিত্ৰ* গ্ৰন্থখন তেজপুৰৰ হৰিবিলাস গুপ্ত (আগৰৱালা)ই প্ৰয়োজনীয় সম্পাদনাৰে প্ৰকাশ কৰে ১৯০০ খ্ৰীঃত। শঙ্কৰদেৱৰ জীৱনৰ আধাৰত ৰামচৰণ ঠাকুৰ ৰচিত *গুৰু চৰিত* পুথিৰ দুটা সংস্কৰণ প্ৰকাশ কৰিছে হৰিবিলাস গুপ্ত (আগৰৱালা)ই। ১৮৮৪ খ্ৰীঃত প্ৰথম সংস্কৰণ আৰু ১৮৮৫ খ্ৰীঃত দ্বিতীয় সংস্কৰণ কলিকতাৰ বেঙ্গল প্ৰেছত মুদ্ৰিত হৈছে। ৰামানন্দ দ্বিজই ৰচনা কৰা *গুৰু চৰিত* পুথিখনে হৰিবিলাস গুপ্ত (আগাৰৱালা) ই ১৯০০ চনত প্ৰকাশ কৰিছে। গোলাঘাটৰ আঠগুৰি সত্ৰই ১৮৫১ খ্ৰীঃত *কথা গুৰুচৰিতৰ* দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰাৰ তথ্য পোৱা গৈছে।[১৯৪] ১৮৯৫ খ্ৰীঃত *শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ আৰু ব্যাধ চৰিত্ৰত* কৃষ্ণৰ জীৱনাৱসানৰ বিৱৰণ আছে। বৰপেটাৰ সনাতন ধৰ্ম্মপ্ৰকাশ প্ৰেছত এই গ্ৰন্থ মুদ্ৰিত হৈছে।

১৮৮০ খ্ৰীঃত গুণাভিৰাম বৰুৱা ৰচিত *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত* গ্ৰন্থখন কলিকতাৰ নিউ আৰ্য্য প্ৰেছত মুদ্ৰণ কৰে। পূৰ্বপুৰুষসকলৰ তথ্যাদিৰে ফুকনৰ জীৱন পৰিক্ৰমাৰ সৰু বৰ বিভিন্ন দিশৰ বৰ্ণনা আছে। ১৮৭৭ খ্ৰীঃত ব্ৰজাৱলী ভাষাত *শঙ্কৰদেৱৰ জীৱন চৰিত* প্ৰকাশ হৈছে যদিও *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত* গ্ৰন্থখনেই আধুনিক অসমীয়া ভাষাত ৰচিত প্ৰথমখন জীৱনীমূলক গ্ৰন্থ।

---

১৯৩ Maheswar Neog, *Sankaradeva and His Times : Early History of the Vaishnava Faith and Movement in Assam*, Bibliography Section.

১৯৪ Ibid

পাতনি অংশত নগাঁও, ১১ ভাদ্র, ১৮০২ শক বুলি উল্লেখ কৰিছে। ৮ টা অধ্যায়ত বিভক্ত গ্ৰন্থখনত ফুকনৰ ব্যক্তিত্ব আৰু চাৰিত্ৰিক বৈশিষ্ট্যসমূহ বৰ্ণনাৰ লগতে সামাজিক পৰিৱেশকো সকলোৰে বোধগম্য হোৱাকৈ তুলি ধৰিছে।[১৯৫]

অসমৰ ন গৰাকী বৰেণ্য ব্যক্তিৰ সংক্ষিপ্ত জীৱনাদৰ্শৰ ভেটিত নীলকুমুদ বৰুৱাই লিখা *জীৱনাদৰ্শ* প্ৰকাশ কৰে উপেন্দ্ৰনাথ বৰুৱাই। এসিকি মূল্যৰ গ্ৰন্থখন ১৮৮৯ খ্ৰীঃত প্ৰকাশ পাইছে। মহাৰাজ বুদ্ধি স্বৰ্গনাৰায়ণ, মোমাই তামুলী বৰবৰুৱা, লাচিত বৰফুকন, কীৰ্তিচন্দ্ৰ বৰবৰুৱা, হলিৰাম ঢেকিয়াল ফুকন, পূৰ্ণানন্দ বুঢ়াগোহাঁই, পিয়লি বৰফুকন, মণিৰাম বৰভাণ্ডাৰ বৰুৱা দেৱান আৰু কৃষ্ণানন্দ বৰুৱা জমানবিছৰ জানিবলগীয়া বহু তথ্য সামৰি এই গ্ৰন্থ প্ৰস্তুত কৰিছে। *জীৱনাদৰ্শ* নামৰ অন্য এখন কিতাপ ইন্দিবৰ বৰুৱাৰ দ্বাৰা ৰচিত হৈছে। শিৱসাগৰৰ পৰা প্ৰকাশিত গ্ৰন্থখনত পূৰ্ণানন্দ বুঢ়াগোহাঞি, পিয়লি বৰফুকন, হলিৰাম ঢেকিয়াল ফুকন আদিৰ সংক্ষিপ্ত জীৱনীৰে সমৃদ্ধ।[১৯৬] মহাৰাণী ভিক্টোৰিয়াৰ ঘাত-প্ৰতিঘাত সমৃদ্ধ ঘটনা-পৰিঘটনাক লৈ পদ্মনাথ গোহাঞিবৰুৱাই ১৯০০ খ্ৰীঃত ৰচনা কৰিছে *মহাৰাণী* গ্ৰন্থখন। ভাৰতেশ্বৰী মহাৰাণীৰ জীৱন সুন্দৰভাৱে গ্ৰন্থখনত উপস্থাপন কৰা হৈছে। তেজপুৰস্থিত অসম চেণ্ট্ৰেল প্ৰেছত মুদ্ৰিত গ্ৰন্থখন পাঠ্যপুথি ৰূপে নিৰ্বাচিত হৈছিল।[১৯৭]

ঊনবিংশ শতিকাত ইংৰাজী ভাষাত ৰচিত জীৱনী গ্ৰন্থসমূহ হ'ল,- *Life of Joseph* (১৮৮৪) - Edward Winter Clerk; *The Whole World Kin* : *Life and Activities of Dr. Nathan Brown* (১৮৯০) - Mrs. Eliza Whitney Brown, Philadelphia, 1890; *The Wonderful Story of Kandura* (১৮৯২) - Sofia Bronson Titerington, আমেৰিকাৰ বেপ্টিষ্ট পাব্লিকেশ্বন ছচাইটিয়ে প্ৰকাশ কৰা গ্ৰন্থখনৰ প্ৰতিলিপি ৱাশ্বিংটনত থকা Library Congress in Washington ত সংৰক্ষিত হৈ আছে; *The Koch Kings of Kamarupa* (১৮৯৩) - E.A.Gait; *The Koch Kings of Kamrupa* (১৮৯৫) - ই.এ.গেইট, শ্বিলঙৰ ছেক্ৰেটৰিয়েট প্ৰেছত মুদ্ৰিত; *Rajatarangini of Kalhana* (১৯০০), Two Volume Sets, translated by A.Slaing, London আদি।

---

১৯৫ গুণাভিৰাম বৰুৱা, *ৰাম নৱমী নাটক,* সম্পা. যতীন্দ্ৰমোহন ভট্টাচাৰ্য্য, সম্পাদকীয় নিবেদন, পৃ.১৭। পূৰ্বোক্ত, *অসমীয়া সাহিত্যৰ ইতিহাস,* পৃ.১১৮

১৯৬ *জোনাকী,* ১৮১১-১২ শক, ১৮৮৯-৯০ খ্ৰীষ্টাব্দ, দ্বিতীয় ভাগ, দ্বিতীয় সংখ্যা।

১৯৭ পদ্মনাথ গোহাঞিবৰুৱা, *মোৰ সোঁৱৰণী,* পৃ.১০৮।

জীৱনীগ্ৰন্থ *সোণাধৰ সেনাপতিৰ চমুজীৱনী* প্ৰকাশ পায় ১৮৬৮ খ্ৰীঃত। ডিব্ৰুগড়ৰ ৰাধানাথ চাংকাকতিৰ দ্বাৰা প্ৰকাশিত *লক্ষ্মী চৰিত্ৰত* লক্ষ্মণাক্ৰান্ত পুৰুষ লক্ষ্মীৱন্ত হোৱাৰ ব্যাখ্যা আছে। তদুপৰি পদ্যত ৰচিত আন আন এই পৰ্যায়ৰ গ্ৰন্থ হ'ল,- *নাৰদ চৰিত্ৰ; নল চৰিত; বাৰভূঁয়া চৰিত্ৰ; বাল্মীকি চৰিত্ৰ; ব্যাধ চৰিত্ৰ* -ৰাম সৰস্বতী; *ভক্ত প্ৰহ্লাদ চৰিত্ৰ; ভৱানীপুৰীয়া গোপাল আতাৰ চৰিত্ৰ; মাধৱ চৰিত্ৰ; মিশ্ৰদেৱ চৰিত্ৰ* - ৰামকৃষ্ণদেৱ; *শঙ্কৰ চৰিত্ৰ* - কণ্ঠভূষণ; *শান্তি চৰিত্ৰ; হৰিদেৱ চৰিত্ৰ* আদি।

৫.১৩. বুৰঞ্জী বিষয়ক গ্ৰন্থ

অসমৰ বুৰঞ্জী গ্ৰন্থসমূহৰ ভিতৰত ছপা আখৰত প্ৰকাশ পোৱা প্ৰথম প্ৰকাশিত গ্ৰন্থ *আসাম বুরঞ্জি* বাংলা ভাষাত লিখে হলিৰাম ঢেকিয়াল ফুকনে। ঊনবিংশ শতিকাতে নিখুঁত তথ্য আহৰণ কৰি অসমৰ ইতিহাস লিখা কাৰ্যটো বৰ কষ্টসাধ্য আছিল। বাংলা ভাষাত প্ৰণয়ন কৰা গ্ৰন্থখন বাংলা সাহিত্যৰ ইতিহাসতো প্ৰথম বুৰঞ্জী বিষয়ক মুদ্ৰিত গ্ৰন্থ। গ্ৰন্থখন ১৮২৯ খ্ৰীঃৰ ৭ নৱেম্বৰত হলিৰাম ঢেকিয়াল ফুকনৰ নিজা উদ্যোগত চাৰিটা খণ্ডত একে বৰ্ষতে প্ৰকাশিত হৈছে।[১৯৮-২০০] প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ খণ্ডৰ মুদ্ৰিত পৃষ্ঠাসংখ্যা যথাক্ৰমে ৮৬, ৩২, ২৯, ৬০+৭=৬৭ (৭ পৃষ্ঠাৰ শুদ্ধিপত্ৰ)।[২০১] প্ৰাচীন আৰু মধ্যকালীন ৰজা, ৰাজশাসন সংক্ৰান্ত বিষয়-বাব, ভৌগোলিক, তীৰ্থ বিৱৰণ, ধৰ্ম, সামাজিক জীৱন, আৰ্থিক, বাণিজ্য ব্যৱস্থা আদিকে ধৰি অসমৰ সামগ্ৰিক সকলো দিশৰ বৰ্ণনা আছে। ঐতিহ্যমণ্ডিত অসমৰ বুৰঞ্জী, স্বৰ্ণময় ইতিহাস প্ৰচাৰ কৰিবলৈ লিখকে অন্য ভাষা-ভাষী ব্যক্তিৰ মাজত বিনামূলীয়াকৈ বিতৰণ কৰে এই গ্ৰন্থখন। পুথিখনৰ বেটুপাত 'ভৱানীচৰণ বন্দ্যোপাধ্যায়েনাঙ্কিত' বুলি উল্লেখ থকাৰ উপৰি 'শ্ৰীশ্ৰীকামাখ্যা জয়তিভ্যৰাম্' বুলি এটি শ্লোকো সন্নিৱিষ্ট আছে। কলিকতাৰ সমাচাৰ চন্দ্ৰিকা যন্ত্ৰত মুদ্ৰিত প্ৰথম খণ্ডত পৃথিৱীৰ পুত্ৰ নৰক ৰজাৰ পৰা আৰম্ভ কৰি 'ইংলণ্ডীয়াধিকাৰ'লৈকে সংক্ষেপে বিৱৰণ আগবঢ়াইছে। অষ্টম অধ্যায়যুক্ত দ্বিতীয় খণ্ডত ৰাজ্যশাসন, ৰাজহ সংগ্ৰহৰ ধাৰা, আদালতৰ ৰীতি প্ৰভৃতি, চমুৱা খেলৰ নাম, ফৌজদাৰী, বিধি-

---

১৯৮ *Asiatic Journal and Monthly Register* Vol II, New Series, Calcutta and India Gazette, Calcutta, Tarachand Chakraborty, 1829.

১৯৯ *Assam Buranji* (Bengali), ed. J.M.Bhattacharya, Gauhati, 1962,1829.

২০০ হলিৰাম ঢেকিয়াল ফুকন, *আসাম বুৰঞ্জি*, সম্পা. যতীন্দ্ৰমোহন ভট্টাচাৰ্য, সম্পাদকৰ নিবেদন, পৃ. ১,২, পৰিশিষ্ট পৃ. ১৪। আনন্দৰাম ঢেকিয়াল ফুকন, *A Few Ramarks on the Assamese Language*, ১৮৫৫, পৃ.৪৬।

২০১ '*It is evident, therefore, that in the period immediately following the British annexation of Assam, there was an increasing awareness amongst Assamese intellectuals to come out of their age old shelds and to reach out to the rest of the world though the medium of the printed world.*' - তিলোত্তমা মিশ্ৰ, বাংলা সাহিত্যিক।

নিষেধ, ফুকন আৰু ডাঙৰিয়াৰ নাম, আহোম জাতিৰ ৰীতি আদি বিষয় সন্নিৰিষ্ট হৈছে। তৃতীয় খণ্ড দশম অধ্যায়েৰে বিৰৰিত বিষয়ৰ ভিতৰত নদী, পৰ্বত, সীমা, কমিচনাৰিৰ এলাকা, সীমান্তাৰস্থিত দেশ, লোক সংখ্যা, ভূমি সংখ্যা, মৃত্তিকা, ৰাজহৰ নিয়ম, মুদ্ৰা, কামাখ্যাদি দেৱালয় আদি। চতুৰ্থ খণ্ডত জাতি, বিভাগ, ঈশ্বৰ আৰাধনা, বামুনীয়া মত, ঠাকুৰীয়া-মহাপুৰুষীয়া মত, ৰীতি, ব্যৱহাৰ, চিকিৎসা, পৰ্ব, উৎপন্ন দ্ৰব্য, বস্ত্ৰ, পৰিচ্ছদ, গৃহ অলঙ্কাৰ, অস্ত্ৰ আদি ১২ টি বিষয় উপস্থাপন কৰিছে।[২০২-২০৫] ৭ নৱেম্বৰ, ১৮২৯ তাৰিখে *বঙ্গদূত* পত্ৰিকাত বিনামূলীয়াকৈ বিতৰণৰ বিজ্ঞাপন প্ৰকাশ পাইছে। *আসাম বুরঞ্জী*[২০৬]ত আহোম আৰু অসমীয়া শব্দ, বাক্যাংশ সংযোগ কৰা হৈছে। সংস্কৃত, বাংলা, আহোম, অসমীয়া, আৰবী, ফাৰ্চী আৰু ইংৰাজী শব্দ সংযোজন কৰিছে। বচা বচা কিছুমান মূল শব্দৰ লগতে গ্ৰন্থত ব্যৱহৃত শকাব্দ শব্দৰো 'অৰ্থাৎ' নিৰ্দেশনাৰে অৰ্থ দিছে।[২০৭]

অসম সম্পৰ্কীয় বুৰঞ্জীমূলক গ্ৰন্থ এখন ইংৰাজী ভাষাত লিখিছে ডেভিড স্কটে। ১৮৩৪ খ্ৰীঃত *Historical Notes about Assam inserted in Col. Adam White's Historical Miscellany, containing the account of Assam from Capt. Welsh's Expedition to the First Burmese Invasion* নামৰ গ্ৰন্থখনত অসমৰ বহু পৌৰাণিক তথ্য সন্নিবিষ্ট কৰিছে।[২০৮] G.J. Bayfield ৰ *Historical Review of the Political Relations between the British Government in India and the Empire of Ava* নামৰ ৰাজনৈতিক ঐতিহ্য সমৃদ্ধ বুৰঞ্জীমূলক গ্ৰন্থখন পৰিবৰ্ধিত সংস্কৰণ ৰূপত সংশোধন কৰি বাৰ্ণিয়ে ১৮৩৫ খ্ৰীঃত প্ৰকাশ কৰি উলিয়ায়। ব্ৰিটিছ চৰকাৰ আৰু ভাৰত চৰকাৰৰ ৰাজনৈতিক সম্পৰ্কৰ এক বিশ্লেষণাত্মক বুৰঞ্জী গ্ৰন্থখনত লিপিবদ্ধ হৈছে। অসমত অসমীয়া ভাষাৰ দুৰ্বলতা, বাংলা ভাষাৰ ব্যাপক প্ৰচলন, শিক্ষা, সাহিত্য, বুৰঞ্জী, নাট, পাঠ্যপুথিৰ অভাৱ, সংস্কাৰহীন মানসিকতা, ভাষাৰ প্ৰতি অমনোযোগিতা, ব্যাকৰণ, বৰ্ণবিন্যাস, ধৰ্ম আদি বিভিন্ন বিষয় এই গ্ৰন্থত অন্তৰ্ভুক্ত।

---

২০২ জ্যোতির্ময় সেনগুপ্ত, *'উনিশ ও কুড়ি শতকের অসমিয়া সংবাদ সাময়িকী ঃ প্রেক্ষাপট কলকাতা'*, তুলনামূলক ভাৰতীয় ভাষা ও সাহিত্য পত্ৰিকা, দ্বিতীয় সংখ্যা, ২০১২, স্মাৰক গ্ৰন্থ, পৃ. ১৩২।

২০৩ 'আসাম বুৰঞ্জি' আধুনিক যুগৰ বাংলা ভাষাৰ সৰ্বপ্ৰথম বিজ্ঞানসন্মত ইতিহাস। আলোচ্য সময়ত ইতিহাস বিষয়ত একমাত্ৰ স্বাধীন ৰচনা য'ত ইংৰাজীৰ অনুবাদ হোৱা নাই। - সুকুমাৰ সেন, *বাংলা সাহিত্য গদ্য*, পৃ.৩৯-৪৯।

২০৪ G.A.Grierson, *A Brief Compilation, in the Bengali Language*, printed and pubished by him, 1829. *Assamese,* p.397.

২০৫ উষাৰঞ্জন ভট্টাচাৰ্য্য, *শ্ৰীহট্ট - কাছাড় মনীষী মনীষা ও অন্যান্য*, *'যতীন্দ্ৰমোহন ঃ অঙ্গনে ও ভুবনে'*, পৃ.১১১।

২০৬ তাৰাচাঁদ চক্ৰৱৰ্তী, *ইণ্ডিয়া গেজেট*, ৫ ফেব্ৰুৱাৰী ১৮৩০ খ্ৰীঃ। *Asiatic Journal and Monthly Register*, Vol. II, New Series, মে'-আগষ্ট, ১৮৩০।

২০৭ হলিৰাম ঢেকিয়াল ফুকন, *আসাম বুরঞ্জী,* সম্পা. যতীন্দ্ৰমোহন ভট্টাচাৰ্য্য।

২০৮ *Transcript is in possession of DHAS*, Gauhati.

বাংলা ভাষা প্ৰত্যাহাৰ, অসমীয়া ভাষা প্ৰচলন, চিঠি পত্ৰৰ আৰম্ভণি আদিৰ ঐতিহাসিক পৰ্যায়বোৰ বিস্তৃতভাৱে উপলব্ধ *অশমীয়া ভাষা বুৰঞ্জী* নামৰ গ্ৰন্থখন ১৮৩৫ খ্ৰীঃত প্ৰকাশ পায়। লেখকৰ নাম উল্লেখ নথকা গ্ৰন্থখন অসমীয়া ভাষাৰ প্ৰাৰম্ভিক পৰ্যায়ৰ ৰূপৰেখাৰ তথ্যভিত্তিক বিৰৰণেৰে সমৃদ্ধ। এই গ্ৰন্থত অসমীয়া ভাষাৰ বৰ্ণনা দাঙি ধৰিছে এনেদৰে,-

“১৮৩৫ সনত দেশীয় ভাষাত ৰাজকীয় কাকত পত্ৰ লেখাৰ বিধি হ'ল। সেই সময়ত আমাৰ দেশৰ ৰাজকীয় কৰ্ম্মচাৰী মাতেই অধিকাংশ বঙালী আছিল। অসমীয়া ভাষাৰ দ্বাৰা যে ৰাজকীয় কাকত পত্ৰ সকলো লেখা হ'ব পাৰিব এনেটো সন্দেহ হ'ল। 'বোৰ্ড অব ৰেবনু' 'সদৰ আদালতৰ' পৰা যি কাকত পত্ৰ আহে সিও বঙালী বা উৰ্দ্দু। সাতে সোতৰয়ে বঙালী ভাষাই যে এই দেশৰ চলিত আৰু আৱশ্যকীয় ভাষা সেইটো ঠাৱৰ হ'ল আৰু সেই কাৰণেই বঙালী ভাষা প্ৰচলিত হ'ল। গবৰ্ণমেণ্টৰ পৰা যি স্কুল স্থাপিত হ'ল তাত বঙালী ভাষাৰ পুথি চলিল। ... ...আনন্দৰাম ফুকনে অসমীয়া লৰাৰ মিত্ৰ নামে পুথী প্ৰকাশিত কৰিলে। দেশৰ লোকসকলৰ অসমীয়া ভাষাৰ প্ৰতি চকু মুকলি হ'ল। বঙালী ভাষাই দেশ দখল কৰাতো মাঝে মাঝে দুখনি এখনি অসমীয়া পুথী ওলাবলৈ ধৰিলেঁ। ব্যাকৰণ লেখা হ'ল। অসমীয়া আৰু বঙালী দুইও ইটে সিটৰ প্ৰতিদ্বন্দী হ'ল। দুইও ফালে কঁকালত কাপোড় বন্ধাবন্ধি লাগিল। এই অসমীয়া ভাষাৰ দ্বিতীয় যুগ।...”

কাশিনাথ তামুলি ফুকন ৰচিত ৰাধানাথ বৰুৱাৰ দ্বাৰা সংশোধিত ১৪০ পৃষ্ঠাৰ *আসাম বুৰঞ্জী পুথি* প্ৰকাশ কৰে শিৱসাগৰৰ বেপ্টিষ্ট মিছন প্ৰেছে ১৮৪৪ খ্ৰীঃত। ইন্দ্ৰবংশী আসাম মহাৰজাসকলৰ বিৰৰণ আৰু অসমৰ ইতিহাস সম্বলিত গুৰুত্বপূৰ্ণ গ্ৰন্থখনত আহোম ৰাজত্বকালৰ ঐতিহাসিক ঘটনাপ্ৰবাহৰ ইতিহাসৰ পৰা আৰম্ভ কৰি ১৮২৬ খ্ৰীঃত ব্ৰিটিছ চৰকাৰ শাসনত বহালৈ বিভিন্ন স্তৰ আলোচিত হৈছে। ব্ৰিটিছ অহাৰ আগলৈকে আহোম স্বৰ্গদেউসকলৰ লগতে ইন্দ্ৰবংশীয়সকলৰ সংক্ষিপ্ত বিৰৰণ গ্ৰন্থখনত সন্নিৱিষ্ট হৈছে।[২০৯] গ্ৰন্থখনত ১৬০৩ শকত গদাধৰ সিংহৰ ৰাজ অভিষেক হোৱাৰে পৰা আৰু ১৬৭৩ শকত ৰাজেশ্বৰ সিংহৰ অধীনলৈ অহালৈ সমস্ত বিৰৰণৰ লগতে ৰাজত্বকালৰ বৰ্ণনা আছে।[২১০]

অতীতত প্ৰচলিত ৰাজনৈতিক ব্যৱস্থাৰ লগতে ভৌগোলিক অৱস্থিতিক লৈ ১৮৩৬ খ্ৰীঃত *The History, Antiquities, Topography and Statistics of Eastern India,* Vol. V (Rangpur and Assam) গ্ৰন্থ প্ৰণয়ন কৰে Montgomery Martin এ। গ্ৰন্থখনত বিহাৰ, শ্বাহাবাদ, ভাগলপুৰ, গোৰখপুৰ,

[২০৯] গুণাভিৰাম বৰুৱা, *ৰাম নৱমী নাটক*, সম্পা. যতীন্দ্ৰমোহন ভট্টাচাৰ্য্য, *সম্পাদকীয় নিবেদন,* পৃ.১৬।
[২১০] পূৰ্বোক্ত, *R.P.H.R.A.*

দিনাজপুৰ, পূৰ্ণিয়া, ৰঙ্গপুৰ আদিৰ প্ৰাকৃতিক সম্পদৰ উল্লেখ, ৰাজহৰ পৰিসংখ্যামূলক বিৱৰণ, পৌৰাণিক অসমৰ উপৰিভাগৰ বিৱৰণ, জান, জুৰি, পুখুৰী, বিল, ভেটিৰ বিৱৰণ, ৰাজনৈতিক ইতিহাস, ৰজা নৰকৰ পৰা আহোম ৰজা গৌৰীনাথ সিংহৰ ৰাজত্বকাললৈ বৰ্ণিত আছে। এইখন গ্ৰন্থ ১৮৩৮ খ্ৰীঃত পুনৰ মুদ্ৰিত হয়। ১৮৪৪ খ্ৰীঃত গুণাভিৰাম বৰুৱাৰ *আসাম বুৰঞ্জী* প্ৰকাশ পায়। পুথিখন আনন্দৰাম ঢেকিয়াল ফুকন আৰু তেওঁৰ পত্নী মাহিন্দ্ৰী দেৱীলৈ কৃতজ্ঞতাৰে উৎসৰ্গ কৰিছে। প্ৰাচীন কালৰে পৰা ১৮৭৫ খ্ৰীঃৰ শেষলৈ অসম দেশৰ প্ৰায় সকলো বুৰঞ্জী সন্নিৱিষ্ট *আসাম বুৰঞ্জী* তিনি ভাগত বিভক্ত। প্ৰথম ভাগত অসমৰ প্ৰাচীন ইতিহাস, বিশেষকৈ পুৰণি কামৰূপ ৰাজ্যৰ বিৱৰণ আগবঢ়োৱা হৈছে। দ্বিতীয় ভাগত আহোমসকলৰ পূৰ্ব ইতিহাস আৰু চ্যুকাফা ৰজা অসমলৈ আগমনৰ পৰা আৰম্ভ কৰি মানৰ আক্ৰমণৰ পাছত আহোম ৰাজত্বৰ শেষলৈকে বৰ্ণিত হৈছে। তৃতীয় ভাগত ব্ৰিটিছসকলে কৰা অধিকাৰৰ বিৱৰণৰ লগতে অসমৰ লোকসকলৰ জাতি, ভাষা, ধৰ্ম, আচাৰ-ব্যৱহাৰ, শিল্প, কৃষি, বাণিজ্য, শাসন প্ৰণালী আদি বৰ্ণনা কৰা হৈছে।[২১১] দ্বিতীয় সংস্কৰণ[২১২] কলিকতাৰ নিউ-আৰ্য্য প্ৰেছত ১৮৮৪ খ্ৰীঃত ছপা হয়।

নাথান ব্ৰাউনে সংকলন আৰু সম্পাদনাৰে প্ৰস্তুত কৰা *পুৰণি অসম বুৰঞ্জী* ১৮৫৩ খ্ৰীঃত প্ৰকাশ পায়। *অৰুণোদই* আলোচনীৰ ১৮৫০ খ্ৰীষ্টাব্দৰ ৫ বৰ্ষ ৮ সংখ্যা, আগষ্টৰ পৰা ১৮৫২ খ্ৰীষ্টাব্দৰ আগষ্ট মাহৰ সংখ্যালৈকে মুঠ ২২টা সংখ্যাত *পুৰণি অসম বুৰঞ্জী* (*Ancient Assamese History*) নামেৰে খণ্ড খণ্ডকৈ ধাৰাবাহিকভাৱে প্ৰকাশ পায়। কাশীনাথ তামুলী ফুকন আৰু ৰাধানাথ বৰবৰুৱাই যুটীয়াভাৱে ১৮৭০ খ্ৰীঃত *অসম বুৰঞ্জী* লিখি উলিয়ায়। বুৰঞ্জীমূলক গ্ৰন্থৰে অসমীয়া সাহিত্য চহকী কৰা গুণাভিৰাম বৰুৱাই লিখা *আসাম বুৰঞ্জী* ১৮৭৪, ১৮৭৫, ১৮৭৬ খ্ৰীঃত প্ৰকাশ কৰিছে। প্ৰথম সংস্কৰণ, পুনৰ মুদ্ৰণ আৰু দ্বিতীয় সংস্কৰণ ৰূপে প্ৰকাশিত বুৰঞ্জীখনে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, জীৱন প্ৰণালী আদি দৃশ্যপট ধৰি ৰাখিছে। প্ৰথম সংস্কৰণ কলিকতাৰ 'নিউ আৰ্য্য প্ৰেছ'ত ছপা হয়। অসমৰ পৃষ্ঠভূমিত পৰিকল্পিতভাৱে ঐতিহাসিক, বৈজ্ঞানিক দৃষ্টিভংগীৰে ইতিহাস লিখাৰ উপৰি আধুনিক যুগৰ ঐতিহ্য, ধৰ্ম ভাৱনা, সামাজিক, সাংস্কৃতিক চেতনা আদি দিশৰ বৰ্ণনা আছে।[২১৩] ইয়াৰ 'ভূমিকা' অংশত লেখকে নগাঁও ৩০ পুহ, ১৭৯৭ শক (১৮৭৫ খ্ৰীঃ) বুলি লিখিছে। দ্বিতীয় সংস্কৰণ পৰিবৰ্ধিত আৰু সংশোধিত ৰূপত প্ৰকাশ পায়। অসমৰ ৰাজনৈতিক আৰু সামাজিক ইতিহাস ১৮৭৫ খ্ৰীঃলৈকে এই সংস্কৰণত সন্নিৱিষ্ট আছে। *আসাম বুৰঞ্জী*

---

২১১ *আসাম বুৰঞ্জী*, দ্বিতীয় সংস্কৰণ, ভূমিকা, নগাঁও, ৩০ শাওণ, ১৮০৬ শক (১৮৮৪ খ্ৰীষ্টাব্দ)।

২১২ উল্লিখিত, *ৰাম নৱমী নাটক*, পৃ.১৭।

২১৩ বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমীয়া সাহিত্যৰ ইতিহাস*, অনু. সুধাংশুমোহন বন্দ্যোপাধ্যায়, সাহিত্য অকাডেমী, পৃ.১১৮।

নামৰ এখন গ্ৰন্থৰো সন্ধান পোৱা গৈছে। একেখন গ্ৰন্থকেই ১৮৮১ খ্ৰীঃলৈ অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিস্থিতিৰ বৰ্ণনা অন্তৰ্ভুক্ত কৰি দুটা খণ্ডত প্ৰকাশ কৰিছে ১৮৮৪ খ্ৰীঃত। অসমীয়া ভাষাত ৰচিত এই গ্ৰন্থখন কলিকতাৰ নিউ আৰ্য্য প্ৰেছত মুদ্ৰিত।

ভগৱতীচৰণ বন্দ্যোপাধ্যায়ে বাংলা ভাষাত লিখা *কোচবিহারের ইতিহাস* আৰু *কোচবিহার রাজ্যের সংক্ষিপ্ত বিবরণ* বুৰঞ্জীমূলক গ্ৰন্থ দুখন যথাক্ৰমে ১৮৮২ আৰু ১৮৮৩ খ্ৰীঃত প্ৰকাশ পায়। *কোচবিহারের ইতিহাস* গ্ৰন্থখন তদানীন্তন কোচবিহাৰাধিপতিক উৎসৰ্গ কৰিছে। গ্ৰন্থখন তিনিটা খণ্ডৰে সমৃদ্ধ। প্ৰথম অধ্যায়ত ঊনবিংশ শতিকাত কোচবিহাৰৰ স্থিতি সম্পৰ্কে বিৰচিত হৈছে। উক্ত খণ্ডত প্ৰাপ্ত তথ্য মতে কোচবিহাৰৰ নিকটৱৰ্তী জলপাইগুৰিত ১৮৭৫ খ্ৰীঃত প্ৰথম ছপাশাল প্ৰতিষ্ঠা কৰা হয়। তদানীন্তন কোচ নৃপতি নৰেন্দ্ৰনাৰায়ণৰ পৃষ্ঠপোষকতাত স্থাপিত উক্ত ছপাশালৰ তত্ত্বাৱধায়ক ৰূপে কৰ্ম সম্পাদন কৰিছিল গোপাল চন্দ্ৰ ঘোষে। গ্ৰন্থখনৰ দ্বিতীয় খণ্ডত কোচবিহাৰৰ প্ৰাচীন ইতিহাসৰ বিৱৰণ দি 'কাল্পনিক আৰু তৃতীয় খণ্ডক 'প্ৰমাণসিদ্ধ সময়' ৰূপে নিৰূপণ কৰি ২০ বিশ) টা অধ্যায়ত বিভিন্ন তথ্য সন্নিৱিষ্ট কৰিছে। গ্ৰন্থখনৰ শেষত ১৮৮৩ খ্ৰীঃৰ ১৯ নৱেম্বৰত ইংৰাজ চৰকাৰৰ লগত কোচ ৰজাৰে হোৱা 'ঘোষণা পত্ৰ'ৰ বঙ্গানুবাদ আৰু ৰাজবংশাৱলীৰ বিৱৰণ দি শেষ কৰিছে। অসমৰ বিষয়ে উল্লেখযোগ্য গ্ৰন্থ *কোচবিহার রাজ্যের সংক্ষিপ্ত বিবরণ* ৰ সংকলক যাদৱচন্দ্ৰ চক্ৰৱৰ্তী। ইংৰাজী ভাষাত অসমৰ বুৰঞ্জী চহকী কৰিছে আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলে। তাৰ ভিতৰত,- Sir Alexander Mackenzie য়ে ১৮৮৩ খ্ৰীঃত *History of Assam and the North East Tribes* আৰু ১৮৮৪ খ্ৰীঃত *History of the Relations of the Government with the Hill Tribes of the North-East Frontier of Bengal* নামৰ দুখন গ্ৰন্থ অসমক উপহাৰ দিছে। ১৮৮৪ খ্ৰীঃত Thomas Welsh এ *History of the Relations of the Government with the Hill Tribes of the North-East Frontier of Bengal,* Calcutta, ১৮৮৫ খ্ৰীঃত C.A.Soppitt এ *Historical and descriptive account of the Kachari tribes in the North Cachar Hills* গ্ৰন্থয়ো বুৰঞ্জী সাহিত্যক সমৃদ্ধ কৰিছে। গ্ৰন্থখন শ্বিলংস্থিত অসম বিধানসভা প্ৰেছত মুদ্ৰিত হৈছে। কলিকতাৰ Thacker, Spink & Co ৰ দ্বাৰা মুদ্ৰিত R.C.Dutt ৰ *Ancient India* তিনিটা খণ্ডত প্ৰকাশিত।[২১৪] যোগেশ চন্দ্ৰ দত্তৰ *Old Relics in Kamrup* গ্ৰন্থখন কলিকতাৰ ফুলমুন প্ৰিণ্টিং ৱৰ্কচত ১৮৯১ খ্ৰীঃত মুদ্ৰিত। পদ্মনাথ গোহাঞিবৰুৱাই *অসমৰ বুৰঞ্জী* (১৮৯৪ খ্ৰীঃ) আৰু *অসম বুৰঞ্জী* (১৮৯৯ খ্ৰীঃ) গ্ৰন্থ দুখন লিখোতে সমল আহৰণৰ ক্ষেত্ৰত পানীন্দ্ৰনাথ গগৈয়ে সহায় কৰিছে।[২১৫] তদুপৰি প্ৰকাশৰ

---

[২১৪] ই.এ. গেইট, *Report on Progress of Historical Research in Assam.*

[২১৫] *পানীন্দ্ৰনাথ গগৈ ৰচনাৱলী,* সম্পা. হেমন্ত কুমাৰ বৰুৱা, *ভূমিকা,* পৃ. ল, ৰ।

চন নথকা কিছুসংখ্যক বুৰঞ্জীমূলক গ্ৰন্থ হ'ল,- *ভাৰত বুৰঞ্জী* (ধৰ্ম্মেশ্বৰ গোস্বামী) ১ম, ২য় ভাগ (ভাৰতবৰ্ষৰ ইতিহাস); *আসামৰ সংক্ষিপ্ত ইতিহাস, ৰজা বুৰঞ্জী, বিক্ৰমাদিত্য ৰজাৰ ৰাজনীতি* আদি।[২১৬]

৫.১৪. ভূগোল বিষয়ক গ্ৰন্থ

ঊনবিংশ শতিকাত জাৰ্মান ভাষাত প্ৰণয়ন কৰা ভৌগোলিক আৰু বুৰঞ্জী বিষয়ক তথ্যসমৃদ্ধ গ্ৰন্থ হ'ল *Assam Und Seine Nachbar Landern*। ১৮৩৪ খ্ৰীঃত Heinrich Karl Wilhelm Berghous ৰ ১৮২ পৃষ্ঠাৰ গ্ৰন্থখন প্ৰকাশ কৰে Gotha, Thuringia, Germany এ। টি. ম'ৰৰ মূল ইংৰাজীৰ পৰা নাথান ব্ৰাউনে কৰা অসমীয়া অনুবাদ *ভূগোল শিক্ষক* গ্ৰন্থখন প্ৰথম অসমীয়া ভূগোল বিষয়ক গ্ৰন্থ। ১১৭ পৃষ্ঠাৰ গ্ৰন্থখন প্ৰকাশ পায় ১৮৪৯ খ্ৰীঃত। এলিজা হুউটনী ব্ৰাউনে ১৮৫১ খ্ৰীঃত লিখা *ভূগোলৰ বিৱৰণ* (সচিত্ৰ), ১ম ভাগত কেৱল এচিয়া মহাদেশ খণ্ডৰ ভূগোলৰ বিৱৰণ আছে। পিটাৰ পাৰ্লিৰৰ *ভূগোল গ্ৰন্থৰ* আদৰ্শৰে ৰচিত ১৪২ পৃষ্ঠাৰ গ্ৰন্থখন প্ৰকাশ কৰিছে বেপ্টিষ্ট মিছন যন্ত্ৰই।[২১৭] ৪ (চাৰি) অনা মূল্যৰ *Geography of Asia* গ্ৰন্থখন প্ৰকাশ পাইছে ১৮৫১ খ্ৰীঃত।[২১৮] John Bayan Neufville ৰ ১৮৫৫ খ্ৰীঃত প্ৰকাশিত *On the Geography and Population of Assam* (Selections from the Records of Bengal Government Notes.XVIII.) গ্ৰন্থখনত অসমৰ ভৌগোলিক বিৱৰণৰ লগতে জনসংখ্যা সম্পৰ্কীয় তথ্য সন্নিৱিষ্ট আছে। আনন্দৰাম বৰুৱাই ১৮৮০ খ্ৰীঃত অসমৰ ভৌগোলিক বিৱৰণ লিখি *Ancient Geography of India* নামেৰে গ্ৰন্থৰূপ দিয়ে। ১৮৯৬ খ্ৰীঃত প্ৰকাশিত ২৩২ পৃষ্ঠাৰ *Physical and Political Geography of the province of Assam* গ্ৰন্থখন আসাম ছেক্ৰেটৰিয়েট প্ৰেছ, শ্বিলঙত মুদ্ৰিত। গ্ৰন্থখন আমেৰিকা যুক্তৰাষ্ট্ৰৰ University of Californiaত সংৰক্ষিত আছে। পদ্মনাথ গোহাঞিবৰুৱাৰ *ভূগোল দৰ্পণ* প্ৰকাশ পায় ১৮৯৪ খ্ৰীঃত। পৃথিৱীৰ লগতে ভাৰতৰ ভৌগোলিক বিৱৰণেৰে *অসমীয়া লৰাৰ ভূগোল* গ্ৰন্থখন প্ৰকাশ পায় ১৮৯৬ খ্ৰীঃত। পানীন্দ্ৰনাথ গগৈয়ে অসমৰ আধুনিক আৰু পৌৰাণিক তথ্যৰ লগতে সংজ্ঞাৰ ইংৰাজী প্ৰতিশব্দ সন্নিৱিষ্ট কৰাত বিশেষ গুৰুত্ব প্ৰদান কৰি এই গ্ৰন্থ ৰচনা কৰে। গ্ৰন্থখনৰ পৰিশিষ্টত অসমৰ দাঁতিকাষৰীয়া পৰ্বতীয়া জাতিসমূহৰ বিৱৰণ লিপিবদ্ধ কৰিছে। কলিকতাৰ ৰাধাৰমণ যন্ত্ৰত মুদ্ৰিত ১২৩ পৃষ্ঠাৰ গ্ৰন্থখনৰ মূল্য এসিকি।[২১৯] অসমৰ ভৌগোলিক

---

২১৬ *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী*, সম্পা. যোগেন্দ্ৰ নাৰায়ণ ভূঞা, প্ৰকা. অসম প্ৰকাশন পৰিষদ, পৃ. পাতনি-৩।

২১৭ হেম বৰা, *অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান*, পৃ. ২৭।

২১৮ *অৰুণোদই*, নৱেম্বৰ, ১৮৫২, ৭ বছৰ, সংখ্যা ১১।

২১৯ *জোনাকী*, ১৮১৮ শক, ১৮৯৬ খ্ৰীঃ, ষষ্ঠ ভাগ, পঞ্চম-ষষ্ঠ সংখ্যা।

বিৰৰণৰ লগতে ডাকঘৰ আৰু থানাৰ তালিকা অন্তৰ্ভুক্তিৰে পদ্মনাথ বৰুৱাই *ভূগোল দৰ্পণ* গ্ৰন্থখন লিখে। ১৮৯৬ খ্ৰীঃত প্ৰকাশিত গ্ৰন্থখন মূল্য ডেৰ মহা।[২২০] মুন্সী হাছমৎ উল্লা ৰচিত *আসাম দেশৰ ভূগোলৰ* গ্ৰন্থখন ঊনবিংশ শতিকাত প্ৰকাশিত।

৫.১৫. **বিজ্ঞান বিষয়ক গ্ৰন্থ**

ঊনবিংশ শতিকাত বিজ্ঞান বিষয়ক গ্ৰন্থৰ সংখ্যা তাকৰ যদিও সেই বিজ্ঞান বিষয়ক গ্ৰন্থসমূহে প্ৰচুৰ সম্ভাৱনাৰ ধ্বজা বহন কৰিছে। ঈশ্বৰে স্ৰজা বস্তুৰ কথাত শিক্ষক-ছাত্ৰৰ কথোপকথনৰ আধাৰত নিধি লিবাই ফাৰ'ৱেলে বাংলা ভাষাৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰে *Natural Science in Familiar Dialogues* নামৰ গ্ৰন্থখন। শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা ১৮৫৫ খ্ৰীঃত প্ৰকাশিত গ্ৰন্থখনত চলিত কথাৰ মাজেৰে প্ৰাকৃতিক বিজ্ঞানৰ সহজবোধ্য নামসমূহ বৰ্ণনা কৰিছে। একে বছৰতে উক্ত গ্ৰন্থৰ ই.ডব্লিউ. ক্লাৰ্কে কৰা সংশোধনৰ আৰ্হিত *পদাৰ্থ বিদ্যা সাৰ* গ্ৰন্থ প্ৰস্তুত হয়। ১৮৬৫ খ্ৰীঃতো এই গ্ৰন্থ পুনৰ প্ৰকাশ পায়। সংশোধিত আৰু পৰিবৰ্ধিত দ্বিতীয় সংস্কৰণ নিধি লিবাই ফাৰ'ৱেল আৰু পখ্যধৰ সৰ্মা যুটীয়াভাৱে লিখে ১৮৭৪ খ্ৰীঃত। পদাৰ্থ বিদ্যাৰ বিষয়ে প্ৰাথমিক জ্ঞান প্ৰদায়ক ১২৫ পৃষ্ঠাৰ পুথিখন শিৱসাগৰৰ মিছন প্ৰেছত এডৱাৰ্ড উইণ্টাৰ ক্লাৰ্কৰ তৎপৰতাত ১৮০০ কপি ছপা কৰা হয়।[২২১] সৰ্বসাধাৰণৰ কথোপকথনেৰে প্ৰকৃতিৰ নানা দিশৰ অৱস্থানক বুজোৱা পুথিখনত আকাশত গ্ৰহৰ স্থান, গতি, মানৱ প্ৰজাতিৰ জন্মৰ কাহিনী, জীৱ-জন্তু, গছ-লতা, উদ্ভিদ আৰু ধাতুৰ উৎপত্তি, অভিব্যক্তি আদি উল্লেখ কৰিছে। আধুনিক অসমীয়া গদ্য সাহিত্যৰ প্ৰচলনেৰে বৈজ্ঞানিক পৰিভাষাসমূহক অসমীয়ালৈ অনুবাদ কৰা কাৰ্যই লেখকৰ উদ্ভাৱন শক্তিৰ পৰিচয়ক দাঙি ধৰিছে।[২২২] আমেৰিকান বেপ্টিষ্ট মিছনে প্ৰকাশ কৰা হেমচন্দ্ৰ বৰুৱাৰ *বিজ্ঞানৰ বাৰে মতৰা* গ্ৰন্থখন ১৮৫৫ খ্ৰীঃত প্ৰকাশ হৈ ১৮৭৪ খ্ৰীঃত দ্বিতীয় সংস্কৰণ ওলাইছে। গুণাভিৰাম বৰুৱাই প্ৰকাশ কৰা *আকাশ বিজ্ঞান* গ্ৰন্থখন বিজ্ঞান বিষয়ক পাঠ্যপুথি ৰূপে ১৮৭৫ খ্ৰীঃত প্ৰকাশ কৰে। ১৮৭৯ খ্ৰীঃতো *পদাৰ্থ বিদ্যা* নামেৰে তেওঁ আন এখন গ্ৰন্থ প্ৰকাশ কৰে। অক্ষয়কুমাৰ দত্তৰ বাংলা পদাৰ্থ বিদ্যাৰ পৰা ছাখাৱৎ আলীৰ দ্বাৰা অনূদিত বিজ্ঞান বিষয়ক পঢ়াশলীয়া পাঠ্যপুথি *অসমীয়া পদাৰ্থ বিদ্যা* ১৮৮৩ আৰু ১৮৮৬ খ্ৰীঃত প্ৰকাশ পায়। ১৮৮৪ খ্ৰীঃ *প্ৰাকৃত ভূগোল* নামৰ বিজ্ঞান বিষয়ক পুথিখন লিখে লম্বোদৰ দত্তই।[২২৩]

---

২২০ *পূৰ্বোক্ত, ষষ্ঠ-সপ্তম সংখ্যা।*

২২১ আজিজুল হ'ক, *অৱদান,* অসমত বেপ্টিষ্ট মিছনেৰীৰ সেৱা, পৃ.৭১।

২২২ বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমীয়া সাহিত্যৰ ইতিহাস,* অনু. সুধাংশুমোহন বন্দ্যোপাধ্যায়, সাহিত্য অকাডেমী, পৃ. ১১৬।

২২৩ *স্বৰ্ণলতা ৰায়ৰ 'আৰ্হি তিৰোতা' আৰু অন্যান্য ৰচনা,* সম্পা. সঞ্জীৱ পল ডেকা, পৃ. পাতনি ১২।

একে নামৰ গ্ৰন্থ এখন ঈশানন্দ ভঁৰালীৰ দ্বাৰা লিখিত পৰমানন্দ ভঁৰালীৰ হৈ ৰমাকান্ত বৰকাকতিৰ দ্বাৰা প্ৰকাশিত হৈছে। যোৰহাটৰ ৰাধাকান্ত সন্দিকৈয়ে ১৮৯৬ খ্ৰীঃত *প্ৰাকৃত বিজ্ঞান* লিখি প্ৰকাশ কৰে। এখেতেই *পদাৰ্থ দৰ্শন* নামৰ গ্ৰন্থখনো লিখিছে।

৫.১৬. বধকাব্য, নিধন কাহিনীমূলক গ্ৰন্থ

অসমীয়া বধ কাব্য ৰচনাৰ ক্ষেত্ৰত বাটকটীয়া ৰমাকান্ত চৌধুৰীয়ে ১৮৭৪, ১৮৭৫ খ্ৰীঃত যথাক্ৰমে *ৰাৱণ বধ* [২২৪], প্ৰথম কাব্যগ্ৰন্থ *অভিমন্যু বধ কাব্য* [২২৫] ৰচনা কৰে। ১৮৮৬ খ্ৰীতঃ নাটখনৰ পুনৰ মুদ্ৰণো প্ৰকাশ পাইছে। এই নাটখন ১৮৮৫ খ্ৰীষ্টাব্দত ডিব্ৰুগড়ৰ নাট্যমঞ্চত একাধিকবাৰ মঞ্চস্থ কৰা হৈছিল। অসমীয়া সাহিত্যৰ ইতিহাসত অমিত্ৰাক্ষৰ ছন্দত ৰচিত এখন অসমীয়া কাব্যগ্ৰন্থ অভিমন্যু বধ কাব্যত মহাভাৰত যুদ্ধৰ পৰা অভিমন্যু বধলৈকে কাব্যিক নাট্যৰসত বৰ্ণনা কৰা হৈছে। ৰাম সৰস্বতীয়ে অসমীয়া কাব্য ছন্দেৰে লিখা বধকাব্য *কুলাচল বধ* কলিকতাৰ বেদ প্ৰেছত শ্ৰীধৰ বৰুৱাৰ দ্বাৰা ১৮৯৩ খ্ৰীষ্টাব্দত প্ৰকাশিত। বৰপেটাৰ শ্যামলাল চৌধুৰীয়ে একক প্ৰচেষ্টাৰে ১৯০০ খ্ৰীঃত সংকলন কৰে *খটাসুৰ বধ, কুৰ্মাৱলী যুদ্ধ, অশ্বকৰ্ণ যুদ্ধ, জঙ্ঘাসুৰৰ যুদ্ধ* আদি চাৰিখন বধকাব্য। ***খটাসুৰ বধ***ৰ দ্বিতীয় সংস্কৰণো একে বৰ্ষতে প্ৰকাশ পায়। ঊনবিংশ শতিকাত প্ৰকাশিত একে প্ৰকৃতিৰ অন্যান্য গ্ৰন্থসমূহ হ'ল, *বঘাসুৰ বধ* - অনন্ত কন্দলী (কুৰুৱাবাঁহী সত্ৰত উপলব্ধ); *বালি বধ, মহীৰাৱণ বধ, সুধন্বা বধ* - হৰিবৰ শৰ্ম্মা, *শঙ্খচূড় বধ কাব্য* (সচিত্ৰ) - ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ অন্তৰ্গত। ইয়াৰ চিত্ৰবিলাক 'আৰ্ট ষ্টুডিও'ৰ চিত্ৰতকৈ কোনো অংশে নিম্ন নহয়। গুৱাহাটীৰ কেশৰকান্ত যুৱৰাজৰ ঘৰত উপলব্ধ; *সিন্ধুৰাবধ* - মহাভাৰতৰ অন্তৰ্গত, *শতধনু বধ, পূতনা বধ, প্ৰলম্ব বধ, বক বধ, বকাসুৰ বধ, বঘাসুৰ বধ* - জগন্নাথ শৰ্ম্মা; *বালি বধ* - বৰদোৱাৰ পূৰ্ণকান্ত অধিকাৰ; *ব্যাম্ব বধ, মধুকৈটভ বধ, মকৰাক্ষ বধ, মহিষাসুৰ বধ, মহীৰাৱণ বধ* - মোহনচন্দ্ৰ শৰ্ম্মা; *ৰক্তবীজ বধ, ৰাৱণ বধ, ৰাৱণ বধ নাটক* - ৰমাকান্ত চৌধুৰী, গুৱাহাটী; *সুন্দ-উপসুন্দ বধ* - ঘনকান্ত মহন্ত, *সুধন্বা বধ* - হৰিবৰ শৰ্মা, *শুম্ভ নিশুম্ভ বধ, শিশুপাল বধ, শল্য বধ, শতস্কন্ধীয় ৰাৱণ বধ, শঙ্খচূড় বধ, শকট ভঞ্জন, লৱণাসুৰ বধ, সিন্ধুৰা বধ* [২২৬], *জয়দ্ৰথ বধ* [২২৭] - ৰত্নেশ্বৰ মহন্ত, *অভিমন্যু বধ* - হৰেশ্বৰ শৰ্মা, *অভিমন্যু বধ*[২২৮] - ভাৰতচন্দ্ৰ দাস আদি।

---

[২২৪] হৰিচন্দ্ৰ ভট্টাচাৰ্য্য, *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি* (১৯৬৮ সংস্কৰণ), পৃ.১৫০।

[২২৫] *পূৰ্ণকান্ত দেৱশৰ্ম্মা ৰচনা সমগ্ৰ* (২০০৩), পৃষ্ঠা- ৩৯

[২২৬] *অসমীয়া পুথিৰ তালিকা।*

[২২৭] *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী,* সম্পা. যোগেন্দ্ৰ নাৰায়ণ ভূঞা, প্ৰকা. অসম প্ৰকাশন পৰিষদ, পৃ. পাতনি-৭।

[২২৮] অতুল চন্দ্ৰ হাজৰিকা, *মঞ্চলেখা,* পৃ. ৯৪।

৫.১৭. আইন সম্পৰ্কীয় গ্ৰন্থ

ঊনবিংশ শতিকাত প্ৰকাশিত আইন সম্পৰ্কীয় গ্ৰন্থৰ সংখ্যা নিচেই তাকৰ। এনে গ্ৰন্থৰ বিষয়ে তলত আলোচনা কৰা হ'ল। ইংৰাজীৰ পৰা বাংলা ভাষালৈ আনন্দৰাম ঢেকিয়াল ফুকনে অনুবাদ কৰা গ্ৰন্থ *সদৰ দেওয়ানী নিষ্পত্তি* প্ৰকাশ পায় ১৮৫০ খ্ৰীঃত। আইনগত দিশত নিৰ্ধাৰিত ন্যায়ালয়ৰ ৰীতি-নীতি, বিধিগত ব্যৱস্থা, কৌশল, প্ৰশাসনীয় কাৰ্য-ব্যৱস্থাৰ নিয়মাৱলী আদিৰে প্ৰণীত গ্ৰন্থ। মাটি পিয়ল কৰি খাজনা আদি নিৰ্ণয় কৰি আইনগত বিধি ব্যৱস্থাৰে বন্দৰস্তিকৰণ কাৰ্যসমূহৰ বিৱৰণো এই গ্ৰন্থত আছে। বিধিগত শাসন ক্ষমতাৰ বিষয়ে সকলোকে জনোৱাৰ উদ্দেশ্যে আৰু আইন সম্বন্ধীয় নীতি-নিয়মৰ বিষয়ে অৱগত কৰাবৰ বাবে এনে পুথি অনুবাদ কৰিছে লেখকে।[২২৯] উল্লিখিত লেখকে একে বৰ্ষতে প্ৰকাশ কৰে *ফুকন দেওয়ানৰ কায়দা বন্দি*। প্ৰশাসনীয় শৃংখলাৰ নীতি-নিৰ্দেশক গ্ৰন্থখন লিখাৰ সময়ত আনন্দৰাম ঢেকিয়াল ফুকনে বিজনীৰ ৰজা অমৃতনাৰায়ণৰ ৰাজকাৰ্যৰ 'দেৱান' ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ৰাজহনীতি, আইন শৃংখলা, বিষয়াবৰ্গৰ কৰ্ম, দায়িত্ববোধ, ন্যায়িক বিচাৰ প্ৰক্ৰিয়াৰ শুনানি প্ৰক্ৰিয়া, প্ৰশাসনৰ বিধি-বিধান, বিত্তীয় বিধি, ৰাজত্ব, শান্তি ৰক্ষা, বিচাৰ, দণ্ড বিধান, নিয়ম আদি বিষয় গ্ৰন্থখনত সন্নিৱিষ্ট আছিল। লেখকে দেশীয় ভাষাত আইন সম্বন্ধীয় পুথিৰ অভাৱ অনুভৱ কৰি পুথিখন প্ৰণয়ন কৰিছিল। বিজনীৰ কাৰ্য পৰিচালনাৰ বাবে যুগুত কৰা নিয়মাৱলী গ্ৰন্থৰূপত প্ৰকাশ কৰি জনসাধাৰণৰ সুবিধাৰ্থে বিজনী শাসিত অঞ্চলত ৰাজহ কৰ, জমা কৰ, মাটিৰ হিচাপ নিৰীক্ষণ, খাজনা আদায়, বিভিন্ন শাসিত অঞ্চলত কৰ্মচাৰী নিয়োগ কৰা, ৰাজকাৰ্য শাসন সম্বন্ধীয় জ্ঞানৰ বিৱৰণো সন্নিৱিষ্ট আছে।[২৩০] একেধৰণৰ অনুবাদ প্ৰক্ৰিয়াৰে লেখকে প্ৰস্তুত কৰা আন এখন গ্ৰন্থ *আইন ও ব্যৱস্থা সংগ্ৰহ* প্ৰকাশ পায় ১৮৫৫ খ্ৰীঃত। ফুকনে ১৮৫৩ খ্ৰীষ্টাব্দত বৰপেটাত 'মুন্সেফ'ৰ দায়িত্বত থকা সময়ত গ্ৰন্থখনৰ কাম আৰম্ভ কৰে। ১৮৫৪ খ্ৰীঃত ফুকনক নগাঁও জিলাৰ সহকাৰী আয়ুক্তৰ দায়িত্ব দিয়ে। সেই সময়ত উক্ত গ্ৰন্থৰ কাম শেষ কৰে। ৩৩০ পৃষ্ঠাৰ চাৰি টকা মূল্যৰ এই পুথিখনেই ঊনবিংশ শতিকাত বাংলা ভাষাত প্ৰকাশিত প্ৰথম আইন বিষয়ক পুথি। "নীতি ব্যবস্থার কথা, ভারতবর্ষের নীতি ও ব্যবস্থা, সরকারের আইন, মনুষ্যদিগের স্বত্ব, শরীর সম্বন্ধীয় স্বত্ব, ইংলেণ্ডের পার্লিয়ামেন্ট, রাজা প্রজার স্বত্ব, ভারতবর্ষের সুপ্রীম গবর্নমেণ্ট, গবর্নমেণ্টের অধীন দেশ শাসনে নিযুক্ত কার্যকারক, প্রজা চাকর ও মুনিব, ভার্যা ও স্বামী, পিতা ও পুত্র, পোষ্য পুত্র, ওসী ও নাবালিক, দলবদ্ধ লোক বা কোম্পানি" আদি বিষয়ৰ বিৱৰণ বিস্তৃতভাৱে আগবঢ়াইছে।

---

[২২৯] উমেশ ডেকা, *প্ৰসঙ্গ - ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্য*, পৃ.৬২।
[২৩০] উল্লিখিত, *প্ৰসঙ্গ - ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্য*, পৃ.৬২।

Penal Code ৰ ইংৰাজী ভাষাৰ গ্ৰন্থ এখন অসমীয়ালৈ অনুবাদ কৰে নিধি লিবাই ফাৰ'ৰালে। ১৮৬৫ খ্ৰীঃত প্ৰকাশিত গ্ৰন্থখনৰ নাম ৰাখে *দণ্ডবিধি আইন*। এই বৰ্ষতে *ভাৰতীয় দণ্ডবিধি* নামৰ গ্ৰন্থ এখনো প্ৰণয়ন কৰে নিধি লিবাই ফাৰ'ৰালে। *আসাম কায়দাবন্দী* লিখে ৰবিচন্দ্ৰ ডেকা বৰুৱাই। ঊনবিংশ শতিকাত আইন সম্পৰ্কীয় প্ৰায়খিনি গ্ৰন্থই ইংৰাজীৰ পৰা বাংলা ভাষালৈ অনূদিত গ্ৰন্থ। অসমীয়া ভাষাত এই বিষয়ত স্বতন্ত্ৰ গ্ৰন্থৰ তথ্য পোৱা নাই যদিও এনে গ্ৰন্থ থাকিবও পাৰে।

৫.১৮. গণিত (অঙ্ক) বিদ্যা বিষয়ক গ্ৰন্থ

অসমত প্ৰাচীন কালৰ পৰাই অঙ্ক শাস্ত্ৰ বা গণিত অধ্যয়নৰ বিষয়টিয়ে প্ৰাধান্য পাই আহিছে। ষোড়শ, সপ্তদশ আৰু অষ্টাদশ শতিকাত গণিত শাস্ত্ৰ অধ্যয়নত ব্ৰতী ব্যক্তিসকলৰ ভিতৰত বকুল কায়স্থ (হৃদয়ানন্দ বকুল কায়স্থ), উমাপতি সিদ্ধ, ভাৰতীয় গণিতজ্ঞ সকলৰ ভিতৰত মহিলা গণিতজ্ঞ লীলাৱতীৰ অঙ্ক পুথিসমূহৰ অসমীয়া অনুবাদক কবিৰত্ন দ্বিজ, নাৰায়ণ দাস, শুভঙ্কৰ দাস, শ্ৰীধৰ কন্দলী, কবি চূড়ামণি আদিয়ে এই কৰ্ম সম্পাদন কৰিছিল। সংস্কৃত ভাষাৰ পৰা অনুবাদ কৰোতে তেওঁলোকে আঞ্চলিক কিছু বিষয় অন্তৰ্ভুক্ত কৰিছে। পৌৰাণিক কালত অংক শাস্ত্ৰৰ অধ্যয়ন আৰু ব্যুৎপত্তি লভোতাসকলৰ সিংহভাগেই আছিল কায়স্থ সম্প্ৰদায়ৰ লোক। তেতিয়াৰ কায়স্থসকল 'কাইথেলী' বিদ্যাত পাৰ্গত হোৱা বাবে সৰহভাগ অঙ্কপুথি বা জ্যোতিষ গণনাপুথিত 'কাইথেলী' প্ৰথা প্ৰচলিত।

ঊনবিংশ শতিকাত ভাস্কৰাচাৰ্যৰ সংস্কৃত ভাষাৰ 'লীলাৱতী'ৰ পৰা পাঠ্যপুথি ৰূপে ১৮৪৫ খ্ৰীঃত বকুল কায়স্থই ১৫৬ পৃষ্ঠাৰে *কিতাবত মঞ্জৰী* আৰু *পদ গণিত* প্ৰণয়ন কৰে। 'লীলাৱতী'কেই সংক্ষিপ্তৰূপত অসমীয়া ভাষাত *লীলাৱতী* নামেৰে লিখে কবিৰত্ন দ্বিজই। গ্ৰন্থখনৰ প্ৰাপ্ত প্ৰতিলিপিত, প্ৰতিলিপিকৰণৰ তাৰিখ ১৫ পুহ, ১৬৫২ শক বুলি উল্লেখ আছে। সেই হিচাপত ইং. ডিচেম্বৰ, ১৭৩০ খ্ৰীঃ হ'ব। তদুপৰি *লীলাৱতীৰ অঙ্ক* (৬৪পৃ.), *লীলাৱতীৰ অঙ্ক* (১০০ পৃ.) নামেৰে মুঠ পাঁচখন গ্ৰন্থ নাথান্ ব্ৰাউনে প্ৰকাশ কৰে। এই বৰ্ষতে এলিজা হুইটনি ব্ৰাউনৰ *গণনাৰ পুথি (First Arithmatic in Assamese)* (প্ৰথম ভাগ) আৰু *The Elementary Arithmetic on the Inductive System fot the use of Assamese School* (দ্বিতীয় ভাগ) নাথান ব্ৰাউনে শিৱসাগৰৰ বেপ্টিষ্ট মিছন যন্ত্ৰৰ পৰা প্ৰকাশ কৰিছে। গ্ৰন্থখনক 'গণনৰ অঙ্ক' বুলিও কোৱা হৈছিল। *গণনাৰ পুথি* (দ্বিতীয় ভাগ) বাৰ অনা মূল্যৰে প্ৰকাশ পাইছে ১৮৫৫ খ্ৰীঃত। পৰিবৰ্ধিত সংস্কৰণ ১২০ পৃষ্ঠাৰ *গণনাৰ পুথি* (তৃতীয় ভাগ) ১৮৭৪ খ্ৰীঃত প্ৰকাশ পাইছে। গ্ৰন্থখনৰ ৩ টা কপি *New York Public Library* ত সংৰক্ষিত আছে। বকুল কায়স্থৰ *অসমীয়া গণিত* (*Elementary Arithmetic in Assamese*) পাঠ্যপুথি ৰূপে প্ৰথম আৰু দ্বিতীয় খণ্ডৰ উপৰি দ্বিতীয় খণ্ডৰ পুনৰ মুদ্ৰিত

সংস্কৰণ চিত্ৰসহ ১৮৫০ খ্ৰীঃত প্ৰকাশ কৰে নাথান ব্ৰাউনে। প্ৰথম খণ্ডৰ মূল্য ২ অনা, দ্বিতীয় খণ্ডৰ মুল্য ৮ অনা নিৰ্ধাৰণ কৰিছে। শ্ৰীৰামপুৰস্থিত আলফ্ৰেড যন্ত্ৰত মুদ্ৰিত ৰামকুমাৰ নন্দী মজুমদাৰৰ *গণিততত্ত্ব* প্ৰকাশ পায় ১৮৭৩ খ্ৰীঃত। বিদ্যালয়ৰ পাঠ্যপুথি ৰূপে ব্যৱহৃত গণিত বিষয়ক পুথি *গণিত শাস্ত্ৰ* পূৰ্ণানন্দ সেনৰ দ্বাৰা প্ৰণীত। কলিকতাৰ পৰা ১৮৭৯ খ্ৰীঃত প্ৰকাশিত ১৫৫ পৃষ্ঠাৰ পুথিখনৰ মূল্য আঠ অনা। ১৮৭৯ খ্ৰীঃত ৰজনীকান্ত চক্ৰৱৰ্ত্তীয়ে লিখা *ব্যৱহাৰিক মৌখিক গণন* প্ৰকাশ পায়। কলিকতাৰ পৰা প্ৰকাশিত ৪৪ পৃষ্ঠাৰ পুথিখনৰ মূল্য বাৰ অনা। মুন্সী ছাখাৱৎ আলীৰ *গণিত পুস্তক*ৰ প্ৰথম, দ্বিতীয় তাঙৰণ ক্ৰমে ১৮৮৩, ১৮৮৭ খ্ৰীঃত প্ৰকাশ পায়।আলীৰ *অসমীয়া ভাষাৰ ক্ষেত্ৰ জ্যামিতি* পুথিখন প্ৰকাশ পায় ১৮৮৬ খ্ৰীঃত।[২৩১] ১৮৮৪ খ্ৰীঃত প্ৰকাশিত *গণিতাঙ্কুৰ* লিখে বলদেৱ মহন্তই।[২৩২]

জয়চন্দ্ৰ চক্ৰৱৰ্ত্তীৰ চাৰিটা সংস্কৰণেৰে প্ৰকাশিত *অসমীয়া মৌখিক অঙ্ক* পুথিখনৰ তিনিটা সংস্কৰণৰ তথ্য পোৱা নগ'ল যদিও ৪ৰ্থ সংস্কৰণ প্ৰকাশ পাইছে ১৮৮৮ খ্ৰীঃত। কলিকতাৰ পঞ্চানন তলা লেনৰ ভাৰত মিহিৰ প্ৰেছৰ পৰা মুদ্ৰিত আৰু স্যান্যাল এণ্ড কোম্পানীৰ দ্বাৰা প্ৰকাশিত পুথিখন ১৩৪ পৃষ্ঠাৰ। ১৮৮৯ খ্ৰীঃত মাধৱ ৰাম দাসে লিখা মৌখিক গণিত বিষয়ক ১০৪ পৃষ্ঠাৰ পুথি *শুভঙ্কৰী* প্ৰকাশ পায়। অসমত আৰ্যাৰ সহায়ত মৌখিকভাৱে গণিতৰ সমাধানৰ নিদৰ্শন ৰূপে প্ৰস্তুত হোৱা পুথিখনত জোখ-মাখ, টকা-পইচা, বস্তু গণনা আদিৰ হিচাপ-নিকাচৰ বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। পুথিখন ঐতিহাসিক দিশৰ পৰা অতি মূল্যবান। নতুন প্ৰজন্মই অসমত প্ৰচলিত পৌৰাণিক গণনাৰ হিচাপৰ বিষয়ে বহু কথাই জানিব পাৰিব। তিনি অনা মূল্যৰ পুথিখনৰ তৃতীয় সংস্কৰণ প্ৰকাশিত হৈছে ১৯০০ খ্ৰীঃত।[২৩৩] ১৮৯১ খ্ৰীঃত প্ৰভাত চন্দ্ৰ সৰস্বতীৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী পাঠ্যপুথি *পৰিমিতি ও জৰিপ* কলিকতাৰ ভাৰত মিহিৰ যন্ত্ৰত স্যান্যাল এণ্ড কোম্পানীৰ দ্বাৰা মুদ্ৰিত। দেৱেন্দ্ৰসেন বৰুৱাৰ অঙ্কৰ পুথি *সহজ ধাৰাপাত* প্ৰকাশ পায় ১৮৯৪ খ্ৰীঃত। ঊনবিংশ শতিকাত প্ৰকাশিত প্ৰকাশৰ চন নথকা অন্যান্য পুথিসমূহ হ'ল,- *গণিত বোধ* - মহিমচন্দ্ৰ চক্ৰৱৰ্ত্তী; *পাটীগণিত* - নাৰায়ণ শৰ্ম্মা; *লীলাৱতীৰ অসমীয়া ভাঙ্গনি* - বকুল কায়স্থ; *সৰল পৰিমিতি* - পাৰ্ব্বতীচৰণ সৰস্বতী, *অঙ্কৰ পুথি,* ৪২ পৃ, *চুড়ামণি অঙ্ক শাস্ত্ৰ,* ৬৬ পৃ, *অঙ্কৰ পুথি,* ৮০ পৃ, *চৌষষ্ঠ চুড়া,* ৩০ পৃ, *মিতিৰ পাতনিৰ অঙ্ক,* ২ পৃ, ক্ষেত্ৰ বুৰঞ্জীৰ আৰ্য্যা, ২ পৃ, *অঙ্কৰ কাগজ,* ২ পৃ, *সূৰ্য্য সিদ্ধান্ত,* ১২০ পৃ, *অঙ্ক পুথি,* ৪৬ পৃ, *অষ্ট বৰ্গী দশ,* ২৪ পৃ, *অঙ্কৰ আৰ্য্যা,* ৭৮ পৃ[২৩৪]।

---

২৩১ *স্বৰ্ণলতা ৰায়ৰ 'আৰ্হি তিৰোতা' আৰু অন্যান্য ৰচনা,* সম্পা. সঞ্জীৱ পল ডেকা, পৃ. পাতনি ১২।

২৩২ উল্লিখিত।

২৩৩ *সাতসৰী,* আলোচনী।

২৩৪ দণ্ডিৰাম দত্তৰ সৌজন্যত প্ৰাপ্ত আদি।

৫.১৯. নীতি-উপদেশমূলক গ্ৰন্থ

ঊনবিংশ শতিকাত প্ৰায় কুৰিখন নীতি-উপদেশমূলক গ্ৰন্থ প্ৰকাশিত হৈছে। ই.ডব্লিউ.ক্লাৰ্কৰ শিশু উপযোগী উপদেশমূলক পুথি *নানা ৰূপ দৃষ্টান্তৰে শিক্ষা দিয়া নীতি কথা*ৰ প্ৰথম সংস্কৰণৰ সবিশেষ তথ্য পোৱা নহ'ল। ১৮৫৭ খ্ৰীঃত প্ৰকাশিত দ্বিতীয় সংস্কৰণত মুঠ ৩০টা ভিন ভিন বিষয়ৰ নীতি শিক্ষামূলক সাধুকথাৰ সমাহাৰ ঘটিছে। পুথিখনত থকা সাধুসমূহ ক্ৰমে,- 'পহুৰে সিংহৰে কথা', 'শহাৰে সিংহিনীৰ কথা', 'এজনী স্ত্ৰী আৰু হাঁহিনী', 'ম'হ আৰু ষাঁড়গৰু', 'বুৰা মানুহ আৰু মৃত্যু', 'শিকাৰী আৰু শিয়াল', 'কপৌ আৰু মৌ মাখি' ইত্যাদি ইত্যাদি। সহজে বুজিব পৰা নিভাঁজ আৰু স্পষ্ট ভাষাৰে লিখা প্ৰতিটো সাধুৰ শেষত সাধুটিৰ মূল নীতিকথাৰ উদ্দেশ্য উল্লেখ কৰিছে। শিৱসাগৰৰ মিছন প্ৰেছত দ্বিতীয় সংস্কৰণ মুদ্ৰিত হৈছে। ২৪ পৃষ্ঠাৰ পুথিখন দ্বিতীয় সংস্কৰণত ১০০০ আৰু পুনৰ মুদ্ৰণত ১০০০ সৰ্বমুঠ ২০০০ কপি ছপা হোৱা কথাটোৱে পুথিৰ বহুল চাহিদাক সূচায়।[২৩৫] ১৮৭২ খ্ৰীঃত নগাঁৱৰ পদ্মহাস গোস্বামীৰ *ব্ৰাহ্ম ধৰ্ম্মৰ লক্ষণ* আৰু *ব্ৰাহ্ম ধৰ্ম্ম কাকনো বোলে* প্ৰকাশ পায়। বিষ্ণুপ্ৰিয়া দেৱীয়ে সংকলন কৰা *নীতিকথা* প্ৰথম প্ৰকাশ পায় ১৮৮৪ খ্ৰীঃত। কেইখনমান পুথিৰ পৰা কিছু পাঠ নিৰ্বাচিত কৰি সম্পাদিত ৰূপত অসমীয়া সহজ সৰল নীতি কথাৰে গ্ৰন্থখন লিখে। ভ্ৰাতৃস্নেহ, জাতিগুণ, সুখৰ মূল, বুদ্ধিৰ বল, বগলি আৰু কেঁকোৰাৰ উপাখ্যান, সিংহ আৰু শিয়ালৰ কথা, তিনিটা মাছৰ উপাখ্যান, ধৰ্মবুদ্ধি আৰু পাপ বুদ্ধিৰ উপাখ্যান, তিৰুতা মানুহৰ কথা আদি পুথিখনত সন্নিৱিষ্ট হৈছে। পুথিখনি নগাঁৱৰ বিল্বকুটীৰৰ পৰা প্ৰকাশ পাইছে।[২৩৬]

বৰপেটাৰ পদ্মাৱতী দেৱী ফুকননীয়ে ৰচনা কৰা *হিত সাধিকা* ১৮৭৮ আৰু ১৮৮৫ খ্ৰীঃত কলিকতাৰ ভিক্টোৰিয়া প্ৰেছৰ ভুৱনমোহন ঘোষৰ দ্বাৰা প্ৰকাশিত। ৪৪ পৃষ্ঠাৰ পুথিখনৰ মূল্য বাৰ অনা। পুথিখনি শিশু, ল'ৰা-ছোৱালীৰ হিতাৰ্থে ৰচিত নৈতিক শিক্ষা আৰু উপদেশমূলক। ক্ৰাউন আকাৰৰ পুথিখনত বাৰটা পৰিচ্ছেদ আছে। পৰিচ্ছেদসমূহ ক্ৰমে- আৰম্ভণ, জ্ঞান আৰু অনুষ্ঠান, অহঙ্কাৰ, বিদ্যাধন, হিংসা, দয়া আৰু নম্ৰতা, কৃতজ্ঞতা, পিতৃ-মাতৃৰ প্ৰতি ভক্তি, দেশীয় লোকৰ প্ৰতি ভক্তি, দেশীয় লোকৰ প্ৰতি ব্যৱহাৰ, ব্যয় আৰু শেষ অধ্যায়ত পৰিশেষ সংযোগ কৰা হৈছে। প্ৰতিটো পৰিচ্ছেদত নীতি-শিক্ষামূলক জ্ঞানো আগবঢ়োৱা হৈছে।[২৩৭] হিতোপদেশমূলক চুটি চুটি সাধুকথাৰ গ্ৰন্থ পূৰ্ণকান্ত শৰ্ম্মাই কৰা সংকলন *হিতকথা* (আগছোৱা) প্ৰকাশ পায় ১৮৮৩ খ্ৰীঃত। ১৮৯০ খ্ৰীঃত তুলসীৰাম শৰ্মাই লিখা ২৯ পৃষ্ঠাৰ গ্ৰন্থ *হিতোপদেশ*ৰ তৃতীয় সংস্কৰণ কলিকতাৰ পৰা প্ৰকাশিত। পুথিখনৰ দাম বাৰ অনা। সংস্কৃতৰ পৰা ইন্দ্ৰধৰ

[২৩৫] *সাতসৰী,* আলোচনী।

[২৩৬] *সাতসৰী,* আলোচনী।

[২৩৭] *জোনাকী,* ১৮৯১, তৃতীয় ভাগ, পঞ্চম সংখ্যা; *অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান*, হেম বৰা, পৃ.৪৪।

ৰাজখোৱাই অসমীয়ালৈ ভাঙনি কৰা *হিতোপদেশ* (মিত্র লাভ খণ্ড) প্রকাশ হৈছে ১৮৯৫ খ্ৰীঃত।[২৩৮] নগাঁৱৰ পদ্মাৱতী দেৱী ফুকননীয়ে তিৰোতাসকলৰ স্বভাৱ, স্ত্রী ধর্ম, পতিব্রতা ধর্ম, সতীধর্ম প্রভৃতি বিষয়সমূহ আলোচনা কৰি লিখা *সুধৰ্ম্মাৰ উপাখ্যান* গ্রন্থখন ১৮৯১ খ্ৰীঃত ।৹ অনা মূল্যৰে প্রকাশ পাইছে।[২৩৯] শৈশৱকালত নিজ পিতৃৰ মুখত শুনা কিছুমান নীতি আদর্শমূলক গীতৰ তা ৎপৰ্য্য বিশ্লেষণেৰে ৰমাকান্ত বৰকাকতিয়ে সংকলন কৰা *প্ৰসাদ* নামৰ গ্রন্থখন ১৮৯২ খ্ৰীঃত প্রকাশ পাইছে। ১৮৯৫ খ্ৰীঃত কম বয়সৰ ল'ৰা-ছোৱালীৰ বাবে উপযোগী পুথি *নীতি পাঠ* প্রস্তুত কৰে বেণুধৰ ৰাজখোৱাই।[২৪০]

পদ্মনাথ গোহাঞি বৰুৱাই পদ্মনাথ বৰুৱা নামেৰে *নীতি শিক্ষা* ৰ আদি বা আগ, মাজ আৰু শেষছোৱা লিখে ক্ৰমে ১৮৯৪, ১৮৯৭ আৰু ১৯০০ খ্ৰীঃত। ১৯০০ খ্ৰীঃত তিনিওটা ছোৱা একেলগে সংকলিত কৰিও প্ৰকাশ কৰিছে। Robert W.Chambers & William Chambers ৰ *The Moral Class Book* নামৰ ইংৰাজী গ্রন্থৰ পৰা প্রয়োজনীয় কিছু পাঠৰ অসমীয়া ভাঙনিৰে পুথিকেইখন প্রস্তুত কৰিছে। আগছোৱাত জাতীয় ভাৱ, ঠাচৰ আভাসেৰে নীতি শিক্ষা বিষয়টি উপস্থাপন কৰি ৪০ টি গদ্য আৰু পদ্য সন্নিৱিষ্ট কৰিছে।[২৪১] মাজ ছোৱাত ১২টা অধ্যায়ত একাধিক ৰচনাৰ লগতে একোটাকৈ পদ্যৰ সমাহাৰ ঘটিছে। ৯৩ পৃষ্ঠাৰ পুথিখনৰ মূল্য ডেৰ অনা। কলিকতাৰ ৰাধাৰমণ প্ৰেছৰ পৰা মুদ্ৰণ কৰি উলিওৱা হৈছে। যজ্ঞেশ্বৰ শৰ্ম্মাৰ *নীতিকথা* আৰু পূৰ্ণকান্ত শৰ্ম্মাৰ *নীতি-মঞ্জৰী* নামৰ গ্ৰন্থ দুখনো এই শতিকাত প্ৰকাশ পাইছে।

৫.২০. **প্রতিবেদনমূলক বিৱৰণ সংকলিত গ্রন্থ**

ঊনবিংশ শতিকাত ব্ৰিটিছ বিষয়াসকলক অৰ্পণ কৰা দায়িত্বৰ খতিয়ান প্ৰস্তুত কৰি চৰকাৰক জমা দিব লাগিছিল। সেই খতিয়ানসমূহৰ কিছুমান গুৰুত্বপূৰ্ণ খতিয়ান গ্ৰন্থৰ ৰূপত ছপা কৰি প্ৰকাশ কৰিছিল। তাত অসমৰ বহু ঐতিহাসিক তথ্য সন্নিৱিষ্ট হৈ আছে। সামাজিক, অৰ্থনৈতিক, আচাৰ ব্যৱস্থা, ৰীতি-নীতি, আয়-ব্যয়, উদ্যোগ, সম্পদ, সম্ভাৱনা, উৎপাদন, বিতৰণ, চাহিদা, যোগান, প্ৰশাসনীয় কৌশল, ধ্যান-ধাৰণা, চিন্তা-বুদ্ধি আদি বহু দিশ এই গ্ৰন্থসমূহত সন্নিৱিষ্ট হৈ আছে। এনে গ্ৰন্থসমূহৰ বিষয়ে তলত উল্লেখ কৰা হ'ল। ১৮২৬ খ্ৰীঃত প্ৰকাশিত T. Welsh ৰ *Report on Assam* গ্ৰন্থত ব্ৰহ্মদেশৰ লগত ব্ৰিটিছ সৈন্যৰ যুদ্ধৰ

---

[২৩৮] *জোনাকী,* ১৮৯৫, পঞ্চম ভাগ, ষষ্ঠ সংখ্যা।

[২৩৯] উল্লিখিত, ১৮৯১, তৃতীয় ভাগ, পঞ্চম সংখ্যা।

[২৪০] উল্লিখিত, ১৮৯৫, পঞ্চম ভাগ, সপ্তম সংখ্যা।

[২৪১] উল্লিখিত, ১৮৯৭, সপ্তম ভাগ, চতুৰ্থ সংখ্যা।

বিৰৰণ তথ্যসহ সন্নিৱিষ্ট আছে।[২৪২] *Report on the Eastern Frontier of British India* গ্ৰন্থখন ১৮৩৫ খ্ৰীষ্টাব্দত R. Boileau Pemberton ৰ দ্বাৰা ৰচিত আৰু কলিকতাৰ চাৰ্কুলাৰ ৰ'ডৰ বেপ্টিষ্ট মিছন প্ৰেছত মুদ্ৰিত। ২৬১ পৃষ্ঠাৰ গ্ৰন্থখনত ব্ৰিটিছ ইণ্ডিয়া চৰকাৰৰ নিৰ্দেশাৱলীৰ সৈতে মেপ সন্নিৱিষ্ট হৈছে। ভাৰত চৰকাৰৰ পৰামৰ্শক্ৰমে মণিপুৰৰ যুটীয়া আয়ুক্ত ৰূপে কৰ্মৰত লেখকে বিস্তৃত আলোচনাৰে বিভিন্ন বিষয় সাঙুৰি অসম, মণিপুৰ, আৰাকান, পঙৰ ৰাজ-সাম্ৰাজ্য, আভা, মানুহৰ শাৰীৰিক, নৃ-তাত্ত্বিক, অৰ্থনৈতিক, ৰাজনৈতিক পৰিস্থিতি আদি ভিন ভিন ভাগত বিভক্ত কৰি প্ৰকাশ কৰিছে। অসম আৰু ব্ৰহ্মদেশৰ সেনাৰ বিষয় বাব, ব্যৱসায়িক বাট-পথ, শাসন, কাছাৰ আৰু জয়ন্তীয়া পাহাৰীয়া অঞ্চল, মণিপুৰ, ৰাজহ-খাজনাৰ সংক্ষিপ্ত বিৰৰণ আদি সম্পৰ্কে বৰ্ণনা থকাৰ লগতে ১৯ খন তালিকাও অন্তৰ্ভুক্ত কৰিছে। তথ্যৰ বিৰৰণত পূব সীমান্তত থকা সৈন্যৰ ছাউনীৰ মৃত্যুৰ হাৰ; অসমৰ পদাতিক সৈন্য আৰু সৈন্যদলক পুনৰ প্ৰত্যাগমনৰ দিহা; অসমত তোপ, গুলী আদিৰ বিষয়ে আলোচনা, ছিলেটত পদাতিক সৈন্যৰ প্ৰত্যাগমনৰ দিহা, আৰাকানৰ স্থানীয় সেনাৰ দল আৰু দেশীয় পদাতিক সৈন্য; কৌয়ুক ফ্যু (Kyouk Phyoo) ত সৰু জাহাজৰ ব্যৱস্থা; হাদিৰাচ'কীলৈ সৈন্য প্ৰেৰণ কাৰ্যৰ লগতে আগমন আৰু অনা-নিয়া কাৰ্য; অসমৰ প্ৰধান জনজাতীয়সকল; অসমৰ পৰা ভুটানলৈ যোৱা মুখ্য পথসমূহ; বতৰ বিজ্ঞানৰ বিষয়; পূব সীমান্তত থকা প্ৰধান প্ৰধান ঠাইসমূহৰ স্বাভাৱিক পৰিস্থিতি ইত্যাদিৰ বিষয়ে বিৱৰিত হৈছে। তথ্যানুসন্ধানী সকল উপকৃত হ'ব পৰাকৈ গ্ৰন্থখনত পূৱ সীমান্তৰ ভূ-পৰিসীমাৰ ৰাজহ, পৰিসংখ্যা, তিব্বত, ভূটান, ৰেঙ্গুন, মৌলমেন, কলিকতা, মেৰিডিয়ান, চীন, য়ুনান আদিৰ বিভিন্ন তথ্যৰ তালিকা সন্নিৱিষ্ট আছে। John Owen ৰ ১৩৯ পৃষ্ঠাৰ *Notes on the Naga Tribes in Communication with Assam* গ্ৰন্থখন কলিকতাৰ W.H.Carey য়ে ১৮৪৪ খ্ৰীঃত প্ৰকাশ কৰিছে। খ্ৰীষ্টান মিছনাৰীসকলৰ সাধিত কৰ্মৰ প্ৰতিবেদন *Report of the Assam Orphan Institution at Nawgong (1847-48)* গ্ৰন্থাকাৰে প্ৰকাশ পায় ১৮৪৮ খ্ৰীঃত। শিৱসাগৰৰ আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছৰ পৰা প্ৰকাশ পাইছে।

অসমৰ প্ৰশাসনীয় দিশসমূহৰ বিস্তৃত তথ্য আৰু নথিপত্ৰ সংকলন *Report on the Province of Assam* প্ৰস্তুত কৰে A.J.Moffatt Mills এ। ১৮৫৪ খ্ৰীঃত গ্ৰন্থৰ ৰূপত প্ৰকাশিত প্ৰতিবেদনখনত *১৮৫৩* খ্ৰীঃত লেখকে অসমৰ প্ৰশাসন সম্পৰ্কে অনুসন্ধান কৰি প্ৰস্তুত কৰা তথ্যসমূহ সন্নিৱিষ্ট আছে। ঢেকিয়াল ফুকন আৰু ব্ৰনছনে আলোচনা কৰি নগাঁৱৰ আন আন মিছন কেন্দ্ৰৰ মিছনাৰী কেবাজনেও অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ পৰামৰ্শ আগবঢ়াই মিলছলৈ পত্ৰ প্ৰেৰণ কৰিছিল। ফুকনৰ ফালৰ পৰা তন্ন তন্ন বিচাৰ

[২৪২] T. Welsh, 1794 with additional observation by David Scott, reproduced in Mackenzie's *North-East Frontier of Bengal*, pp.377-394.

প্ৰক্ৰিয়াৰে দীঘলীয়া স্মাৰক-পত্ৰ *Observations on the Administration of the Province of Assam* দাখিল কৰে। পঢ়াশালি আৰু কাছাৰিত অসমীয়া ভাষা প্ৰয়োগৰ সপক্ষে যুক্তিৰে বিচাৰ কৰি অসমীয়া ভাষা পুনঃ প্ৰচলনৰ পোষকতা কৰে। মিলছ ছাহাবে তেওঁৰ প্ৰতিৱেদনত (১৮৫৪) ব্ৰাউনক the best scholar in the Province বুলি অসমীয়া ভাষা সুন্দৰ আৰু সৰল বুলি প্ৰতিপন্ন কৰি বাংলাৰ লগত অমিলবোৰ তুলি ধৰিছে। ব্ৰাউনৰ মতে, 'I think we made a great mistake in directing that all business should be transacted in Bengallee, and that the Assamese must acquire it.' মিলছে আনন্দৰামৰ নাম কৈ তেওঁক পৰামৰ্শ দিয়া মতে বাংলাৰ ঠাইত পঢ়াশালিবোৰতো *কাউন্সিল অব্ এডুকেচনে* অসমীয়া চলাব লাগে বুলি স্পষ্ট মত প্ৰকাশ কৰে। এনেবোৰ অসম সম্পৰ্কীয় তথ্যভিত্তিক কথাৰে সমৃদ্ধ উক্ত প্ৰতিবেদনমূলক গ্ৰন্থখন অসমৰ বাবে এক আপুৰুগীয়া সম্পদ।[২৪৩] অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম, কাছাৰী, কাৰ্যালত ব্যৱহাৰ কৰাৰ পক্ষে আনন্দৰাম ঢেকিয়াল ফুকনে প্ৰস্তুত কৰা উল্লিখিত প্ৰতিবেদনখন ১৮৫৪ খ্ৰীঃত গ্ৰন্থৰূপে প্ৰকাশ পায়। A.J.Moffatt Mills ৰ প্ৰতিবেদনত সংলগ্ন *Report Observation on the Administration of the Province of Assam* ৰ বিষয়ে ইতিমধ্যে আলোচনা কৰি অহা হৈছে। অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, প্ৰশাসনীয় আৰু অসমীয়া ভাষা-শিক্ষাৰ দিশত উদ্ভৱ হোৱা সমস্যাৰ বৰ্ণনা উল্লেখ কৰিছে।[২৪৪]

১৮৮৩ খ্ৰীঃত কলিকতাৰ Superintendent of Government Printing প্ৰেছত মুদ্ৰিত *Report on the North-East Frontier of India* প্ৰস্তুত কৰে St.John F.Michell এ। অসমৰ ভূসংস্থান, আহোম ৰাজত্বৰ পিছৰ কালছোৱাৰ ৰাজনৈতিক কাৰকসমূহৰ বিস্তৃত বিৱৰণ, অসমৰ নদী, পাহাৰৰ পুৰণি নাম, মোৱামৰীয়া বিদ্ৰোহ, ১৭৯২ খ্ৰীঃত ৱেলচৰ অসম অভিযান, অসমত বাৰ্মা আক্ৰমণৰ অন্তৰালৰ কাহিনী, মেজৰ নিউটন, কেপ্টেইন জণ্টন, ক'লনেল হল্পে আৰু পেম্বাৰ্টনৰ বাৰ্মাৰ বিৰুদ্ধে কৰা মিলিটাৰী অভিযান সন্দৰ্ভত বিস্তৃত বিৱৰণেৰে যুগুত কৰা প্ৰতিবেদন।[২৪৫] ১৮৮৬ খ্ৰীঃত *The Assam Mission of the American Baptist Missionary Union* নামৰ ৩৩০ পৃষ্ঠাৰ প্ৰতিবেদনখন গ্ৰন্থৰূপত প্ৰকাশিত হয়। খ্ৰীষ্টীয় ধৰ্মীয় প্ৰতিষ্ঠানসমূহৰ বিষয়ে খতিয়ান দাঙি ধৰা প্ৰতিবেদনমূলক পুথিখন সেই বৰ্ষৰ ডিচেম্বৰ মাহত নগাঁৱত অনুষ্ঠিত অসম মিছনৰ জয়ন্তীত প্ৰকাশ পাইছে। আমেৰিকান বেপ্টিষ্ট বৈদেশিক মিছন ছ'চাইটি

---

২৪৩ *অৰুণোদই ১৮৪৬-৫৪*, পৃ.০৮৭।

২৪৪ উমেশ ডেকা, *প্ৰসঙ্গ - ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্য,* পৃ.৬৩।

২৪৫ পূৰ্বোক্ত, *Report on Progress of Historical Research in Assam.*

অসমে প্ৰকাশ কৰে। অসমৰ অৱস্থান, পৰিস্থিতি, পৰিৱেশ আদিৰ বিৱৰণযুক্ত প্ৰতিবেদন আৰু মিছনৰ জয়ন্তী উপলক্ষ্যে লিখিত অন্যান্য লেখাসমুহ সংযুক্ত কৰি পুথিখন প্ৰস্তুত কৰা হৈছে।[২৪৬]

বিভিন্ন প্ৰয়োজনৰ খাতিৰত প্ৰস্তুত হোৱা এনেধৰণৰ বহু প্ৰতিবেদন গ্ৰন্থৰূপত প্ৰকাশ পাইছে, সেইসমূহ হ'ল, *Report on the Administration of Assam to the Board of Revenue* (১৮৪৯) - Fort William; *Report on Koch Behar, 1849* (১৮৫১) - F.A. Jenkins, Calcutta; *Report on the Census of Assam for 1881* (১৮৫৩) - J.A.Burdi, শ্বিলংস্থিত আসাম ছেক্ৰেটেৰিয়েট প্ৰেছত মুদ্ৰিত; *Report on the Khasi and Jaintia Hills* (১৮৫৩) - A.J.M.Mills; *Report on the Progress and Prosperity of the Province of Assam* (১৮৫৪) - Francis Jenkins; *Report on the Eastern Frontier of British India* (১৮৫৪) - A.J.Moffatt Mills; *Report on the Khasi and Jaintia Hills* (১৮৫৮) - W.J.Allen; *Papers Relating to the Disturbances in the Khasi and Jaintia Hills* (১৮৬৩) - Bengal Secretariate Press, Calcutta; *Report on the Disturbances in the Garrow Hills* (১৮৬৮) - Mill; *Completion Settlement Report, Cooch Behar, 1874* (১৮৭১) - Backett. W.O.A; *Report on the Khasi and Jaintia Hills* (১৮৭৭) - H.S.Bivar; *Notes on the North East Frontier of Assam* (১৮৮১) - C.W.Beresford; *Notes on the Wild Tribes inhabiting the so-called Naga Hills (in two parts)* (১৮৮১-৮২) - R.G.Woodthorpe; *Cooch Behar Select Report,* Vol. I (১৮৮২) - Cooch Behar State Government; *Census Report of Assam, 1881* (১৮৮৩) - জে.জে.এছ.দ্ৰিবাৰ্গ; *The Miles Bronson Family Papers* (১৮৮৩) - Bronson and his family members and other correspondence & documents of 1831 to 1883 (52 years), গ্ৰন্থখন Yale Divinity School Library, USA, (RG. 288) ত সংৰক্ষিত আছে[২৪৭]; *Cooch Behar Select Report,* Vol. II (১৮৮৪) - Cooch Behar State Government; Mackenzies ৰ ১৮২৬ খ্ৰীঃত প্ৰকাশিত প্ৰতিবেদন সংশোধিত সংস্কৰণ *Report on Assam, 1794, with additional observations* (১৮৮৪) - David Scott; *Military Report on the Khamti Singphoe Country* (১৮৮৭) - Macgregor; *Assam Census Report, 1891* (১৮৯২) - এডৱাৰ্ড গেইট; *Census of India Vol.I* (১৮৯২) - E.A.Gait; J.F.Needham ৰ তিনিখন গ্ৰন্থ *Report of a trip into*

[২৪৬] পূৰ্বোক্ত, *অৱদান,* পৃ.৭৮।

[২৪৭] য়েল ৰিভাইলিটি স্কুলে এই সমলখিনি ৬ (ছয়) টা 'মাইক্ৰফিল্ম ৰীল'ত সংৰক্ষণ কৰি ৰাখিছে। এই তথ্যসমূহ গৱেষকক অধ্যয়নৰ বাবে সুবিধা কৰি দিছে।

the Abor Hills 1884, *Report of a visit paid to the Abor villages of Padu and Kumku 1885* আৰু *Report on the Abor and Mishmi frontier, 1873-74* ১৮৯৫ খ্ৰীঃত প্ৰকাশ পাইছে; *Notes on Some Industries in Assam 1884-95* (১৮৯৬) - Robert Mudie, Shillong; *Sketch Map of the Territory between Tali-Fu (Yun-nan) & Sadeya (Assam), Showing the Journey of Prince Henry of Orlans and Messrs, Roux and Briffand* (Map of Yunnan-Sheng (China) to Map of Assam (India) (১৮৯৬) - Royal Geographical Society, London. 1 page Map of 24 x 31 cm আদি।

৫.২১. **প্ৰশাসন বিষয়ক গ্ৰন্থ**

ঊনবিংশ শতিকাত শাসন, প্ৰশাসন সম্পৰ্কীয় তথ্যৰে কেবাখনো তত্ত্বগধুৰ গ্ৰন্থ প্ৰকাশ পাইছে। ১৮৭৭ খ্ৰীঃত *Captain Welsh's Expedition to Assam in 1792-94* নামৰ গ্ৰন্থখন লিখে J. Sohnstone এ। কলিকতাৰ ফ'ৰেইন ডিপাৰ্টমেণ্ট প্ৰেছত মুদ্ৰিত গ্ৰন্থখনত থমাছ ৱেলছৰ অসমত ১৮ (ওঠৰ) মহীয়া শাসনাৱলীৰ বিষয়ে উল্লেখ কৰিছে। নম্ৰ, ধীৰ, স্থিৰ অসাধাৰণ ব্যক্তিত্বসম্পন্ন লোক ৱেলছৰ প্ৰশাসনীয় দক্ষতাৰ বিষয়ে বৰ্ণনা কৰিছে। তেওঁৰ স্মৃতিক চিৰযুগমীয়া কৰিবলৈ বিশেষ পদক্ষেপ লোৱা বুলি পাতনিত উল্লেখ কৰিছে। তেওঁক পূৰ্ণদ্যোমে কাম কৰাৰ বাবে অনুমতি প্ৰদান নকৰা সত্বেও কৰ্মৰ মাজেৰে নিজৰ দক্ষতা দাঙি ধৰে। মানুহৰ সুখ-দুখ, সন্তোষ-বিষাদ আদি দৈনন্দিন জীৱন-প্ৰণালীৰ সৈতে জড়িত দিশৰ লগতে দেশৰ উন্নয়নৰ পথো গ্ৰন্থখনে দেখুৱাইছে। ৪ টা অধ্যায়ত বিভক্ত গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত ১৮ শতিকাত অসমৰ ৰাজনৈতিক পৰিস্থিতি, দ্বিতীয় অধ্যায়ত অসমত মোৱামৰীয়া বিদ্ৰোহ আৰু সহায়ৰ বাবে অনুৰোধ, তৃতীয় অধ্যায়ত অসমত কেপ্টেইন ৱেলছৰ প্ৰত্যাগমন আৰু চতুৰ্থ অধ্যায়ত চৰকাৰী নীতি নিৰ্দেশনাৰ পৰিৱৰ্তন আৰু চূড়ান্ত সিদ্ধান্তৰ বিষয়ে আলোচনা কৰিছে। আলেকজেণ্ডাৰ মেকেঞ্জিৰ *The North-East Frontier of India* গ্ৰন্থ প্ৰকাশ পাইছে ১৮৮৪ খ্ৰীঃত। তিনিটা ভাগত বিভক্ত গ্ৰন্থখনৰ প্ৰথম ভাগত উপ-হিমালয়ৰ ভুটানৰ পৰা অৰুণাচল প্ৰদেশৰ চিয়াং, জিলাষ্টল; ভুটীয়া, অকা, ডফলা, আবৰ, মিৰি, মিচিমি, খামতি আৰু চিংফৌ জনজাতিসকলৰ ইতিহাস, ৰীতি-নীতি-পৰম্পৰা আদি বিষয়বোৰ সাঙুৰি লৈছে। দ্বিতীয় ভাগত অসমৰ পূব পাহাৰত থকা নগা, কুকি, মণিপুৰী, খাচী, জয়ন্তীয়া, গাৰো আদিৰ বিষয়ে আলোচনা কৰিছে। তৃতীয় ভাগত লুচাই পাহাৰ, ত্ৰিপুৰা ৰাজ্য আৰু চট্টগ্ৰামৰ পাহাৰীয়া অঞ্চলৰ সৈতে ব্ৰিটিছৰ ৰাজনৈতিক সম্পৰ্কৰ বিষয়ে বিস্তৃত বিৱৰণ আগবঢ়াইছে।

প্ৰশাসনীয় বিষয়ক অন্যান্য পুথিসমূহ হ'ল,- *A Sketch of the Medical Topography of Bishnath and Its Immediate Neighbourhood, with an Account of the Diseases Generally Prevailing in Assam* (১৮৩৭) - D.A. Macleod; *An Account of the Menufacture of the Black tea, As Now Practised at Suddeya in Upper Assam, by the Chinamen Sent Thither for that Purpose* (১৮৩৮) - Alexzander Bruce এ লিখা গ্ৰন্থখনত অসমত উৎপন্ন হোৱা চাহ গছৰ বিতং তথ্য সন্নিৱিষ্ট হৈছে; *Selection of Papers regarding the Hill Tracts between Assam and Burma and on the Upper Brahmaputra* (১৮৪২) - Francis Jenkins; *The Eastern Frontier of British India* (১৮৪৬) - A.C. Banerjee*; Koch, Bodo and Dimal Tribes* (১৮৪৭) (3 Parts) - Bryan H. Hodgson; *A Short List of Words of the Hill Tippera Language, containing Boro equivalents* (১৮৪৭) - D.Anderson; *Sketch of the Sight, or the Kakhyens of Burmah : the Position of this Tribe as Regards Burmah, and the Inland Trade of the Valley of the Irrawaddy with Yunan and their connection with the North Eastern Frontier of Assam* (১৮৪৭) - Simon Fraser Hannay ৰ ৭৭ পৃষ্ঠাৰ গ্ৰন্থখন W.Ridsdale এ কলিকতাৰ Military Orphan Press ৰ পৰা প্ৰকাশ কৰে; *Sketch of the Singphos and Inland Trade of the Irrawadi and Their Connection with North East Assam* (১৮৪৭) - W.W.Hunter; *Tower Diary of the Deputy Commissioner of the Naga Hills* for the year 1870-1872, Vol I & Vol II (১৮৪৮) - J. Butler; *Revenue Administration in Assam* (১৮৫৩) - Francis Jenkins; *Civil Procedure* (১৮৫৫) - Mekfasson, *Outlines of India Philosophy, with a map showing the Distribution of Indian Language* (১৮৬৭) - J. Beames; *One Authoritative Paper on the Early History of Kuch Behar* (১৮৬৯) - সম্পা. জে.লং; *Messieury Mercer and Chauvet's Report on The Cooch Behar Select Records in 1788*, Vol 2, Pp.205 (১৮৬৯) - John Lewis Chauvet, সম্প্ৰতি লণ্ডনৰ ব্ৰিটিছ লাইব্ৰেৰীত সংৰক্ষিত; *Selections from Unpublished Records of Government,* Vol 1 (১৮৬৯) - J.Long; *Selection of Papers regarding The Hill Tracts between Assam and Burmah and on Upper Brahmaputra* (১৮৭৩) - Bengal Secretariat Press, Pp.335; *The Mishimi Hills* (১৮৭৩) - T.T. Cooper; *The Lushai Expedition,* 1871-72 (১৮৭৩) - R.G.Woodthorpe; *Exercises in the Lushai Dialect* (১৮৭৪) - T.B.Lewinৰ গ্ৰন্থখন কলিকতাৰ কেন্দ্ৰীয় প্ৰেছত মুদ্ৰিত; *Mission of George Bogle to Tibet and Journey of Thomas*

Manning to Lhasa (১৮৭৬) - Ed. Clements Rubert Markham, London; *Introductory Sketch of the History of the Shans in Upper Burma and Western Yunnan,* Calcutta (১৮৭৬) - Ney Elias; *Account of the Koch Behar State* (১৮৭৬) - T.H.Lewin এ লিখা গ্ৰন্থখন কোচবিহাৰত মুদ্ৰিত; *Sketch of the Sight, or the Kakhyens of Burmah : the Position of this Tribe as Regards Burmah, and the Inland Trade of the Valley of the Irrawaddy with Yunan and their connection with the North Eastern Frontier of Assam*, Reprint (১৮৭৭) - Simon Fraser Hannayৰ গ্ৰন্থখন সংশোধিত সংস্কৰণ প্ৰস্তুত কৰে James Johnstone এ, ৫৯ পৃষ্ঠাৰ গ্ৰন্থখন কলিকতাৰ Foreign Department Press ত মুদ্ৰিত; *Language of the Indo-Chinese Peninsula and the Indian Archipelago. Proceedings of the Asiatic Society of Bengal* (১৮৭৭) - R.N.Cust[২৪৮]; *A Sketch of the Modern Languages of the East Indies* (১৮৭৮) - R.N.Cust ৰ ৫২ পৃষ্ঠাৰ গ্ৰন্থখন লণ্ডনৰ Trubner & Co.এ প্ৰকাশ কৰে[২৪৯]; *Descriptive Ethnology of Bengal* (১৮৭৯) - E.T. Dalton; *Glossary of Vernacular Terms used in official correspondence in the Pravince of Assam* (১৮৭৯); *Short account of the Kuki and Lushai tribes on the North East Frontier* (১৮৮৪) - C.A.Soppitt এ লিখা গ্ৰন্থখনৰ লগতে শ্বিলংস্থিত অসম বিধানসভা প্ৰেছত মুদ্ৰিত আন তিনিখন গ্ৰন্থ হ'ল,- *A short List of Words of the Hill Tippera Language, with their English equivalents* (১৮৮৫) - J.D.Anderson; *A short account of the Kacha Naga (Empeo) tribe in the North Cachar Hills, with an Outline Grammar* (১৮৮৫) - C.A.Soppitt; *A Collection of Kachari Folk-tales and Rhymes being a Supplement to the Rev.Endle's Kachari Grammar* (১৮৯৫) - J.D.Anderson; *Addresses Presented to His Excellency the Right Hon'ble Lord Curzon of Kadleston P.C., G.M.S.I., G.M.I.E., Viceroy and Governor General of India and His Excellency's Replies Thereto on the occasion of His Visit to Assam* (১৯০০); কলিকতাৰ গভৰ্ণমেণ্ট প্ৰিণ্টিং প্ৰেছত Edward Albert Gait ৰ *Manual of Executive Rules and Orders in Force in Assam (India)* (১৮৯৩) আৰু *The Assam Immigration Manual* (১৮৯৩) আৰু লগতে *Manual of Local Rules and Orders under Enactment Applying to Assam* (১৮৯৩) - Delegated Legislation গ্ৰন্থ তিনিখন মুদ্ৰিত হৈছে; *A*

[২৪৮] *Studies in the Literature of Assam,* Surjya Kumar Bhuyan.

[২৪৯] পূৰ্বোক্ত, *Report on Progress of Historical Research in Assam*

Pioneer Experience Among Remote Tribes and other Labours of Nathan Brown (১৮৯০); *Diary of A January to the Bor-Khamti Country and the Sources of the Irawaddi* (১৮৯৪) - Earl Gray; *Three Years in Cachar: With A short Account of the Manipur Massacre* (১৮৯৫) - M.J.Wright. Ed. J.H.Hartley; *On the Khamtis* (১৮৯৫) - P.R.T. Gurdon আদি।

৫.২২. **যুদ্ধ-বিগ্ৰহ বিষয়ক গ্ৰন্থ**

ঊনবিংশ শতিকাত ছয়খন যুদ্ধবিষয়ক গ্ৰন্থও ৰচিত হৈছে। John James Snodgrassৰ *Narative of the Burmese War* গ্ৰন্থখন প্ৰথম বাৰ্মিজ যুদ্ধৰ বিৱৰণ থকা ৩১৯ পৃষ্ঠাৰ গ্ৰন্থখন লণ্ডনৰ Albemarle Streetৰ John Murrayৰ দ্বাৰা ১৮২৭ খ্ৰীঃত প্ৰকাশিত। গ্ৰন্থখনত ব্ৰিটিছ্ পক্ষৰ পৰা Archibald Campbell ৰ নেতৃত্বত যোৱা সৈন্য বাহিনীয়ে 'ইয়াণ্ডাবু'ত কৰা সন্ধিপত্ৰলৈকে সাঙুৰিছে। উক্ত বিষয়ত একে বৰ্ষতে প্ৰকাশিত আন দুখন গ্ৰন্থ হ'ল Horace Hayman Wilson ৰ *Documents Illustrative of the Burmese War, with and Introductory Sketch of the Events of the War* প্ৰকাশ পায়। গ্ৰন্থখনত অসমকে ধৰি ভাৰতবৰ্ষৰ সীমাৰ পৰা মান সেনাক আঁতৰাই ব্ৰিটিছৰ আধিপত্য বিস্তাৰ কৰিবলৈ ব্ৰিটিছসকলে ব্ৰহ্মদেশৰ শাসনতন্ত্ৰৰ বিৰুদ্ধে কৰা যুদ্ধ (১৮২৪-১৮২৬)ৰ বিৱৰণ আৰু ফলাফলৰ ঐতিহাসিক তথ্যসমূহ লিপিবদ্ধ হৈছে। ১৮২৭ খ্ৰীঃত W. White ৰ *A Political History of the Extraordinary Events which led to the Burmese War* গ্ৰন্থত অসমকে ধৰি ভাৰতবৰ্ষৰ সীমাৰ অন্তৰ্গত ঠাইসমূহৰ পৰা মান সেনাক উৎখাত কৰি শাসনৰ ক্ষমতা নিজ হাতলৈ নিয়াৰ উদ্দেশ্যে ব্ৰিটিছে ব্ৰহ্মদেশৰ বিৰুদ্ধে কৰা যুদ্ধৰ ঐতিহাসিক বিৱৰণ লিপিবদ্ধ হৈছে। পৃ, ৭-৯ ত অসমত মান সেনাই কৰা অত্যাচাৰৰ বিৱৰণ আৰু পৃ, ১০৩ ৰ পৰা পৃ, ১৫৯ লৈ অসমৰ বিষয় অন্তৰ্ভুক্ত হৈ আছে। বাৰ্মিজ যুদ্ধৰ বৰ্ণনাৰে ২৫২ পৃষ্ঠাৰে Thomas Campbell Robertsonএ লিখা *Political Incidents of the First Burmese War* গ্ৰন্থখনো ১৮৫৩ খ্ৰীঃত প্ৰকাশ পায়। ইংৰাজ সৈন্যদলে ব্ৰহ্মদেশৰ মান সেনাৰ বিৰুদ্ধে যুদ্ধ কৰাৰ বিবৰণৰ লগতে অসমত অত্যাচাৰ, লুণ্ঠন কৰা মানসকলক ছত্ৰভঙ্গ দিয়াবলৈ লোৱা পদক্ষেপসমূহৰ বিৱৰণো সন্নিৱিষ্ট হৈছে। এই যুদ্ধত ব্ৰিটিছ্ পক্ষৰ ১৫,৫৫,৯১২.০০ টকা খৰচ হোৱাৰ তথ্য প্ৰকাশ পাইছে। আঠ মহীয়া যুদ্ধখনত ৬১ জন সেনা বিষয়া আৰু ৫৯৫ জন সৈন্যৰ মৃত্যু হৈছে। গ্ৰন্থখন লণ্ডনৰ Bread Street Hill ৰ R.Clay ৰ দ্বাৰা মুদ্ৰিত আৰু লণ্ডনৰ New Burlington Street ৰ Richard Bentleyৰ দ্বাৰা প্ৰকাশিত। পথৰুঘাটত হোৱা কৃষক বিদ্ৰোহৰ ঐতিহাসিক ঘটনাৰাজিৰে *পথৰুঘাটত কৃষক বিদ্ৰোহ* নামৰ গ্ৰন্থখন প্ৰকাশ পাইছে ১৮৯৪ খ্ৰীঃত। বাৰ্মিজ যুদ্ধৰ বিৱৰণেৰে লিখিত আন এখন গ্ৰন্থ হ'ল *On the*

Irrawaddy : A Story (Fictional Account) of the First Burmese War. George Alfred Henty ৰ ৩৫২ পৃষ্ঠাৰ গ্ৰন্থখন ১৮৯৭ খ্ৰীঃত প্ৰকাশ কৰে লণ্ডনৰ Blackie & Son এ। ব্ৰিটিছ সৈন্য বাহিনীক নেতৃত্ব দিয়া Major Snodgrass এ ইৰাৱতী নদীয়েদি আগবাঢ়ি ব্ৰহ্মদেশৰ লগত যুদ্ধত অৱতীৰ্ণ হোৱা কাহিনীৰ লগতে অসমৰ গোৱালপাৰা তথা অসমত মান সেনাক দমন কৰাৰ তথ্য সন্নিৱিষ্ট আছে।

৫.২৩. **বংশাৱলী বিষয়ক গ্ৰন্থ**

দৰঙৰ ৰজা বিষ্ণু নাৰায়ণৰ ভাতৃ খড়গ নাৰায়ণৰ নিৰ্দেশত ৰতিকান্ত দ্বিজে লিখা *ৰাজবংশাৱলী (খড়্গনাৰায়ণৰ বংশাৱলী)* প্ৰকাশ পাইছে ১৮০২ খ্ৰীঃত। বলিনাৰায়ণ ওৰফে ধৰ্মনাৰায়ণ ৰজাৰ পিছত কোচ ৰজাসকলৰ ৰাজত্বকালত দৰং ৰজাসকলৰ বহুকেইটি প্ৰজন্মৰ বংশলতা এই গ্ৰন্থত সন্নিৱিষ্ট আছে।[২৫০] ১৮০৬ খ্ৰীঃত বলদেৱ সূৰ্য্যখৰি দৈৱজ্ঞৰ *সমুদ্ৰ নাৰায়ণৰ বংশাৱলী* গ্ৰন্থখন দৰঙৰ ৰজা সমুদ্ৰ নাৰায়ণৰ নিৰ্দেশত লিখিছে। পুথিখনিত বাৰভূঞাসকলৰ সংক্ষিপ্ত বিৱৰণ উল্লেখ কৰা হৈছে। কামৰূপ-কমতা ৰাজ্যত কোচ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰাৰ অৰ্থে বিশ্বসিংহৰ দ্বাৰা বাৰভূঞাসকলক দমন অথবা নিহত কৰাৰ বিৱৰণো লিখিছে।[২৫১] ১৮৬৩ খ্ৰীঃত দুৰ্গাদাস মজুমদাৰে অসমীয়া কাব্যিক ছন্দত লিখা *ৰাজবংশাৱলী* গ্ৰন্থখন কোচ ৰজাসকলৰ বিস্তৃত পৰিচয়েৰে সমৃদ্ধ। ১ম ৰ পৰা ষষ্ঠ পৃষ্ঠালৈকে পুৰণি কামৰূপ ৰাজ্যৰ অধিপতি সম্বুৰাসুৰৰ ৰাজত্বকাল, বাৰ ভূঞাৰ বিৱৰণ আৰু বিশ্ব সিংহৰ বংশ পৰিচয় বৰ্ণিত হৈছে। অন্যান্য বংশাৱলীমূলক গ্ৰন্থসমূহ হ'ল,- *ৰাজোপাখ্যান* (১৮৩৩) - জয়নাথ ঘোষে কোচ সাম্ৰাজ্যৰ ৰাজন্যবৰ্গৰ বিষয়ে লিখা গ্ৰন্থ; *মহাৰাজবংশাৱলী* (১৮৪৭) - ৰিপুঞ্জয় দাস; *শ্ৰীগুৰু বংশাৱলী* (১৮৬৯) - অনিৰুদ্ধ দাস[২৫২]; *বিজনী ৰাজবংশ* (১৮৭৬) - তাৰিণী প্ৰসাদ সেনে অসমৰ বিজনী অঞ্চলৰ ৰাজবংশৰ বিষয়ে বাংলা ভাষাত লিখা গ্ৰন্থখনি গোৱালপাৰাৰ হিত-বিধায়িনী প্ৰেছত মুদ্ৰিত। ঊনবিংশ শতিকাৰ প্ৰকাশৰ সম্ভাৱনা থকা অথচ প্ৰকাশৰ চন নথকা বংশাৱলী বিষয়ক গ্ৰন্থসমূহ হ'ল,- *বটদ্ৰৱা সত্ৰৰ মহন্তসকলৰ বংশাৱলী* - বটদ্ৰৱা সত্ৰত পোৱা যায়; *মিচামাটী বংশাৱলী* - মিচামাটী সত্ৰত পোৱা যায়; *শঙ্কৰ-মাধৱদেৱৰ বংশাৱলী চৰিত্ৰ* - দৈত্যাৰি ঠাকুৰে শঙ্কৰদেৱৰ সংক্ষিপ্ত বংশাৱলী আৰু জীৱনী লিখিছে; *শঙ্কৰ-মাধৱদেৱৰ বংশাৱলী চৰিত্ৰ* -পুৰুযোত্তম ঠাকুৰ; *শ্ৰীশঙ্কৰ-মাধৱদেৱৰ বংশাৱলী চৰিত্ৰ* - ৰামচৰণ ঠাকুৰে লিখা বিস্তাৰিত বংশাৱলী আৰু জীৱনী।

---

২৫০ Maheswar Neog, *Sankaradeva and His Times : Early History of the Vaishnava Faith and Movement in Assam,* p.34.

২৫১ Ibid, p.34.

২৫২ ibid, Bibliography Section.

৫.২৪. ঐতিহাসিক তথ্য সম্বলিত সংক্ষিপ্ত স্মৃতিকথামূলক গ্ৰন্থ

১৮৩১ খ্ৰীঃত Adam White ৰ *A Memoir of the Late Devid Scott* গ্ৰন্থখন কলিকতাৰ চাৰ্কুলাৰ ৰ'ডত থকা বেপ্টিষ্ট মিছন প্ৰেছত ছপা হৈ লণ্ডনৰ পৰা ১৮৩২ খ্ৰীষ্টাব্দত প্ৰকাশ পায়। ১৮২৬ খ্ৰীষ্টাব্দত ডেভিড স্কটক বঙ্গদেশৰ উত্তৰ পূব সীমান্তৰ 'গৰ্বনৰ জেনেৰল'ৰ এজন প্ৰতিনিধি ৰূপে অসমৰ ৰাজহ বিভাগৰ আয়ুক্ত পদত মনোনীত হৈছে। অসমৰ বিষয়ে নিজ দক্ষতাৰে তেওঁ জ্ঞান আহৰণ কৰি ঐতিহাসিক বুৰঞ্জী সম্বন্ধীয় বিষয়ৰ ওপৰত নতুন দৃষ্টিভঙ্গী দাঙি ধৰিছে। ডেভিড স্কটৰ মৃত্যুত স্মৃতিগ্ৰন্থৰূপে লিখা গ্ৰন্থখন বিভিন্ন সময়ত কিছুমান ব্যক্তিলৈ লিখা চিঠিৰ সাৰাংশ। গ্ৰন্থখনত চিঠিৰ নমুনা তুলি ধৰাৰ লগতে ডেভিড স্কটৰ অসমত থকা সময়ত ঘটা বিভিন্ন ঘটনা উল্লেখ কৰিছে। পাতনিত উত্তৰ-পূবৰ ডেভিড স্কটৰ সম্পৰ্কলৈ অহা ভালেসংখ্যক লোকৰ নাম উল্লেখ কৰিছে। গুৱাহাটীৰ নামটো ইংৰাজী Gowahatty বুলি লিপিৰদ্ধ হৈ আছে। একেদৰে সেই সময়ত প্ৰচলিত অসমৰ বহু অঞ্চলৰ ঠাইৰ নাম তদানীন্তন ৰূপত লিপিৰদ্ধ হৈ আছে।[২৫৩]

১৮৪০ খ্ৰীঃত প্ৰকাশিত *Memoir of the Countries on and Near the Eastern Frontier of Sylhet* গ্ৰন্থত থমাছ ফিচাৰৰ স্মৃতিৰ লগতে কাছাৰ জিলাৰ দাঁতিকাষৰীয়া অঞ্চলৰ ইতিহাস, ৰীতি-নীতি, পৰম্পৰা, ধৰ্মীয় অনুষ্ঠান আদিৰ বিষয়ে বহু তথ্য সন্নিৱিষ্ট আছে। ১৮৩২ খ্ৰীঃত ব্ৰিটিছে কাছাৰ হস্তগত কৰাৰ বিৰৰণৰ লগতে কাছাৰ ৰাজ্য দুখন যে ৰজা তুলাৰাম সেনাপতি আৰু ৰজা গোবিন্দ চন্দ্ৰৰ দ্বাৰা শাসিত আছিল সেই কথাৰো উল্লেখ আছে। *Memoir of Jan Harmsden* গ্ৰন্থৰ চি. হেছেলমেয়াৰে কৰা অসমীয়া অনুবাদ *য়ান থাৰ্মচেন নামেৰে এটা মাউৰা লৰাৰ বিবৰণ* পুথিখন শিৱসাগৰৰ আমেৰিকান বেপ্টিষ্ট মিছনত ১৮৫২ খ্ৰীঃত মুদ্ৰিত। মাইলছ ব্ৰনছনে অসমীয়া ভাষাৰ পুনৰ প্ৰচলনৰ বাবে দাবী উত্থাপন কৰি স্মাৰক পত্ৰ প্ৰস্তুত কৰি ২১৬ জন শিক্ষিত লোকৰ স্বাক্ষৰ লৈ প্ৰস্তুত কৰা প্ৰতিবেদন *The Humble Memorial of the Assamese Community at Nowgong Assam* কেই ১৮৭২ খ্ৰীঃত গ্ৰন্থৰূপত প্ৰকাশ কৰা হয়। ১৮৩৭ খ্ৰীঃত প্ৰকাশিত Seeley Jackson & Halliday এ প্ৰস্তুত কৰা *The Missionary Register 25* গ্ৰন্থখনত ইংলেণ্ড আৰু আমেৰিকাৰ পৰা অসমলৈ অহা খ্ৰীষ্টান মিছনাৰীসকলৰ তথ্য সন্নিৱিষ্ট হৈ আছে। Eugenio Kincaid ক চাহ গছৰ সন্ভেদ ল'বলৈ অসমলৈ পঠিওৱাৰ তথ্যও সন্নিৱিষ্ট আছে।

---

২৫৩ David Scott's Historical Notes.

৫.২৫. বিবাহ অনুষ্ঠানৰ নীতি-নিয়ম সম্পৰ্কীয় গ্ৰন্থ

বিয়ানামৰ ভিন্ন ৰসধৰ্মী গীত সংগ্ৰহ কৰি ডিব্ৰুগড়ত আসাম ৰেলৱে ট্ৰেডিং কোম্পানী লিমিটেডে স্থাপন কৰা ছপাশালৰ পৰা ১৮৯০ খ্ৰীঃত প্ৰকাশ কৰে *বিয়াৰ নাম* (প্ৰথম খণ্ড)। ১৮৯০ খ্ৰীঃত বলদেৱ মহন্তৰ বিবাহ অনুষ্ঠানৰ নিয়ম-নীতি আৰু গীত-মাতৰ পুথি *খোৰা-খুৰনী* কলিকতাৰ পৰা প্ৰকাশিত হয়। হেমচন্দ্ৰ বৰুৱাই ১৮৯২ খ্ৰীঃত প্ৰকাশ কৰা *Notes on the Marriage System of the Peoples of Assam* গ্ৰন্থত উজনি, নামনি আৰু মধ্য অসমৰ বিভিন্ন মতাদৰ্শৰে বসবাস কৰা আহোম, কছাৰী, মিচিং আদি জনসাধাৰণৰ বৈবাহিক কাৰ্য প্ৰণালীৰ আভাস দিয়া হৈছে। কলিকতাৰ বি.এম. প্ৰেছত মুদ্ৰিত গ্ৰন্থখনিত শাস্ত্ৰীয় বিবাহ পদ্ধতিৰ আলোচনাও আছে। ১১ টা অধ্যায়ত বিষয়সমূহ সন্নিৱিষ্ট হৈছে। Ceremonies observed by the Brahmans at their marriage (Anti Nuptial Ceremonies), Nuptial Ceremonies, Marriage of Formal Union, Post Nuptial Ceremonies আদি। পুথিখনৰ দুটা সংস্কৰণ ঊনবিংশ শতিকাত প্ৰকাশ হৈ ওলাইছে।[২৫৪]

৫.২৬. অন্যান্য গ্ৰন্থ

অসমৰ বুৰঞ্জী আৰু ভৌগোলিক বিষয়ক বিভিন্ন তথ্যৰে John Peter Wade উত্তৰ লখিমপুৰৰ পৰা ঘূৰি গৈ প্ৰণয়ন কৰা The Asiatic Annual Register ত *An Account of Assam* নামেৰে গ্ৰন্থখন ১৮০৫ খ্ৰীঃত প্ৰকাশ পায়। ১৯২৭ খ্ৰীঃত বেণুধৰ শৰ্মাৰ সম্পাদনাত পুনৰ মুদ্ৰিত হৈছে। John M'cosh ৰ *Topography of Assam* গ্ৰন্থখন কলিকতাৰ বেঙ্গল মিলিটাৰী অৰফান প্ৰেছৰ পৰা ১৮৩৭ খ্ৰীঃত প্ৰকাশিত হয়। অসমৰ বিস্তৃত বিৱৰণ, খলা-বমা মাটিৰ পৰিমাণ, পাহাৰ আৰু ভৈয়ামৰ জলবায়ুৰ প্ৰভেদৰ বিৱৰণ, নদ-নদীৰ প্ৰাচুৰ্য আৰু ইয়াৰ অৰ্থনৈতিক প্ৰভাৱ, অসমৰ বাৰেবৰণীয়া জনজাতিসকলৰ জীৱন-যাপন প্ৰণালী, খনিজ সম্পদৰ লগতে নানান ধৰণৰ প্ৰাকৃতিক সম্পদ, সীমাৰ বিৱৰণ, ৰাজবংশ, ৰজাসকলৰ বিৱৰণ, আহোম ভাষা আদি বিষয়বস্তু ১৪ টা অধ্যায়ত আলোচনা কৰিছে। উইলিয়াম ৰবিন্সনে লিখা অসমৰ বুৰঞ্জী বিষয়ক এখন বৃহৎ গ্ৰন্থ *A Descriptive Account of Assam* গ্ৰন্থখন দিল্লীৰ Sanskaran Prakashak এ ১৮৪১ খ্ৰীঃত প্ৰকাশ কৰে। অসমৰ ভৌগোলিক বিৱৰণ, জলবায়ু, ভূতত্ত্ব, উদ্ভিদতত্ত্ব, প্ৰাণীবিদ্যা, চাহগছৰ ইতিহাস, চুবুৰীয়া ৰাজ্যৰ জনজাতীয় লোকৰ জীৱন প্ৰণালী, ৰীতি-নীতি, সামাজিক পৰম্পৰা, ইতিহাস, সাংস্কৃতিক জীৱন আদি বিষয়ত আলোকপাত কৰিছে।

[২৫৪] *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী*, সংক. সম্পা. যতীন্দ্ৰনাথ গোস্বামী, পৃ.৩৭৭।

১৮৪৭ খ্ৰীঃত J.Butler এ প্ৰস্তুত কৰা *A Sketch of Assam with Some Accounts of the Hill Tribes* গ্ৰন্থখন লণ্ডনৰ স্মিথ এলডাৰ এণ্ড কোম্পানীয়ে প্ৰকাশ কৰিছে। ৩ টা অধ্যায়ৰ প্ৰথম অধ্যায়ত, অসমৰ পদাতিক সৈন্যৰ পদত নিয়োজিত লেখকে অসম, গোৱালপাৰা, গুৱাহাটীৰ ভ্ৰমণ বৃত্তান্ত, নৌকা বিহাৰ, শিৱসাগৰ আৰু চৈখোৱাৰ বৰ্ণনা, অসমৰ জনজাতিসকল, অসমৰ পঁজাসমূহৰ বৰ্ণনা, অসমৰ জলবায়ু আৰু অসমলৈ বিনা অনুমতিত প্ৰৱেশ কৰা সকলৰ বিষয়ে লিখিছে। দ্বিতীয় অধ্যায়ত,- উত্তৰ-পশ্চিম অসমৰ ভ্ৰমণ বৃত্তান্ত আৰু বাসস্থানৰ বিৱৰণ, বৰযুণৰ বতৰত বৰপেটাৰ বৰ্ণনা, ভূত-পিশাচ অথবা শিয়াল-বাদুলীৰ বৰ্ণনা, গছৰ পাতত থকা পোকৰ বিৱৰণ, অৰণ্যত থকা গাঁওসমূহৰ বৰ্ণনা, বনৰীয়া জন্তুৰ প্ৰাচুৰ্য, মৃত্যুৰ হাৰ, কৃষি, খেতি পথাৰৰ অনিষ্ট হোৱাৰ কাৰণ, জনসংখ্যা আদিৰ বিৱৰণ আছে। তৃতীয় অধ্যায়ত, - অৰণ্য আৰু ঘাঁহনি পথাৰ, বাঘ, হাতী, ম'হ, গঁড়, গাহৰি আৰু হৰিণাৰ বৰ্ণনা, ইউৰোপীয়ান সকলৰ দ্বাৰা খেতিপথাৰৰ আৰম্ভণি, বিষযুক্ত ধনুকাঁড়ৰ জৰিয়তে জন্তু হত্যা, ফাঁহ/ খোৰোচাৰে বনৰীয়া হাতীৰ চিকাৰ, উদ্যোগ আদিৰ বৰ্ণনা লিখিছে।

জাৰ্মান ভাষাত Oscar Flex এ ২৫৪ পৃষ্ঠাৰ *Pflangerleben in Indien : Kulturgeschichtliche Bilder aus Assam* গ্ৰন্থ লিখে ১৮৭৩ খ্ৰীঃত। ১৮৬৪ খ্ৰীষ্টাব্দৰ পৰা ১৮৬৭ খ্ৰীষ্টাব্দৰ ভিতৰছোৱাত চাহ খেতিয়কৰ জীৱন আৰু অসমীয়া সমাজৰ বিষয়ে, বিশেষকৈ যোৰহাটৰ কাষৰ ককিলামুখ ঠাইখণ্ডৰপৰা যোৰহাটৰ ন-আলি, মৰিয়নি-গোলাঘাট, ধোদৰআলি, পূৰ্বৰ লম্বাটিং, টেঙামৰা আদি অঞ্চলৰ বিষয়ে বৰ্ণনা কৰিছে। এজন পৰ্যবেক্ষক ৰূপে বিভিন্ন বিষয়ৰ দৃশ্যপট লিপিবদ্ধ কৰা পুথিখন চালিম আলীয়ে *অসম ১৮৬৪* নামেৰে অসমীয়ালৈ অনুবাদ কৰিছে। লণ্ডনৰ Trubner & Co. এ ১৮৭৯ খ্ৰীঃত প্ৰকাশ কৰা William Wilson Hunter ৰ *A Statistical Account of Assam* Vol I, Vol II গ্ৰন্থ দুখন এডিনবৰাৰ MORRISON and GIB ছপাশালত মুদ্ৰিত হৈছে। কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ আৰু লখিমপুৰ, গোৱালপাৰা, গাৰো পাহাৰ, নগা পাহাৰ, খাচী পাহাৰ আৰু জয়ন্তীয়া পাহাৰ, ছিলেট আৰু কাছাৰ ৰাজ্যৰ পৰিসংখ্যাগত তথ্যৰ উপৰি মানচিত্ৰও সংলগ্ন থকা গ্ৰন্থখন দুটা খণ্ডত বিভক্ত। Adolf Bastianৰ জাৰ্মান ভাষাত ব্ৰহ্মপুত্ৰৰ কথা লিখা *Volkerstamme am Brahmaputra und Verwandtschaftliche Nachbarn* গ্ৰন্থখন বাৰ্লিনৰ Ferd Diimlers Verlagsbuchhandlung, Harrwitz and Gassmannৰ দ্বাৰা ১৮৮৩ খ্ৰীঃত প্ৰকাশিত। Susan R.Ward ৰ *A Glimpse of Assam* গ্ৰন্থখন Thomas S. Smith এ কলিকতাৰ বেণ্টিংক ষ্ট্ৰীটৰ চিটি প্ৰেছৰ পৰা প্ৰকাশ কৰে ১৮৮৪ খ্ৰীঃত। আমেৰিকা যুক্তৰাষ্ট্ৰৰ University of Michigan Libraries ত সংৰক্ষিত গ্ৰন্থখন ২৫৬ পৃষ্ঠাত ২০ টি অধ্যায়ৰে সমৃদ্ধ। অসমৰ

ঐতিহাসিক, ভৌগোলিক, ৰাজনৈতিক, সাংস্কৃতিক দিশৰ বৰ্ণনাৰ লগতে ভালেসংখ্যক চিত্ৰ সংযুক্ত কৰা হৈছে। অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্যৰ বিষয়েও আলোচনা কৰা হৈছে।[২৫৫]

হিউৱেন চাঙৰ চীনা ভাষাৰ পৰা ছেমুৱেল বেলে কৰা ইংৰাজী অনুবাদ *Si-Yu-Ki - Buddhist Records of the Western World* গ্ৰন্থখন লণ্ডনৰ ট্ৰাবনাৰ এণ্ড কোম্পানীয়ে ১৮৮৪ খ্ৰীষ্টাব্দত প্ৰকাশ কৰে। অসমৰ বিষয়ে চীনা পৰিব্ৰাজক হিউৱেন চাঙে লিখা টোকাৰ বিৱৰণ আৰু বৌদ্ধধৰ্মৰ তথ্যৰে গ্ৰন্থখন সমৃদ্ধ। S.O.Bishop ৰ *Sketches in Assam* কলিকতাৰ Thomas S. Smith ৰ দ্বাৰা বেণ্টিংক ষ্ট্ৰীটস্থিত 'চিটি প্ৰেছ'ত ১৮৮৫ খ্ৰীঃত মুদ্ৰিত। ২৫৭ পৃষ্ঠাৰে ৩৩ (তেত্ৰিশ) টা অধ্যায়ত এই গ্ৰন্থত অসমৰ বৰ্ণাঢ্য ৰূপ তুলি ধৰিছে।[২৫৬] সবিশেষ তথ্য নোপোৱা গ্ৰন্থবোৰ হ'ল,- *Life in Assam* (১৮৮৯); T. Kinneyৰ *Old Times of Assam* (১৯৯৬), *A Desultory Notice of the Commerce of Assam* (১৮০৮) - Francis Hamilton Buchanan; *An Account of Assam with some notices concerning the Neighbouring Territories* (১৮২০) - Francis Hamilton Buchanan; *Assam and the Eastern Frontier* (১৮৩২) - Capt. Jenkins; *Assam : Sketch of its History, Soil and productions with the Discovery of the Tea-Plant and of the Countries adjoining, Assam* (১৮৩৯) - Elder Smith & Co.; *Burma and Assam, An Account of the Burman Empire and the Kingdom of Assam* (১৮৩৯) - Wade, Cox and Buchanan Hamilton.

স্মৃতিশাস্ত্ৰৰ প্ৰায়শ্চিত্ত তত্ত্ব, উদ্বাহ তত্ত্ব, অশৌচ তত্ত্ব আৰু অদ্ভুত তত্ত্বৰ সাৰাংশৰে মহীৰামদেৱ বিদ্যাৰত্নই পদ্য আৰু গদ্যত অসমীয়া ভাঙনি কৰা *ব্যৱহাৰ দৰ্পণ* মাজুলীৰ সত্ৰাধিকাৰ গোস্বামীয়ে ১৮৯১ খ্ৰীষ্টাব্দত প্ৰকাশ কৰে। ১৮৯১ খ্ৰীঃত সত্যনাৰায়ণ পূজাৰ পাঠ সন্নিৱিষ্ট কৰি *সত্যনাৰায়ণ পদপুথি* খন জখলাবন্ধা সত্ৰই প্ৰকাশ কৰে।[২৫৭] সংস্কৃত আৰু বাংলা ভাষাত ৰচিত *যোগিনী তন্ত্ৰ* কলিকতাৰ হৰি প্ৰেছত ১৮৯২ খ্ৰীঃত মুদ্ৰিত। তন্ত্ৰশাস্ত্ৰ, কামৰূপৰ পুৰণি কথা, দানৱ, নৰক, কামাখ্যা দেৱী আদিৰ বিৱৰণেৰে সমৃদ্ধ গ্ৰন্থখনত প্ৰাচীন কামৰূপ ৰাজ্যৰ উত্তৰে কুঞ্জগিৰী (হিমালয় পৰ্বত), পূবে-দিক্ষু নদী, দক্ষিণে - ব্ৰহ্মপুত্ৰৰ সাগৰ সঙ্গম আৰু পশ্চিমে - কৰতোৱা নদী বুলি উল্লেখ কৰিছে। এনে বিষয়ৰ আন গ্ৰন্থবোৰ হ'ল,- *অশ্বনিদান* (১৮০৬) - সূৰ্য্যখড়িদৈৱজ্ঞ; *বেজালি* ১ম ভাগ (১৮৮৯) - দিবাকৰ শৰ্ম্মা[২৫৮]; *গুৰুৰতি; ন-ভনী;*

---

[২৫৫] পূৰ্বোক্ত, *অৰদান*, পৃ.৬৪।
[২৫৬] *কলিকতা ৰিভিউ*, খণ্ড ৮, পৃ.১৯৫।
[২৫৭] *জোনাকী*, ১৮৯১ খ্ৰীষ্টাব্দ, তৃতীয় ভাগ, অষ্টম সংখ্যা।
[২৫৮] *জোনাকী*, ১৮৮৯ খ্ৰীষ্টাব্দ, ভাদ মাহ।

নৰ-সিংহ; নাৰাণী; নিদান; নেউলী; পাশুপত্ৰ; পিশাঁচৰ পুথি; নিদান; বজেলী; বজ্ৰ কূট; বৰ বেজালী; বসন্ত নিদান; বায়ু; বায়ু কৰতি; বাৰ-ভনী; বিলাহী বেজিনী; বেজিনী; ব্ৰহ্ম কৰতি; ব্ৰহ্ম কোদাল; ভুৰ চপোৰা; ভাটীয়লী; ভুল বেজালী; ভৈৰৱী; মণিৰাজ; মধ্য বেজালী; মাছ; মুৰণ কৰতি; মেচেন্দা; মেচান্দৰি; মোড়ণ; ৰাম কৰতি; ৰাম মন্ত্ৰ; ৰুদ্ৰ কৰতি; শগুণী; হৰ কৰতি; সূৰ্য্য কৰতি; সুদৰ্শন চক্ৰ; সৰু কলাপ; সৰু বেজালী; সৰ্পমন্ত্ৰ; শঙ্কু; শঙ্খ; সাগৰ মথনী; সাত ভনী আদি।

বঙ্গৰ মুখ্য ন্যায়াধীশ ৰূপে ভাৰতত থকা সময়ছোৱাত ৰ'বাৰ্ট চেম্বাৰ কেণ্টে সংগ্ৰহ কৰা তথ্য আৰু লেডী চেম্বাৰ, লণ্ডনৰ এক বিস্তৃত ইতিহাসৰ ৱিবৰণেৰে *Catalogue of the Sanskrit Manuscripts* নামৰ ৩৫ পৃষ্ঠাৰ পুথিখন প্ৰকাশ পায় ১৮৩৮ খ্ৰীঃত।[২৫৯] ৮০০ পুথি বৰ্ণমালা অনুসৰি পুথিৰ নাম, গদ্য নে পদ্য, ছপা হোৱা নে নোহোৱা, গ্ৰন্থকাৰৰ নাম আদিৰে ৫৪ পৃষ্ঠাৰ সংকলন *অসমীয়া পুথিৰ তালিকা* কলিকতাৰ অ.ভা.উ.সা.স.ৰ পৰা ১৮৯৫ খ্ৰীঃত প্ৰকাশ হৈ ওলাইছে। ৰমাকান্ত বৰকাকতি আৰু কনকলাল বৰুৱাই সমল সংগ্ৰহ আৰু সম্পাদনাৰ কাম কৰিছে। উত্তৰ লখিমপুৰৰ পানীন্দ্ৰনাথ গগৈ আৰু কলিকতাৰ অসমীয়া লোকসকলৰ আৰ্থিক সহায়ত গ্ৰন্থখন ছপা কৰিছে।[২৬০] ১৮৯৭ খ্ৰীঃত *Report on the Progress of Historical Research in Assam* প্ৰস্তুত কৰে Sir Edward Gait এ। আসাম ছেক্ৰেটেৰীয়েট প্ৰিণ্টিং অফিচ, শ্বিলংৰ পৰা প্ৰকাশিত গ্ৰন্থখনত ১৮৯৪ খ্ৰীঃৰ অক্টোবৰ মাহৰ পৰা ১৮৯৭ খ্ৰীঃৰ ফেব্ৰুৱাৰী মাহলৈ বুৰঞ্জী বিষয়ক তথ্য সন্নিৱিষ্ট কৰিছে। অভয়শঙ্কৰ গুহ, হেমচন্দ্ৰ গোঁহাই, দীননাথ দাস আৰু অন্যান্য বিষয়া কৰ্মচাৰীৰ সহযোগত প্ৰস্তুত হৈছে। বুৰঞ্জীমূলক গবেষণাৰ অগ্ৰগতি, কাৰ্যৰ তালিকা, আহোম মুদ্ৰা, কোচ মুদ্ৰা, জয়ন্তীয়া মুদ্ৰা, টিপ্পৰা মুদ্ৰা, কাছাৰ আৰু মণিপুৰৰ মুদ্ৰা, শিলালিপি, আহোম শিলালিপি, অন্যান্য শিলালিপি, মন্দিৰত খোদিত লিপি, বৰতোপত খোদিত লিপি, তামৰ ফলি, বুৰঞ্জী, ধৰ্মগ্ৰন্থ, আচাৰ-ব্যৱহাৰ, চলন-ফুৰণ, পুৰাণ-শাস্ত্ৰ আদি উপস্থাপন কৰিছে।

মাটিৰ জৰীপ সম্পৰ্কে অসমীয়া ভাষাত কালিৰাম বৰুৱাই লিখা *ভূমি পৰিমাণ* প্ৰথম আৰু দ্বিতীয় সংস্কৰণ ক্ৰমে ১৮৭৯, ১৮৮০ খ্ৰীঃত কলিকতাৰ পৰা প্ৰকাশিত হয়। এই বিষয়ৰ আন পুথিসমূহ হৈছে,- *Assam Land Revenue Manual* (১৮৯১); *The Land System of British India,* Part IX, Oxford (১৮৯২); *Assam Land Revenue Manual* (১৮৯৬) - E.A.Gait; *Notes on Assam Land Revenue System* (১৮৯৭) - Sir William E. Ward; *Note on the Assam Land Revenue System*

---

২৫৯ *অসমীয়া পুথিৰ তালিকা সমন্বয়, Catalogues Catalogurum of Assamese Manuscripts।* সম্পা. যতীন্দ্ৰ মোহন ভট্টাচাৰ্য, এচিয়াটিক চ'চাইটি, ১৯৮৯।

২৬০ *জোনাকী,* ষষ্ঠ ভাগ, তৃতীয় সংখ্যা, ফেব্ৰুৱাৰী-মাৰ্চ, ১৮৯৬।

(১৮৯৭) - W.W.Erskine; *জৰিপ পৰিমিতি* - ভোলনাথ দাস; *ভূমি পৰিমাণ* - চন্দ্ৰশেখৰ বৰুৱা; *ভূমি পৰিমাণৰ পুথি* - বকুল কায়স্থ; *ভূমি পৰিমাণ* - ব্ৰজপতি বন্দ্যোপাধ্যায়।

ৰত্ন ধাৰণ আৰু সেৱনৰ দোষ-গুণ জানি অজ্ঞতা-অজ্ঞানতা দূৰ কৰিবলৈ ৰুদ্ৰৰাম বড়দলৈয়ে ৭১ পৃষ্ঠাৰে লিখা *ৰত্নমণি* পুথিখন ২১০/১ কৰ্ণৱালিছ ষ্ট্ৰীট, কলিকতাৰ মণিমোহন ৰক্ষিতে ভিক্টোৰিয়া প্ৰেছৰ পৰা ১৮৮৫ খ্ৰীঃত প্ৰকাশ কৰে। সাতটা অধ্যায়ত,- সাধাৰণ ব্যাখ্যা, ৰত্ন বিৱৰণ, হীৰাৰ বিৱৰণ, প্ৰস্তৰ জাতীয় অন্য প্ৰকাৰ ৰত্নৰ বিৱৰণ, মুক্তাৰ বিৱৰণ, মুক্তাৰ বিশেষ বিৱৰণ, বিদ্ৰুম বা পোৱাল আৰু ধাতু ৰত্ন আদি বিৱৰিত হৈছে। হিন্দুশাস্ত্ৰৰ আৰ্য পণ্ডিতসকলে ৰত্ন বুলি চিনাকি দিয়া মতেই *ৰত্নমণি* লিখিছে।[২৬১]

আৰোগ্যৰ বিধান, নৰিয়াৰ কাৰণ আদিৰে হেমচন্দ্ৰ বৰুৱাই ১৮৮৩ খ্ৰীঃত প্ৰস্তুত কৰে *স্বাস্থ্যৰক্ষা বা গা ভালে ৰাখিবৰ উপায়* পুথিখন। ইংৰাজী পুথি *The Way to Health (A Sanitary Primol)* ৰ অসমীয়া অনুবাদ কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিদ্যালয়সমূহত ব্যৱহাৰৰ অনুমোদন পায়। শক্তি সঞ্চয়, বলৱান আৰু নিৰোগী জীৱন যাপনৰ বাবে সন্নিৱিষ্ট কৰা পাঠসম্ভাৰ হৈছে, বিশুদ্ধ বায়ু, নিৰ্মল পানী, উত্তম খাদ্য, দীপ্তি বা পোহৰ, পিন্ধিবৰ উপযুক্ত কাপোৰ, অঙ্গচালনা, নিদ্ৰা, ভাল ঘৰ, নগৰ আৰু গাঁৱৰ ৰক্ষণাবেক্ষণ, ৰোগ, আকস্মিক ঘটনাৰ পৰা হোৱা পীড়া আদি।[২৬২] ১৮৮৬ খ্ৰীঃত উক্ত গ্ৰন্থৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ হয়। স্বাস্থ্য বিষয়ক অন্যান্য গ্ৰন্থসমূহ হ'ল,- *স্বাস্থ্য বিধি* (১৮৮৫) - নৰনাথ মহন্ত; *স্বাস্থ্যৰক্ষাৰ প্ৰশ্নোত্তৰ* (১৮৮৫) - বাপুৰাম শৰ্ম্মা; *স্বাস্থ্য প্ৰসাদ* (১৮৮৮) - ৰমাকান্ত বৰকাকতি; *স্বাস্থ্য শিক্ষা* - ভাৰতচন্দ্ৰ ৰায়ৰ পুথিখন ৰমাকান্ত বৰকাকতিয়ে প্ৰকাশ কৰিছে; *প্ৰসূতি কিম্বা অসমীয়া ধাত্ৰী বিদ্যা* (১৮৯৭) - কুশকান্ত বৰকাকতি; অসমীয়া ভাষাত হোমিঅ'পেথিৰ প্ৰথম গ্ৰন্থ *প্ৰসূতি* (১৮৯৭) - কুশকান্ত বৰকাকতি।[২৬৩] *ব্যায়াম শিক্ষা*, ১ম, ২য় ভাগ - মজিৰুদ্দিন আহমেদ আদি।

১৮৩৭ খ্ৰীঃত বানপানী বিষয়ক ১৪ পৃষ্ঠাৰ *History of the Flood* পুস্তিকাখন ৫০০ কপি ছপা হয়। এই বৰ্ষতে W.Griffith ৰ *Journey From Upper Assam Towards Hookhoom, Ava and Rangoon (Selection of papers regarding the Hill Tracts Between Assam and Burmah)* আৰু Bayfield ৰ *Narrative of a journey from Ava to the frontier of Assam* প্ৰকাশ পাইছে।[২৬৪]

---

[২৬১] *সাতসৰী* আলোচনী।

[২৬২] পূৰ্বোক্ত, *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী*, পৃ.৩৪৫।

[২৬৩] *জোনাকী*, ১৮৯৭, সপ্তম ভাগ, চতুৰ্থ সংখ্যা।

[২৬৪] পূৰ্বোক্ত, *Report on Progress of Historical Research in Assam.*

দক্ষিণ ভাৰতৰ ১৭খন সুপ্ৰসিদ্ধ তীৰ্থৰ বিৰৰণ আৰু মাহাত্ম্য বৰ্ণনাৰে ***তীৰ্থ দৰ্শন*** (প্ৰথম অংশ) বৰদাপ্ৰসাদ বসুৱে সংকলন কৰে। হৰিচৰণ বসুৱে গ্ৰন্থখনি সম্পাদনা কৰি ।০ (চাৰি অনা) মূল্য নিৰ্ধাৰণেৰে ১৮৯১ খ্ৰীঃত প্ৰকাশ কৰে।[২৬৫] W.Griffith ৰ অসম, বাৰ্মা, আফগানিস্তান আদি ভ্ৰমণৰ অভিজ্ঞতাৰে ২৪ টা অধ্যায়ৰ গ্ৰন্থ *Journals of travels in Assam, Burma, Bootan and Afghanistan*, 2 Vols ১৮৪৭ খ্ৰীঃত প্ৰকাশ পায়। চাহ গছৰ পৰীক্ষণ, মিচমি পৰ্বতৰ ভ্ৰমণ বৰ্ণনা, তৃতীয় অধ্যায়ত চাহ গছৰ বৰ্ণনা, হুকুম যাত্ৰা, আভা দেশ যাত্ৰা, গছ-গছনিৰ সাধাৰণ বৃত্তান্ত, ইৰাৱতী-আভা-ৰেঙ্গুন ভ্ৰমণ, অসম অভিমুখে যাত্ৰা, গছপুলিৰ বিতৰণ, ভুটান যাত্ৰাৰ টোকা, বতৰ বিজ্ঞান নিৰীক্ষণ, ইণ্ডাছ সৈন্যৰ সৈতে লুধিয়ানাৰ পৰা কণ্ডহৰ লৈ যাত্ৰা, কণ্ডহৰৰ পৰা কাবুললৈ যাত্ৰা, কাবুলৰ পৰা বামিয়ান - হেলমাণ্ড আৰু অক্ষু নদীলৈ যাত্ৰা, কাবুলৰ পৰা জালালাবাদ আৰু পেশ্বাৰৰলৈ যাত্ৰা, পেশ্বাৰৰ পৰা পুচাটলৈ যাত্ৰা, গছ পুলিৰ ফলোৎপাদন, পুচাটৰ পৰা কাফিৰিস্তানৰ কুষ্টুৰ আৰু বাৰৌললৈ যাত্ৰা, পুচাট আৰু কাবুলৰ বিৰৰণ, পেশ্বাৰৰ পৰা লাহোৰলৈ যাত্ৰা, লাহোৰৰ পৰা চিমলালৈ যাত্ৰা, আফগানিস্তানৰ বিভিন্ন ঠাইৰ টোকাৰে গ্ৰন্থখন ভৰি আছে। ১৮৫৫ খ্ৰীঃত জ'ন বাটলাৰ *Travels and Adventures in the Province of Assam* লণ্ডনৰ স্মিথ, এলডাৰ এণ্ড কোম্পানীয়ে প্ৰকাশ কৰে। অসমত ১৪ বছৰ কালৰ অভিজ্ঞতা সন্নিৱিষ্ট কৰা গ্ৰন্থখন *'A Sketch of Assam* নামেৰে নতুন সংস্কৰণ ৰূপে প্ৰকাশ কৰে। ২৬৬ পৃষ্ঠাৰ গ্ৰন্থখনত বনৰীয়া জীৱ-জন্তু আৰু জনজাতি সম্প্ৰদায়ৰ সমাজ, কৃষ্টি আৰু সংস্কৃতি, অঙ্গামী নগা, কুকি, মিকিৰ আৰু ৰেঙ্গমা নগা সমাজৰ ৰীতি-নীতি সন্নিৱিষ্ট কৰিছে। অসমত অতিবাহিত কৰা এজন অসামৰিক বিষয়াৰ কৰ্মময় জীৱনৰ মনোৰম ব্যাখ্যা, ৰাজকীয় বৃত্তান্ত, জনগণৰ শাৰীৰিক তথা মানসিক দিশৰ উত্তৰণ আদিৰে অসমৰ এক বিৰৰণ দাঙি ধৰিছে। অসমৰ যথেষ্ট তথ্য সন্নিৱিষ্ট *উদাসীন সত্যশ্ৰবাৰ আসাম* গ্ৰন্থখন লিখে ৰামকুমাৰ বিদ্যাৰত্নই ১৮৮০ খ্ৰীঃত। ১ টকা মূল্যৰ গ্ৰন্থখন কলিকতাৰ Ray Press Depository, 14 College Square ৰ উদ্যোগত, বি.এম.ঘোষৰ দ্বাৰা সাধাৰণ ব্ৰাহ্ম সমাজ, ৯৩, কলেজ ষ্ট্ৰীটত মুদ্ৰিত।[২৬৬] উনবিংশ শতিকাত অসমৰ ইতিহাস, সমাজ, সংস্কৃতি, ধৰ্ম, কৃষি, অৰ্থনীতিকে আদি কৰি বিভিন্ন বিষয়ৰ এক চাক্ষুষ বিৰৰণ, এখন গুৰুত্বপূৰ্ণ দলিল। 'উদাসীন সত্যশ্ৰবা' লেখকৰ এটা পোছাকী নাম। ব্ৰাহ্ম ধৰ্ম গ্ৰহণ কৰাৰ পাছত লেখকে এই নামেৰে পৰিচিত হৈছিল। গ্ৰন্থখনৰ অন্তৰ্ভাগত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱৰ বিষয়ে বিস্তাৰিতভাৱে গুণানুকীৰ্ত্তন সন্নিৱিষ্ট কৰিছে। ৰামকুমাৰ বিদ্যাৰত্নই অসম ভ্ৰমণ

---

[২৬৫] উল্লিখিত, ১৮৯১, তৃতীয় ভাগ, একাদশ-দ্বাদশ সংখ্যা।

[২৬৬] ব্ৰাহ্ম ধৰ্মৰ প্ৰতি আসক্ত হৈ ধৰ্ম গ্ৰহণৰ পাছত ৰামকুমাৰ বিদ্যাৰত্নই *উদাসীন সত্যশ্ৰবা* পোছাকী নামটো গ্ৰহণ কৰে। — সম্পাদকীয় ভূমিকা।

কালত বৰপেটা সত্ৰত অনুষ্ঠিত এখন বক্তৃতা সভাত অংশগ্ৰহণ কৰিছিল।[২৬৭] ৰামকুমাৰ বিদ্যাৰত্নৰ বিষয়ে শ্ৰীলক্ষ্মীনাথ বেজবৰুৱাই *মোৰ জীৱন সোঁৱৰণ* [২৬৮] ত উল্লেখ কৰিছে। ১৮৭৮ খ্ৰীঃত এই গ্ৰন্থৰ বাংলা সংস্কৰণ *উদাসীন সত্যশ্ৰবার আসাম ভ্ৰমণ* প্ৰকাশ পায়। ৰাম সৰস্বতীৰ *সিন্ধু যাত্ৰা* গ্ৰন্থখন দুতিৰাম মজিন্দাৰে ১৮৯১ খ্ৰীঃত প্ৰকাশ কৰে। ১৮৫৫ খ্ৰীঃত E.T.Dalton ৰ ভ্ৰমণমূলক পুথি *Visit to an Abor village* কলিকতাৰ পৰা প্ৰকাশ পায়।[২৬৯] অন্যান্য ভ্ৰমণমূলক পুথিৰ ভিতৰত,- *My experiences in Manipur and the Naga Hills* (১৮৯৬) - James Johnstone; *Du Tonkin Aux Indes* (১৮৯৮) - D'Orleans, ফ্ৰেঞ্চ ভাষাত ৰচিত ৪৪২ পৃষ্ঠাৰ গ্ৰন্থখন ফ্ৰান্সৰ Calmann Levy 21 Rue du Maontparnass Parisত মুদ্ৰিত। ফৰাচী ৰজা হেনৰী ডি'অৰ্লেচে টনকিনৰ পৰা লাওচ, ব্ৰহ্মদেশ, অসমলৈ ভ্ৰমণৰ বৰ্ণনাৰে লিখা *From Tonkins to India* ১৮৯৮ খ্ৰীঃত প্ৰকাশ পায়।

১৯০০ খ্ৰীঃত হেমলতা কাকতিৰ *স্বপ্ন চৰিত্ৰ* খন ডিব্ৰুগড়ৰ 'অসমীয়া পুস্তকালয়'ৰ হলিৰাম কলিতাই প্ৰকাশ কৰে। অসমীয়াত সপোন বিষয়ক পুথিৰ অভাৱ অনুভৱ কৰি সংস্কৃত শ্লোকৰ পৰা সপোন সম্পৰ্কীয় কিছু কথা অসমীয়ালৈ অনুবাদ কৰা ১২ পৃষ্ঠাৰ পুথিখন দুঅনা মূল্যৰ। এই বিষয়ৰ আন এখন পুথি *স্বপ্নাধ্যায়* ৰচনা কৰে ভায়াৰাম শৰ্ম্মা পূজাৰীয়ে।[২৭০] অসমীয়া ভাষাত ছাত্ৰ-ছাত্ৰীৰ বাবে ১৬ পৃষ্ঠাৰ প্ৰশ্নোত্তৰ *Catechism in Assamese* ৫০০ কপি মুদ্ৰিত হয় ১৮৩৭ খ্ৰীঃত। ১৮৩৭ খ্ৰীঃত মাইলছ ব্ৰনছনে টাই ভাষাত ১৮ পৃষ্ঠা কেটেকিজম্ অৰ্থাৎ কিছু প্ৰশ্নোত্তৰ যুগুতাই ৫০০ প্ৰতিলিপি মুদ্ৰিত কৰে। G. Mathir এ ১৮৭০ খ্ৰীঃত খ্ৰীষ্টধৰ্মৰ কিছু প্ৰশ্নোত্তৰ অসমীয়ালৈ অনুবাদ কৰি *Hindu Objection to Christian Religion Answered* পুস্তিকাখন এ.এইচ.ডেনফ'ৰ্থ প্ৰস্তুত কৰে।[২৭১] বাংলা পঞ্জিকাত নথকা বহু নতুন তথ্য সন্নিৱিষ্ট কৰি গন্ধীয়াৰ বেথাৰাম শৰ্ম্মোপাধ্যায়ে অসমীয়াত লিখা *অসমীয়া পঞ্জিকা* ১৯০০ খ্ৰীঃত প্ৰকাশ পায়।[২৭২] তদুপৰি জ্যোতিষবিষয়ক আন আন পুথিসমূহ হ'ল, *জ্যোতিষ* (৬৮ পৃ), জ্যোতিষ অঙ্ক (৬৮ পৃ.), *জ্যোতিষ অঙ্ক* (প্ৰশ্ন গণনা, ৫২ পৃ), *জ্যোতিষ চুড়ামণি* (৩২ পৃ), *জ্যোতিষ চুড়ামণি* (২৪ পৃ), *জ্যোতিষ চুড়ামণি* (৬৪ পৃ), *বিহু পঞ্জিকা গণনা* (২৪ পৃ), *অঙ্ক গণিত জ্যোতিষ* আদি।[২৭৩]

---

[২৬৭] কানাইলাল চট্টোপাধ্যায়, *আসামে চাহ কুলির আন্দোলন ও রামকুমার বিদ্যারত্ন*, কলিকতা, ১৯৮৯, পৃ.১৬৮।

[২৬৮] লক্ষ্মীনাথ বেজবৰুৱা, *'মোৰ জীৱন সোঁৱৰণ'*, প্ৰকা. উৎপল হাজৰিকা, বাণী মন্দিৰ সং., ২০০৬ খ্ৰীঃ, পৃ.৭৪-২৬ (ষষ্ঠ অধ্যায়)

[২৬৯] পূৰ্বোক্ত, *Report on Progress of Historical Research in Assam.*

[২৭০] *সাতসৰী*, পঞ্চদশ বছৰ, পঞ্চম সংখ্যা, ডিচেম্বৰ, ২০১৯।

[২৭১] পূৰ্বোক্ত, *স্মৰণীয় বৰণীয়*, পৃ.৯।

[২৭২] *জোনাকী*, ১৯০১, প্ৰথম ভাগ, দ্বিতীয় সংখ্যা।

[২৭৩] দণ্ডিৰাম দত্তৰ সৌজন্যত প্ৰাপ্ত।

ঊনবিংশ শতিকাত প্ৰকাশিত আন কিছু গ্ৰন্থ হৈছে,- *ৰঙ্গিলীৰ পুথি* - কেফায়ৎ উল্লা (কেফায়েৎ উল্লাহ)[২৭৪]; *মেম* (১৮৯২) - নীলকণ্ঠ বৰুৰা; ইংৰাজী পুথি Line-Upon Line ৰ অসমীয়া অনুবাদ *Lines Left Out* (১৮৯৩)- Jessie T.Moore; *নিগ্ৰো* (১৮৯৯) - দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৰা; *জ্ঞান সোপান* (১৮৯৬) - ৰজনীকান্ত বৰদলৈ; *জ্ঞান মঞ্জৰী* - ৰেৱানন্দ পণ্ডিত; *জ্ঞানাঙ্কুৰ* - চন্দ্ৰশেখৰ বৰুৰা, *জ্ঞানাঙ্কুৰ* ১ম, ২য় ভাগ - নৰনাথ মহন্ত; *বিশ্বকানন* - চন্দ্ৰশেখৰ বৰুৰা, *লৰাবোধ* ২য় ছোৱা - লম্বোদৰ বৰা; *সময় বৰ্ণন* - চন্দ্ৰশেখৰ বৰুৰা; *ব্যৱস্থা* - নগাঁৱৰ ৰুদ্ৰৰাম বড়দলৈ; *বস্তু শিক্ষা* - লক্ষ্মীৰাম বৰা; *শুকনান্দী; শান্তি ৰত্ন; ৰত্নাকৰ টীকা* - মাধৱদেৱ; *শীতলা* - সংস্কৃত 'শীতলা'ৰ অনুবাদ, জখলাবন্ধা সত্ৰৰ ৰঘুদেৱ গোস্বামীৰ দ্বাৰা অনূদিত; *ব্যৱস্থা পুথি* - ৰুদ্ৰাম (ৰুদ্ৰৰাম) গোস্বামী আদি।[২৭৫]

---

২৭৪ *অসমীয়া লৰাৰ মিত্ৰ*, সম্পা. যোগেন্দ্ৰ নাৰায়ণ ভূঞা, ভূমিকা, পৃ ০৩২।

২৭৫ *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী*, সম্পা. যোগেন্দ্ৰ নাৰায়ণ ভূঞা, প্ৰকা. অসম প্ৰকাশন পৰিষদ, পৃ. পাতনি ৩।

ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থ্ৰ বিষয়ভিত্তিক পাৰিসাংখ্যিক বিশ্লেষণ

ক্ৰ.নং	বিষয়		গ্ৰন্থসংখ্যা
৫.০১.	সনাতন ধৰ্মবিষয়ক গ্ৰন্থ	=	৯৬
৫.০২.	খ্ৰীষ্টান ধৰ্মবিষয়ক পুথি	=	১৩৩
৫.০৩.	ভাষা বিষয়ক গ্ৰন্থ	=	১২
৫.০৪.	প্ৰবন্ধ বিষয়ক গ্ৰন্থ	=	২৭
৫.০৫.	কবিতা আৰু গীতৰ গ্ৰন্থ	=	৪৯
৫.০৬.	কাব্য, উপাখ্যানমূলক গ্ৰন্থ	=	৭৩
৫.০৭.	অসমীয়া ব্যাকৰণ, শব্দাৰ্থ, পাঠ্যপুথি আদি	=	১২৭
৫.০৮.	উপন্যাসধৰ্মী গ্ৰন্থ	=	১২
৫.০৯.	নাটক বিষয়ৰ গ্ৰন্থ	=	৮৫
৫.১০.	অভিধান গ্ৰন্থ	=	১০
৫.১১.	বৈষ্ণৱ সাহিত্য বিষয়ক গ্ৰন্থ	=	২৩
৫.১২.	অসমৰ বৈষ্ণৱ গুৰু আৰু অন্যান্য সকলৰ জীৱনী গ্ৰন্থ	=	২৯
৫.১৩.	বুৰঞ্জী বিষয়ক গ্ৰন্থ	=	২৩
৫.১৪.	ভূগোল বিষয়ক গ্ৰন্থ	=	১১
৫.১৫.	বিজ্ঞান বিষয়ক গ্ৰন্থ	=	৮
৫.১৬.	বধকাব্য, নিধন কাহিনীমূলক গ্ৰন্থ	=	৪১
৫.১৭.	আইন সম্পৰ্কীয় গ্ৰন্থ	=	৬
৫.১৮.	গণিত (অঙ্ক) বিদ্যা বিষয়ক গ্ৰন্থ	=	৩২
৫.১৯.	নীতি-উপদেশমূলক গ্ৰন্থ	=	১৪
৫.২০.	প্ৰতিবেদনমূলক বিৱৰণ সংকলিত গ্ৰন্থ	=	৩৩
৫.২১.	প্ৰশাসন বিষয়ক গ্ৰন্থ	=	৪১
৫.২২.	যুদ্ধ-বিগ্ৰহ বিষয়ক গ্ৰন্থ	=	৬
৫.২৩.	বংশাৱলী বিষয়ক গ্ৰন্থ	=	১১
৫.২৪.	ঐতিহাসিক তথ্য সম্বলিত সংক্ষিপ্ত স্মৃতি কথামূলক গ্ৰন্থ	=	৬
৫.২৫.	বিবাহ অনুষ্ঠানৰ নীতি-নিয়ম সম্পৰ্কীয় গ্ৰন্থ	=	৩
৫.২৬.	অন্যান্য গ্ৰন্থ	=	১৩০
	সৰ্বমুঠ প্ৰকাশিত গ্ৰন্থ	=	১০৪১


ঊনবিংশ শতিকাত ৰচিত গ্ৰন্থৰ বিষয়ভিত্তিক দণ্ডচিত্ৰ
৮৫
প্ৰকাশিত গ্ৰন্থৰ সংখ্যা
০
২০
৪০
৬০
৮০
১০০
১২০
১৪০
৯৬
১৩৩
১২
২৭
৪৯
৭৩
১২৭
১২
৮৫
১০
২৩
২৯
২৩
১১
৮
৪১
৬
৩২
১৪
৩৩
৪১
৬
১১
৬
৩
১৩০
বি.১
বি.২
বি.৩
বি.৪
বি.৫
বি.৬
বি.৭
বি.৮
বি.৯
বি.১০
বি.১১
বি.১২
বি.১৩
বি.১৪
বি.১৫
বি.১৬
বি.১৭
বি.১৮
বি.১৯
বি.২০
বি.২১
বি.২২
বি.২৩
বি.২৪
বি.২৫
বি.২৬
ভাষাভিত্তিক গ্ৰন্থৰ স্থিতি